অসমীয়া

# বিজেপি বাৰ্তা

বিশেষ সংখ্যা

Asomiya BJP Barta ISSN 2582-8276 **ASOMIYA BJP BARTA** RNI REGD. NO.ASSASS/2018/75974

দশম বছৰ ■ ষষ্ঠ/সপ্তম সংখ্যা ■ জুন / জুলাই ২০২৬ ■ Monthly journal ■ Vol. 10.■ No.06-07 ■ June/July 2026 ■ Rs 10





অসমীয়া

# বিজেপি বাৰ্তা

Asomiya BJP Barta ISSN 2582-8276 **ASOMIYA BJP BARTA** RNI REGD.NO.ASSASS/2018/75974

সংখ্যা ঃ দশম বছৰ ঃ ষষ্ঠ/সপ্তম সংখ্যা ঃ জুন-জুলাই, ২০২৬ ■ Monthly journal, Vol. 10. No. 05/06, June-July, 2026, Rs.10

## বিশেষ সংখ্যা

## শূন্যৰ পৰা শিখৰলৈ মহাবিজয় গাথা....

ভাৰতীয় জনতা পাৰ্টি অসম প্ৰদেশৰ হৈ সুশান্ত বিশ্বাসৰ দ্বাৰা প্ৰকাশিত আৰু মা মনসা প্ৰিণ্টাৰ্চৰ হৈ বনজিৎ তালুকদাৰৰ দ্বাৰা মুদ্ৰিত

Printed by Banajit Talukdar and Published by Susanta Biswas on behalf of Bharatiya Janata Party, Assam Pradesh and Printed at **Maa Manasha Printers, Guwahati-24, Published at Atal Bihari Vajpayee Bhawan, Basistha Chariali, Guwahati-28, Phone : 0361-2355522,**

**E-mail : editor.bjpbarta@gmail.com** **Website : www.asomiyabjpbarta.in**

অসমীয়া
# বিজেপি বাৰ্তা
Asomiya BJP Barta

সংখ্যা ঃ দশম বছৰ ঃ ষষ্ঠ/সপ্তম সংখ্যা ঃ জুন-জুলাই, ২০২৬ ■ Monthly journal, Vol. 10. No. 05/06, June-July, 2026, Rs.10

## সূচীপত্ৰ

প্ৰথম পৃষ্ঠা/০২

- **সেৱা, সুৰক্ষা আৰু বিকশিত ভাৰতৰ সপক্ষে জনসাধাৰণৰ দৃঢ় আস্থা** //সৰ্বানন্দ সোণোৱাল //০৭
- **বিজেপিৰ মহাবিজয় গেৰুৱা ছুনামিত নিচিহ্ন হৈ গ'ল বিৰোধী** //প্ৰিয়াংকু নাৰায়ণ বৰুৱা //১০
- **প্ৰত্যাশাৰ সূৰ্য্যোদয় ঃ** //প্ৰদীপ বৰ্মন// ১২
- **পশ্চিমবংগত ৰাজনৈতিক পৰিবৰ্তন** //অজিত জানা //১৫
- **বিজেপিৰ উত্থান-বলিদানৰ পৰা বৰ্তমানলৈ** //শংকৰ দাস //১৭
- **বিজেপিৰ ইতিহাস আৰু অসমৰ বিকাশযাত্ৰাৰ এক চমু অৱলোকন** //ড° প্ৰদীপ ঠাকুৰীয়া //২১
- **বিজেপিৰ অসমত ৰাজনৈতিক উত্থান-প্ৰথম নিৰ্বাচনত জিকাৰ পৰা এতিয়ালৈ-** //মিশন ৰঞ্জন দাস //২৬
- **ৰাজনীতিয়ে নোৱাৰা কাম সংস্কৃতিয়ে পাৰে যিবোৰ কথা আলোচনালৈ নাহিল...** //অনুৰাধা শৰ্মা পূজাৰী //২৮

সাক্ষাৎকাৰ

**বিজেপি কিয় প্ৰথম পছন্দৰ দল-**

যতীন গোস্বামী //৩১
ডঃ ৰাম চন্দ্ৰ ডেকা//৩২
মলয়া গোস্বামী //৩২
তৰুণ কলিতা//৩৩
তয়বুন নিছা //৩৪
মৃদুল কুমাৰ শৰ্মা//৩৫
জীনু শইকীয়া বৰা//৩৬
আব্দুল ৰহমান//৩৭

- **ব্যৱসায় পেছা এতিয়া হাতৰ মুঠিত** //ৰূপম গোস্বামী //৩৮
- **মোদী যুগ আৰু আত্মবিশ্বাসী ভাৰত** //ভূপেন্দ্ৰ নাথ ভট্টাচাৰ্য //৪০
- **নতুন অসমৰ স্বপ্নদ্ৰষ্টা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন এনডিএ** //ড° অমিয় কুমাৰ ভূঞা //৪৩

- জৰুৰীকালীন অৱস্থাৰ ৫০ বছৰ //ৰঞ্জীৱ শৰ্মা // ৪৬
- বিজেপিৰ অন্যতম বুনিয়াদ অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ আৰু অসম // হেমন্ত ভট্টাচাৰ্য্য // ৫০
- অসমত বিজেপিৰ উত্তৰণৰ স্বৰ্ণিল যাত্ৰা //নৱজ্যোতি পাটোৱাৰী // ৫২
- ভাৰতীয় জনতা পাৰ্টি আৰু অসমৰ জনজাতি সকল // হেমচন্দ্ৰ দলে // ৫৮
- অসমৰ সুৰক্ষা আৰু উন্নয়নৰ বাবে ভাৰতীয় জনতা পাৰ্টিৰ দায়বদ্ধতা //ধ্ৰুৱ প্ৰসাদ বৈশ্য // ৬২
- কেন্দ্ৰৰ জন-কল্যাণ আঁচনি আৰু অসমৰ আৰ্থ-সামাজিক সুৰক্ষা //মৃন্ময় ভূঞা // ৬৫
- নাৰীশক্তিৰ উত্থান //ডঃ কংকনা গোস্বামী // ৬৭
- ৰাজ্যিক বিজেপিৰ জিলা সভাপতি সকলৰ অনুভৱ //৭০-৮৮





## সম্পাদনা সমিতি

ড° প্ৰদীপ ঠাকুৰীয়া
ড° অমিয় কুমাৰ ভূঞা
বেণুধৰ নাথ
প্ৰদীপ বৰ্মন
নৱজ্যোতি পাটোৱাৰী

সম্পাদক
জিতেন্দ্ৰ শৰ্মা



ভাৰতীয় জনতা পাৰ্টি অসম প্ৰদেশৰ হৈ সুশান্ত বিশ্বাসৰ দ্বাৰা প্ৰকাশিত আৰু মা মনসা প্ৰিণ্টাৰ্চৰ হৈ বনজিৎ তালুকদাৰৰ দ্বাৰা মুদ্ৰিত
Printed by Banajit Talukdar and Published by Susanta Biswas on behalf of Bharatiya Janata Party, Assam Pradesh and
Printed at Maa Manasha Printers, Guwahati-24, Published at Atal Bihari Vajpayee Bhawan, Basistha Chariali, Guwahati-28, Phone : 0361-2355522,
E-mail : editor.bjpbarta@gmail.com Website : www.asomiyabjpbarta.in

ড° হিমন্ত বিশ্ব শৰ্মা
Dr. Himanta Biswa Sarma

सत्यमेव जयते

মুখ্যমন্ত্ৰী, অসম
Chief Minister, Assam



দিছপুৰ
চি এম এছ ৭/২০২৩/৭০২৫
৪ আহাৰ, ১৪৩৩ ভাস্কৰাব্দ
১৯ জুন, ২০২৫ ইং

## শুভেচ্ছাবাণী

ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ দ্বাৰা প্ৰকাশিত 'অসমীয়া বিজেপি বাৰ্তা'ৰ জুন-জুলাই মাহৰ সংখ্যাটি 'মহাবিজয় সংখ্যা' শীৰ্ষকেৰে বৰ্দ্ধিত কলেৱৰত প্ৰকাশৰ বাবে প্ৰস্তুতি চলোৱা বুলি জানিবলৈ পাই মই অতিশয় আনন্দিত হৈছোঁ।

অসমবাসীৰ অগাধ আস্থা, বিশ্বাস আৰু আশীৰ্বাদৰ বলত সদ্যসমাপ্ত বিধানসভা নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টিয়ে এক ঐতিহাসিক আৰু অভূতপূৰ্ব বিজয় সাব্যস্ত কৰিছে। এই নিৰ্বাচনত বিজেপি মিত্ৰজোঁটে ১২৬ খন আসনৰ ভিতৰত ১০২ খন আসন লাভ কৰাটো অসমৰ ৰাজনৈতিক ইতিহাসৰ এক নতুন মাইলৰ স্তম্ভ। এই বিজয় হৈছে উন্নয়ন, নাৰীশক্তি বন্দন, স্বকীয় পৰিচয় আৰু বিকশিত অসমৰ প্ৰতি জনতাৰ থকা সবল সমৰ্থনৰ প্ৰকাশ। বিকাশ, উন্নয়ন আৰু ঐতিহ্য সুৰক্ষাৰ অৰ্থে আমাৰ দলে অব্যাহত ৰখা আন্তৰিক প্ৰচেষ্টালৈ ৰাইজে জনোৱা সঁহাৰিৰো এই বিজয়ে স্পষ্ট প্ৰকাশ ঘটাইছে।

ভাৰতীয় জনতা পাৰ্টি হৈছে নীতি-আদৰ্শৰ ওপৰত প্ৰতিষ্ঠিত এক ৰাজনৈতিক শক্তি। আমাৰ সকলৰ বাবে ৰাজনীতি কেৱল শাসনৰ ৰাজনীতি নহয়; ই হৈছে সেৱাৰ ৰাজনীতি, বিশ্বাসৰ ৰাজনীতি আৰু ৰাষ্ট্ৰ গঠনৰ এক পবিত্ৰ কৰ্মযজ্ঞ। একাত্ম মানৱতাবাদৰ আদৰ্শ সন্মুখত ৰাখি সমাজৰ সৰ্বস্তৰৰ লোকৰ কল্যাণৰ হকে দৃঢ় সংকল্প লৈ ভাৰতীয় জনতা পাৰ্টিয়ে কৰ্মত অগ্ৰসৰ হৈছে। দূৰদৰ্শী প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ 'সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস আৰু সবকা প্ৰয়াস'ৰ নীতিক সাৰোগত কৰি আমি শক্তিশালী, স্বাভিমানী, আত্মনিৰ্ভৰ আৰু খিলঞ্জীয়াৰ স্বাৰ্থ সুৰক্ষিত হোৱা এনে এখন নতুন অসম গঢ়াৰ সংকল্প লৈ আগবাঢ়িছোঁ, যিখন অসম হ'ব ২০৪৭ চনৰ উন্নত ভাৰতবৰ্ষৰ সবল আৰু গৌৰৱী অংশীদাৰ। এই দিশত অসমে ইতিমধ্যে আৰম্ভ কৰা অটল আৰু অবিচল যাত্ৰাত সদ্যসমাপ্ত বিধানসভা নিৰ্বাচনৰ অভূতপূৰ্ব বিজয়ে আমাৰ দায়িত্ব আৰু কৰ্তব্য অধিক বৃদ্ধি কৰিলে। ৰাজ্যখনৰ উন্নয়ন আৰু সুৰক্ষাৰ স্বাৰ্থত যাতে ৰাজ্য চৰকাৰে আগুৱাব পাৰে তাৰ বাবে ভাৰতীয় জনতা পাৰ্টিৰ প্ৰতিগৰাকী কাৰ্যকৰ্তা অধিক সচেষ্ট হ'ব লাগিব।

'অসমীয়া বিজেপি বাৰ্তা'ৰ বৰ্দ্ধিত কলেৱৰৰ বিশেষ সংখ্যাটি প্ৰকাশৰ সৈতে জড়িত সংশ্লিষ্ট সকলোকে মই শুভেচ্ছা জ্ঞাপন কৰিলোঁ। আশা কৰোঁ, এই বিশেষ সংখ্যাটি ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টিৰ ঐতিহাসিক বিজয় উদযাপনৰ এক উজ্জ্বল স্মাৰক হিচাপে চিহ্নিত হৈ ৰ'ব।

সদৌ শেষত মই জুন-জুলাই সংখ্যাৰ 'অসমীয়া বিজেপি বাৰ্তা'খন সৰ্বত্ৰে সমাদৃত হ'ব বুলি আশা কৰিলোঁ।

(ড° হিমন্ত বিশ্ব শৰ্মা)

# ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশ

BJPAP/SPL/DS/2025-27/BJPBA-1 তাৰিখ : ৮ আহাৰ, ১৯৪৮ শকাব্দ।। ২৩ জুন, ২০২৬



## শুভেচ্ছা বাৰ্তা

অসমৰ সংসদীয় ইতিহাসত বিগত ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনত বিজেপি নেতৃত্বাধীন এন.ডি.এ মিত্ৰজোটে ১০২খন আসন জয়লাভেৰে এক নতুন ইতিহাস ৰচিলে। এই জয় ৰাজ্যখনৰ সকলো জাতি-জনগোষ্ঠীৰ বিশ্বাস আৰু আস্থাৰ অভিব্যক্তি। এই ঐতিহাসিক জয়লাভ মাননীয় যশস্বী প্ৰধানমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোদী ডাঙৰীয়া আৰু অসমৰ সৰ্বকালৰ জনপ্ৰিয়, কৰ্মদক্ষ আৰু ভৱিষ্যতদৰ্শী মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ চৰকাৰে ৰাজ্যখনক অনিৰুদ্ধ প্ৰগতিৰ পথেৰে আৰু এখন সুৰক্ষিত অসম নিৰ্মাণৰ হকে কৰা কামৰ প্ৰতিফলন। ভাৰতীয় জনতা পাৰ্টিয়ে এই মহা বিজয়ক অসমবাসী ৰাইজৰ শ্ৰীচৰণত অৰ্পণ কৰিছে। বিজেপিয়ে ৯০খন আসনত প্ৰতিদ্বন্দ্বিতা কৰি ৮২খন আসনত জয়লাভ কৰিলে অৰ্থাৎ বিজয়ৰ হাৰ ৯১.১শতাংশ। সমহাৰে বিজেপি আৰু এন.ডি.এ মিলি প্ৰায় ৫১ শতাংশ ভোট লাভ কৰি তৃতীয়বাৰৰ বাবে অসমত বিজেপিৰ নেতৃত্বত এন.ডি.এ. চৰকাৰ গঠন হ'ল।

বিগত ৪৬ বছৰে ভাৰতীয় জনতা পাৰ্টিৰ সাংগঠনিক শিপা বিস্তাৰ আৰু ৰাষ্ট্ৰীয়তাবাদী আদৰ্শক শক্তিশালী কৰিবৰ বাবে শদিয়াৰ পৰা ধুবুৰী আৰু গড়চুকৰ পৰা শ্ৰীভূমিলৈকে ৰাজ্যৰ চৌদিশে অগণন কাৰ্যকৰ্তাৰ কঠোৰ পৰিশ্ৰম, পবিত্ৰ সাধনা আৰু বলিদানৰ বিনিময়ত অসমবাসী ৰাইজে আমাক এই ঈৰ্ষণীয় সফলতাৰ সাক্ষী কৰিলে। এই প্ৰেক্ষাপটত মই দলৰ সৰ্বস্তৰৰ কাৰ্যকৰ্তা, জ্যেষ্ঠ নেতৃত্ব আৰু এন.ডি.এৰ প্ৰতিগৰাকী নেতা-কৰ্মীলৈ লগতে পৰম শ্ৰদ্ধাৰে সমৰ্থক শুভাকাংক্ষী আন্তৰিক কৃতজ্ঞতা তথা আন্তৰিক কৃতজ্ঞতা আৰু অভিনন্দন জ্ঞাপন কৰিছোঁ। লগতে অসমবাসী ভোটদাতা ৰাইজকো মই পৰম শ্ৰদ্ধাৰে অন্তৰৰ নিভৃত কোণৰ পৰা কৃতজ্ঞতা আৰু ধন্যবাদ নিবেদন কৰিছোঁ।

২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক বিকশিত ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠিত কৰাৰ আমাৰ সংকল্পক চৰিতাৰ্থ কৰাত সকলোৰে সমান সহযোগিতা আৰু প্ৰয়াসৰ প্ৰয়োজন। আমি দৃঢ় বিশ্বাসী ভাৰতবৰ্ষই এক স্বৰ্ণিম যুগত আহি উপস্থিত হৈছে আৰু নিশ্চিতভাৱে আমি আমাৰ লক্ষ্যত উপনীত হ'ব পাৰিম। আহি অসমীক ভাৰতৰ বুকুত এখন বিকশিত, সুৰক্ষিত আৰু আত্মনিৰ্ভৰশীল ৰাজ্য হিচাপে প্ৰতিষ্ঠা কৰাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত দল-সংগঠন আৰু চৰকাৰে সমন্বয় আৰু সহযোগিতাৰ বাণীৰে একেলগে আগবাঢ়ি যাব আৰু অসমবাসী ৰাইজৰ আশা-আকাংক্ষাসমূহক ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনত ঘোষণা কৰা সংকল্প পত্ৰখনক আখৰে আখৰে ৰূপায়ণ কৰিব। ইতিমধ্যে অসম চৰকাৰৰ প্ৰথমখন কেবিনেট সভাই এই সংকল্প পত্ৰক আধাৰ হিচাপে লৈ ৰাজ্যখনৰ প্ৰগতিৰ দুৱাৰ মুকলি কৰিব বুলি সিদ্ধান্ত গ্ৰহণ কৰিছে।

সনাতনী সভ্যতাৰ লগতে অসমীয়া কৃষ্টি পৰম্পৰাৰ সংৰক্ষণ আৰু জাতি-মাটি-ভেটি ৰক্ষাৰ বাবে বিগত সময়ত বিজেপি নেতৃত্বাধীন অসম চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহ আগন্তুক পাঁচ বছৰত আৰু অধিক শক্তিশালীভাৱে ৰূপায়ন কৰিব বুলি আমি আশাবাদী।

সৰ্বো শেষত অসমৰ জনগণৰ আবেগ - অনুভূতি আৰু ৰাষ্ট্ৰ জীৱনক সমৃদ্ধ কৰিব পৰা কৰ্মসূচী সমূহৰ অসমবাসী ৰাইজে নিশ্চয় ভৱিষ্যতেও সহাৰি জনাব বুলি আমি আন্তৰিকতাৰে বিশ্বাস কৰো। পুনৰ এবাৰ এই মহাবিজয় অসমৰ জনগণৰ প্ৰতি অৰ্পণ কৰিলো।

ধন্যবাদেৰে।

ভৱদীয় —

( দিলীপ শইকীয়া, সাংসদ )
ৰাজ্যিক সভাপতি
ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশ

ৰাজ্যিক কাৰ্যালয়
অটল বিহাৰী বাজপেয়ী ভৱন, বিজেপি কাৰ্যালয়, বশিষ্ঠ চাৰিআলি, গুৱাহাটী - ৭৮১০২৯ ।। Email : bjp.guwahati@gmail.com

সম্পাদকীয়



# বিজেপিৰ মহাবিজয়

যোৱা অসম বিধান সভাৰ নিৰ্বাচনত বিজেপি দলে অভূতপূৰ্ব সফলতা লাভ কৰাই নহয়, অসমৰ সংসদীয় ৰাজনীতিত ইতিহাসৰো সৃষ্টি কৰিলে। বিজেপি দলৰ শীৰ্ষ নেতৃত্বই দাবী কৰি অহা সংখ্যাটোকে সত্য প্ৰমাণিত কৰি দলটোৱে অকলেই ৮২ খন আসন দখল কৰিলে। সন্মিলিত ভাৱে বিজেপিৰ মিত্ৰজোঁট এন.ডি.এ ই দখল কৰিলে ১০২ খন আসন। এটা সাধাৰণ নিৰ্ব্বাচনত ১২৬ খন আসনৰ ভিতৰত ১০২ খন আসন লাভ কৰাটো ধেমালিৰ কথা নহয়। ইয়াৰ বাবে প্ৰয়োজন দীৰ্ঘদিনীয়া প্ৰস্তুতি, সুপৰিকল্পনা, নেতৃত্বৰ পাৰদৰ্শিতা আৰু সৰ্বোপৰি দলৰ প্ৰতিগৰাকী সদস্য-সদস্যাৰে নিষ্ঠা, একাগ্ৰতা আৰু ত্যাগৰ মনোভাৱ। অতি সুখৰ কথা যে এই আটাইকেইটা দিশতে বিজেপি অতি সুখ্যাতিৰে উতীৰ্ণ হ'ল। বিগত নিৰ্ব্বাচনত কেবাটাও উল্লেখযোগ্য প্ৰসংগই ৰাজ্যখনৰ লগতে ৰাজ্যৰ বাহিৰৰ ভূ ৰখা মহলৰো দৃষ্টি আকৰ্ষণ কৰিছে। প্ৰথম কথাটো হ'ল প্ৰতিটো নিৰ্বাচনতে ভোটাৰৰ মনত ক্ৰিয়া কৰা প্ৰাথমিক অনুভৱটোৱেই হ'ল শাসকীয় দলটো আৰু চৰকাৰখনৰ বিপক্ষে থকা 'প্ৰতিষ্ঠান বিৰোধী টৌ'। বিশ্বৰ বোধহয় প্ৰতিটো নিৰ্ব্বাচনতে ফলাফলত মূল ভূমিকা লোৱা এই বিষয়টোৱেই হ'ল প্ৰতিষ্ঠান বিৰোধী টৌ' অৰ্থাৎ Anti incumbancy। সবাতোকৈ গুৰুত্বপূৰ্ণ দিশটো হ'ল এইবাৰ অসমত 'প্ৰতিষ্ঠান বিৰোধী' নহয় 'প্ৰতিষ্ঠান সমৰ্থন'ৰ টৌহে চৌদিশে দেখা গ'ল। নকলেও হ'ব তাৰ একমাত্ৰ কাৰণ হ'ল অসমৰ সুদক্ষ আৰু জনপ্ৰিয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ যোৱা পাচবছৰীয়া কাৰ্য্যকালৰ খাতিয়ান। তেওঁৰ বিগত কাৰ্য্যকালত দিন ৰাতিৰ ছেদভেদ নোহোৱাকৈ তেওঁ যিদৰে ৰাজ্যখনৰ উন্নতি আৰু প্ৰগতিৰ স্বাৰ্থত ব্যক্তিগত পৰ্য্যায়তে নহয়, মন্ত্ৰীসভা তথা প্ৰশাসন যন্ত্ৰকো নিয়োগ কৰালে - তাৰ ফলতে অসমৰ ভোটাৰ ৰাইজৰ মনত বিশ্বাস জন্মিল যে অইন এটা দল বা অন্য এগৰাকী মুখ্যমন্ত্ৰীক নিৰ্ব্বাচন কৰিলে অসমৰ বিজয় ৰথ থমকি ৰোৱাই নহয়, ৰথৰ চকা মাটিত বহি যাব। আনটো কাৰক হ'ল, ভোটৰ বাকচত সবাতোকৈ গুৰুত্বপূৰ্ণ- যুৱ আৰু মিহলা শক্তিয়ে একমুঠ হৈ এইবাৰ বিজেপি ক সমৰ্থন কৰাটো। তাৰো কাৰণ একেটাই- বিজেপি দল আৰু চৰকাৰখনৰ পৰা তেওঁলোকে যি নিৰাপত্তা আৰু ভৰসা পাইছে সেয়া স্বাধীনতাৰ ৭৫ বছৰৰ ভিতৰত অসমত কেতিয়াও উপলব্ধ হোৱা নাছিল। তদুপৰি পূৰ্বতে দেখি অহাৰ দৰে দালাল, দুৰ্নীতি আৰু মধ্যভোগীৰ হাতোৰাৰ পৰা সম্পূৰ্ণ মুক্ত হৈ আহিল অসমবাসী। সাধাৰণ ৰাইজে ইয়াতকৈ আৰু কি বিচাৰে! এই মহাবিজয়ে কিন্তু বিজেপি দললৈ কঢ়িয়াই আনিলে এক গধুৰ দায়িত্ব। ৰাইজৰ প্ৰত্যাশা পুৰণৰ বাবে বিজেপিয়ে এতিয়া আগতকৈও দুগুনে কষ্ট কৰিব লাগিব। কাৰণ আশাবোৰ যেতিয়া আকাশলঙঘী হয়, পুৰণ কৰা সকলৰো সামৰ্থ আৰু প্ৰচেষ্টা সমানেই মজবুত হ'ব লাগিব।

**জিতেন্দ্ৰ শৰ্মা**



# সেৱা, সুৰক্ষা আৰু বিকশিত ভাৰতৰ সপক্ষে জনসাধাৰণৰ দৃঢ় আস্থা

সৰ্বানন্দ সোণোৱাল

শেহতীয়া বিধানসভা নিৰ্বাচনত জনসাধাৰণে বিজেপিক যি অভূতপূৰ্ব সমৰ্থন আৰু আশীৰ্বাদ আগবঢ়াইছে, সেয়া ভাৰতৰ গণতান্ত্ৰিক ইতিহাসৰ এক গুৰুত্বপূৰ্ণ অধ্যায় হিচাপে পৰিগণিত হৈছে। অসমত একেৰাহে ঐতিহাসিক তৃতীয় কাৰ্যকালৰ বাবে বিজয়ৰ ধাৰাবাহিকতা অব্যাহত ৰখাৰ পৰা পশ্চিমবংগত বিজেপিৰ প্ৰতি দেখা পোৱা ব্যাপক জনসমৰ্থনলৈকে, শেহতীয়া ফলাফলসমূহে স্পষ্টভাৱে প্ৰতিপন্ন কৰিছে যে-দেশবাসীয়ে নিজৰ আশা-আকাংক্ষা আৰু ভৱিষ্যতৰ সপোন পূৰণৰ যাত্ৰাক ভাৰতীয় জনতা পাৰ্টিৰ উন্নয়নমুখী দৃষ্টিভংগীৰ সৈতে সংযুক্ত কৰিছে।

এই ব্যাপক আৰু বিস্তৃত সংগঠনৰ এজন সাধাৰণ কাৰ্যকৰ্তা আৰু অসমৰ পূৰ্বৰ মুখ্যমন্ত্ৰী হিচাপে জনসাধাৰণৰ সেৱা কৰাৰ সৌভাগ্য লাভ কৰা ব্যক্তিৰূপে মই এই জনসমৰ্থনক কেৱল নিৰ্বাচনী সাফল্য বুলিয়েই নাচাওঁ; ই হৈছে সমগ্ৰ দেশজুৰি আৰম্ভ হোৱা এক নতুন জনজাগৰণৰ বহিঃপ্ৰকাশ। বিজেপিৰ জনপ্ৰিয়তাৰ মূল শক্তি হৈছে ‘সেৱা’ আৰু ‘সমৰ্পণ’ৰ আদৰ্শ। আমাৰ ৰাজনীতি ক্ষমতাৰ বাবে নহয়, বৰঞ্চ ৰাষ্ট্ৰ, সমাজ আৰু প্ৰতিজন নাগৰিকৰ কল্যাণৰ বাবে উৎসৰ্গিত। সেইবাবেই বিজেপিৰ যাত্ৰা আজিৰ দিনত এক প্ৰকৃত ‘জন ভাগীদাৰী’ আন্দোলনত পৰিণত হৈছে, য’ত জনসাধাৰণ কেৱল দৰ্শক নহয়, ভাৰতৰ ৰূপান্তৰৰ সক্ৰিয় অংশীদাৰ হিচাপে পৰিগণিত হৈছে।

এই জন-আন্দোলনৰ প্ৰেৰণা আৰু পথ-প্ৰদৰ্শক হৈছে আমাৰ প্ৰিয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ দূৰদৰ্শী নেতৃত্ব। মাতৃভূমিৰ সেৱাত উৎসৰ্গিত তেখেতৰ জীৱন এক অবিৰাম সাধনা। তেখেতৰ বলিষ্ঠ নেতৃত্বত চৰকাৰে ‘সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস, সবকা প্ৰয়াস’ৰ মূলমন্ত্ৰক সাৰথি কৰি ৰাষ্ট্ৰ নিৰ্মাণৰ যাত্ৰাত ন উদ্যমেৰে আগবাঢ়িছে। আজিৰ সুশাসন ব্যৱস্থাৰ মূল লক্ষ্য হৈছে উন্নয়নৰ সুফল প্ৰতিজন নাগৰিকৰ দুৱাৰমুখলৈ কঢ়িয়াই লৈ যোৱা। গৃহ নিৰ্মাণ, পৰিষ্কাৰ-পৰিচ্ছন্নতা, প্ৰত্যক্ষ আৰ্থিক সহায়, বেংকিং সুবিধা আৰু সামাজিক সুৰক্ষামূলক আঁচনিসমূহৰ বিস্তৃত ৰূপায়ণে জনজীৱনৰ মান যথেষ্ট উন্নীত কৰিছে আৰু সুশাসনৰ কেন্দ্ৰবিন্দুত পৰিণত কৰিছে।

এই অন্তোদয়মুখী দৃষ্টিভংগীৰ ফলাফল আজিৰ ভাৰতৰ সফলতাৰ অন্যতম ভিত্তি। সৰ্বজনপ্ৰিয় প্ৰধানমন্ত্ৰী মোদী ডাঙৰীয়াৰ শক্তিশালী নেতৃত্বত কোটি কোটি লোকে দৰিদ্ৰতাৰ পৰা মুক্তি লাভ কৰিছে আৰু ভাৰতে বিশ্বৰ শীৰ্ষ অৰ্থনীতিৰ অন্যতম হোতা হিচাপে আত্মপ্ৰকাশ কৰিছে। তাতোকৈ গুৰুত্বপূৰ্ণ বিষয় হৈছে– দুৰ্নীতিৰ বিৰুদ্ধে আপোচহীন স্থিতি আৰু দেশৰ প্ৰতি নিঃস্বাৰ্থ সমৰ্পণে জনসাধাৰণৰ মনত তেখেতৰ প্ৰতি আস্থা-বিশ্বাস গভীৰ কৰি তুলিছে। দেশৰ সাধাৰণ নাগৰিকে তেখেতক এগৰাকী প্ৰকৃত ‘প্ৰধান সেৱক’ হিচাপে গণ্য কৰে।

অমৃতকালৰ এই মহৎ যাত্ৰাক অধিক শক্তিশালী আৰু সুৰক্ষিত কৰি তুলিবলৈ মাননীয় কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰী অমিত শ্বাহ ডাঙৰীয়ায়ো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। তেখেতৰ দৃঢ় নেতৃত্বত দেশৰ ঐক্য, অখণ্ডতা আৰু অভ্যন্তৰীণ সুৰক্ষা অধিক সুদৃঢ় হৈছে। নক্সালবাদৰ বিৰুদ্ধে সফল অভিযানৰ লগতে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলত স্থায়ী শান্তি প্ৰতিষ্ঠাৰ ক্ষেত্ৰতো ঐতিহাসিক অগ্ৰগতি তেখেতৰ সবল প্ৰচেষ্টাত সুনিশ্চিত হৈছে। বিভিন্ন শান্তি চুক্তিৰ জৰিয়তে হাজাৰ হাজাৰ উগ্ৰপন্থীয়ে মূলসুঁতিলৈ ঘূৰি আহি সৰ্বাংগীণ উন্নয়নৰ অংশীদাৰ হৈছে। একে

সময়তে, গৃহমন্ত্ৰী ডাঙৰীয়াৰ সাংগঠনিক দক্ষতাই বিজেপিক অধিক সুসংগঠিত আৰু শক্তিশালী ৰূপ প্ৰদান কৰিছে।

এনে এক বৃহৎ ৰাষ্ট্ৰীয় দৃষ্টিভংগীক বাস্তৱ ৰূপ দিবলৈ লাখ লাখ সমৰ্পিত কাৰ্যকৰ্তাৰ প্ৰয়োজন হয়, আৰু বিজেপিৰ শক্তি নিহিত হৈ আছে সেইসকল নীৰৱ যোদ্ধাৰ মাজত। পৃষ্ঠ প্ৰমুখৰ পৰা আৰম্ভ কৰি বুথ, মণ্ডল, জিলা, ৰাজ্য আৰু ৰাষ্ট্ৰীয় পৰ্যায়লৈকে প্ৰতিজন কাৰ্যকৰ্তাই একো একোজন প্ৰকৃত কৰ্মযোগী। তেওঁলোকৰ অক্লান্ত পৰিশ্ৰম, ত্যাগ আৰু নিষ্ঠাই দলৰ নীতি-আদৰ্শক জন-আন্দোলনত পৰিণত কৰিছে আৰু দলৰ নিৰন্তৰ বিজয় সুনিশ্চিত কৰিছে। তেওঁলোকে নম্ৰতা, শৃংখলা আৰু নিৰন্তৰ প্ৰচেষ্টাৰে ঘৰে ঘৰে দলৰ বাৰ্তা কঢ়িয়াই লৈ গৈছে।

এই শৃংখলাবোধ আৰু সেৱাৰ মনোভাৱৰ ভেটি ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘই ত্বৰান্বিত কৰা আদৰ্শক কেন্দ্ৰ কৰি গঢ় লৈ উঠিছে। আৰ এছ এছে ভাৰতৰ সভ্যতাগত ঐতিহ্য-পৰম্পৰা আৰু আধ্যাত্মিকতাৰ সংৰক্ষণ আৰু শক্তিশালীকৰণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। চৰিত্ৰ গঠন, সেৱা আৰু সমৰ্পণ, ৰাষ্ট্ৰভক্তি আৰু সামাজিক শৃংখলাৰ সন্দৰ্ভত আৰ এছ এছ-ৰ গুৰুত্বই যুগে যুগে অগণন লোকক অনুপ্ৰাণিত কৰি আহিছে। এই আদৰ্শগত স্পষ্টতাই আমাৰ ৰাজনৈতিক কৰ্মযজ্ঞক অধিক গভীৰ উদ্দেশ্য প্ৰদান কৰে। আমি এই বিশ্বাসেৰে কাম কৰোঁ যে ৰাষ্ট্ৰ নিৰ্মাণ কেৱল এটা দায়িত্ব নহয়, ই এক পৱিত্ৰ কৰ্তব্য।

এই সামগ্ৰিক আৰু জনকল্যাণমুখী সুশাসন ব্যৱস্থাৰ সুফল অসম আৰু সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতো স্পষ্টভাৱে পৰিলক্ষিত হৈছে। মাননীয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই আমাৰ উত্তৰ-পূৰ্বাঞ্চলক 'অষ্টলক্ষ্মী' হিচাপে আখ্যা দি ভাৰতৰ উন্নয়নৰ যাত্ৰাৰ অন্যতম কেন্দ্ৰবিন্দুত পৰিণত কৰিছে। আজি আন্তঃগাঁথনি উন্নয়ন, বিনিয়োগ বৃদ্ধি আৰু উন্নত সংযোগ ব্যৱস্থাই সমগ্ৰ অঞ্চলটোৰ সামাজিক আৰু অৰ্থনৈতিক পৰিৱেশত এক নতুন পৰিৱৰ্তনৰ সূচনা কৰিছে। পথ, সেতু, ৰে'লপথ, জলপথ, বিমানবন্দৰ, চিকিৎসা প্ৰতিষ্ঠান আৰু বিভিন্ন ঔদ্যোগিক প্ৰকল্পই নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰাৰ লগতে জনসাধাৰণৰ জীৱন-ধাৰণৰ মানো উন্নত কৰিছে।

২০১৬ চনত অসমৰ জনসাধাৰণে ভাৰতীয় জনতা পাৰ্টিৰ নেতৃত্বাধীন মিত্ৰজোঁটক কেৱল চৰকাৰ গঠনৰ দায়িত্ব দিয়া নাছিল, বৰং অসমৰ ভূমি, খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ ভৱিষ্যৎ আৰু অস্তিত্ব সুৰক্ষাৰ এক ঐতিহাসিক দায়িত্ব অৰ্পণ কৰিছিল। সেই বিশ্বাস অটুট ৰাখি আমাৰ চৰকাৰে অনুপ্ৰৱেশকাৰী আৰু সন্দেহজনক ভূমি বেদখলকাৰীৰ বিৰুদ্ধে আপোচহীন অভিযান আৰম্ভ কৰিছিল। কাজিৰঙাৰ পৰা আৰম্ভকৰি সত্ৰ, নামঘৰ, বনাঞ্চলৰ মাটি বেদখলমুক্ত কৰি হাজাৰ হাজাৰ বিঘা ভূমি উদ্ধাৰ কৰা হৈছিল আৰু খিলঞ্জীয়া ৰাইজৰ অধিকাৰ পুনৰ প্ৰতিষ্ঠাৰ দিশত এক যুগান্তকাৰী জাগৰণৰ সূচনা হৈছিল। বহু দশক ধৰি যিসমূহ সমস্যাক পূৰ্বৱৰ্তী চৰকাৰসমূহে ভোটবেংকৰ ৰাজনীতিৰ স্বাৰ্থত স্পৰ্শ কৰিবলৈও সাহস কৰা নাছিল,



সেই সমস্যাসমূহৰ স্থায়ী আৰু দ্ৰুত সমাধানৰ বাবে ভাৰতীয় জনতা পাৰ্টিয়ে দৃঢ় ৰাজনৈতিক সদিচ্ছা প্ৰদৰ্শন কৰি আহিছে।



মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বলিষ্ঠ নেতৃত্বত সেই অভিযানে আৰু অধিক গতি লাভ কৰিছে। খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ উন্নয়ন, সুশাসন, সাংস্কৃতিক

স্বাভিমানৰ উজ্জীৱিতকৰণ, সীমান্ত সুৰক্ষা, ঐতিহ্য-পৰম্পৰা, ভূমিৰ সংৰক্ষণ আদিৰ ক্ষেত্ৰত বিজেপিৰ নেতৃত্বাধীন এনডিএ চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্তসমূহে অসমৰ জনসাধাৰণৰ মনত গভীৰ আস্থা-বিশ্বাসৰ সৃষ্টি কৰিছে। সেইবাবেই আজি অসমৰ সৰ্বস্তৰৰ ৰাইজে উপলব্ধি কৰিছে যে ভাৰতীয় জনতা পাৰ্টি কেৱল এটা ৰাজনৈতিক দল নহয়, অসমৰ স্বাৰ্থ সুৰক্ষা আৰু সমৃদ্ধিৰ এক শক্তিশালী গণ-আন্দোলনৰ নাম। জনসাধাৰণৰ এই অগাধ বিশ্বাস আৰু সমৰ্থনেই বিজেপিক অসমৰ প্ৰতিটো প্ৰান্তত অধিক শক্তিশালী আৰু প্ৰতিটো জনগোষ্ঠীৰ আপোন কৰি তুলিছে।

অসমৰ বিভিন্ন জনগোষ্ঠীয়ে আজি ভাৰতৰ বিকাশ যাত্ৰাত নিজৰ ন্যায্য স্থান অধিক দৃঢ়ভাৱে প্ৰতিষ্ঠা কৰিছে। চাহ জনগোষ্ঠীৰ ভাই-ভনীসকলে আৰ্থিক অন্তৰ্ভুক্তিকৰণ আৰু বিভিন্ন জনকল্যাণমূলক আঁচনিৰ জৰিয়তে নতুন শক্তি লাভ কৰিছে। জনজাতীয় তথা খিলঞ্জীয়া সম্প্ৰদায়সমূহে প্ৰাপ্য সন্মান, স্বীকৃতি আৰু প্ৰতিনিধিত্ব লাভ কৰিছে। তেওঁলোকৰ সংস্কৃতি, ঐতিহ্য আৰু স্বকীয় পৰিচয়ক যথোচিত মৰ্যাদাৰে উদযাপন আৰু সংৰক্ষণ কৰা হৈছে। অসমৰ যুৱ সমাজে আজি নতুন আত্মবিশ্বাসেৰে আগবাঢ়িছে। মেধা আৰু যোগ্যতাৰ ভিত্তিত স্বচ্ছ আৰু দুৰ্নীতিমুক্ত নিযুক্তি ব্যৱস্থাই যুৱপ্ৰজন্মৰ আস্থা অধিক শক্তিশালী কৰিছে। উদ্যোগ, উদ্ভাৱন আৰু দক্ষতা বিকাশৰ এক সজীৱ পৰিৱেশে আমাৰ যুৱ শক্তিৰ আশা-আকাংক্ষাক নতুন ডেউকা দিছে, যাৰ ফলত তেওঁলোকে এতিয়া ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰিসৰতো আত্মবিশ্বাসেৰে সপোন দেখিবলৈ সক্ষম হৈছে।

আনহাতে বিশ্বজুৰি উদ্ভৱ হোৱা সংকট আৰু প্ৰত্যাহ্বানৰ সময়ত চৰকাৰে লোৱা সময়োপযোগী পদক্ষেপসমূহেও বিজেপি আৰু জনসাধাৰণৰ মাজৰ সম্পৰ্ক অধিক সুদৃঢ় কৰিছে। ক'ভিড মহামাৰীৰ সময়ত যেতিয়া সমগ্ৰ বিশ্বৰ অসংখ্য পৰিয়ালে অনিশ্চয়তা আৰু উদ্বেগৰ মাজেৰে দিন-ৰাতি পাৰ কৰিছিল, তেতিয়া মোদী চৰকাৰে দৰিদ্ৰ আৰু অসহায় লোকসকলৰ কাষত দৃঢ়ভাৱে থিয় দি নিশ্চিত কৰিছিল যাতে কোনো পৰিয়ালেই সংকটৰ সময়ত সহায়হীন তথা জৰুৰীকালীন অৱস্থাৰ সন্মুখীন হ'বলগীয়া নহয়। ইউক্ৰেইন-ৰাছিয়া সংঘাত হওক বা পশ্চিম এছিয়াৰ অস্থিৰ পৰিস্থিতিয়ে হওক, ভাৰতীয় নাগৰিকসকলক সংঘাতপীড়িত অঞ্চলৰ পৰা সুৰক্ষিতভাৱে উভতাই অনাৰ ক্ষেত্ৰতো মোদী চৰকাৰে দায়িত্বশীলতা আৰু মানৱীয়তাৰ পৰিচয় দিছে। একেসময়তে, দেশীয় অৰ্থনীতিকো সুদূৰপ্ৰসাৰী চিন্তা আৰু স্থিৰতাৰে পৰিচালিত কৰা হৈছে। প্ৰধানমন্ত্ৰী মোদী ডাঙৰীয়াৰ দূৰদৰ্শী নেতৃত্বত ভাৰতে আজি বিশ্বমঞ্চত স্থিৰতা, শক্তি, সাহস আৰু মানক্তীয়তাৰ এক উজ্জ্বল প্ৰতীক হিচাপে প্ৰতিষ্ঠিত হৈছে।

ভাৰতীয় জনতা পাৰ্টিৰ এই অভূতপূৰ্ব জনপ্ৰিয়তা হৈছে— সৎ নেতৃত্ব, সমৰ্পিত সংগঠন আৰু উন্নত ভৱিষ্যতৰ সপোন দেখা জনসাধাৰণ আৰু দলটোৰ মাজত গঢ় লৈ উঠা গভীৰ আস্থাৰ ফলাফল। কাৰ্যকৰ্তা হিচাপে আমাৰ দায়িত্ব হৈছে নতুন উদ্যম আৰু অধিক নিষ্ঠাৰে এই অনিৰুদ্ধ যাত্ৰাক ক্ষিপ্ৰতাৰে আগুৱাই নিয়া। আহক, আমি সকলোৱে ৰাষ্ট্ৰসেৱাৰ এই চিৰন্তন আদৰ্শক সাৰথি কৰি এখন গৌৰৱময়, সমৃদ্ধিশালী, আত্মনিৰ্ভৰ আৰু বিকশিত ভাৰত গঢ়ি তোলাৰ বাবে অবিৰতভাৱে কাম কৰি যাওঁ।■

(লেখক কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী তথা অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী)



# বিজেপিৰ মহাবিজয়

## গেৰুৱা ছুনামিত নিচিহ্ন হৈ গ'ল বিৰোধী

প্ৰিয়াংকু নাৰায়ণ বৰুৱা

অসম আৰু চুবুৰীয়া ৰাজ্য পশ্চিমবংগত বিজেপিৰ বিজয় ৰথৰ চকাত পিষ্ট হৈ ধূলিসাৎ হৈ গ'ল বিৰোধী দল। অসমত ৰাজপাট দখল কৰিম বুলি টপালি পাৰি থকা কংগ্ৰেছ দলে লাভ কৰিলে মাত্ৰ ১৯ খন আসন আৰু বংগত মমতা বেনাৰ্জীয়ে ২৯৩ খন আসনৰ ভিতৰত পালে মাত্ৰ ৭৯ খন আসন আৰু ২০৮ খন আসনতে বিজয়ী হ'ল বিজেপি। ফলাফল ঘোষণাৰ মাত্ৰ কেইঘণ্টামান আগলৈকে 'দিছপুৰ দখল কৰিম' বুলি দপদপাই থকা কংগ্ৰেছ দলে অসমত ১২৬ খন আসনৰ ভিতৰত লাভ কৰিলে মাত্ৰ ১৯ খন আসন -যাৰ ভিতৰত ১৮ খন আসনেই হ'লে সংখ্যালঘু মুছলমান সম্প্ৰদায় বিশেষকৈ মিঞা অধ্যুষিত সমষ্টিৰ আসন। উনৈশখন আসনৰ ভিতৰত মাত্ৰ এজনেহে কংগ্ৰেছ দলৰ টিকটত হিন্দু বিধায়ক হিচাপে নিৰ্বাচিত হৈ আহিল।

উল্লেখ্যযোগ্য যে ৯০ টা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰা ভাৰতীয় জনতা পাৰ্টিয়ে অকলেই ৮২ খন আসন লাভ কৰি নিৰংকুশ সংখ্যগৰিষ্ঠতা লাভ কৰি অসমৰ নিৰ্বাচনী ইতিহাসত নজিৰ সৃষ্টি কৰিলে। বিগত বিধানসভা নিৰ্বাচনত ৬২ খন আসন লাভ কৰা বিজেপিয়ে এইবাৰ ২০ খন আসন অতিৰিক্তকৈ লাভ কৰিবলৈ সক্ষম




হয়। আনহাতে বিজেপিৰ মিত্ৰদল অগপই ২৬ টা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰি ১০ খন আৰু বিপিএফ দলে ১১ টা সমষ্টিত প্ৰাৰ্থী প্ৰক্ষেপ কৰি ১০ টা সমষ্টিতে জয়লাভ কৰিবলৈ সক্ষম হয়। আনহাতে মুঠ ৯৯ টা সমষ্টিত প্ৰাৰ্থী দি অতি শোচনীয় ভাৱে মাত্ৰ ১৯ খন আসনহে লাভ কৰিবলৈ সক্ষম হয় কংগ্ৰেছ দলে। কংগ্ৰেছৰ নেজুত ধৰি নিৰ্বাচন খেলা আন এটা বিৰোধী দল অখিল গগৈৰ নেতৃত্বাধীন ৰাইজৰ দলে শিৱসাগৰ আৰু ধিং মুঠ দুটা সমষ্টিত জয়লাভ কৰে যদিও, লুৰিনজ্যোতি গগৈৰ নেতৃত্বাধীন অসম জাতীয় পৰিষদে এখন আসনতো বিজয়ী হোৱাৰ সৌভাগ্য লাভ নকৰিলে। লুৰিনজ্যোতি গগৈয়ে তেওঁৰ ৰাজনৈতিক জীৱনৰ একেৰাহে তৃতীয়টো নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি শোচনীয় ভাৱে পৰাজয় বৰণ কৰিলে। আনহাতে কংগ্ৰেছৰ সৈতে বিৰোধী জোঁট গঠন কৰি নতুন মন্ত্ৰীসভা গঠনৰ সপোন দেখা জন ইংতি কাথাৰ নেতৃত্বাধীন এপি এইছ এল চি বা টিপি আই (এম) দলেও লাভ নকৰিলে এখনো আসন। পূৰ্বতে ৭ গৰাকী বিধায়ক আছিল বড়োলেণ্ডৰ প্ৰমোদ বড়ো নেতৃত্বাধীন ইউ পি পি এল দলৰ। এইবাৰ এইটো দলেও এখনো আসন লাভ কৰিবলৈ সমৰ্থন নহ'ল। ইফালে বিগত নিৰ্বাচনত বদৰুদ্দিন আজমলৰ এ আই ইউ ডি এফ ৰ আছিল ২৬ জন বিধায়ক। এইবাৰ মাথোন বিন্নাকান্দি, আৰু দলগাঁও এই দুটা সমষ্টিতহে জয়লাভ কৰে বদৰুদ্দিনৰ দলে। কংগ্ৰেছৰ পৰা নিলম্বিত হৈ থকা বিধায়ক শ্বেৰমান আলিয়ে তৃণমূল কংগ্ৰেছৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰি মন্দিয়া সমষ্টিৰ পৰা বিজয়ী হৈ আহে। যোৱা বছৰ বিধান সভা নিৰ্বাচনত কংগ্ৰেছ আৰু এ আই ইউ ডি এফ ৰ যুটিয়া নেতৃত্বত বিৰোধী পক্ষই লাভ কৰিছিল মুঠ ৫০ টা সমষ্টি এইবাৰ বিৰোধী জোঁটে লাভ কৰে মাত্ৰ ২১ খন আসন আৰু এ আই ইউ ডি এফৰ দুজন। বিৰোধী নিৰ্বাচনৰ সময়ত দপদপাই থকাৰ পিছত নিৰ্বাচনী ফলাফল ওলোৱাত দেখা গ'ল উজনি আৰু উত্তৰ অসমৰ মুঠ ৪৩ খন আসনৰ ভিতৰত কংগ্ৰেছ দলে মাত্ৰ ২ খন আসনতহে জয়ী হ'ল। উত্তৰ অসমৰ ঢেকীয়াজুলিৰ পৰা জোনাইলৈ কেৱল নাওবৈচা সমষ্টিত কংগ্ৰেছৰ ডাঃ জয়প্ৰকাশ দাস আৰু উজনি অসমৰ কলিয়াবৰৰ পৰা শদিয়ালৈ একমাত্ৰ শিৱসাগৰ সমষ্টিত ৰাইজৰ দলৰ অখিল গগৈয়েহে বিজয়ী হৈ আহিবলৈ সমৰ্থ হ'ল। আনহাতে বিজেপিৰ মিত্ৰদল অগপ দলে যোৱাবাৰৰ ৯ খন আসনৰ বিৱৰীতে এইবাৰ ১ খন আসন বৃদ্ধি কৰি ১০ খন আসনত বিজয়ী হ'ল। বড়োলেণ্ডত বিজেপিৰ সৈতে মিত্ৰতা কৰি হাগ্ৰামা মহিলাৰিয়ে বিপিএফ ৰ হৈ মুঠ ৯ খন আসন হস্তগত কৰি প্ৰমোদ বড়োৰ ইউ পি পি এল ক একপ্ৰকাৰ ধূলিসাৎ কৰি পেলালে। ২০২১ চনৰ নিৰ্বাচনত বিজেপি মিত্ৰদলৰ মুঠ আসনৰ সংখ্যা আছিল ৭৫ খন। এইবাৰ সকলোকে আচৰিত কৰি এই মিত্ৰজোঁটে দখল কৰিলে মুঠ ১০২ খন আসন। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ একক নেতৃত্বত বিজেপি মিত্ৰজোঁটে উজনি আৰু উত্তৰ অসমত অসামৰিক অৰ্থত বিৰোধী পক্ষক ধুই নিলে। বৰাক উপত্যকাত আছিল মুঠ ১৩ টা সমষ্টি, তাৰে ভিতৰত ৪ টা সমষ্টি আছিল সম্পূৰ্ণকৈ সংখ্যালঘু মুছলমান সম্প্ৰদায়ৰ দখলত। এই কেইটা বাদ দি বাকী আটাইকেউটা হিন্দু ভোটাৰৰ আধিপত্য থকা সমষ্টিতে জয়লাভ কৰিছে বিজেপি য়ে। সুদৃঢ় সাংগঠনিক ভেটি, নিখুত পৰিকল্পনা, ৰাইজৰ সৈতে থকা সবল যোগাযোগৰ প্ৰভাৱত এইবাৰ তছনচ হৈ গ'ল 'বিৰোধী ঐক্য' আৰু গেৰুৱাময় হৈ পৰিল সমগ্ৰ অসম। ডঃ হিমন্ত বিশ্ব শৰ্মাই একেৰাহে দ্বিতীয়বাৰ বাবে অসমৰ মুখ্যমন্ত্ৰী হিচাবে শপত ল'লে। একেৰাহে তৃতীয়বাৰৰ বাবে অসমত প্ৰতিষ্ঠা হ'ল বিজেপিৰ চৰকাৰ।

## পশ্চিমবংগত মমতাৰ দুৰ্গ ছাৰখাৰ

দেশৰ বিৰোধী ৰাজনীতিৰ অন্যতম কৰ্ণধাৰ বুলি দাবী কৰাৰ উপৰিও পশ্চিমবংগত অপ্ৰতিৰোধ্য বুলি নিজকে জহাই ফুৰা মমতা বেনাৰ্জী আৰু তেওঁৰ দল তৃণমূল কংগ্ৰেছ এইবাৰ বেয়াকৈ ধৰাশায়ী হ'ল। তৃণমূলৰ শাসনত অতীষ্ঠ হৈ পৰা পশ্চিমবংগৰ জনতাই এইবাৰৰ নিৰ্বাচনত সমূলঞ্চে উৎখাত কৰিলে মমতাৰ তৃণমূলক। বংগৰ মুঠ ২৯৩ খন আসনৰ ভিতৰত তৃণমূলে পালে মাত্ৰ ৭৯ খন আৰু তাৰ বিপৰীতে বিজেপি দলে পালে মুঠ ২০৮ খন আসন। আনহাতে পূৰ্বৰ তিনিটা কাৰ্য্যকাল দখল কৰি থকা চিপিএম দলে মাত্ৰ এখন আৰু কংগ্ৰেছ দলে পালে মাত্ৰ ১ খন আসন। আনকি নিৰ্বাচনত স্বয়ং মমতা বেনাৰ্জীয়ে তেওঁৰ প্ৰতিদ্বন্দ্বী শুভেন্দু অধিকাৰীৰ হাতত অতি শোচনীয় ভাৱে পৰাজয় বৰণ কৰে। ২০২১ চনৰ নিৰ্বাচনত মাত্ৰ ৭৭ খন আসন দখল কৰিবলৈ সক্ষম হোৱা বিজেপিয়ে এইবাৰ দখল কৰে ২০৮ খন আসন। যোৱাবাৰৰ নিৰ্বাচনত তৃণমূলে পাইছিল ২১৬ খন আসন কিন্তু এইবাৰ এক ধাক্কাতে তেওঁলোক নামি আহিবলৈ বাধ্য হ'ল মাত্ৰ ৭৯ খন আসনলৈ। মমতা বেনাৰ্জীৰ লগতে পৰাজিত হ'ল তেওঁৰ মন্ত্ৰীসভাৰ এক ডজনৰো অধিক প্ৰভাৱশালী মন্ত্ৰী। ইতিমধ্যে শুভেন্দু অধিকাৰীৰ নেতৃত্বত পশ্চিমবংগত বিজেপি মন্ত্ৰীসভাই শপত লৈছে, আৰু তৃণমূল কংগ্ৰেছ প্ৰায় ভাঙোনৰ মুখত উপনীত হৈছে। বিজেপিৰ ছদ্মনামিত ত্ৰাহি মধুসুধদন সুঁৱৰিব লগা হোৱা 'অগ্নিকন্যা মমতা দিদি'ৰ শেষ পৰিণতি কি হয় সেয়া অৱশ্যে সময়েহে ক'ব।■

(লেখক নিয়মীয়া প্ৰবন্ধ লিখক, বিজেপি নলবাৰী জিলাৰ কাৰ্যকৰ্তা)



# প্ৰত্যাশাৰ সূৰ্য্যোদয়

## ইতিহাস গঢ়ি ড° হিমন্ত বিশ্ব শৰ্মা একেৰাহে দুবাৰ শপত গ্ৰহণ কৰা অসমৰ প্ৰথম গৰাকী অকংগ্ৰেছী মুখ্যমন্ত্ৰী

**প্ৰদীপ বৰ্মন**

অসমৰ ৰাজনীতিত ১২ মে' ২০২৬ ৰ দিনটো এক ঐতিহাসিক অধ্যায় হিচাপে চিৰস্মৰণীয় হৈ ৰ'ল। গুৱাহাটীৰ খানাপাৰাস্থিত পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত লক্ষাধিক লোকৰ উপস্থিতিত অসমৰ মুখ্যমন্ত্ৰী হিচাপে দ্বিতীয়বাৰৰ বাবে শপত গ্ৰহণ কৰে ড০ হিমন্ত বিশ্ব শৰ্মাই । এই শপত গ্ৰহণৰ জৰিয়তে অসমৰ ইতিহাসত একেৰাহে দুবাৰ শপত গ্ৰহণ কৰা প্ৰথম গৰাকী অকংগ্ৰেছী মুখ্যমন্ত্ৰী হিচাপে নতুন ইতিহাস ৰচনা কৰে। লগতে একেৰাহে তৃতীয় বাৰৰ বাবে বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। মহামহিম ৰাজ্যপাল শ্ৰীলক্ষ্মণ প্ৰসাদ আচাৰ্যই শপত বাক্য পাঠ কৰোৱা এই বৰ্ণাঢ্য অনুষ্ঠানত উপস্থিত থাকে দেশৰ প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোডী, কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰীঅমিত শ্বাহ, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি শ্ৰীনীতিন নবীন, ৰাজ্যিক সভাপতি শ্ৰীদিলীপ শইকীয়া, কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী শ্ৰীৰাজনাথ সিং, মন্ত্ৰী শ্ৰীনীতিন গাডকাৰী, প্ৰাক্তন মুখ্যমন্ত্ৰী তথা কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীসৰ্বানন্দ সোণোৱাল, কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীকিৰণ ৰিজিজু, লগতে বিত্তমন্ত্ৰী শ্ৰীমতী নিৰ্মলা সীতাৰমন, শ্ৰীজ্যোতিৰাদিত্য সিন্ধিয়া, বিদেশ ৰাজ্যমন্ত্ৰী শ্ৰীপবিত্ৰ মাৰ্ঘেৰিটাৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ ৰাজ্যমন্ত্ৰী শ্ৰীৰামদাস আঠাৱলে, শ্ৰীমতী অনুপ্ৰিয়া পেটেল, শ্ৰীজয়ন্ত চৌধুৰী, শ্ৰীচিৰাগ পাচোৱান, শ্ৰীলালন সিং। এই শপত গ্ৰহণ অনুষ্ঠানত দেশৰ এন ডি এ শাসিত ৰাজ্য সমূহৰ মুখ্যমন্ত্ৰী উপ-মুখ্যমন্ত্ৰীসকলে শোভা বৰ্ধন কৰে। ইয়াৰ ভিতৰত উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী শ্ৰীযোগী আদিত্য নাথ, উপ-মুখ্যমন্ত্ৰী শ্ৰীব্ৰিজেছ পাঠক, শ্ৰীকেশৱ প্ৰসাদ মৌৰ্য, অন্ধ্ৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী শ্ৰীচন্দ্ৰ বাবু নাইডু, মহাৰাষ্ট্ৰৰ মূখ্যমন্ত্ৰী শ্ৰীদেবেন্দ্ৰ ফাৰ্ণবিজ, উপ-মুখ্যমন্ত্ৰী শ্ৰীএকনাথ সিন্দে, গোৱাৰ মুখ্যমন্ত্ৰী শ্ৰীপ্ৰমোদ সাৱন্ত, মেঘালয়ৰ মুখ্যমন্ত্ৰী শ্ৰীকনৰাড চাংমা, ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী শ্ৰীমানিক সাহা, অৰুণাচলৰ মূখ্যমন্ত্ৰী শ্ৰীপ্ৰেমা খাণ্ডু, মণিপুৰৰ মুখ্যমন্ত্ৰী শ্ৰীযুমনাম খেমচাদ সিং, নাগালেণ্ডৰ মুখ্যমন্ত্ৰী শ্ৰীনেফিউ ৰিও, মিজোৰামৰ মুখ্যমন্ত্ৰী শ্ৰীপি ইউ লালদুহমা, বিহাৰৰ মুখ্যমন্ত্ৰী শ্ৰীসম্ৰাট চৌধুৰী, পশ্চিম বংগৰ নৱ-নিযুক্ত মুখ্যমন্ত্ৰী শ্ৰীসুভেন্দু অধিকাৰী, দিল্লীৰ মুখ্যমন্ত্ৰী শ্ৰীমতী ৰেখা গুপ্তা, মধ্য প্ৰদেশৰ মুখ্যমন্ত্ৰী শ্ৰীমোহন যাদব, গুজৰাটৰ মুখ্য মন্ত্ৰী শ্ৰীভূপেন্দ্ৰ পেটেল, ৰাজস্থানৰ মুখ্যমন্ত্ৰী শ্ৰীভোজন লাল শৰ্মা,




হাৰিয়ানাৰ মুখ্যমন্ত্ৰী শ্ৰীনয়ব সিং সৈনী, উৰিষ্যাৰ মুখ্যমন্ত্ৰী শ্ৰীমোহন চন্দ্ৰ মাঝি, উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী শ্ৰীপুষ্কৰ সিং ধামী, ছত্তীছগড়ৰ মুখ্যমন্ত্ৰী শ্ৰীবিষ্ণু দেও চাহু আদিৰ দৰে নেতা সকলে অংশগ্ৰহণ কৰি অনুষ্ঠানটোৰ সৌষ্ঠৱ বৃদ্ধি কৰে। কেন্দ্ৰীয় মন্ত্ৰী ৰাজ্য সমূহৰ মুখ্যমন্ত্ৰী উপ মুখ্যমন্ত্ৰী সকলৰ ওপৰিও ভাৰতীয় জনতা পাৰ্টিৰ কেন্দ্ৰীয় নেতৃবৃন্দৰ সৈতে এন ডি এৰ অংশীদাৰ দল সমূহৰ নেতা সকলে অংশগ্ৰহণ কৰি মিত্ৰ দল সমূহৰ মাজত থকা বিশ্বাস আৰু সদ্ভাৱৰ প্ৰতিফলন ঘটায়। এই শপত গ্ৰহণ অনুষ্ঠানত বিজেপিৰ ৰাষ্ট্ৰীয় সাংগঠনিক মহামন্ত্ৰী শ্ৰীবি এল সন্তোষ, ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক শ্ৰীতৰুণ চৌঘ, ৰাষ্ট্ৰীয় সম্পাদক শ্ৰীকামাখ্যা প্ৰসাদ তাচা, বিজেপিৰ ৰাষ্ট্ৰীয় প্ৰভাৰী শ্ৰীহৰিশ দ্বিবেদী, শ্ৰীবৈযন্ত জয় পাণ্ডা, ৰাজ্যিক বিজেপিৰ সাংগঠনিক মহামন্ত্ৰী শ্ৰীজি আৰ ৰবীন্দ্ৰ ৰাজু এনডিএৰ সহযোগী দল বড়ো পিপলছ ফ্ৰন্টৰ সভাপতি শ্ৰীহাগ্ৰামা মহিলাৰী, অসম গণ পৰিষদৰ শ্ৰীবীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আৰু অসমৰ লোকসভা আৰু ৰাজ্যসভাৰ সদস্য লগতে এন ডি এৰ নৱনিৰ্বাচিত বিধায়ক সকল। এই অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী, বিভিন্ন ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু উপ-মুখ্যমন্ত্ৰীৰ উপৰিও কেইবাজনো প্ৰসিদ্ধ উদ্যোগপতিৰ উপস্থিতিয়ে অনুষ্ঠানটোক এক সৰ্বভাৰতীয় ৰাজনৈতিক মহাসমাৰেশৰ ৰূপ দিয়ে। দেশৰ কেইবগৰাকীও ধৰ্মগুৰু, সত্ৰাধিকাৰ আৰু সমাজৰ বিভিন্ন শ্ৰেণীৰ বিশিষ্ট ব্যক্তিৰ আশীৰ্বাদৰ মাজত অনুষ্ঠিত এই শপত গ্ৰহণ অনুষ্ঠানত অসমৰ লোক-সংস্কৃতি আৰু সত্ৰীয়া সংস্কৃতিৰ অপূৰ্ব সমাহাৰ দেখা যায়। অসমৰ ৰাজনীতিত "নিৰ্বাচনী ৰণনীতিকাৰ" হিচাপে পৰিচিত ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত একেৰাহে দ্বিতীয়বাৰৰ বাবে আৰু অসমত এন ডি এ ৰ নেতৃত্বত তৃতীয়বাৰৰ বাবে চৰকাৰ গঠন হোৱাটো ৰাজ্যখনৰ ৰাজনৈতিক ইতিহাসত এক উল্লেখযোগ্য ঘটনা। শপত গ্ৰহণৰ এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে শপত গ্ৰহণ কৰে সহযোগী দল অসম গণ পৰিষদৰ সভাপতি শ্ৰীঅতুল বৰা সহ বড়োলেণ্ড পিপলছ্ ফ্ৰন্টৰ শ্ৰীচৰণ বড়োৰ লগতে ভাৰতীয় জনতা পাৰ্টিৰ শ্ৰীৰামেশ্বৰ তেলী আৰু শ্ৰীমতী অজন্তা নেওগে।

অসম বিধান সভাৰ এই নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টিয়ে অকলে ৮২ খন আসন আৰু সহযোগী দল অসম গণ পৰিষদ আৰু বড়োলেণ্ড পিপলছ ফ্ৰন্ট সহ এনডিএই মুঠ ১০২ আসন লাভ কৰিবলৈ সক্ষম হয়। স্বাধীনতাৰ পিছত ১৯৮৩ চনৰ বিতৰ্কিত নিৰ্বাচন বাদ দি কোনো ৰাজনৈতিক দলে এই সংখ্যা স্পৰ্শ কৰাৰ সাফল্য অৰ্জন কৰিব পৰা নাছিল। এই জয় কেৱল ভাৰতীয় জনতা পাৰ্টিৰ ৰাজনৈতিক সাফল্য নহয়, ই অসমৰ জনসাধাৰণৰ আস্থা, বিশ্বাস আৰু উন্নয়নৰ পক্ষত দিয়া স্পষ্ট জনাদেশ। যোৱা বিধানসভা নিৰ্বাচন কেৱল

ক্ষমতা দখলৰ প্ৰতিযোগিতা নাছিল , এই নিৰ্বাচন আছিল ৰাজ্যখনৰ ৰাজনৈতিক দিশ, উন্নয়নৰ গতি, খিলঞ্জীয়াৰ অধিকাৰ আৰু সামাজিক সমন্বয়ৰ এক গুৰুত্বপূৰ্ণ পৰীক্ষা। যোৱা পাঁচ বছৰত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসম চৰকাৰে উন্নয়নৰ ক্ষেত্ৰত নজিৰ স্থাপন কৰিবলৈ সক্ষম হয়। বিশেষকৈ জাতি, মাটি আৰু ভেটিৰ সুৰক্ষা, অবৈধ বেদখল উচ্ছেদ, খিলঞ্জীয়া জনগোষ্ঠীৰ অধিকাৰ সুনিশ্চিতকৰণ, ৰাজ্যখনৰ নিৰ্মাণ খণ্ড আৰু যোগাযোগ ব্যৱস্থাৰ উন্নয়ন, উদ্যোগীকৰণ আৰু নিয়োগ সৃষ্টিৰ দৰে বিষয়ত চৰকাৰে দৃঢ় পদক্ষেপ গ্ৰহণ কৰে। কেন্দ্ৰীয় চৰকাৰৰ সহযোগত নিৰ্মাণখণ্ডৰ উপৰিও স্বাস্থ্য, শিক্ষা আৰু উদ্যোগ খণ্ডত হোৱা ব্যাপক উন্নয়নে অসমৰ আৰ্থ-সামাজিক ক্ষেত্ৰত নতুন গতি আনে। প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোডীৰ অসমৰ প্ৰতি থকা সদিচ্ছা আৰু সদ্‌ভাৱে ৰাজ্যখনৰ উন্নয়নৰ যাত্ৰাক অধিক ত্বৰান্বিত কৰে। কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ সমন্বিত প্ৰচেষ্টাৰ ফলস্বৰূপে সামগ্ৰিকভাৱে সকলো ক্ষেত্ৰতে ৰাজ্যখনত অভূতপূৰ্ব পৰিবৰ্তন সাধন হয়। ইয়াৰ ফলত খিলঞ্জীয়া জনগোষ্ঠীৰ মাজত চৰকাৰৰ প্ৰতি আস্থা আৰু বিশ্বাস বৃদ্ধি পায় ফলত পুনৰবাৰ বিজেপি নেতৃত্বাধীন এনডিএক ক্ষমতালৈ আনিবলৈ অসমৰ ৰাইজে ভোটদানৰ জৰিয়তে আশীৰ্বাদ প্ৰদান কৰে। যোৱা পাঁচ বছৰত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসম চৰকাৰৰ মেধা ভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ ফলত যুৱ চামৰ মাজত এক আশাৰ সঞ্চাৰ কৰিয়াই আনিছে। যাৰ বাবে যোৱা নিৰ্বাচনত যুৱ চামে মুক্ত মনেৰে বিজেপিক সমৰ্থন কৰিছে। ইয়াৰ লগতে চৰকাৰৰ উন্নয়নমূলক কামসমূহ জনসাধাৰণৰ মাজলৈ সঠিকভাৱে লৈ যাবলৈ ভাৰতীয় জনতা পাৰ্টি সাংগঠনিক ভাৱে সফল হৈছে। প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোডী আৰু গৃহমন্ত্ৰী শ্ৰীঅমিত শ্বাহৰ মাৰ্গদৰ্শনত আৰু ৰাজ্যিক সভাপতি শ্ৰীদিলীপ শইকীয়াৰ নেতৃত্বত দলটোৰ সাংগঠনিক ভেটি অধিক শক্তিশালী হৈ উঠে। বিজেপি দলৰ ৰাজ্যিক সভাপতি শ্ৰীদিলীপ শইকীয়াই সকলো জ্যেষ্ঠ আৰু কণিষ্ঠ কাৰ্যকৰ্তাক আস্থা আৰু বিশ্বাসত লৈ সঠিক নিৰ্বাচনী ৰণকৌশল প্ৰয়োগ কৰাত দলটোৱে ইপ্সিত সফলতা লাভ কৰিছে বুলি কব পাৰি।

এই ঐতিহাসিক শপত গ্ৰহণ অনুষ্ঠান কেৱল এখন চৰকাৰ গঠনৰ অনুষ্ঠান নহয়; ই আছিল জাতীয়তাবাদ, সনাতনী সংস্কৃতি, উন্নয়ন আৰু খিলঞ্জীয়া লোকৰ স্বাৰ্থ সুৰক্ষা আৰু ভাৰতীয় ৰাষ্ট্ৰবাদৰ এক বৃহৎ গণ উৎসৱ। এই শপত গ্ৰহণ অনুষ্ঠানত লক্ষাধিক জনতাৰ উৎসাহ, সমৰ্থন আৰু আশীৰ্বাদে খানাপাৰাৰ অস্থায়ী প্ৰেক্ষাগৃহক প্ৰাণৱন্ত কৰি তোলে। অসমৰ ৰাজনীতিত এই নতুন অধ্যায়ে স্পষ্টভাৱে প্ৰমাণ কৰিলে যে জনসেৱা, উন্নয়নমূলক চিন্তা আৰু সুদৃঢ় নেতৃত্ব থাকিলে জনতাৰ হৃদয় জয় কৰিব পাৰি। অনাগত দিনত ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত আৰম্ভ হোৱা এই নতুন যাত্ৰাই অসমৰ ভৱিষ্যৎ উন্নয়ন আৰু খিলঞ্জীয়া স্বাৰ্থ সুৰক্ষাৰ ক্ষেত্ৰত এক নতুন আশাৰ সূৰ্যোদয় হিচাপে বিবেচিত হৈছে।■

লেখক ঃ নিয়মীয়া প্ৰবন্ধ লেখক আৰু বিজেপি কাৰ্যকৰ্তা



# পশ্চিমবংগত ৰাজনৈতিক পৰিৱৰ্তন বিজেপিৰ জয়যাত্ৰা

অজিত জানা

৪ মে, ২০২৬। পশ্চিমবংগৰ ৰাজনৈতিক ইতিহাসত এই দিনটো এটা বিশেষ দিন হিচাবে সোণালী আখৰেৰে লিখা থাকিব। ৩৪ বছৰৰ বাম অপশাসন আৰু বিগত ১৫ বছৰৰ তৃণমূলৰ স্বৈৰাচাৰৰ পৰা বংগৰ মানুহে মুক্তি বিচাৰিছিল। সেইবাবেই বংগৰ মানুহৰ সমুখত একমাত্ৰ বিকল্প আছিল বিজেপিৰ ডাবল ইঞ্জিন চৰকাৰ। ৰাইজে ভাল পাই, ভৰসা কৰি পশ্চিমবংগত আজলি ভৰাই বিজেপিক আশীৰ্ব্বাদ কৰিছে। ২০৭ খন আসনত বিপুল জনসমৰ্থন লৈ পশ্চিবংগত বিজেপিয়ে একক সংখ্যাগৰিষ্ঠ লৈ ক্ষমতালৈ আহিছে। কিন্তু এই পৰিৱৰ্তন এদিনতে হোৱা নাই। এটি সৰু পুলি যেনেদৰে এদিন মহীৰূহ ত পৰিণত হৈ উঠিবলৈ সময় লয় ঠিক তেনেদৰেই ৰাজনৈতিক ক্ষেত্ৰখনতো পট পৰিৱৰ্তনৰ কাৰণে লাগে সময় আৰু ধৈৰ্য্য। অত্যাচাৰিত হৈ হৈ বংগৰ মানুহে বুজি পালে তেওঁলোকৰ পিঠি যেতিয়া দেৱালত লাগি গৈছে তেওঁলোকে প্ৰতিবাদ আৰু প্ৰতিৰোধৰ অন্য পথ বিচাৰি উলিয়াব লাগিব। এই প্ৰতিবাদ, প্ৰতিৰোধৰ নামেই হ'ল বিজেপি।

**১. প্ৰতিষ্ঠানিক দুৰ্নীতিৰ চৰম সীমা (SCC ৰ পৰা ৰেছন কাৰ্ড কেলেংকাৰী)**

বিগত ১৫ বছৰত বংগত দুৰ্নীতিয়ে তৃণমূল পৰ্য্যায়ৰ পৰা শীৰ্ষ নেতৃত্ব পৰ্যন্ত প্ৰতিষ্ঠানিক ৰূপ লৈছিল। স্কুল সাৰ্ভিছ কমিছন (SSC) ৰ দুৰ্নীতিৰ বাবে যোগ্য প্ৰাৰ্থীসকলৰ চকুৰ পানী, কয়লা আৰু গৰুৰ চোৰাংকাৰবাৰ আৰু শেহত গৈ গৰিব দুখীয়াৰ মুখৰ ৰেছন আবণ্টন কেলেংকাৰীত পৰি এজনৰ পাচত আনজন প্ৰথম শাৰীৰ মন্ত্ৰীৰ জেলযাত্ৰাই মানুহৰ মনত তীব্ৰ ক্ষোভৰ উদ্ৰেক কৰিছিল -যাৰ প্ৰতিফলন ঘটিল এইবাৰৰ বেলট বাকসত।

**২. তীব্ৰ নিবনুৱা সংকট আৰু বৰ্হিগামী শ্ৰমিক**

তৃণমূলৰ শাসন কালৰ ১৫ বছৰত ৰাজ্যখনত কোনো বৃহৎ উদ্যোগ বা আইটি হাব গঢ়ি নুঠিল। সিংগুৰ-নান্দীগ্ৰামৰ নেতিবাচক ৰাজনীতিৰ পৰিপ্ৰেক্ষিতত কোনো নতুন বিনিয়োগ নাহিল। ইয়াৰ ফলত লাখ লাখ বংগৰ শিক্ষিত আৰু দক্ষ যুৱকে ভিন্ন ৰাজ্য (যেনে বেংগালুৰু, দিল্লী, মুম্বাই) ত গৈ শ্ৰমিক হিচাবে কাম কৰিবলৈ বাধ্য হ'ল। ঘৰৰ ল'ৰাৰ এই অৰ্থনৈতিক আহুকালৰ ক্ষোভেই তৰুণ প্ৰজন্মক টানি নিলে বিজেপিৰ পক্ষলৈ।

**৩. নিম্নপাৰ্য্যায়ত 'কাটমানি' আৰু 'চিণ্ডিকেটৰাজ'**

চৰকাৰী প্ৰকল্প, গৃহ নিৰ্মাণ বা যিকোনো সাধাৰণ পৰ্য্যায়ৰ নাগৰিক পৰিসেৱাৰ কামত তৃণমূল কংগ্ৰেছৰ স্থানীয় নেতাসকলক 'কাটমানি' দিয়াটো বাধ্যতামূলক হৈ পৰিছিল। সাধাৰণ এজন লোকেও বুজা হৈছিল যে কেন্দ্ৰীয় জনকল্যাণমুখী যিকোনো আঁচনিৰ ফল সাধাৰণ লোকৰ কাষ চপাৰ আগেই সেয়া কমিছনৰ হাতোৰাত বন্দী হৈ গৈছিল।

**৪. সন্দেশখালি আৰু নাৰী সুৰক্ষাৰ চৰম অবক্ষয়**

তৃণমূলৰ দীৰ্ঘ শাসনকালত বংগৰ নাৰী সুৰক্ষাৰ দাবী সম্পূৰ্ণ এক মিথ্যাচাৰত পৰিণত হ'ল। সন্দেশখালিৰ দৰে ঘটনাত যিদৰে মহিলা সকলৰ ওপৰত অত্যাচাৰ চলোৱা হ'ল বা শাসকপক্ষই যিদৰে এই ঘটনাত জড়িত বাহুবলীসকলক সুৰক্ষা দিয়াৰ চেষ্টা কৰিলে সেই ঘটনাই বংগৰ মাতৃ-ভগ্নীসকলৰ হৃদয়ত নিৰ্মম আঘাত দিলে। ২০২৬ চনৰ নিৰ্বাচনত মহিলা ভোটবেংক, তৃণমূলৰ ওচৰৰ পৰা সম্পূৰ্ণ আতৰি যোৱাৰ অন্যতম মুখ্য কাৰণ এইটোও।

**৫. উগ্ৰ তোষণ নীতি আৰু ভোটবেংকৰ ৰাজনীতি**

ক্ষমতা বৰ্তাই ৰখাৰ স্বাৰ্থত বিগত দেড়টা দশক ধৰি এটা নিৰ্দ্দিষ্ট ভোটবেংকক অতি তোষণ কৰাৰ নীতিতে ব্যস্ত হৈ থাকিল বিদায়ী চৰকাৰখন। ইয়াৰ ফলত, বহু ক্ষেত্ৰত মেলা-খেলা, উৎসৱ পাৰ্বনৰ

নামত মূল উন্নয়নৰ বিষয়বোৰক অবহেলা কৰা হ'ল। বহু স্পৰ্শকাতৰ ঘটনাৰ বেলিকা আনকি আইন-শৃঙ্খলা বিঘ্নিত হ'লেও একমাত্ৰ ভোটবেংক সুৰক্ষিত ৰখাৰ স্বাৰ্থত পুলিশক নিস্ক্ৰিয় কৰি ৰখা হ'ল। ইয়াৰ ফলতে ভোটৰ সময়ত ভোটাৰৰ মেৰুকৰণে মুখ্য ভূমিকা গ্ৰহণ কৰিলে।

**৬. পঞ্চায়ত আৰু পৌৰ নিৰ্বাচনত গণতান্ত্ৰিক অধিকাৰ হৰণ**

২০১৮ আৰু ২০২৩ চনৰ পঞ্চায়ত নিৰ্বাচনত সাধাৰণ মানুহক ভোট দিবলৈ নিদিয়া, বিনাপ্ৰতিদ্বণ্ডিতাৰে জয়লাভ কৰোৱাৰ বাবে পেশীশক্তিৰ প্ৰদৰ্শন, তদুপৰি বিৰোধী কৰ্মীসকলৰ ওপৰত তৃণমূলে কৰা নিৰ্ম্মন অত্যাচাৰে বংগৰ মানুহৰ মনত তীব্ৰ গণতান্ত্ৰিক ক্ষোভৰ জন্ম দিছিল। ২০২৬ চনৰ নিৰ্বাচনত কেন্দ্ৰীয় বাহিনীৰ কাঢ়া নজৰদাৰিৰ মাজত সাধাৰণ মানুহে এই ক্ষোভৰ গণতান্ত্ৰিক প্ৰতিশোধ ল'লে।

**৭. কেন্দ্ৰীয় প্ৰকল্পৰ নামসলনি আৰু অসহযোগিতা**

প্ৰধানমন্ত্ৰীৰ অত্যন্ত সফল আৰু জনপ্ৰিয় প্ৰকল্পসমূহ (যেনে 'আয়ুস্মান ভাৰত', 'পি এম কিষাণ সন্মান নিধি') ৰাজ্যখনত বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত বাধা আৰোপ কৰাই নহয়, আঁচনিসমূহৰ নাম সলনি কৰি নিজাকৈ নাম প্ৰচলন কৰাৰ চেষ্টা কৰা হৈছিল। দিল্লীৰ ডবল ইঞ্জিন চৰকাৰৰ দ্বাৰা নহ'লে বংগৰ সাৰ্বিক পৰিকাঠামোগত তথা অৰ্থনৈতিক বিকাশ যে সম্ভৱ নহয় সেই কথা বংগৰ প্ৰতিগৰাকী ব্যক্তিয়ে উপলব্ধি কৰিছিল।

**৮. আৰ জি কৰ কাণ্ড তথা মধ্যবিত্ত আৰু বুদ্ধিজীৱী সকলৰ মোহভংগ**

বিগত বছৰসমূহৰ ৰাজ্যৰ চিকিৎসা ব্যৱস্থা তথা আইন শৃঙ্খলাৰ কংকালসাৰ ৰূপ আৰ জি কৰৰ দৰে নৃশংস ঘটনাৰ মাধ্যমেৰে মুকলি হৈ গৈছিল। সেই ঘটনাটোৰ পিছৰ পৰা কলকতাৰ নাগৰিক সমাজ মধ্যবিত্ত পৰিয়াল বা বুদ্ধিজীৱী মহল যিসকলে এটা সময়ত পৰিৱৰ্তনৰ পক্ষক সমৰ্থন কৰিছিল তেওঁলোকেও সম্পূৰ্ণভাৱে তৃণমূলৰ দিশৰ পৰা সম্পূৰ্ণভাৱে নিজৰ দৃষ্টি ঘুৰাই পেলালে।

**৯. শুভেন্দু অধিকাৰীৰ নেতৃত্বত শক্তিশালী তথা যুজাৰু ভাবমূৰ্তি**

২০২১ চনৰ পিছত বিধানসভাৰ ভিতৰে-বাহিৰে বিৰোধী দলপতি শুভেন্দু অধিকাৰীৰ নেতৃত্বত বিজেপিয়ে যেনেধৰণে প্ৰতিটো দুৰ্নীতিৰ বিৰুদ্ধে নিৰৱচ্ছিন্ন ভাৱে একেৰাহে ন্যায়িক তথা ৰাজনৈতিক যুঁজ চলালে সেই কথাই মানুহৰ মনত বিশ্বাস সৃষ্টি কৰিলে। শাসকীয় পক্ষৰ চকুত চকু থৈ যুঁজ কৰাৰ যি মানসিকতা সিয়েই সাধাৰণ মানুহক বুজাই দিলে তৃণমূলক পৰাজিত কৰাৰ ক্ষমতা একমাত্ৰ বিজেপিৰহে আছে।

**১০. 'মোদী গেৰাণ্টি আৰু অন্তোদ্যয়া নীতিৰ প্ৰতি অবিচল আস্থা**

এফালে যিসময়ত ৰাজ্যখনত অস্থায়ী ভাট্টাৰ ৰাজনীতি কৰি প্ৰকৃত উন্নয়নক ঢাকি ৰখাৰ চেষ্টা কৰা হৈছিল, দেশৰ মানুহে সেই সময়ত প্ৰত্যক্ষ কৰিছিল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'সবকা সাথ সবকা বিকাশ' নীতিৰ স্থায়ী সুফল। পথ, তেল পৰিবহন, বিনামূলীয়া ৰেছন, ডিজিটেল পৰিকাঠামোৰ দ্বাৰা দেশতে যি পৰিৱৰ্তন আৰু প্ৰগতিৰ জোঁৱাৰ তাৰপৰা বংগ আৰু পিছুৱাই থাকিব নোখোজে বাবেই বিজেপিৰ প্ৰতি এই জনসমৰ্থনৰ অভিলেখ গঢ়ি উঠিল।

আপোনালোকে হয়তো ভাবিছে তৃণমূল হাৰিছে ২০২৫ চনৰ ৪ মে' তাৰিখেহে। প্ৰকৃততে সেইটো নহয়। তৃণমূল কংগ্ৰেছ প্ৰকৃততে পৰাজিত হৈছিল আৰ জি কৰ হস্পিতালত ঘটনাৰ সময়তে। সেইদিনা লাখ লাখ মানুহে অভয়ত বিচাৰৰ দাবীত ৰাস্তালৈ ওলাই আহিছিল। সেইসময়ৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে ইচ্ছা কৰিলেই অভয়াক ন্যায় দিব পাৰিলেহেঁতেন। পৰিলেহেঁতেন সেই নিৰ্দয় কাণ্ডৰ দোষী কেইজনক শাস্তি দিবলৈ। তাকে নকৰি ওলাটাই এই নৃসংস ধৰ্ষন কাণ্ডটোক তেওঁ গাপ দিয়াৰহে চেষ্টা চলালে আৰু সেইদিনাই তৃণমূলৰ কফিন'ত পৰিল শেষৰটো গজাল।

কেৱল আৰ জি কৰেই নহয়, ধৰ্মতলাৰ ধৰ্ণাযজ্ঞত বছৰৰ পিছত বছৰ ধৰি বহি ৰোৱা যোগ্য চাকৰিপ্ৰাৰ্থী সকলৰ কান্দোন আৰু তেওঁলোকৰ মেধাৰ হাহাকাৰে প্ৰতিটো মধ্যবিত্ত লোকৰ পৰিয়ালক কঁপাই তুলিছিল। অতীতৰ পঞ্চায়ত বা অন্য নিৰ্বাচনবোৰত যি ধৰণৰ হিংসাৰ পৰিৱেশ ৰচনা হৈছিল, এইবোৰ তাৰ পুনৰাবৃত্তি ঘটোৱাৰ অপচেষ্টা চলাইছিল শাসকীয় দলৰ সাধাৰণ কৰ্মীসকলে। কিন্তু সেই চেষ্টাই ফল নধৰিলে। কাৰণ বংগৰ জনগণে এইবাৰ আগতেই ঠিক কৰি থৈছিল যে যিকোনো ত্যাগৰ বিনিময়ত তেওঁলোকে তৃণমূলক উৎখাত কৰিবই। নিৰ্বাচনৰ আগতেই তাৰ পূৰ্বাভাস পোৱা গৈছিল। নিৰ্বাচনী প্ৰচাৰৰ সময়ত বিভিন্ন অঞ্চলত তৃণমূলৰ বিৰুদ্ধে সাধাৰণ মানুহৰ মনত জন্ম হোৱা ক্ষোভ আমি দেখা পাইছো। আমাৰ নিৰ্বাচনী সমষ্টি দাঁতনৰ এটা মাত্ৰ উদাহৰণ দিলেই বিষয়টো আপোনালোকৰ বাবে অধিক স্পষ্ট হ'ব। এইটো বিধানসভাৰ বেছিভাগ ঠাইতে 'আবাস যোজনা'ৰ ঘৰ পোৱাৰ বাবে দিবলগীয়া হৈছে 'কাটমানি'। তাৰ পিছতো তাৰ দৰিদ্ৰ পৰিয়ালৰ লোক ইয়াৰ পাৰ বঞ্চিত হ'ল এই আঁচনিৰ পৰা। ঘৰে ঘৰে খোৱাপানী দিয়াৰ কাৰণে আৱণ্টিত টকাবোৰ মাজতেই হৰলুকি হ'ল। কেঁচা ৰাস্তা পকী হোৱাৰ কাৰণে অনুমোদন হোৱা ধন গৈ সোমাল তৃণমূলৰ নেতাৰ পকেটত। বিশেষকৈ আদিবাসী অঞ্চলৰ অৱস্থা নিজ চকুৰে নেদেখিলে বিশ্বাস কৰা টান। গাঁৱৰ মানুহৰ শৌচ প্ৰস্ৰাৱৰ কাৰণে আজিও গাৱৰ পথাৰখনেই ভৰসা। হস্পিতালৰ পৰিৱেশেই নাই। স্কুলবোৰৰ অৱস্থা ভগ্নপ্ৰায়। দাতন প্ৰধানতঃ গ্ৰামীণ কৃষিভিত্তিক বিধান সভা সমষ্টি। এই অঞ্চলত অধিক উৎপাদনশীল ধান আৰু অন্য কৃষিকৰ্মৰ বাবে উপযোগী। কিন্তু ধান উৎপাদনকাৰী কৃষকসকলে ধানৰ নুন্যতম মূল্যখিনিও নাপায়। আনকি এই অঞ্চলৰ সৰ্বাধিক উৎপাদিত পাণ সঠিক ৰপ্তানি ব্যৱস্থাৰ অভাৱত ঘৰতে নষ্ট হয়।

কেৱল দাঁতনেই নহয়, পশ্চিমবংগৰ সৰ্বত্ৰ কম-বেছি পৰিমাণে এই একেখনেই চিত্ৰ। কিন্তু আমি কথা দিছো এই ছবি এইবাৰ সলনি হ'ব। কেন্দ্ৰৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদি আৰু ৰাজ্যৰ মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰীৰ নেতৃত্বত সলনি হ'ব বংগ, গঢ়ি উঠিব 'সোণাৰ বাংলা'।■

লেখক ঃ পশ্চিমবংগৰ দাঁতন সমষ্টিৰ বিধায়ক



# বিজেপিৰ উত্থান বলিদানৰ পৰা বৰ্তমানলৈ

শংকৰ দাস

ইংৰাজীত এষাৰ কথা আছে - "Ideas move the world" অৰ্থাৎ আদৰ্শই বিশ্ব সলনি কৰে। প্ৰকৃত আদৰ্শই ব্যৱস্থা আৰু তাৰ পৰিণাম উভয়তে প্ৰভাৱ পেলায়। ভাৰতীয় চিন্তা-ধাৰাৰ আধাৰতহে ভাৰত নিজৰ ভৰিত থিয় হ'ব পাৰিব- এই কথা ঋষি অৰবিন্দ, স্বামী বিবেকানন্দই সদায় ব্যক্ত কৰি গৈছে। এই বিচাৰধাৰাৰে নাগপুৰত ডা° কেশৱ বলিৰাম হেড গেৱাৰে ১৯২৫ চনত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ নামৰ এটা সংস্থা আৰম্ভ কৰি বাস্তৱত তাক চৰিতাৰ্থ কৰিছিল।

১৯২০ খ্ৰীষ্টাব্দলৈ তদানীন্তন সৰ্ববৃহৎ ৰাজনৈতিক মঞ্চ কংগ্ৰেছ দলৰ সক্ৰিয় কৰ্মী হিচাপে মহাৰাষ্ট্ৰৰ বিভিন্ন প্ৰান্তত ভ্ৰমণ কৰি ডা° হেডগেৱাৰে অনুভৱ কৰিছিল যে ইংৰাজৰ বিৰুদ্ধে আন্দোলন আপাত দৃষ্টিত আৱশ্যক। তেখেতক এবাৰ প্ৰশ্ন কৰোঁতে কৈছিল "বৃটিছক ভাৰতৰ পৰা খেদিবলৈ তেওঁলোকৰ জোতা পালিচ কৰাৰ পৰা আৰম্ভ কৰি সেই জোতা সোলোকাই আনি সিহঁতৰ মূৰত মৰালৈকে যিকোনো কাম কৰিবলৈ মই প্ৰস্তুত।" কিন্তু তাৰ পিছতো তেখেতে চিন্তা কৰিছিল যে বৃটিছে ভাৰত এৰি গ'লেই দেশৰ সকলো সমস্যা সমাধান হৈ যাব বুলি ভৰাটো কেৱল কল্পনাহে মাথোন। নিজকে প্ৰশ্ন কৰিছিল বৃটিছ সকল আহিল কেনেকৈ? তাৰ আগতেও গ্ৰীক্, শক, হুণ, মোগল, পাঠান, পৰ্তুগীজ সকল আহিছিল, আমাৰ দেশ আক্ৰমণ কৰিছিল, সাময়িক ভাৱে হ'লেও পৰাভূত কৰিছিল। বিশাল দেশখন ভাষা-প্ৰান্ত, জাত-পাত, উচ্চ-নীচ, স্পৃশ্য-আস্পৃশ্য আদি অনেক কাৰণত পৃথক অসংগঠিত হৈ থকাৰ ফলত হোৱা দুৰ্বলতাই ইয়াৰ মুখ্য কাৰণ। সমাজ সংগঠিত কৰি শক্তিশালী দেশ হিচাপে থিয় কৰাব নোৱাৰিলে আকৌ কোনোবা আহি পৰাভূত কৰিব। স্বামী বিবেকানন্দয়ো আমেৰিকাৰ পৰা ঘূৰি আহি কেৱল সংগঠনৰ কথাই কৈছিল। কেতিয়াবা বিশ্বগুৰুৰ আসনত অধিষ্ঠিত হোৱা দেশখনৰ আজিৰ অৱস্থাৰ বাবে অইনক দোষ দিলে নহ'ব তাৰবাবে দায়ী আমি নিজেই। ইয়াৰ ৰাষ্ট্ৰীয় সমাজ সংগঠিত শক্তিশালী হলেহে বিশ্বত মূৰ ডাঙি থিয় হ'ব পাৰিব। আৰু এই কাম মই নিজৰ পৰাই আৰম্ভ কৰিব লাগিব বুলিয়েই শতধা বিভক্ত সমাজখনক হিন্দুত্বৰ উমৈহতীয়া মঞ্চত একত্ৰিত কৰিবলৈ ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ স্থাপনা কৰিছিল।

ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ কেৱল পুৰুষৰ বাবে, কিন্তু সমাজ পৰিৱৰ্তনৰ বাবে সমাজৰ আধা অংশ মহিলাৰো আৱশ্যক। সেইবাবে ১৯৩৬ খ্ৰীষ্টাব্দত বন্দনীয়া লক্ষ্মীবাই কেলকৰৰ নেতৃত্বত কেৱল মহিলা সকলৰ বাবে "ৰাষ্ট্ৰ সেৱিকা সমিতি" নামৰ সংস্থা আৰম্ভ হয়। নাৰীয়েই ৰাষ্ট্ৰৰ আধাৰশিলা নাৰীয়েই আদ্যাশক্তি এই আদৰ্শ লৈ আৰম্ভ হোৱা সমিতিৰ কাৰ্য বৰ্তমান সকলো ৰাজ্যলৈকে বিস্তাৰিত হৈছে।

যিকোনো বিচাৰধাৰাৰ বাবে তদনুৰূপ সাহিত্য সৃষ্টিৰ আৱশ্যক ১৯৪৭ চনত 'ৰাষ্ট্ৰধৰ্ম প্ৰকাশন' নামেৰে এটা প্ৰকাশনগোষ্ঠী আৰম্ভ কৰি সাহিত্য প্ৰকাশ আৰু প্ৰচাৰৰ ব্যৱস্থা কৰা হয়।

ইতিমধ্যে ভাৰত বিভাজন অৰ্থাৎ খণ্ডিত ভাৰতৰ স্বাধীনতা বিষয়টো গুৰুত্বপূৰ্ণ হৈ পাৰে। ১৯৪৬ চনৰ জিন্নাৰ "ডাইৰেক্ট একচন"ৰ বিভীষিকা নৌ মাৰ যাওঁতেই ১৯৪৭ চনত বিভাজনৰ সময়ত হিন্দুৰ ওপৰত হোৱা নিৰ্মম অত্যাচাৰে ভাৰতৰ হিন্দু সমাজই হতভম্ব কৰি তোলে। সময়ৰ এই জটিল সন্ধিক্ষণত সৰ্ববৃহৎ মঞ্চ ভাৰতীয় জাতীয় কংগ্ৰেছৰ নিৰ্লিপ্ত ভূমিকাৰ বিপৰীতে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ

কাৰ্যকৰ্তা সকলৰ মৰণপণ তৎপৰতা সকলোৰে দৃষ্টিগোচৰ হয়। সেই সংকটৰ সময়তো সৰসংঘচালক শ্ৰীগুৰুজী আৰু ৰাষ্ট্ৰসেৱিকা সমিতিৰ প্ৰমুখ্য সঞ্চালিকা লক্ষ্মীবাঈ কলকল ( মৌচিকী) লাহোৰত উপস্থিত হৈ কাৰ্যকৰ্তা সকলক প্ৰেৰণা যোগাইছিল। সেই সময়ত লাহোৰ, পাঞ্জাৱ আদি প্ৰান্তত সংঘ আৰু সমিতিৰ কাৰ্যৰ দ্ৰুত প্ৰসাৰ হৈছিল। সংঘৰ ফালৰ পৰা নিৰ্দেশ দিয়া হ'ল, শেষজন হিন্দু সুৰক্ষিত ভাৱে ভাৰতত প্ৰৱেশ নকৰালৈ সংঘৰ স্বয়ংসেৱক অটল হৈ থাকিব লাগিব।' সেই নিৰ্দেশ কাৰ্যকৰ্তাই আখৰে আখৰে পালন কৰিছিল। কংগ্ৰেছৰ নেতৃবৃন্দ মন্ত্ৰীৰ দপ্তৰ বিতৰণত দিল্লীত ব্যস্ত আছিল। কংগ্ৰেছৰ কাৰ্যকৰ্তাই নিৰ্দিষ্ট দূৰত্বত অৱস্থান কৰিছিল, সংঘৰ কাৰ্যকৰ্তাই নিজৰ জীৱনকো তুচ্ছা কৰি হিন্দু সকলক সহায় কৰিছিল। সংঘৰ এই সংগঠিত কাৰ্যই প্ৰধান মন্ত্ৰী জৱাহৰলাল নেহৰুক শংকিত কৰি তুলিছিল। আশংকাত ভুগিছিল সংঘ কাইলৈ কংগ্ৰেছৰ বাবেই প্ৰত্যাহ্বান হৈ পৰিব গতিকে সংঘ কাৰ্য বন্ধ কৰিবলৈ সুযোগৰ সন্ধানত আছিল।

দুৰ্ভাগ্যক্ৰমে ১৯৪৮ চনৰ ৩০ জানুৱাৰীত হোৱা মহাত্মা গান্ধীৰ হত্যাত সম্পূৰ্ণ ভাৰত স্তব্ধ হৈ পৰিল। লগে লগে জৱাহৰলাল নেহৰুৱে আৰ এছ এছৰ ষড়যন্ত্ৰ বুলি মিছা অপবাদ দি সংঘৰ ওপৰত কংগ্ৰেছ কৰ্মী আৰু চৰকাৰী পুলিচ বাহিনীয়ে অমানুষিক অত্যাচাৰ আৰম্ভ কৰে। হেজাৰ হেজাৰ কাৰ্যকৰ্তাৰ গ্ৰেপ্তাৰ কৰি কাৰাগাৰৰ ভিতৰতো নিৰ্যাতন চলায়।

ইতিমধ্যে ১৯৪৮ চনত ছাত্ৰ সংগঠন 'অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ' আৰম্ভ হয়। দেশৰ প্ৰায়বোৰ ৰাজ্যত মুখ্য মহাবিদ্যালয়বোৰত বিদ্যাৰ্থী পৰিষদৰ কাৰ্যৰ বিস্তাৰ ঘটে। কংগ্ৰেছৰ যুৱ সেৱাদলৰ তুলনাত বিদ্যাৰ্থী পৰিষদ অধিক শক্তিশালী হৈ পৰে। জৱাহৰলাল নেহৰু আৰু অধিক শংকিত হৈ পৰে যাৰ ফলত তিনিখনকৈ আয়োগ গঠন কৰিও সংঘৰ বিৰুদ্ধে কোনো তথ্য প্ৰমাণ দিব নোৱাৰাৰ পাছতো নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰিবলৈ মান্তি হোৱা নাছিল। সংঘৰ কাৰ্যকৰ্তাৰ ওপৰত অত্যাচাৰ চলিয়েই থাকিল। সংসদত মাত মাতিব পৰা কোনো ব্যৱস্থাই নাছিল। পিছত দক্ষিণ ভাৰতৰ প্ৰখ্যাত অধিবক্তা টি এছ ভেঙ্কটৰাম শাস্ত্ৰীৰ মধ্যস্থতাত বিনাচৰ্তে নিষেধাজ্ঞা উঠাই লোৱা হয়।

অখিল ভাৰতীয় হিন্দু মহাসভাৰ পূৰ্ব অধ্যক্ষ ড° শ্যামা প্ৰসাদ মুখাৰ্জী সংঘৰ তদানীন্তন সৰসংঘচালক শ্ৰীগুৰুজীৰ ওচৰলৈ গৈ আক্ষেপ কৰি কৈছিল যে সংসদত হিন্দুৰ হৈ মাত মতা কোনো ৰাজনৈতিক দল নাই সেইবাবে সংঘই নিজাববীয়াকৈ এটা দল খুলিব লাগে। তেতিয়া গুৰুজীয়ে উত্তৰ দিছিল 'সংঘইপ্ৰত্যক্ষভাৱে ৰাজনীতিত ভাগ নলয়, আপুনি আৰম্ভ কৰক সংঘই নিশ্চয় সহায় কৰিব।' তেতিয়া সংঘৰ তৰফৰ পৰা পণ্ডিত দীনদয়াল উপাধ্যায়, বলৰাজ মাধোক, লালকৃষ্ণ আদৱানী, অটল বিহাৰী বাজপেয়ী আদি কাৰ্যকৰ্তা দিয়া হয়। ড° শ্যামা প্ৰসাদ মুখাৰ্জীৰ নেতৃত্বত ১৯৫১ চনত 'ভাৰতীয় জন সংঘ' নামেৰে ৰাজনৈতিক দল গঠন হয় যাৰ আদৰ্শ এক দেশ, এক সংস্কৃতি এক ৰাষ্ট্ৰ।

শ্যাম প্ৰসাদ মুখাৰ্জী স্বাধীন ভাৰতৰ প্ৰথম মন্ত্ৰীসভাত বাণিজ্য আৰু উদ্যোগমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল কিন্তু নেহৰু লিয়াকৎ চুক্তিৰ বিৰোধিতা কৰি মন্ত্ৰীসভাৰ পৰা পদত্যাগ কৰে। কাশ্মীৰক ধাৰা ৩৭০ৰ আধাৰত বিশেষ সুবিধা প্ৰদানৰ ঘোৰ বিৰোধিতা কৰি স্পষ্ট ভাষাত তেখেতে কৈছিল নেহৰুৱে কাশ্মীৰৰ Balkanization (বাল্কানাইজেচন) অৰ্থাৎ দেশৰ ভিতৰতে আৰু এখন দেশৰ সৃষ্টি কৰি চিৰশত্ৰুৰ ৰূপত থিয় কৰাব খুজিছে আমি কেতিয়াও সমৰ্থন কৰিব নোৱাৰিম। এখন ৰাষ্ট্ৰত দুখন সংবিধান, দুখন পতাকা দুজন প্ৰধানমন্ত্ৰী কেতিয়াও স্বীকাৰ কৰা ন'হব। ইয়াৰ বিৰোধত 'এক প্ৰধান, এক বিধান, এক নিচান'. এই শ্লোগানেৰে কাশ্মীৰ ভাৰতৰ অভিন্ন অঙ্গ তাক প্ৰতিস্থা কৰিবলৈ কাশ্মীৰ যাত্ৰা কৰোতে সীমা পাৰ কৰাৰ লগে লগে জন্মু কাশ্মীৰৰ প্ৰধানমন্ত্ৰীৰ নিৰ্দেশত পুলিচে শ্যামা প্ৰসাদ মুখাৰ্জীক গ্ৰেপ্তাৰ কৰে। বন্দী অৱস্থাত তেখেতৰ মৃত্যু হয়, সেই মৃত্যু আজিও ৰহস্যৰ আৱৰ্তত। স্বাধীন ভাৰতত নিজ দেশৰেই অখণ্ডতাৰ বাবে হোৱা সেয়া আছিল প্ৰথম বলিদান।

১৯৭৫ চনত জনসংঘৰ সভাপতি লালকৃষ্ণ আদৱানী। ইন্দিৰা গান্ধীয়ে দেশত জৰুৰী কালিন অৱস্থা (ইমাৰ্জেন্সি) ঘোষণাকৰিছে। সকলো ৰাজনৈতক দল, বেচৰকাৰী অনুষ্ঠান প্ৰতিষ্ঠান সমূহৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰি নেতৃত্বত থকা সকলক গ্ৰেপ্তাৰ কৰি কাৰাগাৰত বন্দী কৰি ৰাখিছিল। ১৯ মাহৰ পিছত যেতিয়া নিৰ্বাচন ঘোষণা কৰিলে তেতিয়া কংগ্ৰেছ আৰু কমিউনিষ্ট দল বাদ দি অন্য সকলো দল মিলি 'জনতা পাৰ্টি' নামেৰে দলগঠন কৰি কংগ্ৰেছৰ বিৰুদ্ধে জেলৰ ভিতৰত থাকিয়েই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি জয়ী হয় আৰু চৰকাৰ গঠন কৰে। প্ৰথম বাৰলৈ দেশত অকংগ্ৰেছী চৰকাৰ হয়।

কিছুদিনৰ পাছতেই দ্বৈত সদস্য (Dual members) সম্বন্ধীয় প্ৰশ্ন উত্থাপিত হ'ল। প্ৰশ্ন কৰা হ'ল ভাৰতীয় জনসংঘৰ সদস্যসকলে আৰ এছ এছ ত্যাগ কৰিব লাগিব অন্যথা জনতা পাৰ্টিত থাকিব নোৱাৰিব। তেতিয়া অটল বিহাৰী বাজপেয়ীয়ে ক'লৈ চৰকাৰ থাকক



বা নাথাকক, মন্ত্ৰীত্ব থাকক বা নাথাকক আমি আৰ এছ এছতহে থাকিম। তেতিয়া জনতা পাৰ্টিৰ পৰা পৃথক হৈ ১৯৮০ চনত ‘ভাৰতীয় জনতা পাৰ্টি’ গঠন কৰি পদুম ফুলৰ চিহ্ন (চিম্বল) প্ৰতীক হিচাপে লয়। তেতিয়া দুজন সাংসদেৰে দপদপাই থকা ভাৰতীয় জনতা পাৰ্টিয়ে কাৰ্যকৰ্তাসকলৰ অথবা পৰিশ্ৰমৰ ফলত ক্ৰমে সাংসদৰ সংখ্যা বৃদ্ধি কৰিবলৈ সক্ষম হয়। দুজন সাংসদ ৫৪২ জন সাংসদৰ মাজত, অইন দলে ঠাট্টা কৰিছিল, অটল বিহাৰী বাজপেয়ী অটল হৈ আছিল আৰু কৈছিল আজি যিসকলে আমাক ঠাট্টা কৰিছে কাইলৈ তেওঁলোকেই অনুশোচনাতভুগিব লাগিব। তেখেত সকলৰ আত্মবিশ্বাস, সাংগঠনিক কৌশল আৰু নিৰন্তৰ প্ৰয়াসৰ ফলত ভাৰতীয় জনতা পাৰ্টিৰ ক্ৰমাৎ উত্থান হয়। ১৯৮৯ চনত ৮৫ জন সাংসদ, ১৯৯১ চনত ১২০ জন সাংসদ, ১৯৯৬ চনত ১৬৪ জন সাংসদ, ১৯৯৯ চনত ১৮২ জন সাংসদ, ২০০৪ চনত ১৩৮ জন, ২০০৯ চনত ১১৬ জন, ২০১৪/১৯ চনত ক্ৰমে একক সংখ্যাগৰিষ্ঠতাৰ ২৮২,৩০৩ আৰু ২০২৪ চনত ২৪০ জন সাংসদ তৃতীয় বাৰলৈ ভাৰতবৰ্ষৰ জনসাধাৰণে শাসনৰ গাদীত বহুৱায়। শ্ৰীনৰেন্দ্ৰ মোদী বৰ্তমান একেৰাহে আটাইতকৈ বেছি দিন কাৰ্যনিৰ্বাহ কৰা প্ৰধান মন্ত্ৰী।

ৰাজনৈতিক ক্ষেত্ৰত জনসংঘৰ পৰা ভাৰতীয় জনতা পাৰ্টিলৈ যি যাত্ৰা তথা ২ জন সাংসদৰ পৰা একেৰাহে তিনিবাৰ শাসনত অধিষ্ঠিত হোৱাৰ মূলতে হ’ল ৰাষ্ট্ৰ জাগৰণৰ বাবে সকলো স্তৰৰে চলি থকা প্ৰচেষ্টা যাৰ ফলত জনসাধাৰণৰ সমৰ্থন সহযোগিতা আৰু সক্ৰিয়তা পাবলৈ পথ প্ৰশস্ত হৈছে।

সমাজ জাগৰণৰ ক্ষেত্ৰত অইন বহুতো সামাজিক সাংস্কৃতিক, শৈক্ষিক সংগঠনে বিশিষ্ট সক্ৰিয় ভূমিকা গ্ৰহণ কৰি আহিছে। শ্ৰীবালাসাহৰ দেশপাণ্ডে চৰকাৰী চাকৰি সূত্ৰে জনজাতি অঞ্চললৈ গৈ দেখিলে যে জনজাতিসকলে দৈনন্দিন ব্যৱহাৰিক জীৱনত পাব লগা নূন্যতম সা সুবিধাখিনিৰ পৰাও বঞ্চিত হৈ আছে। ধৰ্মান্তৰকণৰ ষড়যন্ত্ৰৰ পৰা ৰক্ষা কৰি সক্ষম আৰু স্বাৱলম্বী কৰি উপযুক্ত জীৱন ধাৰণৰ ব্যৱস্থা কৰিবলৈ তেখেতে ব্যক্তিগত সকলো বাদ দি জীৱনৰ বাকী থকা দিন সেই জনজাতীয় অঞ্চলৰ উন্নয়ণৰ কামত ব্ৰতী হৈ পৰিল আৰু ১৯৫২ চনতে ‘জনজাতি কল্যাণ আশ্ৰম’ নামৰ সংস্থা স্থাপন হ’ল। বৰ্তমান প্ৰায় ১২ হেজাৰ কেন্দ্ৰত ১৫০০ পূৰ্ণ কালিন কাৰ্যকৰ্তাৰ দ্বাৰা ২০ হেজাৰৰো অধিক প্ৰকল্প কেৱল জনজাতি উন্নয়ণৰ বাবে চলি আছে। চত্তিশগড় ৰাজ্যৰ যশপুৰৰ সৰু এটা অঞ্চলত আৰম্ভ হোৱা জনজাতি অঞ্চলত কাৰ্যৰত বৰ্তমান বেচৰকাৰী সৰ্ববৃহৎ সংস্থা হ’ল বনবাসী কল্যাণ আশ্ৰম।

১৮৩৫ চনত ভাৰতীয় শিক্ষা পদ্ধতিৰ পৰিৱৰ্তে অসুবিধা শিক্ষাৰ নামত Western Institutional Education নাম দি ইংৰাজী ভাষাটো বাধ্যতামূলক কৰি, শৈক্ষিক দৃষ্টিৰে ভাৰতৰ মূল শিপাৰ পৰা আতৰাই নতুন এক বিজতৰীয়া প্ৰজন্ম সৃষ্টি কৰাৰ ষড়যন্ত্ৰক প্ৰত্যাহ্বান জনাই ১৯৫২ চনত উত্তৰ প্ৰদেশৰ গোৰখপুৰত আৰম্ভ কৰা ‘সৰস্বতী শিশু মন্দিৰে’ বৰ্তমান বিদ্যাভাৰতী নামেৰে দেশৰ সৰ্ববৃহৎ বেচৰকাৰী শৈক্ষিক সংস্থা হিচাপে পৰিগণিত হৈছে। সৰ্বমুঠ ১৩০০০ বিদ্যালয়, ১১০০০ শিশু সংস্কাৰ কেন্দ্ৰত ৩৫ লাখতকৈও অধিক ছাত্ৰ-ছাত্ৰীয়ে

অধ্যয়ণ কৰি আছে। ছাত্ৰ-ছাত্ৰী, আচাৰ্য আচাৰ্য, পৰিচালনা সমিতি, জিলা বিদ্বত পৰিষদ, তথা অন্যান্য কাৰ্যক্ৰম ছাত্ৰ ভাৰতী, মাতৃ ভাৰতী আদিৰ দ্বাৰা এক বৃহৎ আন্তঃ সংযোগী ব্যৱস্থা বিদ্যাভাৰতীৰ দ্বাৰা জনসমাজত চলি আছে। অসমতো ৪৭০ খন বিদ্যালয়ত ৬৩৮১ আচাৰ্য আচাৰ্যাৰ দ্বাৰা ১,১৯,৭১৩ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে পাঠ গ্ৰহণ কৰি আছে।

বিশ্বৰ বিভিন্ন দেশত সিচঁৰিত হৈ থকা হিন্দুসকলে বিভিন্ন সমস্যাৰ সন্মুখীন হৈ থাকিবলগীয়া হয় যদিও তাৰ বাবে মাত মাতিব পৰা সংগঠন নাছিল। কেইজনমান প্ৰবাসী ভাৰতীয় আহি ভাৰত চৰকাৰৰ লগত যোগযোগ কৰি কোনো সহাৰি নোপোৱাত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ তদানীন্তৰ সৰসংঘচালক শ্ৰীগুৰুজীৰ ওচৰলৈ আহিল। সংঘৰ প্ৰচাৰক শ্ৰীএচ এচ আপ্তেক অধ্যয়ণৰ বাবে বিশ্বৰ কেইবাখনো দেশলৈ পঠিয়াই শ্ৰীগুৰুজীয়ে এখন প্ৰতিবেদন প্ৰস্তুত কৰে। পিছত তেখেতে নিজ আগভাগ লৈ, আটাইকেইজন শংকৰাচাৰ্যৰ উপস্থিতিত মুম্বাইৰ সন্দিপনী আশ্ৰমত ১৯৬৪ চনত বিধিৱৎ 'বিশ্ব হিন্দু পৰিষদ' নামৰ ধাৰ্মিক সংগঠন স্থাপন কৰা হয়। পন্থ সম্প্ৰদায়ত বিভক্ত বিশাল সমাজখনৰ ধাৰ্মিক সৃষ্টিৰে উমৈহতীয়া একমাত্ৰ মঞ্চ হ'ল বিশ্ব হিন্দু পৰিষদ। ১৯৬৪ চনৰ জন্মাষ্টমীৰ দিনা আৰম্ভ হোৱা বিশ্ব হিন্দু পৰিষদৰ কাৰ্যকলাপ বৰ্তমান বিশ্বৰ অন্যান্য ৫০ খন দেশত চলি আছে। হিন্দু ধৰ্ম, হিন্দু সংস্কৃতি আৰু সেৱা হ'ল বিশ্ব হিন্দু পৰিষদৰ মূল মন্ত্ৰ।

১৯৫৫ চনত শ্ৰীদণ্ডোপন্ত ঠেংগড়ীৰ নেতৃত্বত স্থাপন হয় ভাৰতীয় মজদূৰ সংঘ। মজদূৰ সংঘ মানেই কৰ্মিউনিষ্টৰ সংগঠন এই ধাৰণা সলনি কৰি 'বিশ্বৰ মজদূৰ এক হওঁক' ইয়াৰ পৰিৱৰ্তে 'মজদূৰে বিশ্বক এক কৰক' সিদ্ধান্তৰে আৰম্ভ হোৱা ভাৰতীয় মজদূৰ সংঘ ভাৰতৰ সৰ্ববৃহৎ মজদূৰ সংগঠন। বিশ্ব প্ৰেক্ষাপটত ভাৰতীয় মজদূৰ সংঘ বৰ্তমান আগশাৰীৰ সংগঠন আন্তৰ্জাতিক শ্ৰমিক সংস্থা ৰ দ্বাৰা স্বীকৃত অন্যতম মজদূৰ সংগঠন হ'ল ভাৰতীয় মজদূৰ সংস্থা।

ইয়াৰ উপৰিও সামাজিক, সাংস্কৃতিক, আৰ্থিক, শৈক্ষিক, শ্ৰমিক মজদূৰ কৃষিৰ ক্ষেত্ৰত ভিন ভিন নামেৰে কাৰ্যকলাপ চলাই থকা সংস্থা সমূহ হ'ল ভাৰত বিকাশ পৰিষদ, বিবেকানন্দ কেন্দ্ৰ, হিন্দুস্থান সমাচাৰ, অখিল ভাৰতীয় সাহিত্য পৰিষদ, ভাৰতীয় শিক্ষা মণ্ডল, দীনদয়াল শোধ সংস্থান, বাবাসাহেব আপ্তে স্মাৰক সমিতি, অখিল ভাৰতীয় গ্ৰাহক পঞ্চায়ত, ভাৰতীয় কিষান সংঘ, সহকাৰ ভাৰতী সেৱা ভাৰতী, সংস্কাৰ ভাৰতী, সংস্কৃত ভাৰতী, আৰোগ্য ভাৰতী, ৰাষ্ট্ৰীয় সেৱা ভাৰতী, ক্ৰীড়া ভাৰতী, লঘু উদ্যোগ ভাৰতী, ভাৰতীয় ইতিহাস সংকলন যোজনা, ৰাষ্ট্ৰীয় শিখ সংগত, প্ৰজ্ঞা প্ৰবাহ, অখিল ভাৰতীয় শৈক্ষিক মহাসংঘ, অধিবক্তা পৰিষদ, নেচনেল মেডিকোজ অৰ্গেনাইজেচন, সামাজিক সমৰসভা মঞ্চ, স্বদেশী জাগৰণ মঞ্চ, পূৰ্ব সৈনিক সেৱা পৰিষদ, সীমা জাগৰণ, ভাৰতীয় কুষ্ঠ নিবাৰক সংঘ, সক্ষম আদি। অন্যান্য অনেক ৰাজ্যিক সংগঠনে নিজ ৰাজ্যত সুকীয়া কাৰ্যসূচীৰে কৰ্মৰত হৈ আছে।

সমাজ জীৱনৰ প্ৰায় সকলো ক্ষেত্ৰতে ৰাষ্ট্ৰীয় বিচাৰধাৰাৰে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ নেতৃত্বত বিভিন্ন নামেৰে কাৰ্যৰত হৈ আছে। ছাত্ৰ-শিক্ষক, শ্ৰমিক-মজদূৰ-কৃষক, লেখক, সাহিত্যিক, সাংবাদিক, বুদ্ধিজীৱি, চিকিৎসক, অভিযন্তা উদ্যোগপতি, জনজাতি, বিকলাঙ্গ, অঘৰী জাতি, মহিলা, যুৱক, বালক, শিশু আদি সমাজৰ সকলো স্তৰত এই সংস্থাসমূহে সমাজ জাগৰণৰ দৃষ্টিৰে কাৰ্যৰত হৈ আছে যাৰ ফলত জনসাধাৰণৰ চিন্তাৰ পৰিৱৰ্তন হৈছে, দেশৰ বিকাশ আৰু উন্নয়নৰ দিশত চিন্তা কৰিবলৈ মানসিকতা নিৰ্মাণ হৈছে।

বৰ্তমান ৰাজনৈতিক ক্ষেত্ৰত ভাৰতীয় জনতা পাৰ্টি সৰ্বাধিক সদস্যৰে বিশ্বৰ সৰ্ববৃহৎ ৰাজনৈতিক দল। ভাৰতৰ ৬ লাখ ৪০ হাজাৰ গাঁৱৰ প্ৰত্যেকখন গাঁৱতেই অইন কোনো নহলেও এজন নহয় এজন সদস্য পোৱা যাব। ৰাষ্ট্ৰীয় বিচাৰধাৰাৰ সৰ্বব্যাপী প্ৰসাৰে বৰ্তমান ভাৰতত এক সামাজিক সচেতনতা আনিছে। কিছু কিছু ক্ষেত্ৰত পদক্ষেপ লোৱাও পৰিলক্ষিত হৈছে।

বৰ্তমান বিশ্ব প্ৰেক্ষাপটলৈ লক্ষ্য কৰিলে আমি দেখা পাওঁ যে কোনো ৰাষ্ট্ৰ আজি সুস্থিৰ হৈ থাকিব পৰা নাই। উন্নত দেশেই হওক, উন্নতিশীল দেশেই হওঁক বা অনুন্নত দেশেই হওঁক সকলো দেশৰ জনসাধাৰণ ভৱিষ্যত অনিশ্চয়তাৰ ফালে ধাৱমান। বিভিন্ন দেশত অৰাজকতাৰ স্থিতি। তাৰ পিচতো আমাৰ দেশে নিজৰ ভৰিত থিয় হ'ব পৰাকৈ শক্তি সামৰ্থ্য আহৰণ কৰিব পাৰিছে তাৰ মূলতেই হ'ল সামাজিক সচেতনতা আৰু ৰাজনৈতিক স্থিৰতা। ৰাজনৈতিক স্থিৰতাৰ বাবে মুখ্য আৱশ্যক বিষয়টো হ'ল ৰাজনৈতিক দল আৰু জনসাধাৰণৰ মাজত সংবাদ বাৰ্তালাপ এই কথা আমি আওকাণ কৰিব নালাগিব।

সঠিক দিশত আমাৰ দেশে পদক্ষেপ লৈছে তাত সন্দেহ নাই, দ্ৰুতগতিত অগ্ৰসৰ হ'বলৈ আমি সংকল্পবদ্ধ আৰু একত্ৰিত হৈ আগবাঢ়িব লাগিব, এয়াই আজিৰ সময়ৰ আহ্বান।■

---

লেখক ঃ ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ ক্ষেত্ৰীয় বৌদ্ধিক প্ৰমুখ, বিশিষ্ট নিৱন্ধকাৰ



# অসম প্ৰদেশ বিজেপিৰ ইতিহাস এক চমু পৰ্যালোচনা

ড° প্ৰদীপ ঠাকুৰীয়া

ভাৰতীয় জনতা পাৰ্টিৰ জন্ম হৈছিল ১৯৮০ চনৰ ৬ এপ্ৰিল তাৰিখে, ১৯৫১ চনৰ ২১ অক্টোবৰ তাৰিখে জন্ম হোৱা ভাৰতীয় জনসংঘৰ মজিয়াত। স্থানান্তৰত এই সম্পৰ্কত সবিস্তাৰে আলোচনা কৰা হৈছে বাবে আমি এই সন্দৰ্ভত পুনৰ আলোচনা নকৰি এই লেখাত আমি কেৱল ভাৰতীয় জনতা পাৰ্টিৰ অসম প্ৰদেশৰ ওপৰতে আমাৰ প্ৰসংগ সীমাবদ্ধ কৰি ৰখাৰ বাবে প্ৰচেষ্টা কৰিম।

সৰ্বভাৰতীয় পৰ্য্যায়ৰ লগতে ঘটনাক্ৰমে অসমতো ১৯৭৭ চনত অন্য বিৰোধী দলৰ লগতে ভাৰতীয় জনসংঘৰ অসম ৰাজ্যিক গোটটোও জনতা পাৰ্টিত বিলীন হ'ল। সেই সময়ত জনসংঘৰ ৰাজ্যিক সভাপতি আছিল নগাওঁ জিলাৰ কামপুৰ নিবাসী লক্ষেশ্বৰ গোঁহাই আৰু সম্পাদক আছিল হাজো নিবাসী হৰেকৃষ্ণ ভৰালী। অসমত জনতা পাৰ্টিৰ ৰাজ্যিক সমিতিখন গঠন হোৱাৰ পিছত ৰাজ্যিক সভাপতি হিচাপে নিৰ্বাচিত হয় গোলাপ বৰবৰা আৰু সাধাৰণ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰিলে নলবাৰীৰ বিশ্ব গোস্বামী আৰু গুৱাহাটীৰ শ্ৰীৰমেন ডেকাই। কাৰ্য্যালয় সম্পাদক হিচাপে কাৰ্যনিবাহ কৰে হৰেকৃষ্ণ ভৰালীয়ে। ১৯৭৮ অনুষ্ঠিত অসম বিধানসভাৰ নিৰ্বাচনত জনতা পাৰ্টিয়ে সংখ্যাগৰিষ্ঠতাৰ আধাৰত শাসনলৈ আহে আৰু শ্ৰদ্ধেয় গোলাপ বৰবৰা মুখ্যমন্ত্ৰীৰ পদত অধিষ্ঠিত হয়। স্বৰ্গীয় বৰবৰা মুখ্যমন্ত্ৰী হোৱাৰ পিছত জনতা পাৰ্টিৰ সভাপতিৰ দায়িত্ব গ্ৰহণ কৰে বিশিষ্ট ৰাজনীতিবিদ গোৰীশংকৰ ভট্টচাৰ্য্যই। সেই নিৰ্বাচনত লক্ষেশ্বৰ গোঁহাই আৰু জনসংঘৰ সমৰ্থনত শ্ৰীঅজয় দত্তই বিধানসভালৈ নিৰ্বাচিত হয় আৰু গোঁহায়ে বৰবৰা মন্ত্ৰীসভাত ৰাজহ মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিবলৈ সুযোগ পায়। কেন্দ্ৰত মোৰাৰজী দেশাই চৰকাৰৰ পতনৰ পিছত অসমতো বৰবৰা চৰকাৰৰ পতন হয়।

মাত্ৰ আঢ়ৈ বছৰ পূৰ্ণ হোৱাৰ পিছত মোৰাৰজী দেশাই চৰকাৰৰ পতন হোৱাত ৰাষ্ট্ৰীয় স্তৰত ৰাজনৈতিক ক্ষেত্ৰখনত আমূল পৰিৱৰ্তন হয় আৰু সম্পূৰ্ণ এক বিপৰীত গতিৰে ধাৱমান হয়। পিছত ভাৰতীয় জনসংঘৰ নেতৃত্ব বহন কৰা অটল বিহাৰী বাজপেয়ী আৰু শ্ৰীলালকৃষ্ণ আদৱানীৰ লগতে সহযোগীসকলে ১৯৮০ চনৰ ৬ এপ্ৰিল তাৰিখে ভাৰতীয় জনতা পাৰ্টি প্ৰতিষ্ঠা কৰি অটলজীয়ে ৰাষ্ট্ৰীয় সভাপতিৰ দায়িত্ব গ্ৰহণ কৰে । বোম্বেইত অনুষ্ঠিত হোৱা প্ৰথমখন অধিৱেশনত উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ মহম্মদ কৰিম ছাগ্‌লাৰ লগতে ৰাষ্ট্ৰবাদী চিন্তাৰে উদ্বুদ্ধ বহু নেতাই অংশগ্ৰহণ কৰিছিল আৰু অসমৰ পৰা প্ৰতিনিধিত্ব কৰিছিল শিলচৰৰ কবীন্দ্ৰ পুৰকায়স্থ (প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী), স্বৰ্গীয় হৰিপদ দেৱ (কৰিমগঞ্জ) আৰু গুৱাহাটীৰ শ্ৰীৰমেন ডেকাই (পিচলৈ ৰাজ্যিক সভাপতি বৰ্তমান চত্তিশগড় ৰাজ্যৰ ৰাজ্যপাল)।

১৯৮০ চনত অনুষ্ঠিত হোৱা অধিৱেশনৰ পিচতে ৰাষ্ট্ৰীয় সভাপতি অটল বিহাৰী বাজপেয়ীয়ে কবীন্দ্ৰ পুৰকায়স্থক অসমত ভাৰতীয় জনতা পাৰ্টিৰ সাংগঠনিক ভেঁটি গঢ় দিয়াৰ বাবে মৌখিকভাৱে দায়িত্ব অৰ্পণ কৰিছিল আৰু বাজপেয়ীৰ পৰামৰ্শমতে পুৰকায়স্থদেৱে দিছপুৰ বিধায়ক আৱাসলৈ গৈ প্ৰথমে স্বৰ্গীয় লক্ষেশ্বৰ গোঁহাইক লগ ধৰি দলৰ সংগঠন কেনেকৈ আৰম্ভ কৰিব পাৰি সেই বিষয়ে বিতংভাৱে

আলোচনা কৰে আৰু তাৰ পিচতে নিজৰ গৃহ জিলা কাছাৰলৈ ধাপলি মেলে। শিলচৰত উপস্থিত হৈয়ে পুৰকায়স্থদেৱে প্ৰথমে ভাৰতীয় জনসংঘৰ কৰ্মীসকলৰ সহযোগত কাছাৰ জিলাখন গঠন কৰে। অধিবক্তা নিপেন কুমাৰ দেৱক সভাপতি আৰু সমৰেন্দ্ৰ নাথ সেনক সাধাৰণ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিবলৈ কাছাৰ জিলাৰ দায়িত্ব অৰ্পণ কৰে। স্বৰ্গীয় সমৰেন্দ্ৰ নাথ সেন পিছলৈ ১৯৯১ চনত শিলচৰৰ পৰা বিধায়কো নিৰ্বাচিত হৈছিল। পুৰকায়স্থদেৱে তাৰ পিচত কৰিমগঞ্জ জিলাখন গঠনৰ বাবে মনস্থ কৰি সাংগঠনিক কাম-কাজ আৰম্ভ কৰে আৰু অধ্যাপক শৈলেন্দ্ৰ শেখৰ দত্তক সভাপতি আৰু কানু দেৱক সাধাৰণ সম্পাদক হিচাপে জিলা সমিতিখন গঠন কৰে। ঠিক সেইদৰে প্ৰমোদ সেনগুপ্তক সভাপতি নিয়োগ কৰি হাইলাকান্দি জিলা সমিতিখনো গঠন কৰে। উল্লেখযোগ্য যে ভাৰতীয় জনতা পাৰ্টিৰ সাংগঠনিক জিলা হিচাপে কাছাৰ জিলা সমিতিখনেই উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত প্ৰথমখন জিলা আছিল। সেই সময়ৰ ভাৰতীয় জনসংঘৰ অন্যতম সক্ৰিয় সদস্য অধিবক্তা বিমলাংশু ৰয়ৰ দলৰ সাংগঠনিক দিশত যথেষ্ঠ অৰিহণা আছিল। তেখেতে পিছলৈ ১৯৯৬ চনত ভাৰতীয় জনতা পাৰ্টিৰ মনোনীত সদস্য হিচাপে শিলচৰ বিধানসভাৰ পৰা বিধায়ক হৈছিল আৰু দলৰ ৰাজ্যিক উপ-সভাপতি আৰু বিধায়নী দলৰ নেতা হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল।

১৯৮০ চনত ভাৰতীয় জনতা পাৰ্টিৰ কেন্দ্ৰীয় সমিতিয়ে স্বৰ্গীয় বংশীলাল সোনীক সংগঠনৰ দায়িত্ব অৰ্পণ কৰি অসমলৈ পঠিয়াই। ভাৰতীয় জন সংঘৰ শেষৰজন ৰাজ্যিক স ভাপতি স্বৰ্গীয় লক্ষেশ্বৰ গোঁহাইলৈ আনুষ্ঠানিক পত্ৰ প্ৰেৰণ কৰি অসমৰ আহ্বায়ক হিচাপে নিযুক্তি দি পুৰকায়স্থদেৱৰ লগত কাম কৰিবলৈ কেন্দ্ৰীয় নেতৃত্বই পৰামৰ্শ দিয়ে। স্বৰ্গীয় বংশীলাল সোনীয়ে অসমৰ সংগঠনৰ দায়িত্ব গ্ৰহণ কৰি প্ৰথমতে প্ৰায় ছমাহ গুৱাহাটীৰ উজান বজাৰৰ দীপক বৰঠাকুৰৰ (প্ৰাক্তন ৰাজ্যিক নীতি আয়োগৰ উপাধ্যক্ষ) ঘৰত থাকি দলীয় কাম-কাজ আৰম্ভ কৰিছিল। অৱশ্যে ১৯৮০ চনৰ শেষৰ ফালে গুৱাহাটীৰ উজান বজাৰৰ জীৱেশ্বৰ চক্ৰৱৰ্তীৰ ঘৰটো ভাজপাৰ ৰাজ্যিক কাৰ্যালয় হিচাপে ব্যৱহাৰ কৰা হৈছিল।

১৯৮১ চনত কৰ্ণেল উমা নাথ শৰ্মাক ভাজপাৰ প্ৰথমজন ৰাজ্যিক সভাপতি নিৰ্বাচিত কৰা হয়। তাৰ পৰৱৰ্তী সময়ত ১৯৮২ চনত যোৰহাটত প্ৰথমখন ৰাজ্যিক অধিবেশন অনুষ্ঠিত হয়। অভ্যৰ্থনা সমিতিৰ সম্পাদক অধ্যাপক ৰোহিনী বৰুৱা আৰু যুটীয়া সম্পাদক অশ্বিনী ঠাকুৰে বহুতো কষ্ট স্বীকাৰ কৰি অধিৱেশনখন সাফল্যমণ্ডিত কৰে। সেই অধিৱেশনলৈ শ্ৰীলালকৃষ্ণ আদৱানী আৰু সুন্দৰ সিং ভাণ্ডাৰী আদি কেন্দ্ৰীয় নেতৃত্ব আহিছিল। অধ্যাপক ৰোহিনী বৰুৱাই পিছলৈ কেইবাবাৰো যোৰহাট জিলাৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল।

ইয়াৰ পিচতে কেন্দ্ৰীয় নেতৃবৃন্দই অশ্বিনী কুমাৰক কেন্দ্ৰীয় প্ৰভাৰী হিচাপে নিযুক্তি দি অসমলৈ পঠিয়ায়। কৰ্ণেল উমা শৰ্মাৰ নেতৃত্বত সাধাৰণ সম্পাদক কবীন্দ্ৰ পুৰকায়স্থ, হৰেকৃষ্ণ ভৰালী, শ্ৰীৰমেন ডেকা, ইন্দ্ৰমণি বৰা আদি নেতাই সমাজৰ বিভিন্ন স্তৰৰ ব্যক্তিসকলক ঘৰে ঘৰে গৈ লগ কৰি ভাজপাৰ সদস্য কৰায়। উল্লেখনীয় যে উত্তৰ প্ৰদেশৰ ৰায়বেৰেলিৰ ৰমেশ কুমাৰ মিশ্ৰও অসমলৈ আহি ভাজপাৰ সাংগঠনিক দিশ চোৱা-চিতা কৰিছিল। ৰমেশ কুমাৰ মিশ্ৰই পিচলৈ গোৰেশ্বৰৰ খৈৰাবাৰী অঞ্চলত মাটি-বাৰী কিনি স্থায়ীভাৱে বসতি কৰিবলৈ লৈছিল আৰু ১৯৮৫ চনত তিনিচুকীয়া বিধানসভা সমষ্টিৰ পৰা ভাজপাৰ প্ৰাৰ্থী হিচাপে নিৰ্বাচনতো প্ৰতিদ্বন্দিতা কৰিছিল।

১৯৮৩ চনত বিদেশী বহিস্কাৰ আন্দোলনৰ বাবে ৰাজ্যখনৰ ছাত্ৰ আৰু যুৱকসকলৰ লগতে জনজীৱন বাৰুকৈয়ে পুলিচী অত্যাচাৰৰ বলি হৈছিল। ভাৰতীয় জনতা পাৰ্টিৰ কেন্দ্ৰীয় নেতৃত্বই এই আন্দোলন আন্তৰিকতাৰে সমৰ্থন কৰিছিল আৰু বিভিন্ন সময়ত অসমৰ বিভিন্ন স্থান পৰিভ্ৰমণ কৰি আন্দোলনৰ বুজ লৈছিল। ভাজপাৰ ৰাষ্ট্ৰীয় সভাপতি হিচাপে অটল বিহাৰী বাজপেয়ী আৰু ৰাষ্ট্ৰীয় নেতা যশৱন্ত সিঙে নলবাৰী আদি ঠাইলৈ গৈ বিভিন্ন সভা সমিতিত অংশ গ্ৰহণ কৰি পুলিচী অত্যাচাৰৰ পৰা পৰিত্ৰাণ পোৱাৰ ব্যৱস্থা কৰিছিল আৰু অবৈধ বিদেশী নাগৰিকৰ সমস্যাটো সংসদৰ বাহিৰে ভিতৰে ৰাষ্ট্ৰীয় পৰ্য্যায়লৈ নিয়াৰ বাবে প্ৰচেষ্টা হাতত লৈছিল। এই ভ্ৰমণৰ সহযোগী হিচাপে অসমৰ স্বৰ্গীয় লক্ষেশ্বৰ গোঁহাই, ডাঃ যোগেশ্বৰ মহন্ত, জিতেন্দ্ৰ কুমাৰ বৰুৱা প্ৰমুখ্যে নেতাসকলে অংশ গ্ৰহণ কৰিছিল। ইয়াৰ পিচতে শ্ৰীলালকৃষ্ণ আদৱানী আৰু ছিকন্দৰ বখ্‌টেও অসম ভ্ৰমণ কৰিছিল। কেন্দ্ৰীয় নেতৃত্বৰ সিদ্ধান্ত অনুসাৰে ১৯৮৩ চনত অনুষ্ঠিত হোৱা অসম বিধানসভাৰ নিৰ্বাচন ভাজপাই অসমৰ জনসাধাৰণৰ স্বাৰ্থত বৰ্জন কৰিছিল।

বিদেশী বহিস্কাৰ আন্দোলনৰ সময়ত ভাজপাৰ কেন্দ্ৰীয় নেতৃত্বই লোৱা পদক্ষেপৰ পিচত অসমত সমাজৰ বিভিন্ন স্তৰৰ ব্যক্তিয়ে দলত

যোগদান কৰি সাংগঠনিক কাম-কাজত ব্ৰতী হয়। গুৱাহাটীত ডাঃ যোগেশ্বৰ মহন্ত (পিচলৈ ৰাজ্যিক সভাপতি) ডাঃ আনন্দেশ্বৰ বৰঠাকুৰ, পাৰ্বতী প্ৰসাদ গোস্বামী, জিতেন্দ্ৰ কুমাৰ বৰুৱা, ললিত কুমাৰ বৰুৱা, ইন্দ্ৰমণি বৰা (পিচলৈ দুবাৰ ৰাজ্যিক সভাপতি), ৰাম নিৰঞ্জন গোৱেঙ্কা, ভাস্কৰ শৰ্মা, ডাঃ গিৰিধাৰীলাল শ্বাৰাফ, টোলন চন্দ্ৰ কোঁৱৰ, কেশৰ দেউ বাউৰী, শংকৰ লাল বোথ্ৰা, ৰতন লাল শ্বাৰাফ, মহীতোষ ৰয়, এ.চি.এছ. বিষয়া শ্ৰীনাৰায়ণ চন্দ্ৰ বৰকটকী (পিচলৈ ৰাজ্যিক সভাপতি), ব্ৰজপানী দাস, এ.চি.এছ. বিষয়া তাৰানাথ ভট্টাচাৰ্য্য (পিচলৈ ৰাজ্যিক উপসভাপতি), শশী শৰ্মা (পিচলৈ ৰাজ্যিক কোষাধ্যক্ষ), স্বৰ্গীয় মীনাধৰ বৰঠাকুৰ, যোৰহাটত ৰাম কুমাৰ, ৰোহিনী বৰুৱা, নলিনী ফুকন; তিনিচুকীয়াত বি.কে. শ্বাৰাফ, ৰত্নেশ্বৰ শৰ্মা; তিতাবৰত চক্ৰেশ্বৰ শইকীয়া (পিচলৈ ৰাজ্যিক সভাপতি), চতিয়া-তেজপুৰত প্ৰবীন বৰুৱা (পিচলৈ ৰাজ্যিক সভাপতি), ভৱানী প্ৰসাদ উপাধ্যায়, অধ্যাপক জয় নাৰায়ন লুইটেল; লক্ষীমপুৰত বংশীধৰ দত্ত, দৰঙত সূৰ্য কুমাৰ গয়াৰী, ৰঙিয়াত মুনীন্দ্ৰ সিংহ লহকৰ; নলবাৰীত ডাঃ চন্দ্ৰধৰ তালুকদাৰ, নগাৱত ৰাধিকা ৰঞ্জন গোস্বামী, ভূমিদেৱ গোস্বামী, খাৰুপেটীয়াত মনোৰঞ্জন দাস; লামডিঙত বাল গোবিন্দ লাল; বঙাইগাঁৱত ভৱনলাল পাৱাৰ আৰু ধুবুৰীত পান্নালাল ওচোৱাল, কৰিমগঞ্জত চি.ভি. উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উপাধ্যক্ষ দ্বাৰকানাথ দাস (১৯৯১ চনত সাংসদ), মিছন ৰঞ্জন দাস (পিচলৈ কেইবাবাৰো বিধায়ক, সাংসদ) আদি নেতাই ভাজপাত যোগদান কৰি সাংগঠনিক দিশত অৰিহণা যোগাইছিল।

১৯৮০ চনতে বৰাক উপত্যাকাৰ তিনিওখন জিলা কাছাৰ, কৰিমগঞ্জ আৰু হাইলাকান্দি জিলা গঠন হৈছিল যদিও ১৯৮২ চনত যোৰহাটত অনুষ্ঠিত হোৱা ভাজপাৰ অধিৱেশনৰ পিচতহে ব্ৰহ্মপুত্ৰ উপত্যাকাৰ জিলা সমূহ এখনৰ পিচত এখনকৈ গঠন হ'বলৈ ধৰে। সেই অনুসৰি শ্ৰীজিতেন্দ্ৰ কুমাৰ বৰুৱা, সভাপতি আৰু কালিমুদ্দিন চাহাবক উপ-সভাপতি হিচাপে কামৰূপ জিলা, বংশীধৰ দত্তক সভাপতি হিচাপে লক্ষিমপুৰ জিলা, ৰাধিকা ৰঞ্জন গোস্বামীক সভাপতি হিচাপে নগাওঁ, ৰাম কুমাৰক সভাপতি হিচাপে যোৰহাট জিলা গঠন কৰা হয়। আশীৰ দশকত ভাৰতীয় জনতা পাৰ্টিৰ নীতি আৰু আদৰ্শৰ ওপৰত বিশ্বাস ৰাখি সমাজৰ গণ্যমান্য ব্যক্তিসকলক যোগদান কৰোৱাৰ ব্যৱস্থা হাতত লোৱা হৈছিল।

১৯৯০ চনত সেই সময়ৰ ৰাষ্ট্ৰীয় সভাপতি শ্ৰীলালকৃষ্ণ আদৱানীয়ে সাংস্কৃতিক ৰাষ্ট্ৰবাদ তথা ভাৰতীয়ৰ গৌৰৱোজ্বল ঐতিহ্য ৰক্ষাৰ বাবে সোমনাথৰ পৰা অযোধ্যালৈ ঐতিহাসিক ৰাম জন্মভূমিত ৰাম মন্দিৰ স্থাপনৰ উদ্দেশ্যে ৰথযাত্ৰা কৰে। আদৱানীৰ ৰথ যাত্ৰাৰ পিচত সমগ্ৰ দেশতে ভাৰতীয় জনতা পাৰ্টিৰ প্ৰতি আকৃষ্ট হৈ দলত যোগদানৰ এক জোৱাৰ আৰম্ভ হয়। অসমৰো বিভিন্ন ঠাইত ইয়াৰ প্ৰভাৱ নপৰাকৈ নাথাকিল। গুৱাহাটীত প্ৰাক্তন আৰক্ষী বিষয়া আই.পি. এচ. হিৰণ্য কুমাৰ ভট্টাচাৰ্য্য, ড০ প্ৰদীপ ঠাকুৰীয়া, শিলাদিত্য দেৱ (বৰ্তমানৰ বিধায়ক), তপন চৌধুৰী, ড° ভাৰতী বৰুৱা, পি.চি. বৰুৱা, ৰাম প্ৰসাদ শৰ্মা, ড° মঞ্জুশ্ৰী পাঠক, বিজয় কুমাৰ গুপ্তা (বৰ্তমানৰ বিধায়ক), গোবৰ্ধন অটল, হবিবৰ ৰহমান (প্ৰাক্তন সংখ্যালঘু মৰ্চাৰ ৰাজ্যিক সভাপতি), দূৰ্গা আগৰৱালা, কামিনী মোহন সিন্হা, প্ৰাণতোষ ৰয়, ৰাজেন শইকীয়া, স্বৰ্গীয় চন্দ্ৰ মহন্ত, মিৰ্জাৰ কামেশ্বৰ কলিতা, বকোৰ ললিত মেচ, পুঠিমাৰীৰ নৰেন ডেকা, মৰিগাঁৱৰ স্বৰ্গীয় বাবুল মান্তা, স্বৰ্গীয় বাপুৰাম কলিতা, নলবাৰীৰ পৰমানন্দ মেধি, শিৱসাগৰৰ জানকী সন্দিকৈ, বৰাক উপত্যাকাত প্ৰাক্তন আৰক্ষী বিষয়া অজিত কুমাৰ ভট্টাচাৰ্য্য, প্ৰাক্তন আৰক্ষী বিষয়া অৰুনেশ দেৱৰয়, পৰিমল শুক্লবৈদ্য (বৰ্তমানৰ সাংসদ), বিশ্বৰূপ ভট্টাচাৰ্য্য, যোৰহাটত পালিত বৰা, নগাঁৱত ৰাজেন গোহাঁই (পিচলৈ ৰাজ্যিক সভাপতি), ৰেখা শৰ্মা, ধুবুৰীত ধ্ৰুৱ কুমাৰ সেন, কল্যাণ পুৰকায়স্থ, শোণিতপুৰত ভৱ গোস্বামী, তিনিচুকীয়াত ভৱেন শৰ্মা, শিৱসাগৰত সৌৰভ বৰুৱা, গুৱাহাটীত ৰঞ্জিত ঠাকুৰীয়া, শ্ৰীমতী বিজয়া চক্ৰৱৰ্তী (প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী), পুষ্পা বৰদলৈ, অলকা দাস, স্বৰ্গীয়া নিলীমা বৰদলৈ, স্বৰ্গীয়া কল্যাণী সিনহা, অৰ্ণৱ কাকতি, গোপাল পাটোৱাৰী, ডিব্ৰুগড়ত স্বৰ্গীয় জয়ন্ত দত্ত, বৰপেটাত শঙ্কৰ চন্দ্ৰ দাস আদিয়ে ভাৰতীয় জনতা পাৰ্টিত যোগদান কৰি বিভিন্ন সময়ত বিভিন্ন দায়িত্ব লৈ দলৈলৈ যথেষ্ট অৰিহণা আগবঢ়ায়।

১৯৯১ চনৰ লোকসভা আৰু বিধানসভা নিৰ্বাচনৰ ফলাফলে অসমত ভাজপাক প্ৰথমবাৰৰ বাবে প্ৰতিষ্ঠিত কৰিছিল। বৰাক উপত্যাকাৰ দুয়োখন লোকসভাৰ আসনত ক্ৰমে শিলচৰৰ পৰা কবীন্দ্ৰ পুৰকায়স্থ আৰু কৰিমগঞ্জৰ পৰা দ্বাৰকা নাথ দাসে নিৰ্বাচিত হৈ চমকপ্ৰদ ঐতিহাসিক ঘটনা হিচাবে চিহ্নিত কৰিছিল। অন্যহাতে বিধানসভা নিৰ্বাচনতো ভাজপাই ১০ খন আসন দখল কৰি অন্য এক ঐতিহাসিক ঘটনা ৰচনা কৰিছিল। বিধানসভা নিৰ্বাচনত বৰাক উপত্যাকাৰ ১৫ খন আসনৰ ভিতৰত ৯ খন আসনতে জয়ী হয় আৰু ব্ৰহ্মপুত্ৰ উপত্যাকাৰ ধুবুৰী বিধানসভা আসনখনো ভাজপাৰ দখললৈ আহে। সমষ্টি হিচাপে এই বিধায়সকলৰ নাম হ'ল ক্ৰমে-পাথাৰকান্দি সমষ্টিৰ পৰা মধুসুধন তিৱাৰী, ৰাতাবাৰীৰ পৰা স্বৰ্গীয় ৰাম পিয়াৰী ৰবি দাস,

ধলাইৰ পৰা পৰিমল শুক্লবৈদ্য, উত্তৰ কৰিমগঞ্জৰ পৰা মিছন ৰঞ্জন দাস, দক্ষিণ কৰিমগঞ্জৰ পৰা প্ৰণৱ কুমাৰ নাথ, শিলচৰৰ পৰা সমৰেন্দ্ৰ নাথ সেন, হাইলাকান্দিৰ পৰা চিতেন্দ্ৰ নাথ মজুমদাৰ, কাটিগড়াৰ পৰা কালিৰঞ্জন দেৱ, সোণাইৰ পৰা বদ্ৰী নাৰায়ণ সিং আৰু ধুবুৰীৰ পৰা ধ্ৰুৱ কুমাৰ সেন।

কংগ্ৰেছ দলৰ বিকল্প ৰাষ্ট্ৰবাদী ৰাজনৈতিক দল ভাৰতীয় জনসংঘৰ গঠনৰ পিচতে অসমতো ১৯৫১ চনৰ পৰা ১৯৭৭ চনলৈ সমাজৰ আগশাৰীৰ নেতাসকলে জনসংঘত যোগদান কৰি অস্থিৰ সমাজখনক নেতৃত্ব দি ভাৰতীয় মূলৰ নাগৰিক হিচাপে চিনাক্ত দিবলৈ প্ৰয়াস কৰিছিল। সেইসকল স্বনামধন্য নেতাৰ ভিতৰত অন্যতম আছিল অধিবক্তা বিমলাংশু ৰয়। তেখেতে ১৯৬৫ চনত ভাৰতীয় জন সংঘত যোগদান কৰি ড° শ্যামা প্ৰসাদ মুখাৰ্জীৰ আদৰ্শেৰে উদ্বুদ্ধ হৈ বৰাক উপত্যাকাত দলৰ তৃণমূল পৰ্য্যায়ত সাংগঠনিক ভেঁটি সুদৃঢ় কৰাত অৰিহণা যোগাইছিল। বিমলাংশু ৰয়ে মাত্ৰ ৩১ বছৰ বয়সত ১৯৬৯ চনত জন সংঘৰ প্ৰাৰ্থী হিচাপে শিলচৰ পৌৰসভাৰ কমিচনাৰ নিৰ্বাচিত হৈ ১৯৭৫ চনলৈ কৃতকাৰ্যতাৰে কাৰ্যনিৰ্বাহ কৰিছিল। ১৯৭৭ চনত জন সংঘ জনতা পাৰ্টিত চামিল হোৱাৰ পিচত তেখেতে জনতা পাৰ্টিৰ কাছাৰ জিলাৰ সাধাৰণ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ১৯৯১ চনৰ পৰা ১৯৯৫ চনলৈ কাছাৰ জিলাৰ সভাপতি হিচাপে সুখ্যাতিৰে কাৰ্যনিৰ্বাহ কৰিছিল। উল্লেখযোগ্য যে কাছাৰ জিলাৰ কাৰ্যালয়টোৱেই উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰত প্ৰথমটো স্থায়ী জিলা কাৰ্য্যালয় হিচাপে চিহ্নিত হৈছিল। ১৯৯৬ চনত শিলচৰ বিধানসভা সমষ্টিৰ পৰা বিজেপিৰ প্ৰাৰ্থী হিচাপে নিৰ্বাচিত হৈ বিধায়িনী দলৰ নেতাৰ পদ অলংকৃত কৰাৰ উপৰিও দলৰ ৰাজ্যিক উপ-সভাপতি হিচাপে দললৈ যথেষ্ট অৰিহণা আগবঢ়াইছিল।

১৯৮০ চনৰ ৬ এপ্ৰিল তাৰিখে বোম্বেইত বিজেপি গঠনৰ উদ্দেশ্যে অনুষ্ঠিত হোৱা অধিবেশনত অসমক প্ৰতিনিধিত্ব কৰা তিনিগৰাকী সদস্যৰ অন্যতম আছিল কৰিমগঞ্জ জিলাৰ হৰিপদ দেব। ১৯১৮ চনত জন্মগ্ৰহণ কৰা হৰিপদ দেব ভাৰতীয় জন সংঘৰ এগৰাকী নিষ্ঠাবান কাৰ্যকৰ্তা আছিল। তেখেত এজন সাংস্কৃতিক কৰ্মী হিচাপেও সমাজত প্ৰতিষ্ঠিত হৈ সাংস্কৃতিক জগতখনলৈ যথেষ্ট অৰিহণা আগবঢ়াইছিল। এজন বাহীবাদক হিচাপে সংগীতৰ লগত জৰিত হৈয়ো "অগ্নিবান" নামেৰে এখন সাপ্তাহিক বেংগলী আলোচনী প্ৰকাশ কৰি বৌদ্ধিক সমাজতো প্ৰতিষ্ঠিত হ'বলৈ সক্ষম হৈছিল।

কৰিমগঞ্জ জিলাৰ অন্য এগৰাকী নিষ্ঠাবান কাৰ্যকৰ্তা আছিল অধ্যাপক শৈলেন্দ্ৰ শেখৰ দত্ত। দত্ত এগৰাকী কলেজ শিক্ষক হিচাপে গুৰুচৰণ কলেজত ইংৰাজী বিভাগত অধ্যাপনা আৰম্ভ কৰে আৰু পিচলৈ চিলেটৰ এম. চি. কলেজ আৰু কৰিমগঞ্জ কলেজত অধ্যাপনা কৰি উপাধ্যক্ষ হিচাপে অৱসৰ গ্ৰহণ কৰে। ১৯৭৩ চনত ভাৰতীয় জন সংঘত যোগদান কৰাৰ আগতে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ এজন স্বয়ংসেৱক হিচাপে সমাজৰ বিভিন্ন স্তৰত নিজৰ কাৰ্য দক্ষতাৰ পৰিচয় দিছিল। কলেজৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পিচতো এজন অধিবক্তা হিচাপে তেখেতে প্ৰতিষ্ঠিত হ'বলৈ সক্ষম হৈছিল আৰু মৃত্যুৰ আগমুহূৰ্তলৈ তেখেতে কৰিমগঞ্জ আইন মহাবিদ্যালয়ত অধ্যাপনা কৰিছিল। ২০০২ চনত তেখেতে ইহলীলা সম্বৰণ কৰে।

কৰিমগঞ্জ জিলাৰ আন দুগৰাকী ব্যক্তিৰ নাম লবই লাগিব কাৰণ জনসংঘৰ সদস্য হিচাপে দুয়োগৰাকী ব্যক্তিৰ অৰিহণা অতুলনীয় আছিল। তেখেতসকল হ'ল স্বনামধন্য শশধৰ দত্ত চৌধুৰী আৰু ননীগোপাল বনিক। ১৯৫২ চনত জন সংঘত যোগদান কৰা শশধৰ দত্ত চৌধুৰী এগৰাকী আগশাৰীৰ স্বাধীনতা সংগ্ৰামী আছিল। ১৯৭৩ চনত তদানীন্তণ অসমৰ মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহই দত্ত চৌধুৰীক তাম্ৰ পত্ৰৰে সন্মানীতও কৰিছিল। অন্যহাতে ননীগোপাল বনিক ১৯৫২ চনতে জনসংঘৰ ৰাজ্যিক যুটিয়া সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। এগৰাকী স্বয়ংসেৱক হিচাপে সমাজখনক নেতৃত্ব প্ৰদান কৰি গোটেই জিলাখনতে জনপ্ৰিয় হ'বলৈ সক্ষম হৈছিল। ১৯৬২ চনত কাছাৰ জিলাৰ সাধাৰণ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰি জন সংঘৰ সংগঠন সম্প্ৰসাৰণ কৰাত সক্ষম হৈছিল।

ঠিক তেনেদৰে বৰাক উপত্যকাৰ অন্য এখন জিলা হাইলাকান্দিতো কেইবাগৰাকী নিষ্ঠাবান কাৰ্যকৰ্তাই দললৈ যথেষ্ট অৰিহণা আগবঢ়াইছিল। সেইসকলৰ ভিতৰত বজৰংগ লাল সাৰদা, ক্ষিৰোদ চন্দ্ৰ ৰয়, ৰবীন্দ্ৰ কুমাৰ সেন আৰু মাখনলাল সেনগুপ্তাৰ নাম উল্লেখযোগ্য। বজৰংগ লাল সাৰদাই ১৯৭১ চনৰ পৰা ১৯৭৩ চনলৈ হাইলাকান্দি জিলাৰ সাধাৰণ সম্পাদক হিচাপে সুখ্যাতিৰে কাৰ্যনিৰ্বাহ কৰি জন সংঘৰ সংগঠন সুদৃঢ় কৰিছিল। ১৯৫২ চনৰ পৰা ১৯৬০ চনলৈ জিলা সভাপতিৰ দায়িত্ব গ্ৰহণ কৰি ক্ষিৰোদ চন্দ্ৰ ৰয়ে দলৰ কামত নিস্বাৰ্থভাৱে সেৱা আগবঢ়াইছিল। অন্যহাতে ৰবীন্দ্ৰ কুমাৰ সেনে ১৯৭১ চনৰ পৰা ১৯৭৭ চনলৈ আৰু মাখনলাল সেনগুপ্তাই ১৯৭৫ চনৰ পৰা ১৯৯১ চনলৈ জিলা কাৰ্যনিৰ্বাহক সদস্য হিচাপে দলৰ সংগঠন জিলাখনৰ চুকে-কোণে বিস্তাৰিত কৰাৰ কাৰণে নিষ্ঠা সহকাৰে অৰিহণা যোগাবলৈ সক্ষম হৈছিল।

ভাৰতীয় জনতা পাৰ্টিৰ বিকাশৰ দ্বিতীয় স্তৰটো আৰম্ভ হৈছিল ২০১৬ চনত । সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি তথা অসম গণ পৰিষদৰ জ্যেষ্ঠ নেতা শ্ৰীসৰ্বানন্দ সোণোৱালদেৱে ২০১১ চনত বিজেপিত যোগদান কৰি ২০১২ চনৰ পৰা দুবাৰকৈ ৰাজ্যিক সভাপতিৰ পদ অলংকৃত কৰিছিল। ২০১৪ চনত শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই প্ৰধানমন্ত্ৰী হোৱাৰ পিচৰে পৰা অসমত দলৰ সম্প্ৰসাৰণ আৰু বিকাশযাত্ৰা পুনৰ আৰম্ভ হৈছিল আৰু অসমৰ জনসাধাৰণে বিজেপিৰ পক্ষত জনাদেশ দিয়াৰ পিচত ২০১৬ চনত অসমত প্ৰথমবাৰৰ বাবে দলৰ নেতৃত্বত চৰকাৰ গঠন হয় আৰু শ্ৰীসৰ্বানন্দ সোণোৱালে মুখ্যমন্ত্ৰী হিচাপে শাসনভাৰ চলায়। ২০১৫ চনত ড০ হিমন্ত বিশ্ব শৰ্মাই কেইবাগৰাকীও সহযোগীক লগত লৈ দলৰ প্ৰতি আকৃষ্ট হৈ বিজেপিত যোগদান কৰে । ২০২১ চনত চৰকাৰৰ সুশাসন আৰু দলৰ তৃণমূল পৰ্য্যায়ত সাংগঠনিক ভেঁটি সবল হোৱাত অসমৰ জনসাধাৰণে বিজেপিৰ প্ৰতি আস্থা আৰু বিশ্বাস প্ৰকট কৰি দ্বিতীয় বাৰৰ বাবে বিজেপিত শাসনত অধিষ্ঠিত কৰে। শ্ৰীসৰ্বানন্দ সোণোৱাল চৰকাৰৰ এগৰাকী দক্ষ কেবিনেট মন্ত্ৰী হিচাপে প্ৰতিষ্ঠিত হৈ ড০ হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰীৰ পদ অলংকৃত কৰি জনকল্যাণ আৰু উন্নয়নৰ যাত্ৰা অব্যাহত ৰাখিবলৈ সমৰ্থ হয়।

এই সময়ছোৱাত দলৰ সাংগঠনিক ভেঁটি সৰ্বব্যাপি আৰু সৰ্বস্পৰ্শীৰ ৰূপত ৰাজ্যখনৰ সকলো জাতি-জনগোষ্ঠীক সামৰি এটা অদ্বিতীয় ৰাজনৈতিক দল হিচাপে প্ৰতিষ্ঠিত হ'বলৈ সক্ষম হয়। দলৰ ৬৫ লাখ কাৰ্যকৰ্তাই ৩৯ খন সাংগঠনিক জিলা আৰু ৪৩৩ টা মণ্ডলত অৱস্থিত প্ৰায় ২৬ হাজাৰতকৈও অধিক বুথত দলৰ কাম-কাজ পূৰ্ণগতিত কৰিবলৈ সমৰ্থ হয়। ২০২১ চনৰ পৰা আৰম্ভ কৰি যোৱা পাচটা বছৰে প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদীৰ মাৰ্গদৰ্শন আৰু সুদক্ষ তথা ভৱিষ্যদৰ্শী মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত জনকল্যাণমুখী আঁচনি, স্বাস্থ্য, শিক্ষা, উদ্যোগ, ৰাস্তা-পদুলিৰ উন্নয়নকে ধৰি সকলো দিশত ৰাজ্যখনৰ বিকাশৰ অনিৰুদ্ধ যাত্ৰাত জনসাধাৰণ সন্তুষ্ট হয় আৰু ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত ৮২ টা সমষ্টিত বিজেপিৰ বিধায়ক বিপুল ভোটত জয়যুক্ত হৈ এক ইতিহাস ৰচনা কৰিবলৈ সক্ষম হয়।

ভাৰতীয় জনতা পাৰ্টিৰ বিকাশ যাত্ৰাত প্ৰতিষ্ঠাপক সভাপতি কৰ্ণেল উমানাথ শৰ্মাৰ পৰা (১৯৮০-৮৩) আৰম্ভ কৰি প্ৰতিগৰাকী ৰাজ্যিক সভাপতিৰ অৱদান অতুলনীয়। ১৯৮৩-৮৫ চনত অসম চৰকাৰৰ প্ৰাক্তনমন্ত্ৰী লক্ষেশ্বৰ গোঁহাই, ১৯৮৫ - ৮৭ চনত অধ্যাপক চক্ৰেশ্বৰ শইকীয়া আৰু ১৯৮৭-৮৯ চনলৈ শিলচৰ মেডিকেল কলেজৰ প্ৰাক্তন অধ্যক্ষ ডাঃ যোগেশ্বৰ মহন্তই সভাপতিৰ পদত অধিষ্ঠিত হোৱাৰ পাছত নিজেই মানুহৰ ঘৰে ঘৰে গৈ কাতৰ অনুৰোধ কৰি দলৰ সদস্যতা অভিযান সম্পন্ন কৰিছিল। জামুগুৰিহাটৰ এগৰাকী সাধাৰণ শিক্ষকৰ পৰা ৰাজনীতিত পদাৰ্পন কৰা প্ৰবীন বৰুৱাই তিনিবাৰকৈ (১৯৮৯ -৯৫) সভাপতিৰ পদ অলংকৃত কৰিছিল আৰু ৰাজ্যখনৰ প্ৰতিখন জিলাত জিলা কমিটি কৰিবলৈ সক্ষম হৈছিল। শ্ৰদ্ধেয় ইন্দ্ৰমণি বৰাই (১৯৯৫-৯৭ আৰু ২০০৩-০৬) দুবাৰকৈ ৰাজ্যিক সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি দলৰ সাংগঠনিক ভেঁটি সুদৃঢ় কৰাৰ উপৰিও দলৰ এগৰাকী অভি ভাৱক হিচাপে নিজকে সমৰ্পিত কৰিছিল। ইন্দ্ৰমণি বৰাৰ পাছত প্ৰাক্তন এ.চি.এচ. বিষয়া শ্ৰীনাৰায়ণ চন্দ্ৰ বৰকটকীয়ে ১৯৯৭ চনৰ পৰা ১৯৯৯ চনলৈ, শ্ৰীৰমেন ডেকাই ২০০৬ চনৰ পৰা ২০০৯ চনলৈ আৰু শ্ৰীৰঞ্জিত দত্তই ২০০৯ চনৰ পৰা ২০১২ চনলৈ ৰাজ্যিক সভাপতি হিচাপে দলটোৰ নেতৃত্ব বহন কৰিছিল। ২০১১ চনত দলত যোগদান কৰা শ্ৰীসৰ্বানন্দ সোণোৱালে (২০১২-১৪, ২০১৫-১৬) দুবাৰকৈ সভাপতিৰ আসন অলংকৃত কৰি দলৰ সাংগঠনিক ভেঁটি তৃণমূল পৰ্য্যায়ত প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হৈছিল। শ্ৰীসৰ্বানন্দ সোণোৱালৰ দুয়োটা কাৰ্যকালৰ মাজৰ মাত্ৰ এবছৰৰ বাবে শ্ৰীসিদ্ধাৰ্থ ভট্টাচাৰ্যই (২০১৪-১৫) ৰাজ্যিক সভাপতিৰ আসন অলংকৃত কৰিছিল। ২০১৬ চনৰ পৰা ২০২১ চনলৈ শ্ৰীৰণজিত কুমাৰ দাসে দুবাৰকৈ দলৰ ৰাজ্যিক সভাপতি হিচাপে প্ৰতিখন জিলা, প্ৰতিটো মণ্ডল আনকি বুথত প্ৰবাস কৰিও দলৰ বিস্তাৰ আৰু বিকাশত গুৰুত্ব আৰোপ কৰিছিল। দলৰ সম্প্ৰাসাৰণৰ এই ধাৰা ২০২১ চনৰ পৰা ২০২৫ চনলৈ ৰাজ্যিক সভাপতি শ্ৰীভৱেশ কলিতায়ো অব্যাহত ৰাখে। ২০২৫ চনৰ ১৭ জানুৱাৰীত এগৰাকী ৰাষ্ট্ৰবাদী নেতা, স্বয়ংসেৱক, অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ প্ৰাক্তন ৰাজ্যিক সম্পাদক শ্ৰীদিলীপ শইকীয়াই ৰাজ্যিক সভাপতিৰ পদ অলংকৃত কৰি বৰ্তমানলৈ কাৰ্যনিৰ্বাহ কৰি আছে। তেখেতে দলৰ ৰাজ্যিক মিডিয়া কোষৰ আহ্বায়কৰ পৰা আৰম্ভ কৰি, ৰাজ্যিক মুখপাত্ৰ, ৰাজ্যিক সম্পাদক, ৰাজ্যিক সাধাৰণ সম্পাদক, ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক আৰু দুবাৰকৈ লোকসভাৰ সাংসদ হিচাপে বিভিন্ন অভিজ্ঞতাপুষ্ট হৈ দলৰ বিস্তাৰ আৰু বিকাশত যথেষ্ট অৰিহণা যোগাই আহিছে।

স্মৰ্তব্য যে ২০১৬ চনৰ পাছৰে পৰা দলৰ বিস্তাৰিত সাংগঠনিক ভেঁটিৰ ফলশ্ৰুতিত পঞ্চায়তৰ পৰা আৰম্ভ কৰি পৌৰসভা, পৌৰনিগম আৰু ৰাজ্য চৰকাৰলৈ আজি কেৱল বিজেপিৰ দখলত থকাটো আমাৰ সকলোৰে বাবে এক গৌৰৱৰ কালখণ্ড হিচাপে পৰিগণিত হৈ থাকিব।■

---

লেখক ঃ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য, বিজেপি, অসম প্ৰদেশ



# বিজেপিৰ অসমত ৰাজনৈতিক উত্থান প্ৰথম নিৰ্বাচনত জিকাৰ পৰা এতিয়ালৈ

মিশন ৰঞ্জন দাস

ভাৰতীয় জনতা পাৰ্টি ১৯৮০ চনৰ ৬ এপ্ৰিল তাৰিখে স্থাপন হোৱাৰ পাছৰে পৰা অসমৰ সাংগঠনিক কাম আৰম্ভ হলেও ১৯৮৩ চনৰ সাধাৰণ নিৰ্বাচন বৰ্জন কৰে। কাৰণ ভোটাৰ তালিকাত সন্দেহজনক ভোটাৰৰ নাম থকাৰ বাবে বিজেপি, কিছু মান ছাত্ৰ সংগঠন আৰু ৰাজনৈতিক দলে একেলগে নিৰ্বাচন বৰ্জন কৰে। ১৯৮৫ চনৰ বিধানসভাৰ সাধাৰণ নিৰ্বাচনত বিজেপিৰ প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিলেও এজনো জয়ী হ'ব পৰা নাছিল। ১৯৯১ চনৰ লোকসভাৰ সাধাৰণ নিৰ্বাচন আৰু অসম বিধানসভাৰ নিৰ্বাচন একেলগে অনুষ্ঠিত হয় আৰু এই নিৰ্বাচনত প্ৰথমবাৰৰ দহজন বিধায়ক আৰু দুজন সাংসদ নিৰ্বাচিত হয় ।৯ জন বিধায়ক বৰাক উপত্যকাৰ পৰা যথাক্ৰমে- ৰাতাবাৰী- ৰামপ্যায়াৰে ৰবিদাস, পাথাৰকান্দি - মধুসুদন তিৱাৰী, উত্তৰ কৰিমগঞ্জ- মিশন ৰঞ্জন দাস, দক্ষিণ কৰিমগঞ্জ- প্ৰণব কুমাৰ নাথ, শিলচৰ - সমৰেন্দ্ৰ নাথ সেন, ধলাই- পৰিমল শুক্লবৈদ্য, সোনাই- বদ্ৰীনাৰায়ন সিংহ, কাঠিগড়া - কালী ৰঞ্জন দেব, হাইলাকান্দি - চিত্তেন্দ্ৰ নাথ মজুমদাৰ ।ব্ৰহ্মপুত্ৰ উপত্যকাৰ ধুবৰীৰ পৰা ধ্ৰুবকুমাৰ সেন জয়ী হয়। দুজন সাংসদৰ ভিতৰত শিলচৰৰ পৰা কবিন্দ্ৰ পুৰকায়স্থ আৰু কৰিমগঞ্জৰ পৰা দ্বাৰকা নাথ দাস জয়ী হয়। ১৯৯৬ চনত লোকসভা আৰু অসম বিধানসভা নিৰ্বাচন একেলগে অনুষ্ঠিত হয়। উক্ত নিৰ্বাচনত বিজেপি দলৰ পৰা চাৰিজন বিধায়ক আৰু এজন সাংসদ নিৰ্বাচিত হয়। চাৰিজন বিধায়ক যথাক্ৰমে ৰাতাবাৰী - শম্ভু সিং মাল্লাহ, পাথাৰকান্দি- সুখেন্দু শেখৰ দত্ত, শিলচৰ- বিমলাংশু ৰয়, আৰু কাটিগড়া- কালী ৰঞ্জন দেৱ আৰু পৰৱৰ্তী সময়ত উপ নিৰ্বাচনত মিশন ৰঞ্জন দাসে জয় লাভ কৰে আৰু বিজেপি দলৰ পৰা একমাত্ৰ দ্বাৰকানাথ দাস কৰিমগঞ্জৰ পৰা লোকসভালৈ নিৰ্বাচিত হৈছিল। ১৯৯৮ চনত লোকসভাৰ মধ্যৱৰ্তী নিৰ্বাচন অনুষ্ঠিত হয় আৰু অসমৰ শিলচৰৰ পৰা বিজেপি দলৰ একমাত্ৰ কবীন্দ্ৰ পুৰকায়স্থ জয়ী হয়। ১৯৯৯ চনত লোকসভাৰ মধ্যৱৰ্তী নিৰ্বাচন অনুষ্ঠিত হয়। তেতিয়া গুৱাহাটীৰ পৰা বিজয়া চক্ৰৱৰ্তী আৰু নগাঁৱৰ পৰা ৰাজেন গোঁহাইয়ে জয়লাভ



কৰে। ২০০১ চনত অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হয় আৰু এই নিৰ্বাচনত ৮ জন বিধায়ক নিৰ্বাচিত হয়। তাৰ ভিতৰত চাৰিজন বৰাক উপত্যকাৰ পৰা আৰু চাৰিজন ব্ৰহ্মপুত্ৰ উপত্যকাৰ পৰা। বৰাক উপত্যকাৰ পৰা যথাক্ৰমে উত্তৰ কৰিমগঞ্জ- মিশন ৰঞ্জন দাস, শিলচৰত - বিমলাংশু ৰয়, কাটিগড়া - কালী ৰঞ্জন দেব (তৃতীয় বাৰৰ বাবে নিৰ্বাচিত হয়), আৰু ধলাই -পৰিমল শুক্লবৈদ্যই জয় লাভ কৰে। ব্ৰহ্মপুত্ৰ উপত্যকাৰ পৰা যথাক্ৰমে দুলিয়াজানৰ পৰা ৰামেশ্বৰ তেলি, লামডিং- সুশীল দত্ত বিহালিত ৰঞ্জিত দত্ত আৰু গোলকগঞ্জৰ পৰা দিনেশ চন্দ্ৰ সৰকাৰে জয়লাভ কৰে। ২০০১ চনত অসমৰ বিজেপি দলৰ পৰা প্ৰথম ৰাজ্যসভা সাংসদ নিৰ্বাচিত হয় প্ৰয়াত ইন্দ্ৰমণি বৰাদেৰ অসম গণ পৰিষদ আৰু বিপিএফ দলৰ সহযোগত। ২০০৪ চনত লোকসভা নিৰ্বাচনত অসমৰ পৰা দুজন সাংসদ যথাক্ৰমে মঙ্গলদৈৰ পৰা নাৰায়ণ চন্দ্ৰ বৰকটকী আৰু নগাঁৱৰ পৰা ৰাজেন গোঁহায়ে জয়লাভ কৰে। ২০০৬ চনৰ অসম বিধানসভা নিৰ্বাচনত দহজন বিধায়ক জয়ী হয়। বৰাক উপত্যকাৰ পৰা পাঁচ জন যথাক্ৰমে ৰাতাবাৰী- শম্ভু সিং মাল্লাহ, পাথাৰকান্দি - কাৰ্তিক সেনা সিন্‌হা, উত্তৰ কৰিমগঞ্জ- মিশন ৰঞ্জন দাস, ধলাই -পৰিমল শুক্লবৈদ্য, বৰখলাৰ পৰা- ডাঃ ৰুমী নাথ, ব্ৰহ্মপুত্ৰ উপত্যকাৰ পৰা পাঁচজন যথাক্ৰমে দুলিয়াজান - ৰামেশ্বৰ তেলি, লামডিং- সুশীল দত্ত, ডিব্ৰুগড়- প্ৰশান্ত ফুকন, বিহালী- ৰঞ্জিত দত্ত, আৰু ৰঙাপাৰাৰ পৰা অভিজিত হাজৰিকাই জয়লাভ কৰে। ২০০৯ চনত লোকসভা নিৰ্বাচনত চাৰি জন সাংসদ নিৰ্বাচিত হয় যথাক্ৰমে শিলচৰ কবীন্দ্ৰ পুৰকায়স্থ, নগাঁও ৰাজেন গোহাঁই, গুৱাহাটী- বিজয়া চক্ৰৱৰ্তী আৰু মঙ্গলদৈৰ পৰা ৰমেন ডেকা জয়লাভ কৰে। ২০১১ চনত অসম বিধান সভাৰ সাধাৰণ নিৰ্বাচনত কেৱল ব্ৰহ্মপুত্ৰ উপত্যকাৰ পৰা পাঁচ জন বিধায়ক নিৰ্বাচিত হয় এই পাঁচ জন যথাক্ৰমে সৰভোগ- ৰঞ্জিত কুমাৰ দাস, পাটাছাৰকুছি- মনোৰঞ্জন দাস, কমলপুৰ - যাদৱ ডেকা, ডিব্ৰুগড় - প্ৰশান্ত ফুকন আৰু ডুমডুমাৰ পৰা দিলীপ মৰাণ।

২০১৪ চনত লোকসভাৰ নিৰ্বাচনত অসমৰ পৰা বিজেপিৰ সাতজন সাংসদ নিৰ্বাচিত হয়। তেওঁলোক যথাক্ৰমে লক্ষিমপুৰ - সৰ্বানন্দ সোণোৱাল, গুৱাহাটী- বিজয়া চক্ৰৱৰ্ত্তী, নগাঁও -ৰাজেন গোহাই, তেজপুৰ - ৰামপ্ৰসাদ শৰ্মা, যোৰহাট - কামাখ্যা প্ৰসাদ তাচা, ডিব্ৰুগড়- ৰামেশ্বৰ তেলি, মঙ্গলদৈ- ৰমেন ডেকা জয়ী হয় সেইবাবেই কেন্দ্ৰত মাননীয় শ্ৰীনৰেন্দ্ৰ মোদীজীৰ নেতৃত্বত চৰকাৰ গঠিত হয়।

২০১৬ চনত অসম বিধানসভা সাধাৰণ নিৰ্বাচনত বিজেপি দলে বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নেতৃত্বত ৬০ খন আসনত জয় লাভ কৰে আৰু সহযোগী দল অসম গণ পৰিষদ ১৪ খন আৰু বি পি এফ দলে ১২ খন আসনত জয় লাভ কৰে আৰু পোন প্ৰথমবাৰৰ বাবে সৰ্বানন্দ সোণোৱালৰ নেতৃত্বত মিত্ৰজোটৰ চৰকাৰ গঠন হয়। ২০১৯ চনৰ নিৰ্বাচনত অসমৰ পৰা ৯ জন সাংসদ যথাক্ৰমে কৃপানাথ মাল্লাহ, ৰাজদীপ ৰয়, কুইন ওঝা, দিলীপ শইকীয়া, ৰামেশ্বৰ তেলি, তপন কুমাৰ গগৈ, প্ৰদান বৰুৱা আৰু পল্লৱ লোচন দাস জয়ী হয়। ২০২১ চনৰ বিধানসভা নিৰ্বাচনত মাননীয় সৰ্বানন্দ সোণোৱাল আৰু ড০ হিমন্ত বিশ্ব শৰ্মা মহোদয়ৰ যৌথ শক্তিশালী নেতৃত্বত পুনৰায় অসমত বিজেপিয়ে ৬০খন আসনত জয়লাভ কৰে আৰু মিত্ৰ দল অসম গণ পৰিষদে ৯ খন আৰু ইউ পি পি এলে ৬ খন আসনত জয়লাভ কৰিবলৈ সক্ষম হয় আৰু ড০ হিমন্ত বিশ্ব শৰ্মাৰ মহদোয়ৰ নেতৃত্বত মিত্ৰজোটৰ চৰকাৰ হয়। ২০২৪ চনৰ লোকসভা নিৰ্বাচনত বিজেপি মিত্ৰজোটে সৰ্বাধিক ১১ খন আসন লাভ কৰে আৰু তাৰ ভিতৰত বিজেপি ৯ খন অগপ আৰু ইউ.পি.পি.এল. এখনকৈ আসনত জয়লাভ কৰে। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ বিচক্ষণ আৰু বলিষ্ঠ নেতৃত্বত বিজেপিয়ে ৮২ খন আসন লাভ কৰে আৰু অগপ বিপিএফ দলে দহ খনকৈ আসন লাভ কৰে আৰু ড০ হিমন্ত বিশ্ব শৰ্মা দ্বিতীয় বাৰৰ বাবে মুখ্যমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰে। লক্ষ্যণীয় যে ১৯৯১ চনৰ পৰা ২০১১ চনলৈ উত্থান পতন দেখা গৈছিল যদিও, কিন্তু ২০১৪ চনৰ পৰা ক্ৰমাগতভাৱে উত্থান পৰিলক্ষিত হৈছে। ২০১১ চনত সৰ্বানন্দ সোণোৱালে বিজেপিত যোগদান কৰে আৰু ২০১৩ চনত অসম বিজেপিৰ ৰাজ্যিক সভাপতিৰ দায়িত্ব লোৱাৰ পিছৰ পৰা আৰু ২০১৫ চনত বৰ্তমানৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লগতে ৯ জন বিধায়কে বিজেপিত যোগদানৰ পিছত বিজেপিৰ ভেঁটি সুদৃঢ় হয় আৰু তাৰ পিছৰ পৰা প্ৰতিটো নিৰ্বাচনত অৰ্থাৎ লোকসভা, বিধানসভা, পঞ্চায়ত আৰু পৌৰনিকায়ৰ নিৰ্বাচনত বিজেপিৰ অসামান্য অগ্ৰগতি লাভ কৰে। ২০২৬ চনৰ বিধাসনভা নিৰ্বাচনত বিজেপি আৰু মিত্ৰজোঁটৰ ফলাফলে এক নতুন অভিলেখ সৃষ্টি কৰিছে আৰু আমি দলৰ সকলো কাৰ্যকৰ্তাই ইয়াক বৰ্তাই ৰখাৰ চেষ্টা কৰি থাকিব লাগিব।■

---

লেখক ঃ প্ৰাক্তন বিধায়ক, প্ৰাক্তন সাংসদ বিজেপি



# ৰাজনীতিয়ে নোৱাৰা কাম সংস্কৃতিয়ে পাৰে যিবোৰ কথা আলোচনালৈ নাহিল...

অনুৰাধা শৰ্মা পূজাৰী

ৰাজ্যত ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ বিৰোধী ঢৌ প্ৰবল আছিল যদিও ভাৰতীয় জনতা পাৰ্টিৰ বৃহৎ জয়লাভে বিৰোধীৰ শক্তিক নস্যাৎ কৰিলে— ইয়াৰ কাৰণ আমাৰ মতে কেৱল দলীয় ৰাজনীতিৰ সুসংগবদ্ধ কচৰৎ, বিকাশ-উন্নয়ন আদিয়েই প্ৰধান নাছিল। এই সাফল্যৰ শতকৰা পঞ্চাশ ভাগ কাৰণ আমাৰ দৃষ্টিত আছিল বিজেপিৰ সাংস্কৃতিক এক দীৰ্ঘম্যাদী ৰণনীতি, যি সুদূৰপ্ৰসাৰী ৰণনীতিক বিৰোধী আৰু বুদ্ধিজীৱীসকলে আলোচনালৈ নানিলে বা চাবলৈ যত্ন নকৰিলে। ইয়াৰ কেইটামান প্ৰত্যক্ষ অভিজ্ঞতাৰ বিষয়ে আজি ক'ব খুজিছো।

মাজুলী বিশ্ববিদ্যালয়ৰ এজন অতিথি অধ্যাপকৰ দায়িত্বত থকা বাবে ডেৰমাহমান আগেয়ে বিশ্ববিদ্যালয়খনলৈ যাওঁতে যথেষ্টসংখ্যক স্থানীয় ব্যক্তি আৰু যুৱপ্ৰজন্মৰ সংস্পৰ্শলৈ আহিছিলো। এদিন খুব পুৱাই মাজুলী বিশ্ববিদ্যালয়ৰ 'পাৰফৰমিং আৰ্ট' বিভাগৰ ছাত্ৰী এগবাকী আহিল মোক বিশ্ববিদ্যালয়ে ৰখা বিজৰ্টটোলৈ। তেওঁ আগদিনা বিশেষ কামত বাহিৰত থকা বাবে মোক লগ নাপাই সেইদিনা পুৱা আঠমান বজাত শ্ৰেণী আৰম্ভ হোৱাৰ আগেয়ে লগ পাবলৈ আহিল। ছাত্ৰীগৰাকীৰ ঘৰ তিনিচুকীয়া আৰু অৰুণাচল প্ৰদেশৰ সীমান্ত অঞ্চল কাকপথাৰৰ এখন গাঁৱত। আমাৰ অসমীয়া বিশ্বখ্যাত বিজ্ঞানী কবুল মাউতৰ ঘৰৰ সমীপত তেওঁলোকৰ ঘৰ। ছাত্ৰীগৰাকী কৃষিকৰ্ম কৰি খোৱা পৰিয়ালৰ ছোৱালী। স্কুলত থকাৰে পৰা ভাল বিহু নাচে। সেই সৰুফুটীয়া, কৃষকায় ছোৱালীজনীৰ অদম্য আকাংক্ষা আৰু সপোনৰ কথা শুনি মই অবাক হৈছিলো। তাইৰ খুব ইচ্ছা আছিল তিনিচুকীয়াৰ ভাল মহাবিদ্যালয় এখনত পঢ়াৰ বাবে, কিন্তু ঘৰখনে তাইক হোস্টেল বা ভাড়াঘৰত থৈ পঢ়ুওৱা কথা ভাবিব নোৱাৰে বাবে কেতিয়াও তাই মুখ ফুটাই তাইৰ ইচ্ছাৰ কথা কোৱা নাছিল। মেট্ৰিক পৰীক্ষা দিয়াৰ পিচতেই তাইলৈ এটা সুযোগ আহিল অসম চৰকাৰৰ উদ্যোগত ২০২৩ চনৰ ১৪ এপ্ৰিলত গীনিজ বুক অব ৰ্ৱৰ্ড ৰেকৰ্ডৰ বাবে আয়োজন কৰা 'বিহু বিনন্দীয়া'ৰ এগৰাকী নাচনী হিচাপে তাইকো নিৰ্বাচন কৰিলে। এই অনুষ্ঠানৰ বাবে মুঠ এঘাৰ হেজাৰ তিনিশজনৰো অধিক ঢুলীয়া, নাচনী, পেঁপুৱা ইত্যাদিয়ে অংশগ্ৰহণ কৰিছিল আৰু বাজাব জিলাসমূহৰ চুকে-কোণে থকা বিহু কমিটী, সাংস্কৃতিক অনুষ্ঠানসমূহে নিৰ্বাচন কৰি নাচনী, ঢুলীয়া আদি নিৰ্বাচন কৰিছিল। এই ছাত্ৰীগৰাকীয়েও গুৱাহাটীলৈ আহি সৰুসজাইত বিহু নাচিলে। পঁয়ত্ৰিশ হেজাৰকৈ মাননি অংশগ্ৰহণকাৰীসকলে লাভ কৰিলে।

ছোৱালীজনীয়ে সেই টকাৰে তিনিচুকীয়াত আহি মনোহাৰী দেৱী মহাবিদ্যালয়ত নামভৰ্তি কৰিলে। কাপোৰ-কানি, বিছনাপত্ৰ, কিতাপ আদি সেই টকাবেই কিনি নিজা পাৰিশ্ৰমিকেৰে সপোন সাৰ্থক কৰিলে। ইয়াৰ পিচত তাই কলকাতাৰ এটা অনুষ্ঠানতো বিহুনাচত অংশগ্ৰহণ কৰিলেগৈ। 'বিহু বিনন্দীয়া'ত অংশগ্ৰহণকাৰীয়ে লাভ কৰা মানপত্ৰই এইক্ষেত্ৰত সহায় কৰিলে। হায়াৰ ছেকেণ্ডাৰী পাছ কৰি মাজুলী বিশ্ববিদ্যালয়ৰ 'পাৰফৰ্মিং আৰ্ট' বিভাগত ভৰ্তি হোৱা ছাত্ৰীগৰাকীয়ে সন্ধিয়া টিউচন কৰি পঢ়াৰ খৰচ আৰু বিহুৰ অনুষ্ঠানত অংশ লোৱাৰ বাবে পোৱা মাননিৰে সংগ্ৰাম কৰি পঢ়া-শুনা কৰি আছে। এই ছোৱালীজনীৰ জীৱন সলনি কৰি দিছিল 'বিহু বিনন্দীয়া'ৰ ঐতিহাসিক ক্ষণটোৱে। আমি দেখিছিলো, এই অনুষ্ঠানত ভাগ লোৱা যুৱক-যুৱতীসকলৰ সত্তৰ শতাংশ আহিছিল গাঁৱৰ পৰা- যিসকল ঢুলীয়া,



নাচনীয়ে চহৰৰ বিহুমঞ্চত প্ৰাপ্য মাননিব বাবে ভিক্ষাৰীৰ দৰে উদ্যোক্তাৰ পিচত প্ৰায়েই ঘুৰিব লগা হয়। বিভিন্ন জিলাৰ এই এঘাৰ হেজাৰ বিহুৱতী আৰু ঢুলীয়াৰ পৰিয়ালৰ ভোট নিশ্চয় আন দললৈ যোৱা নাই। এইদৰে ২০২৫ চনত 'ঝুমইৰ বিন্দীনী'ৰ ৮,৮৮৮ গবাকী অংশগ্ৰহণকাৰী, ২০২৬ ৰ জানুৱাৰী মাহৰ 'বাগৰুম্বা দহৌ'ৰ দহ হেজাৰ অংশগ্ৰহণকাৰীৰ সৈতে 'গীনিজ বুক অব্ ৱৰ্ল্ড ৰেকৰ্ড' কৰাৰ লগতে এই বৃহৎ, অভিলাষী সাংস্কৃতিক কাৰ্যসূচীবোৰে জাতি-জনগোষ্ঠীৰ আবেগ স্পৰ্শ কৰাৰ লগতে অৰ্থ আৰু স্বীকৃতিৰ আনন্দ প্ৰদানো কৰিছিল। অংশগ্ৰহণকাৰী শিল্পীসকলে এই কাৰ্যসূচীত ভাগ লৈ জীৱনৰ স্মৰণীয় এক মুহূৰ্ত উপভোগ কৰিছিল। এনে ব্যয়বহুল সাংস্কৃতিক অনুষ্ঠানৰ বাবে চৰকাৰে যথেষ্ট সমালোচনাও পাইছিল, কিন্তু বিশ্ববাসীয়ে ব্যাপক প্ৰচাৰ মাধ্যমৰ জৰিয়তে এই অনুষ্ঠানকেইটাৰ অপূৰ্ব কৰিঅগ্ৰাফী আৰু বিনন্দীয়া দৃশ্যক প্ৰশংসাৰে ওপচাইছিল। কেইবাগৰাকী পৰিচিত বড়ো মহিলাই আমাক আনন্দেৰে এই ঐতিহাসিক ক্ষণৰ কথা বৰ্ণনা কৰোতে বুজিছিলো, এয়া এক স্বাভিমানৰ স্বীকৃতি। সেই বাগৰুম্বাৰ খাম আৰু চিফুঙৰ ধ্বনি নিৰ্বাচনত বাজি উঠিল, তাত সন্দেহ নাছিল। প্ৰতি জাতি জনগোষ্ঠীক এক মুহূৰ্ততে যদি সমন্বয়ৰ ডোলেৰ বান্ধিব পাৰি, সেয়া কেৱল সংস্কৃতিৰে পাৰি। নিজা কৃষ্টি-সংস্কৃতিৰ প্ৰতি থকা স্বাভিমানক এইদৰে কোনো চৰকাৰে ইয়াৰ পূৰ্বে এনেদৰে উচ্চ শিখৰলৈ লৈ যোৱাৰ প্ৰয়াস কৰা নাছিল।

আমি দেখা পালো, অসমৰ ঢুকে-কোণে থকা শিল্পীসকলেই নহয়, অসমীয়া, বাংলা, নেপালী, বড়ো আদি ভাষাত সাহিত্য চৰ্চা কৰি থকা নামী-অনামী কেইবাহেজাৰ লেখক-লেখিকাক 'লেখক সন্মান' ৰূপে মানপত্ৰ আৰু এক মান্যতামূলক মাননি প্ৰদান কৰা হৈছিল। বহু লেখকে এই মাননিৰে নিজৰ অপ্ৰকাশিত গল্প, প্ৰবন্ধৰ সংকলন প্ৰকাশ কৰি মনৰ অপূৰ্ণ ইচ্ছা পূৰণ কৰাও আমি দেখিলো। এই কামক এচামে তুচ্ছ-তাচ্ছিল্য কৰিলে, চৰকাৰে 'লেখক হিতাধিকাৰী' সৃষ্টি কৰিলে বুলি। এই লেখক-লেখিকাসকলৰ কোনোজন চৰকাৰী চাকৰিয়াল অথবা চৰকাৰী শিক্ষানুষ্ঠানৰ শিক্ষক-শিক্ষয়িত্ৰী নাছিল।

'লেখক সন্মান' পোৱাসকল আছিল অপেছাদাৰী লেখক-লেখিকা। কোনোবা সাংবাদিক, কোনোবা কবি, গল্পকাৰ বা ঔপন্যাসিক, নাট্যকাৰ অথবা নিবন্ধকাৰ, যিসকলে উচ্চাকাংক্ষা অবিহনে মাতৃভাষাত সাহিত্য চৰ্চা কৰি আহিছে। আমি ভাবো হেজাৰোধিক এনে লেখক-লেখিকাৰ পৰিয়ালে নিৰ্বাচনত অকৃতজ্ঞ হ'ব নোৱাৰিলে। 'লেখক সন্মান' এইসকল লেখক-লেখিকাৰ বাবে আছিল এক স্বীকৃতি। গাঁও-চহৰত 'লেখক সন্মান'ৰ মানপত্ৰ ড্ৰয়িংকমত ফ্ৰেম কৰি বন্ধাই থোৱা আমি দেখিবলৈ পাওঁ।

অসমৰ নৱবৈষ্ণৱ ধৰ্মীয় দৰ্শনৰ সৈতে সংস্কৃতিৰ ওতঃপ্ৰোত সম্পৰ্ক। শ্ৰীমন্ত শংকৰদেৱ, মহাপুৰুষ শ্ৰীমাধবদেৱৰ সাহিত্য, সংস্কৃতিৰ আধাৰতে অসমৰ নৱবৈষ্ণৱ আন্দোলনৰ ব্যতিক্ৰমী ধাৰা প্ৰতিষ্ঠিত হৈছিল, যি বৈষ্ণৱ দৰ্শন ভাৰতীয় আন ৰাজ্যৰ দৰ্শনৰ সৈতে পৃথক। কিন্তু এই বৈষ্ণৱ দৰ্শন, সংস্কৃতিৰ আধাৰ নামঘৰ আৰু সত্ৰসমূহৰ অৱস্থা শোচনীয় হৈ পৰিছিল। ৰাজ্যৰ শতাধিক নামঘৰলৈ চৰকাৰী সাহায্য, সত্ৰৰ পুঁজি টনকিয়াল কৰা, বৈষ্ণৱ সংস্কৃতিবাহক সত্ৰসমূহৰ ৰাস-ভাওনাসমূহক উৎসাহিত কৰা বিষয়সমূহ যোৱা দহটা বছৰৰ উল্লেখনীয় পদক্ষেপ আছিল। বিশেষভাৱে সত্ৰসমূহৰ দখল হোৱা মাটি মুকলি কৰা, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বৰদোৱাৰ বটদ্ৰৱা সত্ৰৰ আমূল সংস্কাৰ, মহাপুৰুষ শ্ৰীমাধৱদেৱৰ জন্মস্থান

নাৰায়ণপুৰৰ শ্ৰীশ্ৰী মাধৱদেৱ কলাক্ষেত্ৰক অত্যাধুনিক সাংস্কৃতিক পৰ্যটনস্থলীলৈ ৰূপান্তৰ কৰা কামবোৰ এক সাংস্কৃতিক স্বাভিমানৰ নিদৰ্শন হৈছিল। যোৱা পাঁচ বছৰত অভাবনীয়ভাবে প্ৰতিষ্ঠা হোৱা সাংস্কৃতিক প্ৰকল্পৰ লগতে যোগ হৈছিল অসম আন্দোলনৰ ৮৫৫ জন ছহিদৰ অত্যাধুনিক স্মাৰকক্ষেত্ৰ। এই সকলোবোৰ বিষয়ে প্ৰত্যক্ষ আৰু পৰোক্ষভাবে ৰাজ্যবাসীৰ আবেগ স্পৰ্শ কৰিছে গম্ভীৰভাৱে।

অসমৰ সংবাদ মাধ্যমত বিশেষ চৰ্চা লাভ নকৰা এটি বৃহৎ সাংস্কৃতিক কাৰ্যক্ৰমণিকা পৰিচালনা কৰি আছিল শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজে। 'অসমৰ নৃগোষ্ঠীয় সাংস্কৃতিক সমন্বয় আৰু বিনিময় অভিযান' বিষয়ক এলানি কৰ্মশালা যোৱা পাঁচ বছৰত অনুষ্ঠিত কৰিছে কলাক্ষেত্ৰই। অসমৰ মুঠ ৩২ টা জনগোষ্ঠীক পৰস্পৰৰ সাংস্কৃতিক বিনিময় কাৰ্যসূচীৰ মাজেৰে, চৌহদৰ আবাসক্ষেত্ৰত ৰাখি, যুৱক-যুৱতীসকলক অসমৰ কৃষ্টি-সংস্কৃতিৰ নিজস্ব গীত-নৃত্যৰ বিনিময় কাৰ্যসূচী আৰু প্ৰদৰ্শনৰ সুবিধা দিয়া হৈছিল। এই কাৰ্যসূচীৰ মাধ্যমেৰে এটা জনগোষ্ঠীয়ে আন এটা জনগোষ্ঠীৰ গীত-নৃত্য শিকাৰ উপৰি মহাপুৰুষ দুজনাৰ বৰগীত, নামটি আখৰা ইত্যাদি আয়ত্ত কৰিছিল। এই কৰ্মশালাসমূহত ৰাজ্যৰ বৃহৎ জনগোষ্ঠী, যেনে- চাহ জনগোষ্ঠী, মিচিং জনগোষ্ঠী, বড়ো জনগোষ্ঠী, টাই আহোম, হাজং, নেপালী, সোনোৱাল কছাৰী, কাৰ্বি, কোচ-ৰাজবংশীৰ পৰা তুলনামূলকভাবে কম জনসংখ্যাৰ ডালু, বাংখল, টাইখামেয়াং, গাৰো আদি জনগোষ্ঠী সকলোবোৰ দলে যোগদান কৰি নিজা প্ৰতিনিধিত্বমূলক একোটি সংস্কৃতিৰ সৈতে আন জনগোষ্ঠীৰ সংস্কৃতি বিনিময় কৰিছিল। ইয়াৰ পূৰ্বে বহু জনগোষ্ঠীৰ অসমৰ সীমামূৰীয়া অঞ্চলত থাকি, অসমীয়া ভাষা-সংস্কৃতিৰ সৈতে পৰিচয়বিহীন হৈ গৈছিল। গুৱাহাটী চহৰ দেখা তেওঁলোকৰ বাবে এক অলীক স্বপ্ন আছিল। তেনে জনগোষ্ঠীসমূহৰ মাজত হোৱা এই সাংস্কৃতিক সমন্বয় আৰু ভাবৰ আদান-প্ৰদানে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ কাষ চপাই আনিছিল। অসমীয়া মূলসুঁতিৰ সংস্কৃতিৰ সৈতে, সমাজৰ সৈতে বন্ধুত্ব স্থাপন হৈছিল এই কৰ্মশালাৰ মাধ্যমেৰে। এই সমন্বয় সূচীৰ কৰ্মশালাসমূহৰ নীৰীৰ গভীৰ প্ৰভাব, স্বৰাজোত্তৰ কালত ইয়াৰ পূৰ্বে এইদৰে পৰা নাছিল।

অন্য এটা নীৰীৰ সাংস্কৃতিক কাৰ্যসূচী ৰাজ্যজুৰি ঠাই বিশেষত প্ৰতি বছৰে বৃহৎ কাৰ্যসূচীৰে হৈ আহিছে। এয়া হৈছে অসমৰ 'চাফাই কৰ্মী' সকলৰ মাজত সাংস্কৃতিক সমন্বয়ৰে এক নজিৰ সৃষ্টি কৰা। অসমত দুই লাখৰ অধিক 'চাফাই কৰ্মী' (পূৰ্বে হৰিজন বুলি কোৱা হৈছিল) আছে। এইসকলৰ অধিকসংখ্যক বিভিন্ন পৌৰ নিগম, পৌৰসভাৰ অন্তৰ্গত কৰ্মৰত। নানাভাষী এই চাফাই কৰ্মীসকলৰ সন্তানসকলে দেশপ্ৰেমমূলক গীত, বিহু, বাগৰুম্বা ইত্যাদি সাংস্কৃতিক প্ৰকল্পৰ শিক্ষণৰ মাজেৰে চৰকাৰৰ পৃষ্ঠপোষকতাত প্ৰদৰ্শন কৰাৰ সুবিধা পাইছে প্ৰতি বছৰে। চাফাই কৰ্মীৰ সন্তানসকলৰ সাংস্কৃতিক অনুষ্ঠানৰ মনোমোহা প্ৰদৰ্শনৰ কাৰ্যসূচীত সোনাৰাম খেলপথাৰত আমাৰো বিশিষ্ট অতিথিৰূপে নিমন্ত্ৰিত হৈ প্ৰত্যক্ষ কৰাৰ সুযোগ হৈছিল।

ইমানখিনি সাহিত্য-সংস্কৃতিৰ উদ্যোগ নিৰৱচ্ছিন্নভাবে এখন চৰকাৰে কৰি যোৱাৰ ফলাফল নিশ্চয় নিৰ্বাচনতো পৰিছে। 'Good leaders build cultures' বুলি এটি প্ৰচলিত উক্তি আছে। কেৱল ৰাজনৈতিক কথা আৰু ৰাজনৈতিক সভা-সমিতিয়ে বিজেপিৰ বৃহৎ জয় সম্ভৱ কৰা নাই।

ৰাস্তা, দলং, চিকিৎসালয়, বিদ্যালয়, মহাবিদ্যালয় স্থাপনক আমি চকুৰে দেখো, ইয়াৰ মূল্যায়নো হয়, কিন্তু সাংস্কৃতিক বিষয়সমূহক গুৰুত্বৰে চোৱা নহয় বাবে ইয়াৰ গভীৰ প্ৰভাৱ পৰিলক্ষিত নহয়। তৃতীয়বাৰৰ বাবে বৃহৎ জয়ৰ সফলতাৰ আঁৰৰ সাহিত্য-সংস্কৃতিত চৰকাৰখনৰ ভূমিকা আমাৰ দৃষ্টিত সুদূৰপ্ৰসাৰী আৰু সামাজিক মনস্তত্ত্বত গভীৰভাবে প্ৰৱেশ কৰিছে। আমি ভাবো উক্ত সকলোবোৰ সাহিত্য আৰু সাংস্কৃতিক পদক্ষেপ নিৰ্বাচনত বিজেপি চৰকাৰৰ জয়লাভৰ এক বিশেষ নিৰূপক আছিল। ইয়াৰ মাজত ৰাজ্যত ৬/৮ খনকৈ চৰকাৰী পৃষ্ঠপোষকতাত গ্ৰন্থমেলা অনুষ্ঠিত কৰা, ডিমা হাচাও, কাৰ্বি আংলঙৰ দৰে জিলাত লোকচান ভৰি গ্ৰন্থমেলা পাতি এক নজিৰ সৃষ্টি কৰা কামবোৰ ৰাজ্যত কোনো চৰকাৰে পূৰ্বতে কৰা নাছিল। ধ্ৰুপদী ভাষাৰ মৰ্যাদা অসমীয়া ভাষাই পোৱাৰ পিচত ইতিমধ্যে ৰাজ্যৰ বাহিৰৰ বিশ্ববিদ্যালয়ত অসমীয়া ভাষা এক বিষয়ৰূপে অধ্যয়ন আৰু গৱেষণাৰ বাট মুকলি হৈছে।

গুৱাহাটী মহানগৰক অভিকেন্দ্ৰ কৰি হৈ থকা নিৰ্বাচন বিৰোধী কাৰ্য কলাপবোৰ সেয়ে অথলে গ'ল। এখন চৰকাৰক বিৰোধিতা কৰিবলৈও কৰ্ম সংস্কৃতি আৰু সুপৰিকল্পনাৰ দীৰ্ঘ সময়ৰ প্ৰয়োজন। বাট-পথ, দলং, ফ্লাইঅ'ভাৰ ইত্যাদি বিকাশক আমি আওকাণ কৰিব পাৰিলেও সাংস্কৃতিক জনগাঁথনি নিৰ্মাণ কৰা চৰকাৰী প্ৰকল্পসমূহৰ মাজেৰে লাভ কৰা স্বীকৃতিসমূহ, বিজেপি দলৰ এক আভ্যন্তৰীণ শক্তিৰূপে থাকিল। ৰাজনীতিয়ে বলে নোৱৰা কাম সংস্কৃতিয়ে কৰিব পাৰে, এই কথাষাৰৰ প্ৰমাণ আমি এই নিৰ্বাচনৰ ফলাফলত দেখিলো।■

---


লেখিকা ঃ বিশিষ্ট সাংবাদিক, সাহিত্য একাডেমি বঁটা বিজয়ী সাহিত্যিক

সাক্ষাৎকাৰ

# বিজেপি কিয় প্ৰথম পছন্দৰ দল ?



অসমৰ ৰাজনৈতিক ইতিহাসত সৰ্বকালৰ অভিলেখ সৃষ্টি কৰি শাসকীয় মিত্ৰজোট এন ডি এ ই অসম বিধান সভাৰ মুঠ ১২৬ খন আসনৰ ভিতৰত ১০২ খন আসন অধিকাৰেৰে অভূতপূৰ্ব সফলতা প্ৰদৰ্শন কৰিলে। তাৰ ভিতৰতে আকৌ ৮২ খন আসন দখল কৰিলে বিজেপিয়ে অকলে। এই বিৰল কৃতিত্বৰ কাৰণ সম্পৰ্কে জানিবলৈ আমি ৰাজ্যখনৰ বিভিন্ন বৃত্তিৰ সৈতে জড়িত কেইবাগৰাকীও বিশিষ্ট ব্যক্তিৰ ওচৰ চাপিছিলো। 'বিজেপি বাৰ্তা'ৰ হৈ এই সাক্ষাৎকাৰ সমূহ গ্ৰহন কৰিলে কটন কলেজৰ গণসংযোগ বিভাগৰ প্ৰাক্তন অতিথি প্ৰবক্তা ড° দেৱাশীষ বেজবৰুৱাই—



## নৃত্যাচাৰ্য্য যতীন গোস্বামী

**পদ্মভূষণ, একাডেমি ৰত্ন**

২০১৪ চনৰ আগলৈকে অসমত ভাৰতীয় জনতা পাৰ্টীৰ বিশেষ প্ৰভাৱ নাছিল। ২০১৪ চনৰ লোক সভাৰ নিৰ্বাচনত শ্ৰীনৰেন্দ্ৰ মোদীৰ সবল নেতৃত্বত আৰু সমোহনী বক্তৃতাই ভাৰতীয় জনতা পাৰ্টীক অসমত সকলোৰে গ্ৰহণীয় কৰি তুলিলে।


এই বছৰৰ অসম বিধান সভাৰ নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টীৰ অভূতপূৰ্বক বিজয়ৰ বাবে মই কেইবাটাও কাৰণ আছে বুলি ভাৱো। তাৰ ভিতৰত প্ৰথম কাৰণ বুলি ভাৱো, অসমৰ ৰাইজৰ বাবে বিজেপিত ইতিবাচক আৰু বিৰোধীৰ নেতিবাচক কৰ্ম্ম। কংগ্ৰেছৰ দুৰ্নীতি আৰু বহিৰাগত সংখ্যালঘুৰ প্ৰতি থকা অহেতুক সহানুভূতিৰ বাবে থলুৱা ৰাইজ আতি বিতুষ্ট হৈছিল। প্ৰয়াত তৰুণ গগৈৰ পাছতে কংগ্ৰেছত সবল নেতৃত্বৰ অভাৱ। জনসম্পৰ্কৰ প্ৰতি অৱহেলা। আঞ্চলিক দল ৰাইজৰ দল আৰু অসম জাতীয় পৰিষদৰ ৰাইজৰ মাজলৈ যোৱাৰ যেন অৱহেলা, এইবোৰ কথাই অসমৰ ৰাইজৰ মাজত বিজেপিক গ্ৰহণযোগ্য কৰিছিল।

ভাৰতীয় জনতা পাৰ্টীৰ জন সম্পৰ্ক অতি গভীৰ অসমত ডঃ হিমন্ত বিশ্ব শৰ্মাৰ সবল, সৰল, সহজ জন সম্পৰ্ক আৰু বিচক্ষণ নেতৃত্বই বিজেপি ক বিকল্পহীন কৰি তুলিলে। মই ভাবো বৰ্তমান অসমৰ ৰাজনীতিত ডঃ হিমন্ত বিশ্ব শৰ্মাৰ কোনো বিকল্প নাই। দিন ৰাতি সমানে ইমান পৰিশ্ৰম কৰিব পৰা ৰাজনৈতিক নেতা বোধহয় ভাৰততে বিৰল, এনেকুৱা জন সম্পৰ্ক, বিচক্ষণ কৰ্ম পদ্ধতি দল-মত নিৰ্বিশেষ সকলোৰে অনুকৰণীয়।

অসমৰ জনগাঠনিৰ ভয়াবহ পৰিৱৰ্তনৰ ক্ষেত্ৰত বিজেপি চৰকাৰে লোৱা সবল ভূমিকাই থলুৱা বাসিন্দাক আশস্ত কৰিছিল আৰু চৰকাৰটোৰ দীৰ্ঘস্থায়ী হোৱাটো বিচাৰিছিল।

গাঁৱে ভূঞেঁ থকা বাট-পথ, দলঙৰ উন্নতি, স্কুল কলেজ, বিশ্ববিদ্যালয়, মেডিকেল কলেজ প্ৰতিষ্ঠাৰে শিক্ষাৰ ক্ষেত্ৰখন আগুৱাহই নিয়াৰ প্ৰচেষ্টাক সকলোৰে আদৰণি।

অসমত বিজেপি চৰকাৰৰ নিকা ভাৱমূৰ্ত্তিৰ বাবে দলটোক সকলোৰে গ্ৰহণযোগ্য কৰিছে। তৃণমূল পৰ্য্যন্ত জনসম্পৰ্ক আৰু সাধাৰণ নাগৰিকক বিভিনন আঁচনিৰে সকলোকৈ সামৰি লোৱা বাবে অসমত বিজেপিৰ কোনো বিকল্প নাই বুলি সাধাৰণ ৰাইজৰ বিশ্বাস।■



## অধ্যাপক ড° ৰামচন্দ্ৰ ডেকা
**বিশিষ্ট শিক্ষাবিদ**
প্ৰাক্তন অধ্যক্ষ, এ ডি পি কলেজ, নগাওঁ

ৰা ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘই শতবৰ্ষ গৰকা বছৰতে বিজেপি শতপত্ৰ বিস্তৃতিৰে বিকশিত হ'ল। দেশৰ সনাতনী মূল্যবোধে এক ডাঙৰ স্বীকৃতি পালে। দৰাচলতে এয়া আছিল অৱধাৰিত। কাৰণ আজিৰ তাৰিখত অসমত বিজেপিৰ বাহিৰে আন কোনো এটা দলেই সুসংগঠিত নহয়। ভোটাৰ ৰাইজে প্ৰথমেই লক্ষ্য কৰা কথাটো লৈ কোনটো ৰাজনৈতিক দলে ৰাইজৰ অধিক ওচৰলৈ প্ৰৱেশ কৰিলে। এই বিষয়ত বিজেপি দল সকলোতকৈ আগবঢ়া। দলৰ প্ৰতিগৰাকী সদস্য, কাৰ্য্যকৰ্ত্তাৰ উপৰিত্ত, সংঘৰ সেৱক সকলে দিন-ৰাতি একাকাৰ কৰি যেনেদৰে বিজেপিৰ জয়ৰ বাবে কষ্ট কৰিলে, তাৰ সমুখত বিৰোধী পক্ষৰ ৰননীতি তৃণকূটাৰ দৰে উটি গ'ল। দৰাচলতে অসমত বিৰোধী বুলিবলৈ কোনো এটা পক্ষ আছিল বুলিআমাৰ ধাৰণাই নহ'ল। 'বিৰোধী ঐক্য' হ'ব হ'ব বুলি কংগ্ৰেছৰ নেতৃত্বত কেইজনমান পাবত গজা নেতাই শীত তাপ নিয়ন্ত্ৰিত হোটেলত বহি কেৱল মিটিঙেই কৰি থাকিল। নিৰ্বাচনৰ চাৰি দিন আগলৈকে জোট বান্ধিব নোৱাৰাৰ পক্ষ এটাক অসমৰ ৰাইজে কিহৰ ভৰসাত নিজৰ ভৱিষ্যত এৰি দিব? মই ভাবো বিজেপিৰ এইবাৰ অভূতপূৰ্ব নজিৰেৰে বিজয়ী হৈ আহিল বিৰোধী পক্ষৰ এই হঠকাৰিতাৰ বাবেই। তদুপৰি ২০১৬ চনৰ পৰা বিজেপিয়ে প্ৰতিটো ক্ষেত্ৰতে সি উন্নয়নেই হওঁক, প্ৰগতিয়ে হওঁক বা সাধাৰণ ৰাইজৰ ব্যক্তিগত সা-সুবিধাই হওঁক- যি কৃতকাৰ্য্যতা দেখুৱালে—একেবাৰে দলৰ কঠোৰ সমালোচক জনেও ভাবিবলৈ বাধ্য হ'ল- 'বিজেপিক ভোট নিদি আমি আৰু কোনটো দলক ভোট দিম'। নতুন প্ৰজন্মৰ কথাটোতো সুকীয়াকৈ ক'বই নালাগে। 'জেনজি' নামৰ এটা আচহুৱা অভিধা উলিয়াই বহুল ভাৱে প্ৰচাৰ কৰা হ'ল যে এইবাৰ 'জেন জি' য়ে বিজেপিৰ বিৰুদ্ধে ভোট দিব। বাস্তৱ ক্ষেত্ৰত কি হ'ল ৰাইজে দেখিলেই, আমি ক'ব নালাগে। তদুপৰি মহিলাসকলে একক ভাৱে বিজেপিৰ পিছত থিয় হ'ল, লাখ লাখ হিতাধিকাৰী আছেই। বিৰোধীয়ে যে 'ডবল দ্বিজিট'ৰ আসন পালে সেয়াই তেওঁলোকৰ ভাগ্য বুলিব লাগিব।

---



## মলয়া গোস্বামী
**বিশিষ্ট অভিনেত্ৰী**

গ গণতন্ত্ৰৰ মূল বৈশিষ্ট্য সমূহৰ ভিতৰত দুটা প্ৰধান বৈশিষ্ট্য হৈছে—"জনসাধাৰণত অংশ গ্ৰহণ আৰু গণতন্ত্ৰত চৰকাৰ জনমতৰ ওপৰত নিৰ্ভৰশীল। এই দুয়োটা দিশৰ পৰা অসমত তৃতীয়বাৰৰ বাবে বিজেপি চৰকাৰৰ উত্থানে এই কথাকেই প্ৰমাণ কৰে— মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সবল আৰু অতি দক্ষ নেতৃত্বই ৰাইজৰ বিশ্বাস, আস্থা আৰু নিৰ্ভৰশীলতাক

সম্পূৰ্ণৰূপে জয় কৰিছে। নিশ্চয় সেইবাবেই এই চৰকাৰ জনসাধাৰণৰ ইমান ওচৰ চাপি গৈছে।

মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দূৰদৰ্শী আৰু দৃঢ় নেতৃত্বই অসম আৰু অসমবাসীক নতুন দিশৰ ফালে আগবঢ়াই লৈ যাব বুলি আন্তৰিকতাৰে কামনা কৰিছো। অসমৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমৰ সাংস্কৃতিক জগতখনৰ সৰ্বাংগীন উন্নতিৰ বাবে যিমানখিনি প্ৰচেষ্টা হাতত লৈছে তাৰবাবে এই ক্ষেত্ৰখনৰ সৰহ সংখ্যক ব্যক্তিয়েই তেওঁৰ পিছত থিয় দিয়াটো অতি লক্ষ্যণীয় বিষয়। ৰাজ্যখনৰ গাঁও ভূইৰ মাজতো সিচৰিত হৈ থকা অতি উচ্চখাপৰ সাংস্কৃতিক প্ৰতিভাসমূহ উলিয়াই আনি তেওঁলোকক এখন বহল মঞ্চ দিয়াৰ বাবে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ ব্যক্তিগত প্ৰচেষ্টাত যি কাৰ্য্যসূচী ৰূপায়ন কৰা হ'ল তাৰ বাবে আমি দৰাচলতে আপ্লুত হৈছো। সেই সকল ল'ৰা-ছোৱালীৰ অভিভাৱক-অভিভাৱিকা সকলেও নিশ্চয় বিজেপিকে সমৰ্থন কৰাৰ লগতে মুখ্যমন্ত্ৰী ডাঙৰীয়াকো সাধুবাদ জনাইছে।

জনসাধাৰণৰ এই বিশ্বাস-আস্থা সদায়ে যেন অক্ষুণ্ণ থাকে সেয়াই আমাৰ কাম্য।

---



## তৰুণ কলিতা

**বিশিষ্ট সৰোদ বাদক,** গুৱাহাটী

২০১৬ চনৰ আগলৈ চলা কংগ্ৰেছী শাসনকালত অসমৰ জনসাধাৰণে শেষৰ ফালেলৈ যেনেদৰে অস্তিত্বৰ সংকটত ভুগিছিল বা ক্ৰমাগত ভাৱে ভাষিক, সংস্কৃতিক, সামাজিক এই সকলোদিশতে নিৰাপত্তাহীনতাত ভুগিছিল তাৰ পৰা পৰিত্ৰান পাবলৈকে বিজেপিক আকোৱালি ল'লে। জাতি-মাটি-ভেটি সুৰক্ষাৰ শ্লোগানেৰে ক্ষমতালৈ অহা বিজেপি চৰকাৰখনে ক্ৰমাগত দুটাকৈ কাৰ্য্যকালত যিদৰে সকলোফালৰ পৰাই অসমৰ খিলঞ্জীয়া জনসাধাৰণৰ ওচৰ চাপিবলৈ সক্ষমহ'ল অসমৰ জনগনৰ বিজেপিৰ বাহিৰে অন্য দলৰ কথা চিন্তা কৰিবৰ বাবে অবকাশেই নাথাকিল। অন্যবোৰ কথা নিলগাই আমি যদি কেৱল সংস্কৃতিক দিশটোৰ কথাই লক্ষ্য কৰো- বিহু, ঝুমইৰ, বাগৰুম্বাক বিশ্বৰ দৰবাৰলৈ লৈ যোৱা, অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্য্যদা দিওৱা বা অসমৰ ঐতিহ্য ক্ষেত্ৰক বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ মৰ্য্যদা প্ৰদান কৰা আদিৰ ক্ষেত্ৰত বিজেপিৰ ভূমিকা অনস্বীকাৰ্য্য। নতুন লেখসকলক উৎসাহিত কৰাৰ বাবে বৃত্তি প্ৰদান কৰা, খেল মহাৰণ অনুষ্ঠিত কৰা, জিলাই জিলাই সংস্কৃতিক প্ৰতিযোগিতা অনুষ্ঠিত কৰা আদিৰ কথা অসমীয়া মানুহে কেনেকৈ পাহৰিব? তদুপৰি উন্নয়নৰ কথা নকলোৱেই যেনিবা। ইমানৰ পিছতো অসমৰ ৰাইজে বিজেপিক সমৰ্থন নকৰাটোহে আচৰিত কথা হ'লহেতেন।



# তয়াবুন নিছা

## আন্তৰ্জাতিক খ্যাতিসম্পন্ন খেলুৱৈ

মই ভাৱো যে ভাল কাম মানুহে আদৰি লয়। ৰাস্তা-পদুলি, বা অন্যান্য সকলো ক্ষেত্ৰতে হোৱা উন্নয়নে মানুহক আকৰ্ষিত কৰিছে। আজিকালি গাৱঁতো মানুহে তামোল খুন্দি বহি নাথাকে। মোবাইলৰ জৰিয়তে সকলো কথা গম পায়। গতিকে উন্নয়ণৰ কথাবোৰো সকলোৱে গম পাইছে। গাঁৱৰ গৰীব মানুহেও চৰকাৰী আঁচনিৰ জৰিয়তে বিভিন্ন সামগ্ৰী, ধন ইত্যাদি লাভ কৰাত মানুহ উপকৃত হৈছে। এইসমূহ জনসাধাৰণক আকৰ্ষিত কৰিছে।

ক্ৰীড়া বা খেল সকলোৰেই ভাল পায়। খেলৰ ক্ষেত্ৰত হোৱা উন্নতিৰ বাবে খেল ভাল পোৱা মানুহবোৰ আকৰ্ষিত হৈছে। আগৰ তুলনাত ১০০% ক্ৰীড়া ক্ষেত্ৰত উন্নতি হৈছে। খেল মহাৰণৰ দৰে মাহজোৰা ক্ৰীড়া পদক্ষেপে নৱ প্ৰজন্মক উৎসাহিত কৰিছে।

অনাগত দিনত সমগ্ৰ বছৰজুৰি খেলৰ ক্ৰমাগত চৰ্চা, দক্ষতা বিকাশ আগুৱাই নিবলৈ ডাঙৰ সৰু সকলো ষ্টেডিয়াম, খেলপথাৰৰ লগত সংযুক্ত কৰি নিয়মীয়া ক্ৰীড়া প্ৰশিক্ষক নিযুক্তি দিলে খেলুৱৈ সকল অধিক উপকৃত হ'ব। এই ক্ষেত্ৰত জ্যেষ্ঠ খেলুৱৈ বিবেচনা কৰিব পাৰে। অসমৰ প্ৰান্তে প্ৰান্তে এনে জ্যেষ্ঠ খেলুৱৈ বহুতো আছে।

অৰ্জুন ভোগেশ্বৰ বৰুৱাৰ নামত সৰুসজাই ষ্টেডিয়াম নামকৰণে খেলুৱৈ সকলক উৎসাহিত কৰিছে। আন আন স্বীকৃতি প্ৰাপ্ত খেলুৱৈ সকলৰ নামতো অসমৰ বিভিন্ন স্থানৰ ষ্টেডিয়াম, খেল পথাৰ, গেলেৰি ইত্যাদি নামকৰণ কৰিলে খেলৰ বাবে ক্ৰীড়ামোদী ৰাইজ আনন্দিত হ'ব, উৎসাহিত হ'ব।



## মৃদুল কুমাৰ শৰ্মা

### বিশিষ্ট ব্যৱসায়ী, সমাজসেৱক, গোলাঘাট

ভাৰতীয় জনতা পাৰ্টি (BJP)-ক ভোট দিয়াৰ সপক্ষে সমৰ্থকসকলে আগবঢ়োৱা প্ৰধান কাৰণসমূহ তলত উল্লেখ কৰা হ'ল ঃ

**১. অৰ্থনৈতিক আৰু আন্তঃগাঁথনিমূলক উন্নয়ন**

- **যাতায়ত ব্যৱস্থাৰ আধুনিকীকৰণ ঃ** পথ, ঘাইপথ আৰু দলং নিৰ্মাণৰ গতি তীব্ৰতৰ হৈছে। মিজোৰামক ৰেলৰ দ্বাৰা সংযোজন কৰাটো বিজেপি চৰকাৰৰ বৃহৎ সাফল্য বুলি ক'ব পাৰি।
- **ডিজিটেল ইণ্ডিয়া ঃ** অনলাইন সেৱা আৰু ডিজিটেল লেনদেনৰ ব্যাপক সম্প্ৰসাৰণে দুৰ্নীতি হ্ৰাস কৰিছে আৰু চৰকাৰী প্ৰক্ৰিয়া সহজ কৰি তুলিছে।
- **বিনিয়োগ বৃদ্ধি ঃ** উত্তৰ-পূব ভাৰত তথা অসমক দক্ষিণ-পূব এছিয়াৰ দুৱাৰমুখ বা 'ইষ্টাৰ্ণ গেটৱে' হিচাপে গঢ়ি তুলিবলৈ বৃহৎ পুঁজি বিনিয়োগৰ পৰিকল্পনা কৰা হৈছে। প্ৰকৃততে অসম আৰু সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল দেশৰ ভৱিষ্যতৰ ভৰাল বুলি গণ্য কৰি বৃহৎ পুঁজি নিয়োগ কৰা হৈছে।

**২. হিতাধিকাৰী আঁচনি আৰু সমাজ কল্যাণ ঃ**

- **নাৰী সৱলীকৰণৰ আঁচনি ঃ** নাৰীসকলক সৱলীকৰণৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰি বিভিন্ন আঁচনি তৈয়াৰ কৰা হৈছে।
- **দৰিদ্ৰ কল্যাণ আঁচনি ঃ** 'অৰুণোদয় আঁচনি', 'প্ৰধানমন্ত্ৰী আৱাস যোজনা', 'আয়ুষ্মান ভাৰত' আৰু বিনামূলীয়া ৰেচন যোগানৰ দৰে আঁচনিয়ে সমাজৰ নিম্নবৰ্গৰ লোকসকলক পোনপটীয়াকৈ সহায় কৰিছে।
- **কৃষক আৰু শ্ৰমিকৰ কল্যাণ ঃ** কৃষকসকলৰ বাবে সন্মান নিধি আৰু চাহ বাগিচাৰ শ্ৰমিকসকলৰ বাবে পোনপটীয়া বিত্তীয় অনুদান আগবঢ়োৱা হৈছে।

**৩. ৰাষ্ট্ৰীয় সুৰক্ষা আৰু আঞ্চলিক স্থিৰতা ঃ**

- **সশস্ত্ৰ সংঘাতৰ অন্ত ঃ** দীৰ্ঘদিনীয়া উগ্ৰপন্থী সমস্যা আৰু আভ্যন্তৰীণ বিদ্ৰোহ দমন কৰি অসম তথা উত্তৰ-পূৰ্বাঞ্চলত শান্তি আৰু সুস্থিৰতা ঘূৰাই অনা হৈছে।
- **পৰিচয় আৰু ভূমিৰ সুৰক্ষা ঃ** থলুৱা খিলঞ্জীয়া লোকসকলৰ ভূমিৰ অধিকাৰ সুৰক্ষিত কৰিবলৈ 'মিছন বসুন্ধৰা'ৰ দৰে কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে।
- **সীমান্ত সুৰক্ষা ঃ** অবৈধ অনুপ্ৰৱেশ ৰোধ কৰা আৰু ৰাষ্ট্ৰীয় সুৰক্ষা ব্যৱস্থা শক্তিশালী কৰাৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে।

**৪. সবল নেতৃত্ব আৰু সুস্থিৰ চৰকাৰ**

- **দৃঢ় ৰাজনৈতিক ইচ্ছা ঃ** প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদী আৰু অসমত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সবল তথা নিৰ্ণায়ক নেতৃত্বই প্ৰশাসনিক স্তৰত ক্ষিপ্ৰতা আৰু সুস্থিৰতা আনিছে।

- **ৰাজনৈতিক সুস্থিৰতা ঃ** কেন্দ্ৰ আৰু ৰাজ্য উভয় স্থানতে স্পষ্ট সংখ্যাগৰিষ্ঠতা থকা চৰকাৰে দীৰ্ঘম্যাদী আঁচনিসমূহ কোনো বাধা নোহোৱাকৈ ৰূপায়ণ কৰাত সহায় কৰে।

**৫. সাংস্কৃতিক ঐতিহ্যৰ সুৰক্ষা আৰু বিকাশঃ**

- **ঐতিহ্যমণ্ডিত স্থানৰ সংৰক্ষণ ঃ** সত্ৰ, নামঘৰ, দেৱালয় আৰু বিভিন্ন ধৰ্মীয়-ঐতিহাসিক স্থানসমূহ বেদখলমুক্ত কৰা আৰু 'অসম দৰ্শন' আঁচনিৰ অধীনত সেইবোৰৰ সৌন্দৰ্যবৰ্ধন কৰা।
- **জাতীয় গৌৰৱ ঃ** ভাৰতীয় আৰু অসমীয়া খিলঞ্জীয়া সংস্কৃতি, ভাষা আৰু বীৰ পুৰুষসকলৰ (যেনে- লাচিত বৰফুকন) ইতিহাসক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত মৰ্যাদা প্ৰদান কৰা।
- ভাৰতীয় জনতা পাৰ্টিয়ে দেশৰ অখণ্ডতা ৰক্ষা কৰাৰ উপৰিও দেশক যিদৰে সাংস্কৃতিক, অৰ্থনৈতিকভাৱে আগুৱাই নিছে লগতে জনগণৰ সনাতনী সংস্কৃতিক বৰ্তাই ৰাখিবৰ বাবে বিজেপি দলে যি ধৰণে অহৰ্নিশে প্ৰচেষ্টা আৰম্ভ কৰিছে তাৰ বাবে ৰাইজে অকল বিজেপিহে একমাত্ৰ ভৰসাৰ ৰাজনৈতিক দল বুলি ভৰসা কৰিছে।

---





## জীনু শইকীয়া বৰা

প্ৰাক্তন অধ্যক্ষ, ডায়েট, বিশ্বনাথ চাৰিআলি


যোৱা বিধানসভা নিৰ্বাচনত বিজেপি দলে যি অভূতপূৰ্ব বিজয় সাব্যস্ত কৰিলে সেয়া কিন্তু সাময়িক চমক নাছিল বা সচৰাচৰ ৰাজনৈতিক বিশ্লেষক সকলে প্ৰয়োগ কৰা শব্দ 'নিৰ্বাচনী ঢৌ' ৰ ফল নাছিল। বিজেপি ক ভোট দিয়াৰ বাহিৰে অসমতে হওঁক বা চুবুৰীয়া পশ্চিম বংগই হওক- এই দুই ৰাজ্যৰ ভোটাৰৰ সমুখত অন্য কোনো বিকল্প নাছিল। অসমত বিৰোধী বুলি ক'বলৈ, বাতৰিকাকত বা মোবাইল ফোনৰ মাধ্যমতহে মুষ্টিমেয় কেইগৰাকীমান নিজকে অপ্ৰতিৰোধ্য নেতা বুলি ভবা ব্যক্তিৰ মৌখিক দপদপনিৰ বাহিৰে বাস্তৱ ক্ষেত্ৰত কোনো অস্তিত্বই নাছিল। টিভি কেমেৰাৰ সমুখত বক্তৃতা দিয়া আৰু বাস্তৱৰ মুখামুখি হোৱা যে দুটা ভিন্ন বস্তু সেই নিৰ্মম সত্যটো অসমৰ তথাকথিত বিৰোধী পক্ষই যে বুজিয়ে নাপায়- সেই কথাখিনিকে অসমৰ ভোটদাতা ৰাইজে ভালকৈয়ে বুজি উঠাটোৱে হ'ল ৰাইজে তেওঁলোকক প্ৰত্যাখ্যান কৰি বিজেপিক আকোৱালি লোৱাৰ মূল কাৰণ। যোৱা পাচ বছৰত বিজেপি দলে যিটো আগ্ৰাসী গতিৰে সংস্কৃতিক জাতীয়তাবাদ, আৰু সমান্তৰাল ভাৱে হিন্দুত্ববাদ প্ৰতিষ্ঠাৰ বাবে কাম কৰি গ'ল তাৰ প্ৰতি অসমবাসী ৰাইজ আকৃষ্ট নহৈ নোৱাৰিলে। প্ৰচণ্ড সংগঠনিক সবলতা আৰু সুপৰিকল্পিত আঁচনিৰে ভোটাৰ ৰাইজৰ মাজত সোমাই পৰা বিজেপিৰ সমুখত বিৰোধী দলে তিষ্ঠিবই নোৱাৰিলে। বিভিন্ন কল্যাণমূলক আঁচনি সমূহেও এই সফলতাৰ অনুঘটক হিচাবে এক বৃহৎ ভূমিকা পালন কৰিলে। জাতীয় নিৰপত্তা, সন্ত্ৰাসবাদী দমন, ৰাষ্ট্ৰীয় অখণ্ডতা ৰক্ষাৰ স্বাৰ্থত আপোচবিহীন স্থিতি (বিশেষকৈ সংবিধানৰ ৩৭০ ধাৰা বিলোপ) ৰ কাৰণে দেশৰ লগতে ৰাজ্যৰ সচেতন মহলেও চকুমুদি বিজেপিক সমৰ্থন কৰা দেখা গ'ল। সৰ্বতোপৰি অসমৰ ক্ষেত্ৰত (লগতে পশ্চিবংগৰ ক্ষেত্ৰতো) ভোটাৰ ৰাইজৰ মনত এটা দৃঢ়

ধাৰণা গঢ় লৈ উঠিছিল যে বিজেপিৰ বাহেৰে অন্য কোনো দলেই জাতি, মাটি, ভেটিক সুৰক্ষা দিব নোৱাৰে। কংগ্ৰেছেই কওক, তৃণমূল কংগ্ৰেছেই কওক বা পাবত গজা তথাকথিত জাতীয়তাবাদী দল কেইটাই কওক তেওঁলোকৰ মুকলি মিঞা তুষ্টিকৰণে বিজেপি ক অধিক সুবিধা দিলে সন্ত্ৰস্ত হৈ থকা খিলঞ্জীয়া ৰাইজৰ মাজত সোমাইবলৈ পাৰি। প্ৰকৃততে ভোটৰ ছমাহ পূৰ্বেই এইবাৰ নিৰ্দ্ধাৰণ হৈ গৈছিল ৰাইজে এইবেলি কাক সমৰ্থন কৰিব, বাকীখিনি আছিল কেৱল আনুষ্ঠানিকতাহে।

---



## আব্দুল ৰহমান

উদীয়মান ব্যৱসায়ী, সমাজসেৱক, গুৱাহাটী

সঁচা কথা ক'বলৈ গ'লে আজিৰ পৰা এবছৰ আগতে এই কথাটো খাটং হৈ গৈছিল যে এইবাৰৰ বিদান সভা নিৰ্ব্বাচনত বিজেপি ক বাদ দি অন্য কোনো দলেই অসমত চৰকাৰ গঠন কৰিব নেৱাৰে। বিশেষকৈ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই যিটো ষ্টাইলত কাম কৰিবলৈ আৰম্ভ কৰিলে সেয়া দেখি অসমৰ ৰাইজে আগতেই মন বান্ধি ল'লে যে অসমত আন কোনেও এনেদৰে ইমানবোৰ কাম সম্পন্ন কৰিব নোৱাৰে। যোৱা পাঁচ বছৰত অসমখনে হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত উন্নয়নৰ ক্ষেত্ৰত যিমানখিনি আগবাঢ়ি গ'ল যোৱা পঞ্চাশ বছৰত তাৰ চাৰিভাগৰ এভাগো হোৱা নাছিল। বিশেষকৈ অসমৰ খিলঞ্জীয়া ৰাইজক সকলোফালৰ পৰা সুৰক্ষিত কৰি ৰখাৰ বাবে তেখেতে যিমানখিনি কাম কৰিলে তাৰ বাবে অসমৰ ৰাইজে ধৰি ল'লে তেখেতে আৰু তেখেতৰ দল বিজেপি অসমৰ শাসনলৈ নাহিলে অসম আৰু অসমীয়াৰ ৰক্ষা নাই। আন নালাগে চুবুৰীয়া বাংলাদেশৰ পৰা বাংলাদেশী মিঞা মুছলমান খিনিয়ে অসমৰ খিলঞ্জীয়া, থলুৱা মুছলমান সকলকো যিধৰণে শোষণ কৰিবলৈ আৰম্ভ কৰিছিল তাৰপৰা অসমৰ থলুৱা জনসাধাৰণৰ লগতে অসমীয়া মুছলমান খিনিকো ৰক্ষা কৰাৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই যি পদক্ষেপ গ্ৰহণ কৰিলে তাৰ বাবেই অন্যৰ লগতে এইবাৰ অসমৰ থলুৱা মুছলমান খিনিয়েও একগোট হৈ বিজেপিক সমৰ্থন কৰিলে। ইয়াৰ আগলৈ ভোটৰ সময়তহে থলুৱা মুছলমান খিনিলৈ মনত পেলোৱা কংগ্ৰেছী সকলে অন্য সময়ত আমালৈ ঘূৰিও চোৱা নাছিল। কিন্তু বিজেপি চৰকাৰৰ আমোলত সকলো আঁচনিৰ হিতাধিকাৰীৰ ক্ষেত্ৰত আমাৰ খিলঞ্জীয়া মুছলমান খিনিকো কোনোপধ্যে বাদ দিয়া নহ'ল। ফলত এইবাৰৰ মুছলমান সমাজৰ সমস্ত থলুৱা অসমীয়াই বিজেপিক সমৰ্থন দিলে। ৰাস্তা-ঘাট, স্কুলঘৰ, হস্পিতাল, দুৰ্নীতি নিবাৰণ, বিনা পইছাতে চাকৰি প্ৰদান, ভিতৰুৱা গাঁৱঁতো ষ্ট্ৰীট লাইট, পানী, পায়খানা, থকাঘৰ- কি দিয়া নাই বিজেপিয়ে আমাক! বিশেষকৈ শেহতীয়াকৈ ইউ চি চি প্ৰৱৰ্তনেৰে, আমাৰ মুছলমান সমাজক বিজেপিয়ে যিমান উপকৃত কৰিলে সেয়া কোনোও পাহৰিব নোৱাৰে। বাল্য বিবাহ ৰোধ, তিনি তালাক ৰোধ, মহিলা নিৰ্য্যাতন আদিৰ ক্ষেত্ৰত বিজেপিৰ যি স্থিতি সেয়া আন দলে ভাবিবই পৰা নাছিল। আমি যে কেৱল ভোট দিয়া বাকচেই নহয়, আমাৰো নিজস্ব অধিকাৰ, মৰ্য্যাদা আছে- সেয়া বিজেপি দলে বুজিছে বাবে আমি বিজেপিক সমৰ্থন কৰিছো। এক কথাত ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত আমি সুখী।



# ব্যৱসায় পেছা এতিয়া হাতৰ মুঠিত

**ৰূপম গোস্বামী**

‘সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস আৰু সবকা প্ৰয়াস’ নীতিৰ জৰিয়তে ভাৰতীয় জনতা পাৰ্টিয়ে সমগ্ৰ দেশ পৰিচালনা কৰি সৰ্বাংগীণ বিকাশ ভাৱধাৰাক ত্বৰান্বিত কৰি তুলিছে। ২০১৪ চনত ভাৰতীয় জনতা পাৰ্টি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰ ক্ষমতালৈ অহাৰ পিছত দেশৰ অন্যান্য খণ্ডৰ লগতে অৰ্থনীতি, ব্যৱসায় আৰু উদ্যোগ খণ্ডলৈ ব্যাপক পৰিৱৰ্তনৰ ঢৌ অহা প্ৰত্যক্ষ হৈছে। মেক ইন ইণ্ডিয়া, ডিজিটেল ইণ্ডিয়া, ষ্টাৰ্ট আপ ইণ্ডিয়া আৰু আত্মনিৰ্ভৰ ভাৰত আদিৰ দৰে যুগান্তকাৰী আঁচনিৰ জৰিয়তে দেশীয় উৎপাদন বৃদ্ধি, বিদেশী বিনিয়োগ আকৰ্ষণ আৰু নতুন উদ্যোগ গঢ় দিবলৈ প্ৰয়াস কৰি আহিছে। ২০১৪ চনৰ ২৫ ছেপ্টেম্বৰত আৰম্ভ কৰা ‘মেক ইন ইণ্ডিয়া’ আঁচনিৰ অধীনত দেশত মোবাইল ফোন, ইলেক্ট্ৰনিক সামগ্ৰী, গাড়ী আৰু অন্যান্য যান্ত্ৰিক সামগ্ৰীৰ উৎপাদন বৃদ্ধি পাইছে। বিশ্ব প্ৰসিদ্ধ মোবাইল নিৰ্মাণ প্ৰতিষ্ঠান এপলক্স, ছেমচাং আদি আন্তৰ্জাতিক কোম্পানীয়ে ভাৰতত উৎপাদন ব্যৱস্থা বিস্তাৰ কৰিছে। ইয়াৰ ফলত দেশত কৰ্মসংস্থাপনৰ সুযোগ বৃদ্ধি পাইছে আৰু ভাৰত বিশ্বৰ অন্যতম বৃহৎ উৎপাদন কেন্দ্ৰ হিচাপে গঢ় লৈ উঠিবলৈ আৰম্ভ কৰিছে। আজিৰ দিনত চাকৰি বিচৰাতকৈ চাকৰি সৃষ্টি কৰাটো অধিক প্ৰয়োজনীয় হৈ পৰিছে। এই চিন্তাধাৰাক আগবঢ়াই নিবলৈ ২০১৬ চনত ‘ষ্টাৰ্ট আপ’ আঁচনি আৰম্ভ কৰা হৈছিল। দেশত নতুন উদ্যোগ গঢ়ি তোলা, উদ্ভাৱন বৃদ্ধি কৰা আৰু যুৱ প্ৰজন্মক স্ব-নিয়োজনৰ পথ প্ৰদান কৰাটোৱেই এই আঁচনিৰ মূল উদ্দেশ্য। ইয়াৰ অধীনত নতুন ষ্টাৰ্টআপসমূহে প্ৰথম তিনিবছৰলৈ কৰ ৰেহাই  লাভ কৰিব পাৰে। তদুপৰি ব্যৱসায় ক্ষেত্ৰত সহজে বেংকৰ ঋণ পোৱাৰ সুবিধা, আইনী প্ৰক্ৰিয়া সৰলীকৰণ আদি বিভিন্ন সুবিধাই নতুন উদ্যোগীসকলক উৎসাহিত কৰিছে। এই আঁচনিৰ ফলস্বৰূপে ভাৰতত বহু নতুন ‘ষ্টাৰ্ট আপ’ গঢ় লৈ উঠিছে। এই খণ্ডই ২০ লাখতকৈ অধিক চাকৰিৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছে। আনহাতে ক্ষুদ্ৰ উদ্যোগীসকলক উৎসাহিত কৰিবলৈ ২০১৫ চনত আৰম্ভ কৰা মুদ্ৰা আঁচনি ‘Pradhan Mantri Mudra Yojana ’ হৈছে ভাৰত চৰকাৰে ক্ষুদ্ৰ উদ্যোগী, কুটীৰ উদ্যোগী আৰু স্ব-নিয়োজিত লোকসকলক সহায় কৰাৰ উদ্দেশ্যে আৰম্ভ কৰা এক গুৰুত্বপূৰ্ণ ঋণ আঁচনি। এই আঁচনিৰ ফলত বহু লোক বিশেষকৈ মহিলা উদ্যোগীসকল উপকৃত হৈছে। দোকান, ক্ষুদ্ৰ উদ্যোগ, হস্তশিল্প, কৃষি-সম্পৰ্কিত ব্যৱসায়, ট্ৰেডিং আদিৰ ক্ষেত্ৰত বহু নতুন ব্যৱসায় আৰম্ভ হৈছে। ইয়াৰ ফলত বহু পৰিয়াল আৰ্থিকভাৱে স্বাৱলম্বী হ’বলৈ সক্ষম হৈছে। আনহাতে ২০২৩ চনত আৰম্ভ কৰা প্ৰধানমন্ত্ৰী বিশ্বকৰ্মা আঁচনিৰ মূল উদ্দেশ্য হৈছে দেশৰ পৰম্পৰাগত কাৰিকৰ, শিল্পী আৰু হস্তশিল্পৰ সৈতে জড়িত লোকসকলক আৰ্থিক, প্ৰযুক্তিগত আৰু দক্ষতা উন্নয়নৰ সহায় আগবঢ়োৱা। এই আঁচনিৰ অধীনত শিল্পীসকলক দক্ষতা উন্নয়নৰ প্ৰশিক্ষণ দিয়া হয় যাতে তেওঁলোকে আধুনিক সঁজুলি আৰু নতুন প্ৰযুক্তিৰ সহায়ত অধিক উন্নত মানৰ সামগ্ৰী উৎপাদন কৰিব পাৰে। লগতে তেওঁলোকক কম সুতত ঋণ প্ৰদান কৰা হয় যাতে উদ্যোগীসকলে নিজৰ ব্যৱসায় বৃদ্ধি কৰিব পাৰে।



প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদীয়ে ভাৰতৰ উদ্যোগ খণ্ডৰ বিকাশৰ কাৰণে বিভিন্ন আঁচনি গ্ৰহণ কৰাৰ উপৰিও দেশৰ আন্তঃগাৰ্থনিৰ ব্যাপক উন্নয়নৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰিছে। ৰাষ্ট্ৰীয় ঘাইপথ উন্নীতকৰণ, নতুন বিমান বন্দৰ নিৰ্মাণ তথা আধুনিকীকৰণ, জলপথৰ বিকাশ আৰু নতুন বন্দৰ নিৰ্মাণ ত্বৰান্বিত কৰি তুলিছে । ডিজিটেল অৰ্থনীতিৰ ক্ষেত্ৰতো ভাৰত দ্ৰুতগতিত আগবাঢ়িছে। ইউ পি আই, অনলাইন বেংকিং আৰু ডিজিটেল পেমেণ্ট ব্যৱস্থাৰ জৰিয়তে অৰ্থনৈতিক লেনদেন অধিক সহজ আৰু স্বচ্ছ হৈছে। ক্ষুদ্ৰ দোকানীৰ পৰা আৰম্ভ কৰি ডাঙৰ উদ্যোগীলৈকে বহুতে এতিয়া ব্যৱসায়ৰ ক্ষেত্ৰত ডিজিটেল ব্যৱস্থাৰ ওপৰত নিৰ্ভৰশীল হৈছে। এনেবোৰ কাৰণত ইজ অৱ ডুইং বিজনেছৰ ৰেংকিঙত ভাৰতৰ স্থান পূৰ্বৰ (২০১৪ চনৰ আগত) ১৪২ ৰ পৰা ৬৩ লৈ উন্নীত হৈছে আৰু দেশলৈ ব্যাপক বিদেশী বিনিয়োগৰ আগমন ঘটিছে।

অসমতো এই উন্নয়নৰ প্ৰভাৱ স্পষ্টভাৱে পৰিলক্ষিত হৈছে। প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে পূবলৈ চোৱা নীতিৰ (Act East Policy) জৰিয়তে অসমক দক্ষিণ-পূব এছিয়াৰ সৈতে বাণিজ্যিক সংযোগৰ এক গুৰুত্বপূৰ্ণ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ চেষ্টা কৰিছে। অনুৰূপ ধৰণে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কেইবাটাও যুগান্তকাৰী পদক্ষেপ গ্ৰহণ কৰি অসমক বিজনেছ কেন্দ্ৰ হিচাপে গঢ় দিয়াৰ প্ৰয়াস কৰিছে। ২০১৮ চনত অসমত প্ৰথমবাৰলৈ অনুষ্ঠিত হোৱা 'এডভাণ্টেজ অসম'ৰ সফল আয়োজনৰ পাছত ২০২৫ চনত অনুষ্ঠিত হোৱা 'এডভাণ্টেজ অসম ২.০' য়ে ৰাজ্যখনকৈ ব্যাপক দেশী-বিদেশী বিনিয়োগৰ জোৱাৰ আনিবলৈ সক্ষম হৈছে। চৰকাৰী সূত্ৰমতে ইয়াৰ জৰিয়তে ৰাজ্যৰ পৰ্যটন, সেউজ শক্তি আৰু পেট্ৰ'কেমিকেলছ, তথ্য প্ৰযুক্তি, স্বাস্থ্যসেৱা আৰু ফাৰ্মাচিউটিকেলছ, কৃষিভিত্তিক উদ্যোগ আৰু অন্যান্য খণ্ডত ৫.১৮ লাখ কোটিৰো অধিক টকা বিনিয়োগৰ প্ৰতিশ্ৰুতি লাভ কৰিছে। জাগীৰোডত ২৭ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মীয়মান অৱস্থাত থকা ছেমিকণ্ডাক্টৰ প্ৰকল্প অসমৰ ঔদ্যোগিক খণ্ডৰ বাবে এক গৌৰৱৰ বতৰা। এই প্ৰকল্পটোৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হ'লে প্ৰতিদিনে ৪ কোটি ৮০ লাখ চিপছ্ উৎপাদন কৰিবলৈ সক্ষম হোৱাৰ লগতে ২৭ হাজাৰৰো অধিক কৰ্মসংস্থাপন সৃষ্টি হ'ব বুলি আশা কৰা হৈছে। বৃহৎ উদ্যোগ স্থাপনৰ সমান্তৰালকৈ ৰাজ্য চৰকাৰে আন্তঃগাঁথনি উন্নয়নত যথেষ্ট গুৰুত্ব দিছে। চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ, দলং, অভাৰব্ৰীজ আদি নিৰ্মাণে পৰিবহণ খণ্ডটোক টনকিয়াল কৰি তুলিছে। আনহাতে যুৱ প্ৰজন্মক ব্যৱসায়ৰ দিশত অনুপ্ৰাণিত কৰিবলৈ 'মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম আঁচনি'ৰ অধীনত আৰ্থিক সাহাৰ্য তথা ঋণ প্ৰদানৰ বাবেও ব্যৱস্থা হাতত লৈছে। লাখপতি বাইদেউ আঁচনিৰ অধীনত উদ্যমী মহিলাক ব্যৱসায়ৰ কাৰণে আৰ্থিক সাহাৰ্য প্ৰদান কৰিছে। কেন্দ্ৰ চৰকাৰৰ নেতৃত্বত সমগ্ৰ দেশত আৰু ৰাজ্য চৰকাৰৰ নেতৃত্বত সমগ্ৰ অসমতে ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰত এক সুস্থিৰ আৰু সুচল বাতাবৰণ গঢ়ি উঠিছে। এতিয়া ইচ্ছা কৰিলেই প্ৰতিজন যুৱ প্ৰজন্মই অথবা প্ৰতিগৰাকী গৃহিণীয়ে নিজকে স্বাৱলম্বী তথা উদ্যোগী হিচাপে গঢ়ি তুলিব পাৰে। আৰু সেয়ে আজিৰ সমাজত বহু যুৱক-যুৱতীয়ে চাকৰিমুখী নহৈ পেচাগতভাৱে ব্যৱসায় খণ্ডক গুৰুত্ব দিয়া প্ৰত্যক্ষ হৈছে। ঘৰৰ চৌহদত সোমাই থকা গৃহিণী গৰাকীয়েও ক্ষুদ্ৰ ব্যৱসায়ৰ জৰিয়তে স্বাৱলম্বী হ'বলৈ সক্ষম হৈছে। প্ৰকৃতাৰ্থত দক্ষতা থাকিলে এতিয়া ব্যৱসায় পেছা সকলোৰে হাতৰ মুঠিত।■

লেখক ঃ বিজেপি, অসম প্ৰদেশৰ মিডিয়া বিভাগৰ মুখ্য আহ্বায়ক

*(ভাৰতীয় ৰাজনৈতিক ইতিহাসত বিজেপিৰ প্ৰধানমন্ত্ৰী মাননীয় নৰেন্দ্ৰ মোডী ডাঙৰীয়াই সুদীৰ্ঘ কালৰ বাবে ভাৰতৰ প্ৰধানমন্ত্ৰীৰ চকীত অধিষ্ঠিত হৈ থকাৰ অভিলেখ গঢ়িলে। এই সম্পৰ্কত আমাৰ বিশেষ লেখা)*



# মোদী যুগ আৰু আত্মবিশ্বাসী ভাৰত

**ভূপেন্দ্ৰ নাথ ভট্টাচাৰ্য**



কেন্দ্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন এন ডি এ চৰকাৰখনে ১২ বছৰ সম্পূৰ্ণ কৰি ত্ৰয়োদশ বছৰত ভৰি দিচে। তৃতীয়টো কাৰ্যকালৰ তৃতীয়টো বছৰ আৰম্ভ কৰিছে মোদী চৰকাৰে। ইয়াৰ সমান্তৰালকৈ ভাৰতত একেলথাৰিয়ে সৰ্বাধিক কাল গণতান্ত্ৰিক ভাৱে নিৰ্বাচিত চৰকাৰৰ প্ৰধানমন্ত্ৰী চিাপে কাৰ্যনিৰ্বা কৰি নৰেন্দ্ৰ মোদী ডাৰীয়াই আন এটা নতুন অভিলেখ ৰচনা কৰিলে। দেশৰ প্ৰথম প্ৰধানমন্ত্ৰী জৱাৰলাল নেৰুৰ একেলেথাৰিয়ে নিবাচিত চৰকাৰৰ প্ৰদানমন্ত্ৰীৰূপে ৪৩৯৮ দিনীয়া কাৰ্যকালৰ অভিলেখ ভংগ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে যোৱা ১০ জুনত ৪৩৯৯ দিন পাল কৰিলে। মোদী ডাঙৰীয়াই ২০১৪ চনৰ ২৬ মে'ত ভাৰতৰ প্ৰধানমন্ত্ৰী হিচাপে প্ৰথম কাৰ্যভাৰ গ্ৰহণ কৰিছিল। দ্বিতীয়বাৰ ২০১৯ চনত আৰু তৃতীয়বাৰ ২০২৪ চনত কাৰ্যভাৰ গ্ৰহণ কৰি ভাৰতৰ প্ৰধানমন্ত্ৰীৰূপে কাৰ্যনিৰ্বাহ কৰি আছে। কেন্দ্ৰত একেলেথাৰিয়ে দ্বিতীয়টো কাৰ্যকাল সম্পূৰ্ণ কৰা নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰখনেই প্ৰথম অকংগ্ৰেছ চৰকাৰ। ইয়াৰ উপৰি গুজৰাটৰ মুখ্যমন্ত্ৰী আৰু  দেশৰ প্ৰধানমন্ত্ৰীৰূপে কাৰ্যকাল সামৰি সৰ্বাধিক সময় গণতান্ত্ৰিকভাৱে নিৰ্বাচিত চৰকাৰৰ মূৰব্বী হিচাপে কাৰ্যনিৰ্বাহ কৰা ভাৰতৰ প্ৰথম ৰাজনৈতিক নেতাগৰাকীও নৰেন্দ্ৰ মোদী ডাঙৰীয়া।

প্ৰদানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত যুগ আৰু শাসন পদ্ধতি বিশ্লেষণ কৰিলে দেখা যায় যে তেওঁৰ প্ৰধান নীতি হ'ল 'ৰাষ্ট্ৰ প্ৰথম'।এখন সবল, সমৃদ্ধিশালী আৰু সুৰক্ষিত ভাৰত গঢ়াৰ লক্ষ্যৰে আপোচবিহীন ভাৱে নিৰন্তৰ কাম কৰি যোৱা বাবেই আজি তেওঁ ৰাজনৈতিক নেতাৰ পৰা জননেতালৈ উত্তৰণ ঘটিছে। প্ৰধানমন্ত্ৰী মোদীৰ দৃঢ়তাৰ বাবে দেশখনৰ সকলো দিশতে ৰূপান্তৰ দেখিবলৈ পোৱা গৈছে আৰু এখন নতুন বাৰত নিৰ্মাণৰ লক্ষ্য পূৰণৰ দিশত বহুদূৰ আগবাঢ়ি গৈছে। নেতৃত্বৰ দৃঢ়তা আৰু কুশলতাই দেশবাসীৰ মনতো প্ৰবল বিশ্বাস আৰু আস্থাৰ ভাৱ জগাই তুলিব পাৰিছে। ভাৰতৰ প্ৰচুৰ শক্তি আৰু সম্ভাৱনাই এতিয়া বিশ্ববাসীকো দেশখনৰ প্ৰতি আগ্ৰহী কৰি তুলিছে আৰু মোদী চৰকাৰৰ প্ৰচেষ্টাত গঢ়ি উঠা ভাৰতৰ সবল

স্থিতিয়ে দেশবাসীক আত্মবিশ্বাসী কৰি তুলিছে। মোদী চৰকাৰৰ ১২ বছৰীয়া কাৰ্যকালৰ এয়া এক সুফল আৰু অন্যতম সফলতা।

দেশৰ প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিয়েই মোদী ডাঙৰীয়াই দৰিদ্ৰতা আৰু শোষণ-বাঞ্চনাৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰি দিছিল আৰু আজি ১২ বছৰ পাছত সেই অভিযান সুফল দেখিবলৈ পোৱা গৈছে। কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন কল্যাণমূলক আঁচনি আৰু প্ৰচেষ্টাৰ জৰিয়তে দেশৰ ২৫ কোটিতকৈ অধিক লোক এতিয়া দৰিদ্ৰতাৰ পৰা মুক্ত হৈছে। প্ৰধানমন্ত্ৰী মোদীৰ লক্ষ্য আছিল প্ৰতিজন ভাৰতীয়ক থাকিবলৈ এটা ঘৰ, অন্ন যোগান, খোৱাপানীৰ সুবিধা, বিদ্যুৎ যোগান, শৌচালয়, ৰন্ধন গেছৰ সুবিধা, বেংক একাউণ্ট খুলি ধনৰ সুবিধা, ইণ্টাৰনেটৰ সুবিধা, মোবাইল ফোনৰ সুবিধা, সন্তানৰ শিক্ষা, স্বাস্থ্য বীমা, ডিজিটেল লেনদেন আদি সা-সুবিধা প্ৰদান। লাহে লাহে এই সা-সুবিধা সমূহৰ জৰিয়তে ভাৰতীয় নাগৰিকৰ জীৱন ধাৰণৰ পদ্ধতি যথেষ্ট সলনি হৈছে আৰু মোদী ডাঙৰীয়াৰ ১২ বছৰীয়া কাৰ্যকালৰ এইটো এটা বৃহৎ সাফল্য। নাগৰিক সকলক প্ৰয়োজনীয় সা-সুবিধা খিনি অত্যাধুনিক প্ৰযুক্তিৰ প্ৰয়োগেৰে প্ৰদান কৰাৰ লগতে সমগ্ৰ দেশখনতে সকলোকে সামৰি বিকাশৰ ধাৰা বোৱাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতত ৰাচনীদিৰ পৰিভাষাই সলনি কৰি দিছে। সুৰক্ষা আৰু বিকাশৰ ৰাজনীতিয়ে মোদী ডাঙৰীয়াক একেৰাহে তৃতীয়টো কাৰ্যকালত বাবে কেন্দ্ৰত শাসনত অধিষ্ঠিত কৰাৰ লগতে সৰহভাগ ৰাজ্যত বিজেপি নেতৃত্বাধীন এন ডি এক একাধিকবাৰ শাসনত বহুৱাইছে। ইয়াৰ কৃতিত্ব মোদী ডাঙৰীয়াৰ নেতৃত্বাদীন চৰকাৰৰ নীতি আৰু সু-শাসনৰ।

মোদী চৰকাৰৰ ১২ বছৰীয়া কাৰ্যকালৰ আটাইতকৈ উল্লেখযোগ্য দিশ হ'ল এই পৰ্যন্ত চৰকাৰখনৰ বিৰুদ্ধে এটাও দুৰ্নীতিৰ অভিযোগ উত্থাপন হোৱা নাই। ১২ বছৰ ধৰি স্বচ্ছ-নিকা চৰকাৰ চলোৱাৰ কৃতিত্ব নিশ্চয়কৈ প্ৰধানমন্ত্ৰী মোদীৰ। দুৰ্নীতিৰ ক্ষেত্ৰত শূণ্য সহনশীল নীতি আৰু ৰাষ্ট্ৰৰ প্ৰতি দায়বদ্ধতাই চৰকাৰখনক এটা নতুন দিশ আৰু গতি দিছে। প্ৰধানমন্ত্ৰী মোদীয়ে ৰাষ্ট্ৰৰ প্ৰতি সমৰ্পিত মনোভাৱেৰে নিৰলসভাৱে এই সুদীৰ্ঘকাল কাম কৰি দেশখনক এটা শক্তিশালী স্থিতিত উপনত কৰাইছে। আন্তঃগাঁথনি নিৰ্মাণৰ পৰা অৰ্থনীতি শক্তিশালীকৰণলৈকে প্ৰতিটো দিশতে মোদী চৰকাৰে এটা যুগান্তকাৰী পৰিৱৰ্তন আনিবলৈ সক্ষম হৈচে। পথ যোগাযোগ, ৰে'ল পথ আৰু ৰে'ল সেৱা, জনপথ উন্নয়ন, বিমান সেৱা সকলোতে অভূতপূৰ্ব উন্নয়ন। দেশখনৰ এনে কোনো এটা দিশ নাই য'ত ৰূপান্তৰ হোৱা নাই। এক কথাত ক'বলৈ গ'লে মোদী চৰকাৰৰ এই ১২ বছৰীয়া কাৰ্যকালত ২০১৪ চনৰ মে' মাহৰ দেশখনৰ ৰূপেই সলনি হৈ গৈছে।

সদিচ্ছা আৰু সদ্‌ভাৱ থকা বাবেই আজি প্ৰধানমন্ত্ৰী মোদীয়ে এনেদৰে দেশখনক শক্তিশালীভাৱে আগুৱাই নিব পাৰিছে। সাহসী আৰু সঠিক সিদ্ধান্ত গ্ৰহণ কৰি চৰকাৰখনে দেশখনৰ ভালেমান জ্বলন্ত সমস্যা সমাধান কৰিব পাৰিছে। ভাৰতৰ সংবিদানৰ ৩৭০ নং অনুচ্ছেদ বাতিলকৰণ ইয়াৰ এটা উদাহৰণ। আন এটা লক্ষণীয় দিশ, এই ১২ বছৰীয়া কাৰ্যকালত মোদী চৰকাৰে এখনো ৰাজ্য চৰকাৰ সংবিধানৰ ৩৫৬ নং অনুচ্ছেদ প্ৰয়োগ কৰি ভংগ কৰা নাই। গণতান্ত্ৰিকভাৱে নিৰ্বাচিত চৰকাৰক সম্পূৰ্ণ মৰ্যাদা প্ৰদান কৰি প্ৰধানমন্ত্ৰী মোদীয়ে দেশৰ গণতান্ত্ৰিক ব্যৱস্থাটোক আৰু অধিক শক্তিশালী কৰি তুলিছে। মোদী চৰকাৰে কল্যাণমূলক আঁচনি সমূহ সমগ্ৰ দেশতে ৰূপায়ণ কৰি আহিছে যদিও সময়ে সময়ে কিছুমান বিৰোধী দলৰ শাসনাধিষ্ঠিত ৰাজ্য চৰকাৰে সেই আঁচনি সমূহ ৰূপায়ণত আগ্ৰহ নেদেখুৱায়। ২০১৪ চনৰ মে' মাহৰ শেষভাগত কাৰ্যভাৰ গ্ৰহণ কৰাৰ সময়ৰ পৰা যদি প্ৰধানমন্ত্ৰী মোদীৰ কাম-কাজ কোনোবাই লক্ষ্য কৰি আহিছে, তেতিয়াহ'লে তেওঁ নিশ্চয় দেখিছে কেনেদৰে দেশখনক বিকাশৰ পথত আগুৱাই নিয়াৰ লগেত সুপৰিকল্পিতভাৱে আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটতো ভাৰতৰ স্থিতি শক্তিশালী কৰি তুলিছে। সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক ক্ষেত্ৰত লগতে আনকি আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰতো নতুন ভাৰতৰ ছবিখন স্পষ্ট হৈ পৰিছে। মোদী চৰকাৰৰ স্পষ্ট আৰু শক্তিশালী স্থিতিৰ বাবেই আজি বিশ্বই ভাৰতক সমীহৰ চকুৰে চাবলৈ লৈছে। ভাৰত আজি এটা 'ব্ৰেণ্ড' ৰূপে স্বীকৃত হৈছে। চৰকাৰখনৰ কাম-কাজ আৰু আপোচবিহীন স্থিতিৰ বাবেই নাগৰিক সকলেও সাহস, শক্তি আৰু সামৰ্থ্য লাভ কৰিছে। এয়া মোদী চৰকাৰৰ ১২ বছৰীয়া নিৰলস সামধান সুফল।

দেশৰ সুৰক্ষাৰ দিশতো মোদী চৰকাৰৰ আপোনবিহীন স্থিতিয়ে দেশবাসীক সাহস দিছে। এতিয়া আৰু শত্ৰুৰাষ্ট্ৰই ভাৰতৰ পিনে চকু তুলি চাবলৈ সাহস নকৰে। শেহতীয়াভাৱে কেন্দ্ৰই সীমান্ত ছীল কৰি সীমান্তৱৰ্তী এলেকাৰ জনগাঁথনি পৰিৱৰ্তনৰ বিষয়টো অধ্যয়ন কৰি সুৰক্ষা নিশ্চিত কৰিবলৈ কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। মোদী চৰকাৰৰ বৈদেশিক নীতিৰ বাবেই আজি দেশখনে সকলোতে সমাদৰ লাভ কৰিছে আৰু ভালেমান দেশে বন্ধুত্বৰ হাত আগবঢ়াইচে। প্ৰধানমন্ত্ৰী মোদীয়ে এতিয়া বিশ্বৰ এগৰাকী আগশাৰীৰ নেতাৰূপে স্বীকৃতি লাভ কৰিছে আৰু ইতিমেধ্য ৩২ খন দেশে তেখেতক সৰ্বোচ্চ অসামৰিক

সন্মানকে ধৰি বিভিন্ন সন্মানেৰে বিভূষিত কৰিছে। এয়া সমগ্ৰ ভাৰতবাসীৰ বাবেই এক স্বীকৃতি আৰু গৌৰৱৰ বিষয়।

ৰাষ্ট্ৰীয় প্ৰেক্ষাপটৰ পৰা যদি আমি অসম তথা উত্তৰ-পূব অঞ্চললৈ আহোঁ তেতিয়াহ'লে আমি দেখিবলৈ পাম এখন সম্পূৰ্ণ নতুন ছবি। অসম তথা উত্তৰ-পূব অঞ্চলৰ প্ৰতি পূৰ্বতে দিল্লীৰ মনোভাৱ কেনে আছিল আমি সকলোৱে জানো। বছৰ বছৰ ধৰি আমি দিল্লীৰ শোষণ-বঞ্চনা দেখি আহিছো। প্ৰতিটো কথাতে আন্দোলন কৰিবলগা হৈছিল অসম বা উত্তৰ-পূব বাসীয়ে। ভাৰতৰত্ন লোকিপ্ৰিয় গোপীনাথ বৰদলৈৰ নেতৃত্বত অসমৰ লোকসকলো 'গ্ৰুপিং' ষড়যন্ত্ৰৰ বিৰোধিতা কৰি ভাৰতত থাকিবলৈ সংগ্ৰাম কৰিব লগীয়া হৈছিল। সেই অসম বা উত্তৰ-পূবেই স্বাধীনতাৰ পাছত বছৰ বছৰ ধৰি বঞ্চিত হ'ব লগা হৈছিল। অসমৰ সৈতে দিল্লীৰ ভৌগোলিক দূৰত্বতকৈ মানসিক দূৰত্ব বহুত বেছি আছিল। কিন্তু মোদী ডাঙৰীয়া কেন্দ্ৰত শাসনলৈ অহাৰ লগে লগে অসম তথা উত্তৰ-পূবৰ প্ৰতি দিল্লীৰ দৃষ্টিভংগী, মনোভাৱ সকলো সলনি হৈ গ'ল। যি উত্তৰ-পূৱক এসময়ত দিল্লীয়ে হৃদয়ৰ পৰা উলিয়াই পঠিয়াইছিল, সেইখন উত্তৰ-পূবক প্ৰধানমন্ত্ৰী মোদীয়ে 'অষ্টলক্ষী' বুলি অভিহিত কৰি অঞ্চলটোৰ বিকাশত সৰ্বাধিক অগ্ৰাধিকাৰ প্ৰদান কৰিছিল। মোদী ডাঙৰীয়াই নিজেই ৮৩ বাৰ উত্তৰ -পূৰ্বাঞ্চল ভ্ৰমণ কৰাৰ লগতে কেন্দ্ৰীয় মন্ত্ৰী সকলৰো উত্তৰ-পূব ভ্ৰমণ বাধ্যতামূলক কৰি দিল্লী আৰু অঞ্চলটোৰ মাজত ব্যৱধান নাইকিয়া কৰি দিছে। উত্তৰ-পূৰ্বৰ দুৰ্গম এলেকালৈ পথৰ ব্যৱস্থা, ৰে'ল সেৱাকে ধৰি সকলো যোগাযোগ ব্যৱস্থা কৰা হৈছে। এতিয়া সেই অৱহেলিত মনোভাৱ নাই, বৰঞ্চ অসমত ছেমি কণ্ডাক্টৰ উদ্যোগ স্থাপনৰ ব্যৱস্থা কৰাৰ পাছত অঞ্চলটোৰ প্ৰতি কেন্দ্ৰৰ গুৰুত্বত ঈৰ্ষামিত হৈ কংগ্ৰেছৰ নেতা মন্ত্ৰীয়ে কিছুমান মন্তব্যহে কৰিছিল। দিল্লীৰ বহুনেতাই এতিয়াও যেন উত্তৰ-পূবক গুৰুত্ব দিব নিবিচাৰে। যিখন উত্তৰ পূৱক সীমান্তৱৰ্তী এলেকা বুলি কংগ্ৰেছ চৰকাৰে অৱহেলা কৰিছিল, সেই অসম তথা উত্তৰ-পূবকে এতিয়া মোদী চৰকাৰে 'এক্ট ইষ্ট পলিচী'ৰ জৰিয়তে দক্ষিণ আৰু দক্ষিণ পূব এছিয়াৰ সৈতে ব্যৱসায়িক যোগাযোগৰ মূল কেন্দ্ৰবিন্দু হিচাপে গঢ়ি তুলিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছে। এয়াও এক ৰূপান্তৰৰ কাহিনী। শেহতীয়াভাৱে ইউৰোপিয়ান ইউনিয়নৰ প্ৰতিনিধি দলৰ অসম ভ্ৰমণ আৰু 'ব্লুভেলী ক্লাষ্টাৰ' প্ৰকল্পৰ বিষয়েও নিশ্চয় উল্লেখ কৰিব পাৰি। ইয়াৰ লগতে জাপান আৰু ভাৰতৰ সম্ভাব্য শীৰ্ষ সন্মিলনৰ কথাও উল্লেখনীয়। এই গতিবিধিয়েই প্ৰমাণ কৰে মোদী চৰকাৰৰ কাৰ্যকালত অসম তথা উত্তৰ-পূব অঞ্চলটোৱে কেনেধৰণে গুৰুত্ব লাভ কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অসমলৈ ৩৬ বাৰ আহিছে আৰু কেৱল গুৱাহাটীতে নহয়, এই ভ্ৰমণ কালত তেওঁ কাজিৰঙাকে ধৰি ৰাজ্যখনৰ আন আন ঠাইতো নিশা কটাইচে। ডিঙিত অসমীয়া গামোচাখন লৈ প্ৰধানমন্ত্ৰীয়ে দেশ বিদেশ ভ্ৰমই কৰিছে, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ অনুষ্ঠানত অংশ গ্ৰহণ কৰিছে। বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰেই পূৰ্বতে লোকপ্ৰিয় গোপীনাথ বৰদলৈক আৰু পাছত মোদী চৰকাৰৰ কাৰ্যকালত সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাক দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান 'বাৰত ৰত্ন'ৰে বিভূষিত কৰিছে। অসমীয়া ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰিছে। বিহু ন-ত্য, বাগৰুম্বা আৰু ঝুমইৰ নৃত্যৰ অভিলেখ সৃষ্টিকাৰী প্ৰদৰ্শনীত উপস্থিত থাকি অসমৰ সমৃদ্ধ সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰত অৰিহণা যোগাইচে। মোদী ডাঙৰীয়াই কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰিদৰ্শন কৰাৰ পাছত ৰাষ্ট্ৰীয় উদ্যানখনলৈ পৰ্যটকৰ সোঁত লক্ষণীয়। প্ৰতিটো বিষয়তে অসমৰ প্ৰতি থকা মোদী ডাঙৰীয়াৰ আভাহ স্পষ্ট। ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণৰ পৰা ব্ৰহ্মপুত্ৰৰ তলেৰে সুৰংগ পথ নিৰ্মাণ, কাজিৰঙাত এলিভেটেড কৰিড'ৰ, ৰাষ্ট্ৰীয় ঘাইপথেৰে প্ৰায় সকলো টাই সংযোগ, 'চিকেন নেক'ৰ তলেৰে ৰে'ল-পথ নিৰ্মাণ, ছেমিকাণ্ডাক্টৰ প্ৰকল্প, নুমলীগড়ৰ বায়' ইথানল, পলিপ্ৰপিলিন উদ্যোগ, নামৰূপত বৃহৎ ইউৰিয়া কাৰখানা, বিনিয়োগ সন্মিলনৰ জৰিয়তে অসমৰ সম্পদ আৰু সম্ভাৱনাৰ বিষয়ে প্ৰচাৰ কৰি বিনিয়োগকাৰীক অসমত বিনিয়োগৰ বাবে আগ্ৰহী কৰা, ইত্যাদি সকলোতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰবাৱ সুস্পষ্ট। নৰেন্দ্ৰ মোদীৰ বিকাশৰ ৰাজনীতিয়ে উত্তৰ-পূবকে ধৰি সমগ্ৰ দেশখনক আজি এটা নতুন পৰ্যায়ত উপনীত কৰাইছে। এয়া 'বিকশিত ভাৰত'ৰ লক্ষ্যপূৰণৰ দিশত দৃঢ় পদক্ষেপ।

মোদী চৰকাৰৰ ১২ বছৰীয়া কাৰ্যকাল পূৰ্বৰ কোনো কেন্দ্ৰীয় চৰকাৰৰ সৈতে তুলনা নহয়। প্ৰধানমন্ত্ৰী মোদীৰ ব্যক্তিত্বই সমগ্ৰ চৰকাৰখনকে প্ৰভাৱিত কৰিছে যাৰ বাবে চৰকাৰখন কেতিয়াও মূল নীতি 'ৰাষ্ট্ৰপ্ৰথমৰ পৰা বিচ্যুত হোৱা নাই। মোদী ডাঙৰীয়াই সকলোকে চুই গৈছে। নতুন সংসদ ভৱনৰ নিৰ্মাণৰ জড়িত শ্ৰমিক সকলক সম্বৰ্ধনা জ্ঞাপন, ডিব্ৰুগড়ত চাহ বাগিছাত পাত তুলি থকা শ্ৰমিক সকলৰ সৈতে কথোপকথন, চন্দ্ৰযান-২ অভিযানত বিক্ৰম লেণ্ডাৰৰ সংযোগ স্থাপনত ব্যৰ্থতাৰ পাছত দুখত ভাগি পৰা তেতিয়াৰ ইছৰ'ৰ সঞ্চালক কে চিবানক সাৱতি মাৰি ধৰি সান্ত্বনা দিয়াৰ দৃশ্যই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিশাল ব্যক্তিত্বৰ আভাস দিয়ে। সেইবাবেই নৰেন্দ্ৰ মোদীয়ে আজি ভাৰতৰ এগৰাকী জননেতা ৰূপে স্বীকৃতি লাভ কৰিছে।■

লেখক ঃ জ্যেষ্ঠ সাংবাদিক, বিশিষ্ট ৰাজনৈতিক বিশ্লেষক



# নতুন অসমৰ স্বপ্নদ্ৰষ্টা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন এনডিএ চৰকাৰৰ স্বৰ্ণীল বিকাশ যাত্ৰা

ড° অমিয় কুমাৰ ভূঞা



ভাৰতীয় জনতা পাৰ্টি এনডিএ দ্বিতীয় কালৰ বাবে গঠন হোৱা চৰকাৰখনৰ ২০২১ চনৰ ১০ মে' তাৰিখে ড° হিমন্ত বিশ্ব শৰ্মাই অসমৰ পঞ্চাদশ মুখ্যমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পৰা ২০২৬ বৰ্ষৰ ফেব্ৰুৱাৰী মাহ পৰ্যন্ত চৰকাৰৰ পাঁচ বছৰীয়া কাৰ্যকাল ৰাজ্যখনৰ আৰ্থসামাজিক, সাংস্কৃতিক, শৈক্ষিক আৰু ৰাজনৈতিকভাৱে বিকাশ, উন্নয়নৰ দিশত এক বিশ্বাসপূৰ্ণ গৌৰৱময় নতুন যুগৰ সূচনা কৰিছে। মুখ্যমন্ত্ৰী ডাঙৰীয়াই তেখেতৰ বিৰামহীন প্ৰগতি যাত্ৰাৰে ৰাজ্যখনক দেশৰ পাঁচখন শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত এখন শ্ৰেষ্ঠ ৰাজ্য হিচাপে গঢ় দিয়া লক্ষ্যৰে বিগত পাঁচ বছৰত সৰ্বদিশত বিকাশ আৰু উন্নয়নৰ আমূল পৰিবৰ্তন সাধন হৈছে। সেইয়া বিশ্ব বিদ্যালয়, চিকিৎসা মহাবিদ্যালয়, মহাবিদ্যালয়, বিদ্যালয় আৰু নতুন নতুন আন আন ৰাষ্ট্ৰীয় ৰাজ্যিক অনুষ্ঠান-প্ৰতিষ্ঠান হওক বা যোগাযোগ ব্যৱস্থা পথ উন্নয়ন, পকী দলং, পকী পথ আৰু জলসম্পদ বিভাগৰ মথাউৰিসমূহ পকীপথ হিচাপে হওক, সেয়া উজ্বলি উঠিছে।

অসমৰ আৰ্থিক দিশত পৰিৱৰ্তন দেখা গৈছে। ৰাজ্যখনৰ নিজস্ব ৰাজহ সংগ্ৰহৰ পৰিমাণ ২০২১-২২ বৰ্ষত ১৯,৫৩৪ কোটি টকাৰ পৰা বৃদ্ধি পাই ২০২৪-২৫ বৰ্ষত ৩০,০৫২ কোটি টকালৈ বৃদ্ধি হৈছে ইয়াৰ পৰিমাণ ৫৪ শতাংশ বৃদ্ধিৰে ৰাজ্যৰ অৰ্থনীতিত অভিলেখৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছে। পূৰ্বৰ চৰকাৰসমূহৰ বিত্তীয় বিশৃংলতাসমূহ দূৰ কৰি বিত্তীয় শৃংখলতা সাধন কৰাত সফলতাৰ নিদৰ্শন দেখা পোৱা গৈছে।

অসমৰ সুৰক্ষা আৰু সভ্যতা সংস্কৃতিৰ দিশত চমকপদভাৱে উন্নতি দেখা পোৱা হৈছে। ২২৭ কোটি টকা ব্যয়েৰে গুৰুজনৰ জন্মস্থান নগাঁও বটদ্ৰৱাৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আৰ্বিভাৱ ক্ষেত্ৰ, গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত প্ৰায় ১৭০ কোটি টকা ব্যয়েৰে অসম আন্দোলনত প্ৰাণ আহুতি দিয়া ৮৬০ গৰাকী জাতীয় শ্বহীদসকলৰ স্মৃতিত শ্বহীদস্মাৰক ক্ষেত্ৰ, খিলঞ্জীয়াক ভূমি পট্টা প্ৰদান, অবৈধ অনুপ্ৰৱেশকাৰী চিনাক্তকৰণ আৰু বহিষ্কৰণ, চোৰাং চিকাৰীৰ পৰা এশিঙীয়া গড় সুৰক্ষা, অসমলৈ সন্মান, অসমীয়া ভাষালৈ ধ্ৰুপদী ভাষাৰ মৰ্য্যদা, চৰাইদেউ মৈদামলৈ বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে বিৰল স্বীকৃতি, লাচিত বৰফুকনৰ ৪০০ বৰ্গফুট সুউচ্চ প্ৰতিতমূৰ্তি নিৰ্মাণ, এশ কৌটিতকৈ অধিক ব্যয় সাপেক্ষে ঐতিহ্যমণ্ডিত ৰংঘৰ চৌহদৰ পুৰ্ন বিকাশ আৰু উন্নয়ন, গোৱালপৰীয়া লোকগীতৰ সাম্ৰাজ্ঞী প্ৰতিমা বৰুৱা পাণ্ডেৰ বাসগৃহ সংৰক্ষণ আৰু সৌন্দৰ্যবৰ্ধন, পাঁচ হাজাৰ আসনযুক্ত সু- বিশান কলামন্দিৰ নিৰ্মাণে ৰাজ্যখন সমৃদ্ধ কৰি তুলিছে।

সামাজিক ক্ষেত্ৰত এক পৰিবৰ্তন বিশেষকৈ মহিলাৰ প্ৰতি প্ৰকৃত মৰ্য্যদা আৰু সন্মান, খাদ্য সুৰক্ষা পৰিপুষ্ট সমাজ গঠন তাৰ বাবে বিনামূলীয়া চাউল, ৰেহাই মূল্যত চেনি দালি আৰু নিমখ প্ৰদান, মহিলাৰ স্বনিয়োজনৰ বাট মুকলি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনি আৰু ঐতিহাসিক অৰুণোদয় আঁচনি আদিৰ দ্বাৰা ৰাজ্যত চল্লিছ লাখ মহিলা লাভাম্বিত হৈছে।

নিৰনুৱা যুৱক-যুৱতীক মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম আঁচনি, যুৱসৱলীকৰণ মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ যোগেদি ছাত্ৰীসকললৈ মাহিলী জলপানী, ছাত্ৰসকললৈ নিযুত বাবু আচনিৰ যোগেদি জলপানী প্ৰদান ব্যৱস্থা, তাৰোপৰি কেৱল মেধা ভিত্তিত স্বচ্ছ আৰু নিকা নিযুক্তি ব্যৱস্থাই নৱ যুৱ সমাজলৈ আশা বাৰ্তা কঢ়িয়াইছে। নতুন অনুষ্ঠান প্ৰতিষ্ঠান আৰু আন্তঃগাঁথনিৰ ক্ষেত্ৰত সবল খোজ গুৱাহাটীত উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমখন এইমছ, ব্ৰহ্মপুত্ৰৰ ওপৰত বগীবিল-ধলা শদিয়া, গুৱাহাটী-উত্তৰ গুৱাহাটী ভোমোৰাগুৰি-নিমাতি মাজুলী দলং, ধুবুৰী ফুলবাৰী দলং নিৰ্মাণৰ যোগেদি যোগাযোগৰ আৰু যাতায়তৰ দিশত চমকপদ উন্নতি সাধন হৈছে। বিমান পৰিবহণত উন্নত সংযোজন নতুন আন্তঃৰাষ্ট্ৰীয় ভাৰতৰত্ন গোপীনাথ বৰদলৈ বিশ্বমানৰ বিমান বন্দৰ নিৰ্মাণ, বন্যপ্ৰাণী সুৰক্ষা আৰু যোগাযোগৰ সমান্তৰাল ব্যৱস্থাৰ বাবে কাজিৰঙা এলিভেটেড কৰিডৰ নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ, গহপুৰ আৰু কাজিৰঙাৰ মাজত সুৰংগ নিৰ্মাণ ব্যৱস্থা য'ত চাৰিলেন যুক্ত পথ পৰিবহণ আৰু ৰে'ল পৰিবহণৰ সুবিধা থাকিব- আদি ব্যৱস্থাই নতুন দিগন্তৰ সুচনা কৰিছে।

বিনিয়োগৰ দিশত নামৰূপ সাৰ কাৰখানাৰ চতুৰ্থ গোট নিৰ্মাণৰ ব্যৱস্থাৰ ফলত ৰাজ্যখনৰ কৃষক সমাজ উপকৃত হোৱা উপৰিও ৰাজ্যৰ নিবনুৱা যুৱক যুৱতী সকলে নিয়োগৰ সুবিধা পাব। জাগীৰোডত ২৭,০০০ কোটি টকা বিনিয়োগেৰে ছেমিকণ্ডাক্টৰ নিৰ্মাণৰ যোগেদি হাজাৰ হাজাৰ নিবনুৱাৰ বাবে নিয়োগৰ বাট মুকলি কৰিব লগতে ছেমিকণ্ডাক্টৰৰ উৎপাদিত চিপছে বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিব; যাৰ জৰিয়তে অসমৰ অৰ্থনীতি নতুন দুৱাৰ মুকলি কৰিব।

প্ৰশাসনীয় ব্যৱস্থাৰ দিশত পৰিবৰ্তনৰ বহুমুখী প্ৰশাসন ব্যৱস্থা বৰাক উপত্যকাত নতুন সচিবালয় স্থাপন, ডিব্ৰুগড়ত মুখ্যমন্ত্ৰী সচিবালয় আৰু দ্বিতীয় ৰাজধানী হিচাপে ঘোষণাই ৰাজ্যখনক এক নতুন মাত্ৰা প্ৰদান কৰিছে। লগতে ৭৮ খন সমজিলা গঠনৰ সিদ্ধান্ত হৈছে। তাৰে ৪৯ খন সমজিলাত কাম-কাজ আৰম্ভ হৈছে।

চাহ জনগোষ্ঠী আৰু আদিবাসী সমাজৰ কল্যাণ, চাহ শ্ৰমিকক মৰ্য্যদা প্ৰদান আৰু চাহ বাগিচা অঞ্চলত শিক্ষা প্ৰদানৰ ক্ষেত্ৰত বৈপ্লবিক পদক্ষেপ, বাগিচাত ১১৮ খনৰ আদৰ্শ বিদ্যালয় স্থাপন। অন্য ১০০ খন বিদ্যালয় নিৰ্মানৰত অৱস্থাত। চাহ জনজাতীয় আৰু আদিবাসী ৰাজ্যলৈ ভূমি অৱণ্টনৰ ব্যৱস্থা গ্ৰহণ আৰু ৰাজ্য চৰকাৰৰ নিয়োগৰ ক্ষেত্ৰত নিযুক্তি সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণেৰে তেওঁলোকৰ প্ৰতি মৰ্য্যদা প্ৰদান কৰা হৈছে।

বানপীড়িত সকলৰ চকুলো মচিবলৈ মুখ্যমন্ত্ৰীৰ বানমুক্ত অসম গঢ়াৰ যোগেদি ৰাজ্যখনৰ দীৰ্ঘদিনীয়া সমস্যা সমাধনৰ বাবে আধুনিক তথ্য প্ৰযুক্তিৰ যোগেদি গৰাসহনীয়া আৰু বানপানী সমস্যাৰ আদি সমাধানৰ দিশত আশাপদ পদক্ষেপ তাৰ ফলত হাজাৰ হাজাৰ হেৰৰ ভূমি সুৰক্ষা আৰু কৃষক সমাজলৈ আশাৰ ৰেঙনি বঢ়াবলৈ সক্ষম হৈছে। মুখ্যমন্ত্ৰী গৰাকীৰ বলিষ্ঠ পদক্ষেপৰ বাবে নতুনকৈ ৭০৩ খনকৈ মথাউৰি নিৰ্মান হৈছে।

অসমৰ চাহ উদ্যোগৰ ২০০ বছৰীয়া গৌৰৱময় বৰ্ষপূৰ্তি উপলক্ষে চাহ বাগিচা ৰাইজৰ মাজত এটিকলি দুটিপাত আঁচনি ৰূপায়নৰ যোগেদি চাহ শ্ৰমিকসকলক আৰ্থিক সাহাৰ্য্য প্ৰদান কৰা মাজেৰে আৰ্থিক সৱলীকৰণ ক্ষেত্ৰত চৰকাৰৰ সাহাৰ্য উল্লেখনীয় অৱদান। ফলত চাহ উদ্যোগত জড়িত শ্ৰমিকসকলক প্ৰেৰণাদান ব্যৱস্থাই ৰাজ্যৰ বিকাশ যাত্ৰাৰ গতি তাৰান্বিত কৰিছে। অসমৰ ভূখণ্ডৰ বনাঞ্চল সমূহত অবৈধ বেদখল উচ্ছেদ অভিযানৰ যোগেদি এক লাখ পঞ্চাছ হাজাৰ বিঘা মাটি দখলমুক্ত কৰাৰ ক্ষেত্ৰত ঐতিহাসিক পদক্ষেপ হিচাপে চিহ্নিত হৈছে। ভূমি অধিকাৰ দিয়া ক্ষেত্ৰত জনজাতি আৰু অনুসূচীত জাতি জনসাধাৰণৰ বাবে বিশেষ ভূমি নীতি যোগে ভূমি আধিকাৰ আৰু ভূমি পট্টা প্ৰদান কৰা হৈছে। মিছন বসুন্ধৰা আচনিৰ জৰিয়তে প্ৰায় ২৮০০০ অনুষ্ঠান সম্পত্তিৰ তিনি শতাংশতকৈ অধিক হিতাধীকাৰীক



প্ৰায় চাৰি লাখ পোন্ধৰ হাজাৰ বিঘা ভূমি পট্টা প্ৰদান কৰা ক্ষেত্ৰত এক যুগমীয়া পদক্ষেপ হিচাপে দেখা গৈছে।


ৰাজ্যখনৰ সত্ৰ নামঘৰ দৌল দেৱালয় মঠ-মন্দিৰ উপাসনাস্থলী পুন নিৰ্মান আৰু সৌন্দৰ্যবৰ্ধনৰ বাবে অসম চৰকাৰৰ অসম দৰ্শন আচনিৰ অৱদান উল্লেখনীয় দৃঢ় পদক্ষেপ। ৰাজ্যখনত হৈ থকা বাল্যবিবাহ বহুবিবাহ ব্যাধিসমূহক নিয়ন্ত্ৰণৰ ক্ষেত্ৰত নতুন আইনী ব্যৱস্থাৰে ৰাজ্যখনত সুস্থিৰতা অনাৰ দৃঢ় ক্ষেত্ৰত পদক্ষেপ হিচাপে বিবেচিত হৈছে। লগতে মহিলাসকলৰ প্ৰতি এইয়া বিৰল সন্মান। মানৱ সম্পদ বিকাশ আৰু উন্নয়নৰ দিশত আমূল পৰিৱৰ্তন আহিছে। শিক্ষানুষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিছে। নতুন লেখক লেখিকালৈ এক আৰ্থিক সাহাৰ্য প্ৰদান কৰা হৈছে। চিকিৎসা খণ্ড আৰু চিকিৎসা শিক্ষা দিশত পৰিৱৰ্তনৰ ফলত চিকিৎসা সেৱা ক্ষেত্ৰত নাগৰিকৰ সুবিধা হৈছে বিনামূলীয়া চিকিৎসা সেৱা প্ৰদান মুখ্যমন্ত্ৰী লোকসেৱা আৰোগ্য যোজনা, আয়ুষ্মান অসমৰ দ্বাৰা লাগতীয়াল চিকিৎসা সেৱা আৰু সময়সাপেক্ষ নিয়মীয়া চিকিৎসা প্ৰদান কৰা হৈছে। চিকিৎসা শিক্ষা দিশত ৰাজ্যখনৰ ২০২১ বৰ্ষত ৭খন চিকিৎসা মহাবিদ্যালয়ৰ পৰা ১৪খনলৈ বৃদ্ধি পাইছে আৰু নতুনকৈ ১০ খনৰ নিৰ্মাণ কাম চলি আছে। কৃষিখণ্ডত হোৱা পৰিৱৰ্তনে কৃষক সমাজলৈ আশাৰ ৰেঙনি আনিছে। অসমৰ কৃষকসকলৰ উপাৰ্জন বৃদ্ধি কৰাৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী ডাঙৰীয়াই ৰাজ্যৰ থলুৱা কৃষকৰ পৰা ধান সৰিয়হ ইত্যাদি ক্ৰয় কৰা আৰু লগতে তেওঁলোকৰ উৎপাদিত ফচলৰ উপযুক্ত মূল্য দিয়া বিষয়টো অতিশয় আদৰণীয় পদক্ষেপ। অসমৰ মহিলা সৱলীকৰণৰ দিশত মুখ্যমন্ত্ৰীয়ে বাহিৰৰ পৰা গামোচা অহা নিষিদ্ধ কৰা, থলুৱা শিপিনৰ পৰা ১৮ বিধ গামোচা ক্ৰয় ব্যৱস্থা আৰু মুগা শিল্প উন্নতি সাধনৰ বাবে উত্তৰ- পূৱ পৰিষদৰ পৰা ৪০০ কোটি টকা বিনিয়োগ ব্যৱস্থাই শিপিনী সমাজলৈ আশাৰ ৰেঙনি আনিছে। ক্ৰীড়া খণ্ডৰ অমূল পৰিৱৰ্তনে ৰাজ্যখনৰ জিলাই জিলাই আৰু সমষ্টিয়ে সমষ্টিয়ে ৰাষ্ট্ৰীয়মানৰ আন্তঃগাঁথনি অৰ্থাৎ ষ্টেডিয়াম নিৰ্মাণ পঞ্চায়ত, সমষ্টি, জিলা আৰু ৰাজ্যিক ভিত্তিত খেল মহাৰণ প্ৰতিযোগিতাৰ আয়োজন কৰায় নতুন প্ৰজন্মৰ খেলুৱৈসকলক উৎসাহ যোগোৱা ব্যৱস্থা এক ইতিবাচক পদক্ষেপ। ৰাজ্যৰ সাংস্কৃতিক ক্ষেত্ৰখনত নতুন চিন্তা ন-সংযোজন সাংস্কৃতিক যাত্ৰাৰ বাবে চৰকাৰৰ উদ্যোগত সাংস্কৃতিক মহাসংগ্ৰাম অনুষ্ঠান গ্ৰাম্যাঞ্চলৰ পঞ্চায়তৰ পৰা ৰাজ্যিক পৰ্যায়লৈ অনুষ্ঠিত প্ৰতিযোগিতাই যুৱ প্ৰজন্মৰ মাজত বিপুলভাৱে গীতমাত পৰিৱেশনৰ সুবিধা কৰি বিশ্বাসৰ ভাব জগাই তুলিছে।

ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ মাৰ্গ দৰ্শনত উদ্বুদ্ধ হৈ অসমৰ কৰ্মদক্ষ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যিদৰে অসমখনক উন্নতিৰ শিখৰলৈ আগবঢ়াই লৈ গৈ আছে তাৰ্লৈ চাই অনায়াসে ক'ব পাৰি অসমত ভৱিষ্যতৰ কেইবাছৰলৈ বিজেপি অপ্ৰতিৰোধ্য হৈ ৰ'ব।■

---

লেখক ঃ প্ৰাক্তন বিধায়ক, অসম প্ৰদেশ বিজেপিৰ সন্মানীয় উপ-সভাপতি

*(২৫ জুন,ভাৰতীয় ইতিহাসৰ আটাইতকৈ পংকিল দিন-কাৰণ এই দিনটোতে ১৯৭৫ চনত তদানীন্তন ভাৰতৰ কংগ্ৰেছী প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে দেশত জৰুৰী অৱস্থা ঘোষণা কৰিছিল। সেই বিভিষীকাময় দিনবোৰৰ কথা মনত পৰিলে এতিয়াও প্ৰতিগৰাকী ভাৰতীয়ৰ গাৰ নোম শিয়ঁৰি উঠে। সেই ক'লা দিনটোক মনত পেলাই আমাৰ বিশেষ লেখা।— )*



# জৰুৰীকালীন অৱস্থাৰ ৫০ বছৰ

**ৰঞ্জীৱ শৰ্মা**




ক্ষমতাত বৰ্তী থাকিবৰ বাবে তদানীন্তণ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে ১৯৭৫ চনৰ ২৫ জুনৰ নিশা কেন্দ্ৰীয় কেবিনেটৰ অনুমোদন নোহোৱাকৈ সম্পূৰ্ণ অসাংবিধানিকভাৱে জৰুৰীকালীন অৱস্থা জাপি দি ভাৰতৰ গণতান্ত্ৰিক ব্যৱস্থাক ভৰিৰে মোহাৰি পেলাইছিল। "These 50 years since the Emergency remind us to protect our Constitution and democracy with pride. The countrymen must resolve that such a travesty will never be allowed to happen again. We commit ourselves to ensuring a vibrant democracy and fulfilling the common man's dreams as outlined by the Indian Constitution." এই কথাখিনি কৈছে দেশৰ প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে। ১৯৭৫ চনৰ ২৫ জুনৰ দিনা তদানীন্তণ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে ক্ষমতাৰ অপব্যৱহাৰ কৰি দেশত আভ্যন্তৰীণ জৰুৰীকালীন অৱস্থা ঘোষণা কৰিছিল। এই ঘটনাক দেশৰ সকলো নাগৰিকে “ক'লা ইতিহাস” বুলি অভিহিত কৰাৰ লগতে ভাৰতৰ সংসদীয় গণতন্ত্ৰৰ আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান বুলি কোৱা হয়।

১৯৬৯ চনত কংগ্ৰেছ দলত হোৱা আনুষ্ঠানিক বিভাজনৰ পিছত নিজকে ৰাজনৈতিকভাৱে অপ্ৰতিদ্বন্দ্বী হিচাপে প্ৰতিষ্ঠা কৰাৰ কাৰণে ইন্দিৰা গান্ধীয়ে হাহাকাৰ কৰি উঠিছিল। দলৰ সকলো জ্যেষ্ঠ নেতাক এঘৰীয়া কৰি ইন্দিৰা গান্ধীয়ে পুত্ৰ সঞ্জয় গান্ধীৰ পৰামৰ্শমতে গঢ়ি তুলিছিল নিজৰ পছন্দৰ নেতাৰে পৰিপূৰ্ণ এটা নতুন ৰাজনৈতিক ধাৰা। পৰৱৰ্তী সময়ত এই ধাৰাকে ইন্দিৰা কংগ্ৰেছ নামেৰে নামাংকিত কৰা হয়। এক কথাত ক'বলৈ হ'লে ইন্দিৰা গান্ধীয়ে দেশৰ ৰাজনীতিত শক্তি প্ৰয়োগ কৰি হ'লেও নিজৰ আধিপত্য স্থাপনৰ বাবে উঠিপৰি লাগিছিল যদিও দলৰ ভিতৰত জ্যেষ্ঠসকলক এলাগী কৰাৰ পিছতো ইন্দিৰা গান্ধীয়ে নিজকে সৰ্বোচ্চ নেতা হিচাপে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হোৱা নাছিল। প্ৰধানমন্ত্ৰীৰ চকীত অধিষ্ঠিত হোৱাৰ পিছতো ৰাজনৈতিক ভয় আৰু শংকাৰ পৰা নিজকে মুক্ত কৰিব নোৱাৰি হীনমান্যতাত বাৰুকৈয়ে আক্ৰান্ত হৈছিল ইন্দিৰা গান্ধী। এনে কাৰণতে ৰাজনৈতিভাৱে ক্ষমতাসীন হোৱাৰ পিছতো স্বয়ং তদানীন্তণ প্ৰধানমন্ত্ৰী নিজে আৰু কংগ্ৰেছ দল

সাংগঠনিক অস্থিৰতাত হাহাকাৰ কৰি আছিল।

এনে এক জটিল আৰু অস্থিৰ সময়ত এলাহাবাদ উচ্চ ন্যায়ালয়ে প্ৰখ্যাত ৰাজনীতিবিদ ৰাজ নাৰায়ণে দাখিল কৰা গোচৰৰ ৰায়দান প্ৰদান কৰে। এই ৰায়দান অনুসৰি ইন্দিৰা গান্ধীক আদালতে নিৰ্বাচনী দুৰ্নীতিত জড়িত থকাৰ অভিযোগত অভিযুক্ত কৰাৰ লগতে প্ৰধানমন্ত্ৰীৰ পদত বৰ্তি থকাৰ বাবে অনাগত ছয় বছৰৰ কাৰণে অযোগ্য বুলি ঘোষণা কৰে। আদালতৰ এনে ৰায়দানৰ পিছতেই ইন্দিৰা গান্ধীয়ে তদানীন্তন ৰাষ্ট্ৰপতি ফখৰুদ্দিন আলী আহমেদক জৰুৰীকালীন অৱস্থা ঘোষণা কৰাৰ বাবে পৰামৰ্শ দিয়ে। প্ৰধানমন্ত্ৰীৰ পৰামৰ্শৰ পিছতেই মন্ত্ৰী পৰিষদৰ অনুমতি নোহোৱাকৈ ৰাষ্ট্ৰপতিয়ে ১৯৭৫ চনৰ ২৫ জুনৰ দিনা জৰুৰীকালীন অৱস্থাৰ কথা অনাতাঁৰযোগে ঘোষণা কৰে। ৰাষ্ট্ৰপতিৰ ঘোষণাৰ পিছতেই দেশত এক অৰাজক ৰাজনৈতিক, সামাজিক পৰিস্থিতিয়ে দেখা দিছিল। জৰুৰীকালীন অৱস্থা ঘোষণাৰ ফলত প্ৰশাসনে স্বৈৰাচাৰী ৰূপ ল'বলৈ বাধ্য হৈছিল।

কেৱল নাগৰিকৰেই নহয় ৰাজনৈতিক দল, সাংবিধানিক অধিস্থান-প্ৰতিষ্ঠান আৰু আধ্যাত্মিক কেন্দ্ৰৰো অধিকাৰ ইন্দিৰা গান্ধীয়ে কাঢ়ি লৈছিল। নতুন দিল্লীকে ধৰি দেশৰ বিভিন্ন প্ৰান্তৰ পৰা ৰাজনৈতিক দলৰ নেতৃবৰ্গক গ্ৰেপ্তাৰ কৰি কাৰাগাৰলৈ নিক্ষেপ কৰা হয়। জয় প্ৰকাশ নাৰায়ণ, অটল বিহাৰী বাজপেয়ী, ৰাজনাথ সিং, চৌধুৰী চৰণ সিং, দেৱীলাল, ৰাম মনোহৰ লোহীয়া, হৰকিষাণ সিং সুৰজিৎ, ই এম এছ নাম্বুদ্ৰিপাদ, এনটি ৰামাৰাও, কংগ্ৰেছ ৱৰ্কিং কমিটিৰ সদস্য চন্দ্ৰ শেখৰ, জ্যেষ্ঠ কংগ্ৰেছ নেতা বাবু জগজীৱন ৰাম, লালু প্ৰসাদ যাদৱ, সাংবাদিক কুলদীপ নায়াৰ আৰু অৰুণ শ্বৌৰীকে ধৰি দেশৰ বিভিন্ন প্ৰান্তৰ পৰা ১ লাখ ৪০ হাজাৰতকৈও অধিক ৰাজনৈতিক আৰু সামাজিক কাৰ্যকৰ্তাক গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰা হয়। কৰাবন্দীসকলৰ ভিতৰত ১ লাখতকৈও অধিক ভাৰতীয় জনসংঘ আৰু ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ স্বয়ংসেৱক আছিল। আৰএছএছৰ তদানীন্তন সৰ সংঘচালক মধুকৰ দত্তাত্ৰয় দেওৰস (বাবা চাহেব দেওৰস), ভাৰতীয় মজদুৰ সংঘৰ দত্তোপন্ত ঠেংড়েকে ধৰি সংগঠনটোৰ অধিকাংশ শীৰ্ষ নেতাক গ্ৰেপ্তাৰ কৰি কাৰাবন্দী কৰা হৈছিল। ইয়াৰোপৰি ভাৰতীয় জনসংঘ, প্ৰজা চচিয়েলিষ্ট পাৰ্টি, সমাজবাদী, চি পি এমকে ধৰি দেশৰ সকলো বিৰোধী দলৰ নেতা, সাংসদ, বিধায়ক সকলোকে বন্দী কৰি দলীয় কাৰ্যালয়সমূহত তলা ওলমাই দিয়া হৈছিল।

সমগ্ৰ দেশৰ লগতে অসমতো চলিছিল ইন্দিৰা গান্ধীৰ নিষ্ঠুৰ অভিযান। অসমত সক্ৰিয় ভাৰতীয় জনসংঘ, প্ৰজা চচিয়েলিষ্ট পাৰ্টি আৰু ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ স্বয়ংসেৱকসকলক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰিবলৈ আৰম্ভ কৰে। ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ ভূমিদেৱ গোস্বামী, শ্ৰীকান্ত যোশী, শশীকান্ত চৌঠাৱলে, প্ৰফুল্ল বৰা, শৰৎ কলিতা, বিপিন কলিতা, চন্দ্ৰকান্ত মহন্ত, অসীম কুমাৰ দত্ত, গিৰিশ কলিতা, নৰেন দত্ত, বাসুদেৱ গোস্বামী, ভাস্কৰ শৰ্মা, মহাবীৰ স্বামী, গোবৰ্ধন প্ৰসাদ অটল, ৰামচন্দ্ৰ ডেকা, গুৰুপদ ভৌমিক, জগদীশ শৰ্মা, প্ৰাণতোষ ৰয়, নিশিকান্ত যোশী, ভাস্কৰ কুলকাৰ্নী, শ্ৰীধৰ পাঠক, ড০ ৰামচন্দ্ৰ ডেকা, গুৰু প্ৰসাদ ভৌমিক, তনসুখ ৰাখি, জগদীশ শৰ্মা, মনোজ চাৰাফ, মহেন্দ্ৰ কোঁচ, ড০ দিলীপ সৰকাৰ, ৰঞ্জন বৰাকে ধৰি সংঘৰ কেইবা হাজাৰ স্বয়ংসেৱকক গ্ৰেপ্তাৰ কৰা হৈছিল। ঠিক একেদৰে সমাজবাদী পাৰ্টিৰ গোলাপ বৰবৰা, পিপুলচ্ ডেমক্ৰেটিক পাৰ্টিৰ গৌৰী শংকৰ ভট্টাচাৰ্য আৰু দুলাল বৰুৱা, ভাৰতীয় জনসংঘৰ লক্ষেশ্বৰ গোহাঁই, হৰেকৃষ্ণ ভৰালী আৰু কবীন্দ্ৰ পুৰকায়স্থ, প্ৰাক্তন সাংসদ ৰেনুকাদেৱী বৰকটকী, প্ৰজা চচিয়েলিষ্ট পাৰ্টিৰ বিশ্বদেৱ গোস্বামীকে ধৰি কেইবা হাজাৰ সামাজিক আৰু ৰাজনৈতিক কৰ্মীক গ্ৰেপ্তাৰ কৰি কাৰাগাৰলৈ নিক্ষেপ কৰা হৈছিল। উল্লেখযোগ্য যে জৰুৰীকালীন অৱস্থা ঘোষণা কৰাৰ সময়ত উত্তৰ-গুৱাহাটীৰ আউনীআটী সত্ৰৰ চৌহদত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ এক প্ৰশিক্ষণ বৰ্গ চলি আছিল। আৰক্ষীয়ে ১৯৭৫ চনৰ ২৯ জুনৰ দিনা সত্ৰ চৌহদ ঘেৰাও কৰি আৰএছএছৰ প্ৰশিক্ষণ বৰ্গ সম্পূৰ্ণ কৰাত বাধা দিয়াৰ লগতে সত্ৰৰ ভিতৰত তালাচী চলাই বৈষ্ণৱ ভকতৰ আস্থাক কুঠাৰাঘাত কৰিছিল। বৰ্গত উপস্থিত থকা স্বয়ংসেৱকসকলক শাৰীৰিকভাৱে প্ৰহাৰ কৰাৰ লগতে আৰক্ষীয়ে তেওঁলোকক সত্ৰ চৌহদৰ পৰা জোৰ জুলুমকৈ খেদি পঠিয়াইছিল। অৰ্থাৎ জৰুৰীকালীন অৱস্থাৰ সময়ত গণতন্ত্ৰৰ লগতে দেশৰ আস্থাকেন্দ্ৰ সমূহৰ গৰিমা আৰু সনাতনী মানুহৰ আধ্যাত্মিক চিন্তা ধাৰাৰ ওপৰতো আঘাত হনা হৈছিল।

জৰুৰীকালীন অৱস্থা ঘোষণা কৰি যোৱা শতিকাৰ সত্তৰ দশকতে দেশবাসীৰ মৌলিক অধিকাৰ খৰ্ব কৰা সকলে বৰ্তমান সময়ত সংবিধান ৰক্ষাৰ কথা কয়। ই এক ৰাজনৈতিক বিড়ম্বনা। ইন্দিৰা গান্ধীৰ ৰাজনৈতিক উত্তৰসুৰীসকলে দেশৰ জনসাধাৰণক আচলতে মূৰ্খ বুলি জ্ঞান কৰে কাৰণেই বিনাদ্বিধাই সংবিধান আৰু মৌলিক অধিকাৰৰ কথা ক'বলৈ আজিকালি কুণ্ঠাবোধ নকৰে। যিসকল লোকে আমাক গণতন্ত্ৰৰ শিক্ষা দিবলৈ প্ৰয়াস কৰি আছে, তেওঁলোক সকলোৱেই সংবিধানৰ মূল আত্মাক কুঠাৰাঘাত কৰা একো একোজন স্বৈৰাচাৰী মানসিকতাৰ পৃষ্ঠপোষকহে। পকেটত সংবিধানৰ কপি এটা লৈ সভা-সমিতিয়ে ভাষণ দি ফুৰাসকলৰ অধিকাংশই পৰিয়ালকেন্দ্ৰিক ৰাজনৈতিক দলৰ নেতা। এজন ব্যক্তিৰ উদ্যোগত গঠিত আৰু তেনে ব্যক্তিৰ উত্তৰাধিকাৰীসকলে দশকৰ পিছত দশক ধৰি পৰিচালনা কৰা ৰাজনৈতিক দলৰ নেতাসকলেই আজিকালি গণতন্ত্ৰৰ কথা বেছিকৈ

কোৱা হৈছে। অৱশ্যে এনে দলক জনগণে ইতিমধ্যে দলনিত দলিয়াই দিছে। ২০০০ চনৰ পিছত ইন্দিৰা কংগ্ৰেছত মাত্ৰ তিনিজন লোকহে সভাপতি হৈছে। ইয়াৰে ১৯ বছৰ ছোনিয়া গান্ধী, তাৰ পিছত ৰাহুল গান্ধী আৰু বৰ্তমান মল্লিকাৰ্জুন খাৰ্গে। প্ৰতিষ্ঠা হোৱাৰ দিনাৰে পৰা সমাজবাদী পাৰ্টিত প্ৰথমে মুলায়েম সিং যাদৱ, তাৰ পিছত বৰ্তমান অখিলেশ যাদৱ। ঠিক একেদৰে লালুৰ পিছত তেজস্বী যাদৱ আৰজেডিৰ নেতা। এনে বহু উদাহৰণ দিব পৰা যায়। এই লোকসকলে নিজে এনেদৰে ৰাজনৈতিক অনুশীলন কৰাৰ পিছতো নিৰ্লজ্জভাৱে অন্য দলক গণতন্ত্ৰৰ শিক্ষা দিয়াৰ প্ৰয়াস কৰে। জৰুৰীকালীন অৱস্থাৰ সময়ত “জোৰ যাৰ মুলুক তাৰ” নীতিৰ আধাৰত গণতন্ত্ৰক ভৰিৰে মোহাৰি ইন্দিৰা গান্ধীয়ে নিজৰ ৰাজনৈতিক আধিপত্য বিস্তাৰৰ বাবে সকলো প্ৰকাৰে প্ৰয়াস কৰিছিল। ৫০ বছৰ অতিক্ৰম কৰাৰ পিছতো কংগ্ৰেছৰ চৰিত্ৰৰ কোনো সলনি হোৱা নাই। বৰঞ্চ কংগ্ৰেছী ভাইৰাছত তেওঁলোকৰ সহযোগী দলবোৰকহে আক্ৰান্ত হোৱা দেখা গৈছে। উল্লেখ্য যে যোৱা দুটা দশকত ভাৰতীয় জনতা পাৰ্টিয়ে ৯ জন লোকক দলৰ সভাপতি হিচাপে দায়িত্ব অৰ্পণ কৰিছে। দলীয় সংবিধানৰ আধাৰত বিজেপিয়ে নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে দলৰ সভাপতি নিৰ্বাচন কৰি আভ্যন্তৰীণ গণতন্ত্ৰক সবল আৰু সমৃদ্ধ কৰি ৰাখিছে। কিন্তু জৰুৰীকালীন অৱস্থা জাপি দিয়াসকলৰ উত্তৰাধিকাৰীসকলে ভাৰতীয় জনতা পাৰ্টিকেই অগণতান্ত্ৰিক বুলি কাঠগড়াত থিয় কৰাবলৈ প্ৰয়াস কৰে।

ড° ভীমৰাও বাবা চাহেব ৰামজী আম্বেদকাৰে প্ৰণয়ন কৰা সংবিধান ভাৰতীয় জনতা পাৰ্টিয়ে সৰ্বনাশ কৰি দিব বুলি এক গুৰুতৰ অভিযোগ উত্থাপন কৰি যোৱা ২০২৪ চনৰ লোকসভা নিৰ্বাচনৰ সময়ৰে পৰা কংগ্ৰেছ দলে ব্যাপক প্ৰচাৰ চলাই আহিছে। অৱশ্যে ভাৰতৰ সচেতন আৰু ৰাজনৈতিকভাৱে পৰিপক্ক নাগৰিকে কংগ্ৰেছৰ এনে অপপ্ৰচাৰক ইতিমধ্যে কেইবাবাৰো নাকচ কৰিছে। আচলতে কংগ্ৰেছে সময় সাপেক্ষে নিজে সংবিধানক ভৰিৰে মোহাৰি নিজৰ ৰাজনৈতিক স্বাৰ্থ সিদ্ধি কৰাৰ কথা আমি সকলোৰে জানো। জৰুৰীকালীন অৱস্থা জাপি দি বাবা চাহেব আম্বেদকাৰৰ সংবিধানখনৰ মূল কাঠামোকে তচনচ কৰি দিয়া হৈছিল। ইন্দিৰা গান্ধীয়ে ৰাজ্যৰ বিধানসভাসমূহৰ ক্ষমতা, বিত্তীয় অধিকাৰ, সংবাদ-পত্ৰৰ ওপৰত চেন্সৰশ্বিপ জাপি দিয়া, নাগৰিকৰ মৌলিক অধিকাৰ নিলম্বনকে ধৰি সকলো অধিকাৰ খৰ্ব কৰি দিছিল। বাক স্বাধীনতা আৰু মত প্ৰকাশৰ স্বাধীনতাক স্থগিত কৰা হৈছিল। বহু লোকক আগজাননী নিদিয়াকৈ আৰু কাৰণ নদৰ্শোৱাকৈ গ্ৰেপ্তাৰ কৰি কাৰাবন্দী কৰা হৈছিল। সকলো ক্ষমতা প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ত কেন্দ্ৰীভূত কৰি ভাৰতীয় সংসদীয় গণতন্ত্ৰক সম্পূৰ্ণ নিশকতীয়া কৰা হৈছিল। ঠিক একেদৰে ন্যায়পালিকাৰ স্বতন্ত্ৰতাৰ লগতো আপোচ কৰা হৈছিল। ফলত জনসাধাৰণৰ মাজত ভয় আৰু নিৰাপত্তাহীনতাৰ পৰিৱেশ গঢ়ি তোলা হৈছিল।

১৯৭৫ চনত জৰুৰীকালীন অৱস্থা ঘোষণা কৰি ইন্দিৰা গান্ধীৰ নেতৃত্বত কংগ্ৰেছে ভাৰতৰ সামাজিক জীৱনত সৃষ্টি কৰা অৰাজক ৰাজনৈতিক পৰিস্থিতি বৰ্তমানৰ কংগ্ৰেছ নেতৃত্বয়ো সৃষ্টি কৰি পুনৰ ক্ষমতালৈ অহাৰ বাবে প্ৰয়াস অব্যাহত ৰখা দেখা যায়। নতুন দিল্লীৰ শ্বাহিনবাগৰ অৱৰোধ, গুৱাহাটীৰ কা বিৰোধী আন্দোলন, জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয় চৌহদত হোৱা ৰাষ্ট্ৰবিৰোধী বিক্ষোভ, কংগ্ৰেছী ইকো ছিষ্টেমৰ অংশীদাৰসকলৰ একাংশই চৰকাৰী বঁটা, পুৰস্কাৰ আদি ঘূৰাই দি সৃষ্টি কৰিব খোজা অৰাজক পৰিস্থিতি ইয়াৰ জ্বলন্ত উদাহৰণ। আচলতে কংগ্ৰেছীসকলে তেওঁলোকে পূৰ্বতে কৰা কু-কৰ্ম সহজতে পাহৰি যায়। ইন্দিৰা গান্ধীয়ে জৰুৰীকালীন অৱস্থা জাপি দি গণতন্ত্ৰক হত্যা কৰাৰ বাবে চলোৱা প্ৰয়াস সমগ্ৰ দেশতে বিৰাট গণ প্ৰতিৰোধৰ সন্মুখীন হৈছিল। জয়প্ৰকাশ নাৰায়ণৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই দেশত আৰম্ভ হৈছিল গণ প্ৰতিৰোধ। ৰাজনৈতিক দল আৰু বিভিন্ন সামাজিক, সাংস্কৃতিক তথা যুৱ-ছাত্ৰ সংগঠনে একত্ৰিতভাৱে জৰুৰীকালীন অৱস্থাৰ বিৰুদ্ধে সত্যাগ্ৰহ আৰম্ভ কৰিছিল। কিন্তু এই সত্যাগ্ৰহক নেতৃত্ব দিবলৈ কোনো নেতা জেলৰ বাহিৰত নাছিল। জৰুৰীকালীন অৱস্থা জাপি দিয়াৰ পিছতেই ইন্দিৰা গান্ধীৰ বিৰোধ কৰা সকলো ৰাজনৈতিক দলৰ নেতাক গ্ৰেপ্তাৰ কৰি কাৰাগাৰলৈ নিক্ষেপ কৰা হৈছিল। ভাৰতীয় জনসংঘ, ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ, চিপিআই (এম), লোকসংঘৰ্ষ সমিতি, অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ, প্ৰজা ছ'চিয়েলিষ্ট পাৰ্টি, আকালি দল, সমাজবাদী পাৰ্টি, ইন্দিৰা গান্ধীৰ বিৰোধ কৰি কংগ্ৰেছৰ পৰা ওলাই অহা জ্যেষ্ঠ কংগ্ৰেছীসকলকে ধৰি এক লাখতকৈও অধিক ৰাজনৈতিক কৰ্মীক গ্ৰেপ্তাৰ কৰা হৈছিল। অৱশ্যে সংঘৰ কেইগৰাকীমান জ্যেষ্ঠ কাৰ্যকৰ্তাই আত্মগোপন কৰি গণপ্ৰতিৰোধ আন্দোলনক সবলভাৱে আগবঢ়াই লৈ গৈছিল। এইক্ষেত্ৰত আমি ভাৰতীয় মজদুৰ সংঘৰ প্ৰতিষ্ঠাপক দত্তোপন্ত ঠেংড়ে আৰু জনসংঘৰ সাংগঠনিক সম্পাদক “ভাৰতৰত্ন” নানাজী দেশমুখৰ কথা উল্লেখ কৰিব পাৰোঁ। এই নেতা দুগৰাকীয়ে সমগ্ৰ দেশতে থকা আৰএছএছৰ বিশাল নেটৱৰ্কৰ সহায়ত ইন্দিৰা গান্ধীৰ বিৰুদ্ধে দেশবাসীক সংগঠিত কৰিছিল।

এই সময়ত ৰাজনৈতিক বিৰোধীসকলৰ লগতে শিল্প-সাহিত্য, সংগীত, চলচ্চিত্ৰ আৰু সংবাদ মাধ্যমৰ সৈতে জড়িত বহু ব্যক্তিয়েও চৰকাৰী নিয়ন্ত্ৰণ আৰু দমনৰ সন্মুখীন হৈছিল। মত প্ৰকাশৰ স্বাধীনতা,

সৃষ্টিশীল স্বাধীনতা আৰু সংবাদ মাধ্যমৰ স্বাধীনতাক কঠোৰভাৱে সীমাবদ্ধ কৰা হৈছিল। গণতন্ত্ৰত শিল্পী, লেখক, সাংবাদিক আৰু চলচ্চিত্ৰকাৰসকলে সমাজৰ বিবেক হিচাপে কাম কৰে। কিন্তু জৰুৰী অৱস্থাৰ সময়ত এইসকল লোকক চৰকাৰৰ সমালোচনা কৰাৰ পৰা বিৰত ৰাখিবলৈ বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। ফলস্বৰূপে ভাৰতৰ সাংস্কৃতিক আৰু বৌদ্ধিক জগতখন গভীৰভাৱে প্ৰভাৱিত হৈছিল।

জৰুৰী অৱস্থাৰ আটাইতকৈ উল্লেখযোগ্য দিশ আছিল সংবাদ মাধ্যমৰ ওপৰত আৰোপ কৰা চেঞ্চৰশ্বিপ। সংবাদপত্ৰত প্ৰকাশ হোৱাৰ আগতে বহু বাতৰি চৰকাৰী বিষয়াৰ অনুমোদনৰ বাবে প্ৰেৰণ কৰিবলগীয়া হৈছিল।

চৰকাৰৰ সমালোচনা, বিৰোধী দলৰ বক্তব্য বা গণআন্দোলনৰ খবৰ প্ৰকাশ কৰাত নিষেধাজ্ঞা আৰোপ কৰা হৈছিল। বহু সম্পাদক আৰু সাংবাদিকক হেঁচা দিয়া হৈছিল যাতে তেওঁলোকে চৰকাৰবিৰোধী কোনো তথ্য প্ৰকাশ নকৰে। কিছুমান সংবাদপত্ৰই প্ৰতিবাদস্বৰূপে সম্পাদকীয় স্তম্ভ খালী এৰি দিছিল। সংবাদ মাধ্যমৰ এই নিয়ন্ত্ৰণক ভাৰতীয় সংবাদ জগতৰ ইতিহাসত এক কলা অধ্যায় বুলি গণ্য কৰা হয়।

জৰুৰী অৱস্থাৰ সময়ত বহু সাংবাদিকক আটক কৰা হৈছিল বা চৰকাৰী হাৰাশাস্তিৰ সন্মুখীন হ'ব লগা হৈছিল। চৰকাৰবিৰোধী লেখা প্ৰকাশ কৰা সাংবাদিকসকলক বিভিন্ন আইন ব্যৱহাৰ কৰি গ্ৰেপ্তাৰ কৰা হৈছিল। এই ক্ষেত্ৰত আমি কুলদীপ নায়াৰ, অৰুণ শ্বৌৰী আদিৰ কথা ক'ব পাৰো।

জৰুৰী অৱস্থাৰ সময়ত চলচ্চিত্ৰ উদ্যোগো চৰকাৰী নিয়ন্ত্ৰণৰ পৰা মুক্ত নাছিল। চলচ্চিত্ৰৰ বিষয়বস্তু, সংলাপ আৰু ৰাজনৈতিক বাৰ্তাৰ ওপৰত কটকটীয়া নজৰ ৰখা হৈছিল। যিবোৰ চলচ্চিত্ৰত চৰকাৰৰ সমালোচনা বা সামাজিক অসন্তোষৰ প্ৰতিফলন দেখা গৈছিল, সেইবোৰৰ মুক্তিৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰা হৈছিল। চেঞ্চৰ ব'ৰ্ডৰ ক্ষমতা অধিক বৃদ্ধি পাইছিল আৰু বহু দৃশ্য কাটি পেলোৱা হৈছিল।

জৰুৰী অৱস্থাৰ সময়ত সাংস্কৃতিক জগতৰ ওপৰত চৰকাৰী হেঁচাৰ আটাইতকৈ আলোচিত উদাহৰণসমূহৰ ভিতৰত এটা আছিল গায়ক কিশোৰ কুমাৰৰ ঘটনা। কথিত আছে যে চৰকাৰী অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰাৰ পিছত তেওঁৰ গান অল ইণ্ডিয়া ৰেডিঅ' আৰু দূৰদৰ্শনত প্ৰচাৰ নিষিদ্ধ কৰা হৈছিল। তেওঁৰ চলচ্চিত্ৰ সম্পৰ্কীয় অনুষ্ঠানসমূহো প্ৰভাৱিত হৈছিল। এই ঘটনাই প্ৰমাণ কৰে যে জনপ্ৰিয় শিল্পীসকলো চৰকাৰী নীতিৰ সৈতে একমত নহ'লে চাপৰ সন্মুখীন হ'ব লাগিছিল। জৰুৰী অৱস্থাৰ সময়ত বহু লেখক, কবি আৰু বুদ্ধিজীৱীয়ে মত প্ৰকাশৰ স্বাধীনতা হেৰুৱাৰ আশংকা অনুভৱ কৰিছিল। চৰকাৰবিৰোধী বা প্ৰতিবাদী সাহিত্য প্ৰকাশ কৰাটো বিপজ্জনক হৈ পৰিছিল। ফলস্বৰূপে সাহিত্যিক আৰু বৌদ্ধিক ক্ষেত্ৰত এক ধৰণৰ ভয় আৰু নীৰৱতাৰ পৰিৱেশ সৃষ্টি হৈছিল। গণতান্ত্ৰিক সমাজত যি মুক্ত চিন্তা আৰু বিতৰ্কৰ প্ৰয়োজন, সেয়া বহু পৰিমাণে সীমিত হৈ পৰিছিল।

নাট্যকাৰ, নাট্যশিল্পী আৰু সাংস্কৃতিক সংগঠনসমূহেও চৰকাৰী নিৰীক্ষণৰ সন্মুখীন হৈছিল। ৰাজনৈতিক ব্যংগ, সামাজিক সমালোচনা বা চৰকাৰবিৰোধী ভাৱধাৰা থকা নাটকসমূহৰ মঞ্চায়নত অসুবিধাৰ সৃষ্টি হৈছিল। বহু সাংস্কৃতিক অনুষ্ঠানত চৰকাৰী বিষয়াসকলে নজৰ ৰাখিছিল। ফলত শিল্পীসকলে মুক্তমনে নিজৰ মতামত প্ৰকাশ কৰিব নোৱাৰা পৰিৱেশ এটাৰ সৃষ্টি হৈছিল।

জৰুৰী অৱস্থাৰ অভিজ্ঞতাই ভাৰতীয় সমাজক এক গুৰুত্বপূৰ্ণ শিক্ষা প্ৰদান কৰিছে। গণতন্ত্ৰ কেৱল ভোটদানৰ ব্যৱস্থা নহয়; ই মত প্ৰকাশৰ স্বাধীনতা, সংবাদ মাধ্যমৰ স্বাধীনতা, শিল্প-সাহিত্যৰ স্বাধীনতা আৰু চৰকাৰৰ সমালোচনা কৰাৰ অধিকাৰকো সুৰক্ষা দিয়ে। যেতিয়া শিল্পী, লেখক, সাংবাদিক আৰু চলচ্চিত্ৰকাৰসকল স্বাধীনভাৱে কাম কৰিব পাৰে, তেতিয়াই সমাজত সৃষ্টিশীলতা আৰু বৌদ্ধিক বিকাশ সম্ভৱ হয়। কিন্তু যেতিয়া চৰকাৰে এই স্বাধীনতাসমূহ সীমাবদ্ধ কৰে, তেতিয়া গণতান্ত্ৰিক সমাজৰ ভিত্তি দুৰ্বল হৈ পৰে।

১৯৭৫-৭৭ চনৰ জৰুৰী অৱস্থা ভাৰতীয় সাংস্কৃতিক ইতিহাসৰ এক গুৰুত্বপূৰ্ণ অধ্যায়। এই সময়ত বহু সাংবাদিক, লেখক, চলচ্চিত্ৰ নিৰ্মাতা, সংগীতশিল্পী আৰু নাট্যকৰ্মীয়ে বিভিন্ন ধৰণৰ চৰকাৰী নিয়ন্ত্ৰণ, চেঞ্চৰশ্বিপ আৰু হেঁচাৰ সন্মুখীন হৈছিল। চৰকাৰে আৰোপ কৰা এই বাধাসমূহ গণতন্ত্ৰৰ বাবে এক ডাঙৰ প্ৰত্যাহ্বান আছিল। এই অভিজ্ঞতাই আজিও আমাক সোঁৱৰাই দিয়ে যে স্বাধীন সংবাদ মাধ্যম, মুক্ত সাহিত্য, স্বাধীন শিল্পচৰ্চা আৰু মুক্ত চিন্তা গণতন্ত্ৰৰ অপৰিহাৰ্য স্তম্ভ। সেয়ে ভাৰতীয় জনতা পাৰ্টিয়ে একাত্ম মানৱতাবাদ আৰু অন্ত্যোদয়াৰ আধাৰত "সবকা সাথ, সবকা বিশ্বাস, সবকা বিকাশ আৰু সবকা প্ৰয়াস"ৰ আধাৰত সমাজ জীৱনত এক সবল, সমৃদ্ধ আৰু সমাবেশী ব্যৱস্থা গঢ়ি তোলাৰ বাবে অহোপুৰুষাৰ্থ কৰি আহিছে। ■

লেখক ঃ বিশিষ্ট নিবন্ধকাৰ, বিজেপি, অসম প্ৰদেশৰ মিডিয়া বিভাগৰ সদস্য



# বিজেপিৰ অন্যতম বুনিয়াদ অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ আৰু অসম

**হেমন্ত ভট্টাচাৰ্য্য**

পৃথিৱীৰ ভিতৰতে বৰ্তমান শীৰ্ষ স্থানৰ ৰাজনৈতিক দলত পৰিণত হৈছে ভাৰতীয় জনতা পাৰ্টি-চমুকৈ বিজেপি। ১৯৮০ চনত আৰম্ভ হোৱা এই দলটোৰ স্থিতি বৰ্তমান ইমানেই মজবুত যে শতিকা প্ৰাচীন কংগ্ৰেছ দলটো- যিটো দলে দশকৰ পিছত দশক ভাৰতবৰ্ষক শাসন কৰি আহিছিল, সেই দলটোৰ ভেটিও আজি বিজেপিৰ শক্তিৰ সন্মুখত থৰক-বৰক হৈ পৰিছে। সৰ্বভাৰতীয় পৰ্যায়ৰ সমান্তৰালভাৱে অসমতো বিজেপিৰ প্ৰভাৱ আজিৰ তাৰিখত অভূতপূৰ্ব। যোৱা বিধানসভা নিৰ্বাচনত বিজেপি দলে যি ঐতিহাসিক বিজয় অৰ্জন কৰিলে সেয়া নজিৰবিহীন। বিজেপিয়ে কিন্তু এই স্তৰত উপনীত হ'বলৈ কম কষ্ট আৰু ত্যাগ স্বীকাৰ কৰিবলগীয়া হোৱা নাই। সেই সন্দৰ্ভত বিজ্ঞসকলে স্থানান্তৰত বিস্তৃত আলোচনা আগবঢ়াব। আমি মাথোন বিজেপিৰ ছাত্ৰ সংগঠন এবিভিপি অৰ্থাৎ অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ সম্পৰ্কত আমাৰ ব্যক্তিগত অভিজ্ঞতাৰ ভিত্তিতহে এটা চমু আলোকপাত কৰিব বিচাৰিছো।

**অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ**

১৯৪৯ চনত স্থাপিত হোৱা অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ চমুকৈ (ABVP) ভাৰতৰ ভিতৰত এটা সবাতকৈ ডাঙৰ ছাত্ৰ সংগঠন। ABVP এটা স্বাধীন, স্বতন্ত্ৰ বেচৰকাৰী সামাজিক সংগঠন। ইয়াৰ লক্ষ্য শিক্ষা, (নৈতিক) ৰাষ্ট্ৰ নিৰ্মাণ, সমাজ সংগঠন, সামাজিক সচেতনতা আৰু দেশভক্তি, অখণ্ড ভাৰতবৰ্ষ নিৰ্মাণ। ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ দ্বাৰা স্বীকৃতি প্ৰাপ্ত এটা ছাত্ৰ সংগঠন। ইয়ান সদস্য সংখ্যা ৫ মিলিয়নতকৈও বেছি হ'ব।

**জ্ঞান, চৰিত্ৰ, একতা পৰিষদৰ বিশেষতা**

১৯৬৬ চনত ABVP ৰ ৰাষ্ট্ৰীয় কাৰ্যকৰ্তা দিলীপ পাৰঞ্জাপে আৰু মহাৰাষ্ট্ৰৰ বি পি আচাৰ্য্য দেৱে উত্তৰ পূব ভাৰতৰ অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন প্ৰদেশত দুমাহ মানৰ এটা স্থানীয় ভ্ৰমন কৰি দেখিলে যে উত্তৰ পূৰ্বাঞ্চলৰ মানুহবিলাক, বিশেষকৈ ছাত্ৰবিলাক ভাৰতৰ মূল অংশৰ লগত বাস্তৱিকভাৱে সংলগ্ন নহয় আৰু ভাৰতৰ প্ৰতি সিমান আকৃষ্টও নহয়। তেখেতসকলে অনুভৱ কৰিলে যে উত্তৰ পূৰ্বাঞ্চলৰ মানুহ আৰু ছাত্ৰসকলক সংগঠিত কৰি ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তলৈ যদি লৈ যোৱা হয় আৰু আমাৰ মাজত যদি সাংস্কৃতিক আৰু সামাজিক সম্বন্ধ গঢ়ি তোলা নহয় আমাৰ মাজত জাতীয় ঐক্যবোধ গঠন সম্ভৱ নহ'ব। সেয়েহে তেখেতসকলে ছাত্ৰসকলৰ বাবে বিশেষ আঁচনিৰ কথা চিন্তা কৰি SEIL অৰ্থাৎ (Students Experience in Interstate Living) আমি ভিতৰুৱা অঞ্চলত বসবাস কৰা ভাৰতীয় নাগৰিক। গতিকে আমাক ভাৰতীয় মূল সুতীৰ লগত লগ লগাব লাগে। জীৱন ধাৰণৰ প্ৰণালী মানদণ্ড আদিৰ বিষয়ে বাস্তৱিক জ্ঞান দিবৰ বাবে SEIL Project অৰ্থাৎ এটা আন্দোলন সদৃশ ব্যৱস্থা গঢ়ি তুলিলে। 'for national Integration and unity' আৰু আমাৰ মাজত থকা অসামঞ্জতা দূৰ আৰু বিশ্বাস স্থাপনৰ উদ্দেশ্যেৰে ১৯৬৬ চনত SEIL Project-ৰ জৰিয়তে উত্তৰ পূব প্ৰান্তৰ পৰা প্ৰায় ৮০ জন ছাত্ৰক মুম্বাই আৰু গোৱাত প্ৰায় এমাহৰ বাবে লৈ গৈছিল। এই SEIL

Project-ত অৰুণাচল প্ৰদেশ প্ৰাক্তন মুখ্যমন্ত্ৰী গেগং আপং, উক্ত সংগঠনৰ লগত ছাত্ৰ হিচাপে অৰুণাচলৰ পৰা প্ৰতিনিধিত্ব কৰিছিল।

১৯৬৭ চনত মুম্বাইৰ পৰা ১৬ জন ছাত্ৰ Tour Exchange Project ৰ জৰিয়তে নাগালেণ্ড আৰু মণিপুৰ ভ্ৰমণ কৰিছিলে। ABVP যে NE Region ৰ বাবে MHI (My Home is India's) নামৰ এখন আঁচনি উত্তৰ পূবৰ জনজাতীয় লোক আৰু ছাত্ৰসকলক লৈ এটা বিশেষ আঁচনি গ্ৰহণ কৰিছিল। যি আঁচনিৰ জৰিয়তে ৮-১২ বছৰৰ ছাত্ৰসকলক ভাৰতৰ বিভিন্ন প্ৰান্তত বিনা খৰছত পঢ়াই-শুনাই উপযুক্ত নাগৰিকৰ শাৰীলৈ উন্নত কৰিছিল। এনেদৰে বিভিন্ন সময়ত ABVP যে Tribal State ৰ পৰা ছাত্ৰসকলক মুম্বাই, গোৱা, নাগপুৰ, আহমেদাবাদ, মহাৰাষ্ট্ৰ আদি প্ৰদেশলৈ লৈ গৈ বিভিন্ন পৰিয়ালত ৰাখি নিজৰ পিতৃ-মাতৃৰ লগত থকাৰ দৰে ৰাখি ৰাষ্ট্ৰীয় ঐক্য ভাবৰ সৃষ্টি কৰি 'আমি ভাৰত মাতৃৰ সন্তান' এই ভাব অন্তৰত অঙ্কুৰিত কৰিছিল।

১৯৭৭ চনত ABVP ৰ SEIL, Project Conference খন গুৱাহাটীত অনুষ্ঠিত হৈছিল। প্ৰায় ৩০০ ছাত্ৰ-ছাত্ৰীয়ে এই Conference-ত ভাগ হৈছিল। এই তিনিদিনীয়া অধিবেশনত সমাজৰ বহু গণ্য-মান্য ব্যক্তিৰ উপস্থিতিয়ে এটা বিশেষ পৰিৱেশ আৰু বাৰ্তা প্ৰচাৰ কৰিছিল। উক্ত অধিৱেশনত আমিও যোগদান কৰি ধন্য হ'ব পাৰিছিলো।

সময়ৰ আহ্বানত প্ৰতি সহাঁৰি দি ৰাষ্ট্ৰীয় নেতৃবৃন্দই অসমত ABVP ৰ কাম অধিক শক্তিশালী কৰাৰ বাবে মাননীয় ভি সতীশ ডাঙৰীয়াক NE project ৰ সংগঠক হিচাপে নিয়োগ কৰিছিল। তেখেত সেই সময়ত এজন চফল ডেকা, মহাৰাষ্ট্ৰৰ এজন সম্ভ্ৰান্ত পৰিয়ালৰ লোক আৰু ৰাষ্ট্ৰীয় স্বয়ংসেবক সংঘৰ বিশেষ কাৰ্যকৰ্তা। তেখেত আমাৰ গুৰু সদৃশ, তেখেতে ৰাষ্ট্ৰীয় ঐকতা, ৰাষ্ট্ৰ নিৰ্মাণ কাৰ্য, ভাৰতৰ অখণ্ডতা, এক দেশ, এক মাতৃ ভাৰত মাতাৰ সন্তান, দেশ মাতৃৰ হকে কাম কৰিব লাগে। 'নিজকে সমৰ্পন কৰিব লাগে।' নৈতিক চৰিত্ৰ বজাই ৰাখিব লাগে ইত্যাদি ইত্যাদি শিক্ষা আৰু জ্ঞানৰ দ্বাৰা নিজকে শক্তিশালী কৰিব লাগে এই ধৰণে বিভিন্ন বৌদ্ধিক শিক্ষা দি আমাৰ এই অঞ্চলৰ ছাত্ৰসকলক মাৰ্গদৰ্শন কৰাইছিল গুৱাহাটীৰ উজান বজাৰৰ ABVP কাৰ্যালয়ত পুৱা আৰু গধূলি সংগঠনৰ বিষয়ে আলোচনা হৈছিল আৰু বিভিন্ন সভা-সমিতি হৈছিল।

১৯৮০ চনত SEIL ৰ সাধাৰণ সম্পাদক নৰেশ যোশী ডাঙৰীয়া উত্তৰ পূৰ্বাঞ্চললৈ আহি এই অঞ্চলৰ স্থানীয় ছাত্ৰ আৰু অভিভাৱকসকলক লগ ধৰিছিল। স্থানীয় সন্মানীয় নাগৰিক আৰু জ্ঞানী গুণী ব্যক্তিসকলক লগ ধৰি SEILৰ বিষয়ে অবগত কৰিছিল। সেই বছৰত ১৯৮০ চনৰ ১৮ ডিচেম্বৰ তাৰিখে উত্তৰ পূৰ্বাঞ্চলৰ পৰা ২৬ জন মান ছাত্ৰ-ছাত্ৰী গৈ কলকাতা, বিখাপট্টনম, হায়দৰাবাদ, চেকেন্দ্ৰাবাদ, অন্ধ্ৰপ্ৰদেশ, মাদ্ৰাছ, হুবলী, মাহীশূৰ, কৰ্ণাটক, বাংগালুৰু, উত্তৰ প্ৰদেশ আদি বিভিন্ন ঠাইত স্থানীয় পৰিয়ালৰ ঘৰত অতিথি হিচাপে থাকি আমাৰ মাজত সংস্কৃতিৰ আদান-প্ৰদান হৈছিল। সেই মৰম-চেনেহ আমি এতিয়াও পাহৰিব পৰা নাই।

১৯৮১ চনৰ SEIL প্ৰজেক্টত উত্তৰ পূৰ্বাঞ্চলৰ পৰা ৪২ জন ছাত্ৰ-ছাত্ৰী, কলেজ শিক্ষক-শিক্ষয়িত্ৰীয়ে যোগদান কৰিছিল। অসমৰ পৰা ১৬জন, ১৪জন মেঘালয়ৰ, ১২জন অৰুণাচলৰ আৰু ত্ৰিপুৰাৰ দুজন, গুৱাহাটীৰ পৰা ট্ৰেইনেৰে এমাহৰ বাবে যাত্ৰা আৰম্ভ কৰিছিলে। এইবাৰ দিল্লী, আগ্ৰা, ছণ্ডীগড়, কুৰুক্ষেত্ৰ, জয়পুৰ, আজমীৰ, উদয়পুৰ, আহমেদাবাদ, ৰাজকোট, মুম্বাই, নাগপুৰ, টাটা টিশকো আৰু কলিকতা ভ্ৰমণ কৰিছিল। বিভিন্ন অতিথি পৰিয়ালৰ ঘৰত থাকি সংস্কৃতিৰ আদান-প্ৰদান আৰু আত্মীয়তাৰ লগতে ৰাষ্ট্ৰীয়তাবাদ ভাব কৰি তুলিছিল। সেই ভ্ৰমণত উপ ৰাষ্ট্ৰপতি ন্যায়াধীশ এম হৃদয়াতুল্লা, ন্যায়াধীশ এইছ আৰ খান্না, হিন্দী কবি আগ্যে, বিত্ত মন্ত্ৰী এইছ এম পেটেল, অভিনেতা দেবানন্দৰ উপৰিও সৰ্বোদয় নেতা আচাৰ্য্য বিনোৱা ভাবকে আদি কৰি বিশাল ব্যক্তিত্বৰ লোকসকলৰ লগ ধৰি বহু অভিজ্ঞতা অৰ্জন কৰিব পাৰিছিলো।

ইয়াৰ উপৰিও বিভিন্ন সময়ত ভাৰতৰ বেলেগ বেলেগ প্ৰদেশত অনুষ্ঠিত হোৱা অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ ৰাষ্ট্ৰীয় অধিবেশন, ইন্দোৰ, মধ্য প্ৰদেশ, কুৰুক্ষেত্ৰ বিশ্ববিদ্যালয়ত হোৱা সৰ্বভাৰতীয় অধিৱেশনত যোগদান কৰি বহুতো সন্মানীয় ব্যক্তিসকলক লগ পোৱাৰ সৌভাগ্য হৈছিল।

আমাৰ কাৰণে অতি গৌৰৱৰ কথা যে বিজেপি অসম প্ৰদেশৰ বৰ্তমানৰ সভাপতি দুবাৰৰ সাংসদ মাননীয় শ্ৰীযুত দিলীপ শইকীয়া ডাঙৰীয়ায়ো এই এ বি ভি পিৰে এগৰাকী শীৰ্ষ নেতা হিচাপে সংগঠনটোক নেতৃত্ব দিছিল।

ভাৰতীয় জনতা পাৰ্টিৰ এই জয়যাত্ৰাৰ গুৰিত আমাৰ পৰম সন্মানীয় প্ৰয়াত ড° শ্যামা প্ৰসাদ মুখাৰ্জী, দীনদয়াল উপাধ্যায়, অটল বিহাৰী বাজপেয়ী, এল কে আদৱানী প্ৰমুখ্যে ভাৰতৰ বৰ্তমানৰ সুযোগ্য প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী দেৱৰ নেতৃত্ব নাম লবই লাগিব।

বিজেপিৰ এই জয় যাত্ৰাত ৰাষ্ট্ৰীয় স্বয়ংসেবক সংঘৰ শত সহস্ৰ স্বয়ংসেৱক, ৰাষ্ট্ৰীয় স্বয়ংসেবক, সংঘৰ প্ৰধান ডাঃ মোহন ভাগৱত জী আৰু ভাতৃ সংগঠনৰ সমূহ মুৰব্বীসকল, কৰ্মীসকল, এ বি ভি পিৰ বিদ্যাৰ্থীসকল, কৰ্মকৰ্তাসকল আৰু সমাজত ভাৰতীয় চিন্তাধাৰাৰে নিজৰ কাম কৰি দেশ মাতৃক আগবঢ়াই নিয়া কৃষক, লিখক, সাহিত্যিক, সমাজকৰ্মীসকলক শত সহস্ৰ প্ৰণাম যাচিলোঁ। ■

---

লেখক ঃ প্ৰাক্তন আৰক্ষী অধীক্ষক, অসম



# অসমত বিজেপি উত্তৰণৰ স্বৰ্ণিল যাত্ৰা

**নৱজ্যোতি পাটোৱাৰী**

স্বৰাজোত্তৰ অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ নেতৃত্বত কংগ্ৰেছৰ চৰকাৰ গঠন হৈছিল। স্বাধীনতাৰ পূৰ্বে ব্ৰিটিছৰ পৃষ্ঠপোষকতাত অসমখনক পাকিস্তানৰ অন্তৰ্ভুক্ত কৰিবলৈ লোৱা 'গ্ৰুপিং' পৰিকল্পনাক গোপীনাথ বৰদলৈ আৰু ড° শ্যামা প্ৰসাদ মুখাৰ্জীয়ে সংসদত তীব্ৰ বিৰোধিতা কৰি পাকিস্তানত অন্তৰ্ভূক্ত হোৱাৰ পৰা ৰক্ষা কৰে। ড° মুখাৰ্জী স্বাধীন ভাৰতৰ প্ৰথমখন কেন্দ্ৰীয় মন্ত্ৰীসভাৰ উদ্যোগ আৰু যোগান মন্ত্ৰী আছিল। পাকিস্তানৰ হিন্দু সকলৰ ওপৰত হোৱা অত্যাচাৰৰ বিৰুদ্ধে ভাৰত চৰকাৰ কঠোৰ নীতি গ্ৰহণ কৰিবলৈ ড° মুখাৰ্জীয়ে প্ৰধানমন্ত্ৰী নেহেৰুক দাবী জনাইছিল। কিন্তু নেহেৰুৱে পাকিস্তানৰ প্ৰতি সহানুভূতিশীল স্থিতি গ্ৰহণ কৰি এখন বন্ধুত্বমূলক চুক্তি "নেহৰু-লীয়াকত" স্বাক্ষৰ কৰিছিল যাৰ তীব্ৰ বিৰোধীতা কৰি ড° মুখাৰ্জীয়ে নেহৰু মন্ত্ৰীসভাৰ পৰা পদত্যাগ কৰিছিল। ড° মুখাৰ্জীয়ে জম্মু-কাশ্মীৰক প্ৰধানমন্ত্ৰী নেহৰুৱে ভাৰতীয় সংবিধানৰ ৩৭০ নং অনুচ্ছেদৰ অধীনত যি বিশেষ ৰাজ্যৰ মৰ্য্যদা প্ৰদান কৰিছিল তাৰো তীব্ৰ বিৰোধীতা কৰি তেখেতে কৈছিল - "এখন দেশত দুজন প্ৰধান, দুখন সংবিধান আৰু দুখন পতাকা কেতিয়াও গ্ৰহণ কৰা নহ'ব"। সেই সময়ত কংগ্ৰেছী মন্ত্ৰী সকলে দেশৰ এনে এক গভীৰ সমস্যাক হৃদয়ঙ্গম নকৰা দেখি ড° মুখাৰ্জীয়ে দেশৰ অখণ্ডতা আৰু ভাৰতৰ সভ্যতা - সংস্কৃতিক ধ্বংসৰ গৰাহৰ পৰা ৰক্ষাৰ স্বাৰ্থত এটা অকংগ্ৰেছী ৰাজনৈতিক দল গঠনৰ প্ৰয়োজনীয়তা অনুভৱ কৰে। সেই দৃঢ় সংকল্পৰে ড° মুখাৰ্জীয়ে ভাৰতবৰ্ষক পৰম বৈভৱশীল আৰু বিশ্বগুৰু কৰাৰ লক্ষ্যৰে ১৯২৫ চনৰে পৰা ধাৰাবাহিকভাৱে নিৰন্তৰ ভাৱে ব্ৰতী হৈ থকা এটা অভিৱন সংগঠন 'ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ'ৰ সৰসংঘচালক পূজনীয় শ্ৰীমাধৱৰাও সদাশিৱৰাও গোলৱালকৰক সাক্ষাৎ কৰি তেওঁৰ পৰামৰ্শ বিচাৰে। তেখেতৰ পৰামৰ্শ অনুসৰি 'আৰ এচ এচ' ৰ সহযোগত ড° শ্যামাপ্ৰসাদ মুখাৰ্জীয়ে ১৯৫১ চনৰ ২১ অক্টোবৰত 'ভাৰতীয় জনসংঘ' নামৰ এটা নতুন অকংগ্ৰেছী ৰাজনৈতিক দল গঠন কৰিছিল।

অসমত জনসংঘই প্ৰথম গৰাকী ৰাজ্যিক সভাপতি হিচাপে ত্ৰৈলক্যনাথ ফুকনৰ নেতৃত্বত নিজৰ সাংগঠনিক ভেটি প্ৰতিষ্ঠা কৰিছিল। জনংসঘই ১৯৫২ চনৰ প্ৰথম অসম বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰিছিল যদিও সফলতা লাভ কৰিব পৰা নাছিল। সেই সময়ত অসমত জনসংঘৰ প্ৰাৰ্থী হিচাপে লক্ষীপুৰ সমষ্টিৰ পৰা অনিল কুমাৰ মিত্ৰ, শিলচৰৰ পৰা বীৰেশৰঞ্জন আচাৰ্য্য আৰু শ্বিলঙৰ পৰা সত্যব্ৰত ভট্টাচাৰ্যই প্ৰতিদ্বন্দিতা আগবঢ়াইছিল। ১৯৫১-৫২ চনৰ সাধাৰণ নিৰ্বাচনত জনসংঘই দেশজুৰি ৪৮৯ খন আসনৰ ভিতৰত ৯৩ খন আসনত প্ৰাৰ্থী প্ৰক্ষেপ কৰি মুঠ ভোটৰ ৩.০৬% লাভ কৰি কেৱল ৩ খন আসনত জয়যুক্ত হৈছিল- পশ্চিম বংগৰ পৰা ড° শ্যামা প্ৰসাদ মুখাৰ্জী, দুৰ্গা চৰণ বেনাৰ্জী আৰু ৰাজস্থানৰ পৰা উমা শংকৰ ত্ৰিৱেদী। ১৯৫৭ চনৰ দ্বিতীয় লোকসভা নিৰ্বাচনত জনসংঘই মুঠ ভোটৰ ৫.৯৭% লাভ কৰি দেশজুৰি ৪ খন আসন দখল কৰে। ১৯৫৭ চনৰ বিধানসভা নিৰ্বাচনত অসমত জনসংঘৰ ফালৰ পৰা কোনো প্ৰাৰ্থী নাছিল। ১৯৬২ চনৰ সাধাৰণ নিৰ্বাচনত জনসংঘই দেশজুৰি ১৪ খন আসন দখল কৰি ৬.৪৪% ভোট লাভ কৰে। সেই বছৰৰ অসম বিধানসভাত জনসংঘই প্ৰাৰ্থীত্ব আগবঢ়াইছিল

- গুৱাহাটীত শংকৰলাল শৰ্মা, যমুনামুখত ফনী বৰা, তিনিচুকীয়াত দীনেশ প্ৰতাপ শুক্লা আৰু ডিগবৈত নিৰঞ্জন বিশ্বাস । স্বাধীনতাৰ পাছৰ এটা দশক অসমত কেইবাটাও গণ আন্দোলনৰ সুচনা হৈছিল- তেল শোধনাগাৰ আন্দোলন, পাহাৰীয়া জিলা আন্দোলন, ভাষা আন্দোলন আৰু চীনৰ আক্ৰমণ, যিয়ে অসমৰ পৰিৱেশ পুনৰ উত্তপ্ত কৰি তুলিছিল। ১৯৬২ চনত যেতিয়া চীনা সৈন্যই বমডিলা অতিক্ৰম কৰি তেজপুৰৰ দিশে অগ্ৰসৰ হয়, তেতিয়া প্ৰধানমন্ত্ৰী নেহৰুৱে অসমবাসীক উদ্দ্যেশি দিয়া অমংগলীয়া বিদায় ভাষণটো - "My heart goes out to the people of Assam..." আজিও অসমবাসীৰ মনত আক্ষেপ হৈ ৰৈছে। এনে কঠিন সময়ছোৱাত দলীয় কাৰ্যকৰ্তাসকলক প্ৰেৰণা দিবলৈ আৰু সংগঠন মজবুত কৰিবলৈ ১৯৬৩ চনত পণ্ডিত দীনদয়াল উপাধ্যায় আৰু নানাজী দেশমুখ অসমলৈ আহি নগাঁও জিলাৰ সংঘচালক শ্ৰীৰাধিকামোহন দেৱ গোস্বামীৰ ঘৰত উপস্থিত হৈছিল।

১৯৬৭ চনৰ লোকসভা নিৰ্বাচনত জনসংঘই দেশজুৰি ৩৫ খন আসন লাভ কৰে আৰু ভোটৰ হাৰ ৯.৩১% লৈ বৃদ্ধি হয়। অসমত যদিও কোনো সফলতা পোৱা নগ'ল, তথাপিও বৰপেটা লোকসভা সমষ্টিত কংগ্ৰেছ দলৰ প্ৰাৰ্থী ফখৰুদ্দিন আলি আহমেদৰ বিৰুদ্ধে অসমৰ অগ্নিকবি প্ৰসন্নলাল চৌধুৰীয়ে জনসংঘৰ প্ৰাৰ্থী হিচাপে তীব্ৰ প্ৰত্যাহ্বান জনাইছিল। ১৯৬৭ চনৰ সময়ছোৱাত অসমত ৰাজনৈতিক প্ৰেক্ষাপটত কংগ্ৰেছৰ প্ৰবল অধিপত্য আছিল। তথাপিও জনসংঘই সকলো বাধাৰ সন্মোখিন হৈ ১৯৬৭ চনৰ বিধানসভা নিৰ্বাচনত ১৮টা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিছিল। প্ৰাৰ্থীসকল ঃ শিলচৰ - কমলেন্দু ভট্টাচাৰ্য, উদাৰবন্দ - বেণু মাধব দাস, বৰখলা - বিনোদ বিহাৰী দাস লস্কৰ, কাটিগড়া - মিহিৰেশ কুমাৰ ভট্টাচাৰ্য, পশ্চিম গুৱাহাটী - চিত্তৰঞ্জন বেনাৰ্জী, নলবাৰী পশ্চিম - দলাইৰাম পাঠক, নগাঁও - ত্ৰৈলোক্য নাথ শৰ্মা, হোজাই - নাগা লিয়াম, গোলাঘাট - চিত্তৰঞ্জন চক্ৰবৰ্তী, ধেমাজি - শিৱনাথ বৰুৱা, ডিব্ৰুগড় - হেমনাথ গোহাঁই, লাহোৱাল - ডিম্বেশ্বৰ গোহাঁই, জয়পুৰ - শুধীৰ দেৱ, বগদং - বছন তিৱাৰী, তিনিচুকীয়া - ব্ৰীজ কিশোৰ সৰস্বত, ডিগবৈ - নিৰঞ্জন বিশ্বাস, ডুমডুমা - লাৰুৱা ভূমিজ, চৈখোৱা - কুশচন্দ্ৰ গগৈ। ১৯৬৭ চনত নাগপুৰৰ পৰা অসমলৈ শ্ৰীদেৱদাস আপতে (গুৱাহাটী) আৰু শ্ৰীভালচন্দ্ৰ দেশপাণ্ডে (যোৰহাট) লোকসভা সমষ্টিৰ দায়িত্ব পালন কৰিবলৈ আহিছিল। ১৯৬৭ চনত কলিকতাত অনুষ্ঠিত হোৱা জনসংঘৰ চতুৰ্দশ বাৰ্ষিক অধিৱেশনত পণ্ডিত দীনদয়াল উপাধ্যায়ে দলৰ সভাপতিৰ দায়িত্ব গ্ৰহণ কৰিছিল। কিন্তু অতি দুৰভাগ্যজনক যে সভাপতি হোৱাৰ মাত্ৰ ৪৩ দিনৰ পিছতেই, ১৯৬৮ চনৰ ১১ ফেব্ৰুৱাৰীত মোগলচৰাই ৰেল পথৰ সমীপত এক ৰহস্যজনক পৰিস্থিতিত তেওঁৰ মৃতদেহ উদ্ধাৰ হয়। তেওঁৰ বিয়োগে দলটোত এক অপূৰণীয় শূন্যতাৰ সৃষ্টি কৰিছিল যাৰ ফলত দলীয় কাৰ্যকৰ্তাসকল দিশহৰা হৈ পৰিছিল। এনে এক সংকটপূৰ্ণ সন্ধিক্ষণত দলতটোক পুনৰুজ্জীৱিত কৰিবলৈ অটল বিহাৰী বাজপেয়ীয়ে দলৰ সভাপতিৰ গুৰুদায়িত্ব কান্ধত পাতি লৈছিল। বাজপেয়ীৰ নেতৃত্বত জনসংঘই ১৯৭১ চনৰ পঞ্চম লোকসভা নিৰ্বাচনত স্বতন্ত্ৰ পাৰ্টী, সংযুক্ত ছচিয়েলিষ্ট পাৰ্টী আৰু কংগ্ৰেছ (ও)ৰ সৈতে মিত্ৰতা কৰি ২২ খন আসনত ৭.৩৫% ভোট লাভ কৰে।

১৯৭২ চনৰ অসম বিধানসভা নিৰ্বাচনত জনসংঘৰ প্ৰাৰ্থী আছিল সৰভোগত গৰ্গেশ্বৰ দাস আৰু নাজিৰাত ভুপেন গগৈ। ১৯৭১ চনৰ লোকসভা নিৰ্বাচনত পৰাজয়ৰ দায়িত্ব মূৰ পাতি লৈ বাজপেয়ীয়ে দলৰ সভাপতিৰ পদৰ পৰা অব্যাহতি লয় আৰু তাৰ পাছত ১৯৭৩ চনৰ ১১ জানুৱাৰীত দলৰ ৰাষ্ট্ৰীয় সভাপতিৰ দায়িত্ব শ্ৰী লালকৃষ্ণ আদৱানীয়ে গ্ৰহণ কৰে। ১৯৭১ চনৰ বাংলাদেশ মুক্তি যুদ্ধৰ সফলতাই ইন্দিৰা গান্ধীৰ হাতত পুনৰবাৰ ক্ষমতা কেন্দ্ৰীভূত কৰে, যাৰ ফলত ক্ষমতাৰ অপব্যৱহাৰ আৰু অৰ্থনৈতিক বিপৰ্যয় ঘটে। দেশৰ এনে সংকটাপন্ন পৰিস্থিতিৰ বাবে ছচিয়েলিষ্ট পাৰ্টীৰ নেতা জয় প্ৰকাশ নাৰায়ণৰ নেতৃত্বত এক বৃহৎ গণ আন্দোলনৰ সূচনা হয়। ইফালে এলাহাবাদ উচ্চ ন্যায়ালয়ে ইন্দিৰা গান্ধীক নিৰ্বাচনী দুৰ্নীতিৰ বাবে দোষী সাব্যস্ত কৰাত, নিজৰ আসন ৰক্ষাৰ বাবে তেওঁ ১৯৭৫ চনৰ ২৫ জুনত দেশত জৰুৰীকালীন শাসন বলৱৎ কৰে। অটল বিহাৰী বাজপেয়ী, লাল কৃষ্ণ আদৱানী, জয় প্ৰকাশ নাৰায়ণ আদিৰ দৰে নেতাক কাৰাগাৰত আৱদ্ধ কৰাৰ উপৰিও 'আৰ.এচ.এচ'ক দ্বিতীয় বাৰৰ বাবে নিষিদ্ধ কৰি সৰসংঘচালক বালাসাহেৱ দেওৰাসক কাৰাবাস দিয়ে। অসমতো জনসংঘ আৰু সংঘৰ কৰ্মীসকলে চৰকাৰৰ একনায়কত্ববাদৰ বিৰুদ্ধে তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলি কাৰাবৰণ খাটিছিল। অসমৰ তেনে কৰ্মীসকলৰ ভিতৰত আছিল- দক্ষ প্ৰসাদ ডেকা, ভাস্কৰ শৰ্মা, মহীতোষ ৰয়, যাদৱ কলিতা, হৰেকৃষ্ণ ভৰালী, মহাবীৰ স্বামী, শংকৰ লাল শৰ্মা, প্ৰাণতোষ ৰয় আৰু চিত্তৰঞ্জন বেনাৰ্জী, ড° ৰামচন্দ্ৰ ডেকা, গুৰুপ্ৰসাদ ভৌমিক, তনশুখ ৰাশি, জগদীশ শৰ্মা, শৰৎ কলিতা, গিৰীশ কলিতা, বাসুদেৱ গোস্বামী, মহেন্দ্ৰ কোঁচ, চন্দ্ৰকান্ত মহন্ত, ড° দিলীপ চৰকাৰ, ৰঞ্জন বৰা আদি বহুতো নেতা-কৰ্মী। ১৯৭৭ চনত জৰুৰীকালীন অৱস্থা প্ৰত্যাহাৰ কৰাৰ পিছত অনুষ্ঠিত কৰা নিৰ্বাচনত নৱগঠিত জনতা পাৰ্টীয়ে ২৭১ খন আসনত জয়লাভ কৰি কেন্দ্ৰত মোৰাৰজী দেশাইৰ নেতৃত্বত প্ৰথম অ-কংগ্ৰেছী চৰকাৰ গঠন কৰে।

অসমতো জনতা পাৰ্টীয়ে ৫৩ খন আসন লাভ কৰে। জনসংঘৰ নেতা লক্ষেশ্বৰ গোহাঁই কামপুৰ সমষ্টিৰ পৰা নিৰ্বাচিত হৈ গোলাপ বৰবৰা নেতৃত্বাধীন চৰকাৰখনৰ ৰাজহ মন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰিছিল। আৰু পিছলৈ তেওঁ বিজেপি দলৰ দ্বিতীয় গৰাকী সভাপতি হিচাপে দায়িত্ব গ্ৰহণ কৰিছিল।

১৯৮০ চনৰ সাধাৰণ নিৰ্বাচনত জনতা পাৰ্টীয়ে ৩১ খন আসন লাভ কৰে (যাৰ ভিতৰত ১৬ খনত জনসংঘ জয়ী হৈছিল)। জনতা পাৰ্টিৰ আভ্যন্তৰীণ কন্দল আৰু দলীয় বিসম্বাদৰ ফলত মোৰাৰজী দেশাইৰ চৰকাৰখন অকালতে পতন ঘটে। তদুপৰি জনতা পাৰ্টিৰ একাংশ নেতাই পূৰ্বৰ পৰাই জনসংঘৰ নেতাসকলৰ 'দ্বৈত সদস্যপদ' (অৰ্থাৎ জনতা পাৰ্টী আৰু 'আৰ এছ এছ' দুয়োৰে সদস্য) হৈ থকাৰ প্ৰসঙ্গত বিবাদৰ সৃষ্টি হৈছিল। সেই সূত্ৰে বাজপেয়ীৰ নেতৃত্বত জনসংঘৰ নেতাসকলে 'আৰ এছ এছ'ৰ আদৰ্শৰ প্ৰতি থকা প্ৰতিশ্ৰুতিবদ্ধতাক অগ্ৰাধিকাৰ দি অৱশেষত জনতা পাৰ্টী পৰিত্যাগ কৰে। ১৯৮০ চনৰ ৫ আৰু ৬ এপ্ৰিলত বাজপেয়ীৰ নেতৃত্বত জনসংঘৰ নেতাসকলে নতুন দিল্লীৰ ফিৰোজ শ্বাহ কোটলা খেলপথাৰত অনুষ্ঠিত কৰা দুদিনীয়া সন্মিলনত ৩,৬৮৩ জন সদস্যৰ উপস্থিতিত 'ভাৰতীয় জনতা পাৰ্টি'ৰ আনুষ্ঠানিকভাৱে প্ৰতিষ্ঠা কৰে। বিজেপিৰ প্ৰতিষ্ঠাপক সভাপতি অটল বিহাৰী বাজপেয়ীয়ে সেই সন্মিলনত ঐতিহাসিক ভৱিষ্যদ্বাণী কৰি কৈছিল - 'অন্ধেৰা ছাটেগা, সুৰ'জ নিকলেগা, কমল খিলেগা'। ১৯৮০ চনত বোম্বাইত অনুষ্ঠিত হোৱা বিজেপিৰ প্ৰথম অধিৱেশনত অসমৰ পৰা প্ৰতিনিধিত্ব কৰিছিল কবীন্দ্ৰ পুৰকায়স্থ, লক্ষেশ্বৰ গোহাঁই, মহীতোষ ৰয়, ভাস্কৰ শৰ্মা, পাৰ্বতী প্ৰসাদ গোস্বামী আৰু ৰমেন ডেকাই। বাজপেয়ীয়ে অসমত বিজেপিৰ ভেটি স্থাপন কৰিবলৈ তদৰ্থ সমিতিৰ আহ্বায়কদ্বয় হিচাপে কবীন্দ্ৰ পুৰকায়স্থ আৰু লক্ষেশ্বৰ গোহাঁইক দায়িত্ব দিয়ে। সেইমৰ্মে উজানবজাৰস্থিত প্ৰথম কাৰ্যালয়ত কৰ্ণেল উমানাথ শৰ্মাক প্ৰথম ৰাজ্যিক সভাপতি হিচাপে দায়িত্ব প্ৰদান কৰি অসমত বিজেপিৰ যাত্ৰা আৰম্ভ হয়। অসমত বিজেপিৰ ভেটি প্ৰতিষ্ঠা কৰাৰ সময়ত ৰাজ্যখন প্ৰতিকূল পৰিস্থিতিৰ মাজত আৱদ্ধ হৈ আছিল। ১৯৭৯ চনত মঙলদৈ লোকসভা সমষ্টিৰ জনতা পাৰ্টিৰ সাংসদ হীৰালাল পাটোৱাৰীৰ মৃত্যুৰ পিছত ভোটাৰ তালিকাত অস্বাভাৱিকভাৱে অবৈধ বাংলাদেশীৰ নাম সন্নিবিষ্ট হোৱাৰ তথ্য পোহৰলৈ আহে। ইয়াৰ পাছতে আছু আৰু অসম গণসংগ্ৰাম পৰিষদৰ উদ্যোগত ঐতিহাসিক অসম আন্দোলনৰ সূচনা হয়। ১৯৮০ চনত শাসনলৈ অহা ইন্দিৰা গান্ধীয়ে আন্দোলনটোক কঠোৰভাৱে দমন কৰিবলৈ চেষ্টা কৰে। ১৯৮০ চনৰ লোকসভা নিৰ্বাচনত বৰপেটা সমষ্টিৰ কংগ্ৰেছৰ প্ৰাৰ্থী বেগম অবিদা আহমেদে মনোনয়ন পত্ৰ দাখিল কৰিব যাওঁতে বাধা প্ৰদান কৰা আছু কৰ্মী খৰ্গেশ্বৰ তালুকদাৰৰ (প্ৰথম শ্বহীদ) মৃত্যুৰ খবৰে পৰিস্থিতি অধিক উত্তপ্ত কৰি তোলে যাৰ ফলত ৰাজ্যত প্ৰথমবাৰলৈ ৰাষ্ট্ৰপতি শাসন বলবৎ কৰা হয়। পৰৱৰ্তী সময়ত কংগ্ৰেছৰ আনোৱাৰা টাইমুৰ চৰকাৰেও একেই কঠোৰ নীতিৰে আন্দোলনটোক নিঃশেষ কৰিবলৈ চেষ্টা কৰাত পুনৰ পৰিস্থিতি সংকটজনক হৈ পৰে আৰু দ্বিতীয়বাৰৰ বাবে ৰাষ্ট্ৰপতি শাসন জাৰি কৰা হয়। অসম আন্দোলনৰ ন্যায্য দাবী আৰু বিদেশী সমস্যাৰ ওপৰত দেশবাসীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সংসদত অটল বিহাৰী বাজপেয়ীয়ে ১৯৮২ চনৰ ২১ ডিচেম্বৰত এক ঐতিহাসিক ভাষণ - "Assam Problem, Repression No Solution" প্ৰদান কৰিছিল যি আজিও অসমবাসীৰ মনত সতেজ হৈ আছে।

১৯৮৩ চনত 'আৰ এছ এছৰ' ছাত্ৰ সংগঠন 'এবিভিপি'ৰ অসম প্ৰান্তৰ সাংগঠনিক সাধাৰণ সম্পাদক ভি সতীশৰ নেতৃত্বত আছু নেতা প্ৰফুল্ল কুমাৰ মহন্ত, ভৃগু কুমাৰ ফুকন সহিতে এটা সজাঁতি দল দেশৰ প্ৰান্তে প্ৰান্তে অৱস্থিত বিশ্ববিদ্যালয় সমূহ ভ্ৰমণ কৰি অসমৰ অস্তিত্ব ৰক্ষা আন্দোলনৰ বাবে যুৱ প্ৰজন্মৰ সঁহাৰি বুটলিছিল। ভাৰতৰ সাৰ্বভৌমত্ব, অখণ্ডতা আৰু আভ্যন্তৰীণ সুৰক্ষাৰ প্ৰতি অহা ভাবুকিৰ সাৰমৰ্ম বুজাবলৈ বজ্ৰধ্বনী দিছিল-'Save Assam Today, To Save India Tomorrow'। ১৯৮৩ চনত গুৱাহাটীৰ জৰ্জ খেলপথাৰত অনুষ্ঠিত হোৱা এখন বিশাল প্ৰতিবাদী কাৰ্যসূচীত তদানীন্তণ 'এবিভিপি'ৰ ৰাষ্ট্ৰীয় সম্পাদক সুশীল মোডী আৰু গুজৰাট 'এবিভিপি'ৰ ছাত্ৰ নেতা বৰ্তমানৰ গৃহমন্ত্ৰী শ্ৰীঅমিত শ্বাহ ডাঙৰীয়া উপস্থিত হৈ ১৯৮৩ চনত কেন্দ্ৰীয় চৰকাৰে ভোটাৰ তালিকা সংশোধন নকৰাকৈ বলপূৰ্বকভাৱে নিৰ্বাচন জাপি দিয়া কংগ্ৰেছ চৰকাৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ কৰিছিল। এনে জটিল পৰিস্থিতিত অসমবাসীৰ আৱেগক সন্মান জনাই নৱগঠিত বিজেপিয়ে এই অবৈধ নিৰ্বাচনটো সম্পূৰ্ণৰূপে বৰ্জন কৰাৰ লগতে আন্দোলনত সক্ৰিয়ভাৱে ভাগ লৈছিল। বলপূৰ্বকভাৱে জাপি দিয়া এই নিৰ্বাচনৰ পৰিণতি আছিল অত্যন্ত ভয়াৱহ আৰু ৰক্তাক্ত, যাৰ আটাইতকৈ কলংকিত পৰিণাম আছিল ১৯৮৩ চনৰ ১৮ ফেব্ৰুৱাৰীত সংঘটিত হোৱা কুখ্যাত 'নেলীৰ হত্যাকাণ্ড' য'ত ৩,০০০ তকৈও অধিক লোকে প্ৰাণ হেৰুৱাইছিল। এনে অস্থিৰ পৰিস্থিতিৰ মাজত কেন্দ্ৰীয় নিৰ্বাচন আয়োগে ইন্দীৰা গান্ধীৰ নিৰ্দেশমতে অসমত নিৰ্বাচন অনুষ্ঠিত কৰি মাত্ৰ ৩১.৫% ভোটদানেৰে কংগ্ৰেছে ১০৯ খনৰ ভিতৰত ৯১ খন আসন লাভ কৰি হিতেশ্বৰ শইকীয়াৰ নেতৃত্বত এখন অবৈধ চৰকাৰ গঠন কৰে। কিন্তু নিয়তিৰ কি বৰ্ণিল পৰিহাস, ১৯৮৪ চনত ইন্দিৰা গান্ধীৰ মৃত্যু পাছত অসমৰ ডেকা শক্তি

ইন্দিৰা গান্ধীৰ চৰকাৰৰ বৰ্বৰতাৰ পৰা ৰক্ষা পৰে। অসমৰ ৮৬০ জন শ্বহীদৰ প্ৰাণৰ বিনিময়ত ১৯৮৫ চনত প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ নেতৃত্বত কংগ্ৰেছ চৰকাৰ আৰু 'আছু'ৰ মাজত ঐতিহাসিক 'অসম চুক্তি' খন স্বাক্ষৰিত হয়। ইয়াৰ পিছত অসমত হিতেশ্বৰ শইকীয়াৰ অবৈধ চৰকাৰখন ভংগ কৰি দিয়া হয় আৰু নতুনকৈ ডিচেম্বৰত নিৰ্বাচন অনুষ্ঠিত কৰে। এই নিৰ্বাচনৰ প্ৰাক মুহূৰ্তত সংখ্যালঘুসকলৰ স্বাৰ্থ ৰক্ষা আৰু 'অসম চুক্তিৰ' বিৰোধিতা কৰি সংখ্যালঘু নেতাসকলে 'সংযুক্ত সংখ্যালঘু মৰ্চা' নামৰ এটা নতুন দল গঠন কৰে। এই দলে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি ১৭ খনত আসন ১০.৫৮% ভোট লাভ কৰি কংগ্ৰেছৰ ভোটবেংকত খহনীয়া সৃষ্টি কৰে। ইফালে অসম আন্দোলনৰ নেতৃত্ব বহন কৰা 'অসম গণ সংগ্ৰাম পৰিষদ' আৰু আছুৰ যৌথ উদ্যোগত আত্মপ্ৰকাশ কৰা 'অসম গণ পৰিষদ'এ অসমীয়া জাতীয়তাবাদৰ জোৱাৰ তুলি প্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বত প্ৰথম আঞ্চলিক চৰকাৰ গঠন কৰে। বিজেপিয়ে ১৯৮৩ চনৰ নিৰ্বাচন বৰ্জন কৰাৰ পিছত সাংগঠনিক দুৰ্বলতাৰ বাবে ১৯৮৫ চনত এখনো আসন লাভ কৰিব নোৱাৰিলে যদিও ৰাইজৰ মনত এক সুকীয়া স্থান লাভ কৰিলে। সেই নিৰ্বাচনত বিজেপি দলৰ নেতা কবীন্দ্ৰ পুৰকায়স্থ, ৰমেন ডেকা, ভাস্কৰ শৰ্মা, মহীতোষ ৰয়, হৰেকৃষ্ণ ভৰালীকে আদি কৰি ৩২ জন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছিল। অগপ চৰকাৰৰ দিনত সশস্ত্ৰ উগ্ৰপন্থী সংগঠন 'আলফা'ৰ সক্ৰিয়তা অধিক বৃদ্ধি পায়। অখণ্ড ভাৰতৰ মতাদৰ্শত বিশ্বাসী ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘক লক্ষ্য কৰি আলফাই ধাৰাবাহিক আক্ৰমণ চলায়।

১৯৯০ চনত কামৰূপ জিলা প্ৰচাৰক মুৰলী মনোহৰক অপহৰণ কৰি হত্যা কৰাৰ পৰা ১৯৯১ চনত বৰপেটা জিলাৰ প্ৰচাৰক প্ৰমোদ দীক্ষিতক আলফাই হত্যা কৰে আৰু কোকৰাঝাৰ জিলাৰ প্ৰচাৰক ওম প্ৰকাস চতুৰ্বেদীক উগ্ৰপন্থীয়ে হত্যা কৰে। ২০০৫ চনত নলবাৰী বিভাগ কাৰ্যৱাহ শুক্লেশ্বৰ মেধীক আলফাই নৃশংসভাৱে হত্যা কৰিছিল। এনে ভয়াবহ পৰিস্থিতিৰ মাজতো সংঘই অসমত নিজৰ কাম স্তব্ধ হ'বলৈ দিয়া নাছিল। গাঁৱে-ভূঞে, বিশেষকৈ জনজাতীয় আৰু দুৰ্গম অঞ্চলসমূহত সেৱামূলক কাৰ্যসূচী আৰু শাখাৰ জৰিয়তে নিজৰ ভেটি সুদৃঢ় কৰা সংগ্ৰাম অব্যাহত ৰাখিছিল। আলফাৰ দেশ বিৰুধী কাৰ্যকলাপৰ বাবে ৰাজ্যখনৰ আইন-শৃংখলাৰ চৰম অৱনতি ঘটে যাৰ বাবে ১৯৮৯ চনত পুনৰ অসমত ৰাষ্ট্ৰপতি শাসন বলবৎ প্ৰয়োগ কৰিছিল যাৰ বাবে সেই বছৰৰ সাধাৰণ নিৰ্বাচন অনুষ্ঠিত কৰিব পৰা নগ'ল। অৱশেষত ১৯৯১ চনত অসম বিধানসভা আৰু লোকসভা নিৰ্বাচন যুটীয়াভাৱে অনুষ্ঠিত হয় আৰু হিতেশ্বৰ শইকীয়াৰ নেতৃত্বত কংগ্ৰেছে মাত্ৰ ২৯.৩০% ভোট লাভ কৰি ৬৬ খন আসনত জয়ী হৈ চৰকাৰ গঠন কৰে। এই নিৰ্বাচনত অগপ দলে ১৭.৯৩% ভোটেৰে মাত্ৰ ১৯ খন আসনহে লাভ কৰে। ১৯৯১ চনৰ বিধানসভা নিৰ্বাচনত অসমৰ ৰাজনীতিত শক্তিশালী ভাৱে বিজেপিয়ে নিজৰ ভেটি স্থাপন কৰিছিল। ১৯৮৩ চনৰ নিৰ্বাচন বৰ্জন পৰা জৰুৰীকালীন অৱস্থালৈ 'আৰ.এচ.এচ' আৰু বিজেপিয়ে তৃণমূল পৰ্যায়ত কৰা নিৰন্তৰ সংগ্ৰামৰ ফলশ্ৰুতিত, ১৯৯১ নিৰ্বাচনত বিশেষকৈ বৰাক উপত্যকাৰ ৰাইজৰ সমৰ্থন বুটলিবলৈ সক্ষম হয়। বিজেপিয়ে ৬.৫৫% ভোটৰ বিনিময়ত প্ৰথমবাৰৰ বাবে ১০ খন বিধানসভা আসন লাভ কৰে। ১৯৯১ চনত জয়লাভ কৰা বিধানসভা সমষ্টি সমূহ ঃ ৰাতাবাৰী - ৰাম পিয়াৰী ৰবিদাস, পাথাৰকান্দি - মধুসূধন তিৱাৰী, উত্তৰ কৰিমগঞ্জ - মিচন ৰঞ্জন দাস, দক্ষিণ কৰিমগঞ্জ - প্ৰণৱ কুমাৰ নাথ, হাইলাকান্দি- চিত্তেন্দ্ৰনাথ মজুমদাৰ, সোনাই- বদ্ৰীনাৰায়ণ সিং, ধলাই - পৰিমল শুক্লবৈদ্য, কাটিগৰা - কালিৰঞ্জন দেৱ, শিলচৰ - সমৰেন্দ্ৰ নাথ সেন, ধুবুৰী - ধ্ৰুৱ কুমাৰ সেন। একেদৰে, ১৯৯১ চনৰ লোকসভা নিৰ্বাচনত অসমত প্ৰথমবাৰৰ বাবে ২ খন লোকসভা আসন - কবীন্দ্ৰ পুৰকায়স্থ (শিলচৰ) আৰু দ্বাৰকা নাথ দাস (কৰিমগঞ্জ) লাভ কৰে। উল্লেখনীয় যে, ১৯৯৩ চনৰ গুৱাহাটী পৌৰনিগম নিৰ্বাচনত বিজেপি গুৱাহাটী মহানগৰৰ জিলা সভাপতি পাৰ্ৱতী প্ৰসাদ গোস্বামীৰ নেতৃত্বত বিজেপিৰ ৯ জন পাৰিষদে জয়লাভ কৰি নগৰীয়া ৰাজনীতিতো নিজৰ ভেটি শক্তিশালী কৰে।

১৯৯৬ চনৰ লোকসভা নিৰ্বাচনত বিজেপিয়ে ১৬১ খন আসনত জয়লাভ কৰি অটল বিহাৰী বাজপেয়ীৰ নেতৃত্বত প্ৰথমবাৰৰ বাবে কেন্দ্ৰত বিজেপিৰ চৰকাৰ গঠন কৰিছিল। অৱশ্যে, আৱশ্যকীয় ২৭২ খন আসনৰ সংখ্যাগৰিষ্ঠতা প্ৰমাণ কৰিব নোৱাৰি মাত্ৰ ১৩ দিনতে বাজপেয়ীয়ে পদত্যাগ কৰিবলগীয়া হয়। ১৯৯৬ চনৰ নিৰ্বাচনত অসমৰ পৰা কেৱল কৰিমগঞ্জ সমষ্টিৰ পৰা দ্বাৰকা নাথ দাস জয়ী হৈছিল। সেইবছৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে বিজেপিৰ বকো সমষ্টিৰ প্ৰাৰ্থী ললিত মেচ'ক উগ্ৰপন্থী সংগঠন 'এনডিএফবি'য়ে হত্যা কৰে। এনে ভয়াবহ পৰিৱেশৰ মাজতো ১৯৯৬ চনৰ অসম বিধানসভা নিৰ্বাচনত বিজেপিয়ে ৪ খন আসন লাভ কৰে, ৰাতাবাৰী - শম্ভুসিং মাল্লা, পাথাৰকান্দি - সুখেন্দু শেখৰ দত্ত, শিলচৰ - বিমলাংশু ৰয়, কাটিগৰা - কালিৰঞ্জন দেৱ। পৰৱৰ্তী ১৯৯৮ চনৰ লোকসভা নিৰ্বাচনত বিজেপিয়ে অকলে ১৮২ খন আসন লাভ কৰি সহযোগী দলসমূহৰ সমৰ্থনত অটল বিহাৰী বাজপেয়ীয়ে দ্বিতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে চৰকাৰ গঠন কৰে। এই নিৰ্বাচনত শিলচৰ সমষ্টিৰ

পৰা কবীন্দ্ৰ পুৰকায়স্থ জয়ী হৈ বাজপেয়ী চৰকাৰত যোগাযোগ মন্ত্ৰালয়ৰ ৰাজ্যিক মন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰিছিল। কিন্তু এই দ্বিতীয়টো কাৰ্যকাল আছিল অত্যন্ত জটিল, 'এআইএডিএমকে'ৰ মুৰব্বী জয়ললিতাই নিজৰ ৰাজনৈতিক স্বাৰ্থক প্ৰাধান্য দি বাজপেয়ী চৰকাৰৰ প্ৰতি থকা সমৰ্থন প্ৰত্যাহাৰ কৰে, যাৰ ফলত বিজেপিৰ মাত্ৰ ১ টা ভোটৰ ব্যৱধানত ১৩ মহীয়া চৰকাৰখনৰ পতন ঘটে। অৱশ্যে, ১৯৯৯ চনৰ মধ্যৱৰ্তী নিৰ্বাচনত বিজেপিয়ে প্ৰথমবাৰৰ বাবে এখন সুস্থিৰ চৰকাৰ গঠন কৰে। এই নিৰ্বাচনৰ প্ৰাকক্ষণত ধুবুৰী সমষ্টিৰ বিজেপি প্ৰাৰ্থী পান্নালাল অচ'ৱালক আলফাই নৃশংসভাৱে হত্যা কৰিছিল।

১৯৯৯ চনত বিজেপিয়ে অসমৰ পৰা দুখন লোকসভা আসন দখল কৰিবলৈ সক্ষম হৈছিল - বিজয়া চক্ৰৱৰ্তী (গুৱাহাটী) আৰু ৰাজেন গোঁহাই (নগাঁও)। বাজপেয়ীৰ নেতৃত্বত বিজেপি চৰকাৰৰ মন্ত্ৰীসভাত বিজয়া চক্ৰৱৰ্তীয়ে জলসম্পদ মন্ত্ৰালয়ৰ ৰাজ্যিক মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। অসমত বিজেপিৰ ৰাজনৈতিক ইতিহাসৰ এক গুৰুত্বপূৰ্ণ ক্ষণস্বৰূপে ২০০১ চনৰ বিধানসভা নিৰ্বাচনত 'বিজেপি-অগপ'ৰ নিৰ্বাচনী মিত্ৰতা এক ঐতিহাসিক হিচাপে বিবেচিত হয়। বিজেপিয়ে ৩৭ খন আসনত (বৰাক উপত্যকাত - ১৩ খন আৰু ব্ৰহ্মপুত্ৰ উপত্যকাত - ২৪ খন) প্ৰতিদ্বন্দিতা কৰি ৮ খন আসন লাভ কৰে (উত্তৰ কৰিমগঞ্জ - মিছ্ন ৰঞ্জন দাস, শিলচৰ - বিমলাংশু ৰায়, ধলাই - পৰিমল শুক্লবৈধ্য, কাটিগঢ়া - কালিৰঞ্জন দেৱ, গোলকগঞ্জ - দীনেশ চন্দ্ৰ চৰকাৰ, বিহালী - ৰঞ্জিত দত্ত, লামডিং - সুশীল দও, দুলীয়াজান - ৰামেশ্বৰ তেলি। ২০০১ চনৰ নিৰ্বাচনত আলফাই ডিব্ৰুগড় সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী জয়ন্ত দত্তৰ লগতে বিজেপিৰ কৰ্মী বীৰেণ ফুকন, প্ৰশান্ত গগৈক হত্যা কৰিছিল আৰু মৃদুল গগৈক গুলিয়াই ঘূণীয়া কৰে। ২০০১ চনৰ নিৰ্বাচনত অগপ চৰকাৰৰ দিনত হোৱা গুপ্ত হত্যা আৰু অৰাজকতাৰ বাবে চৰকাৰৰ পতন ঘটে আৰু কংগ্ৰেছে তৰুণ গগৈৰ নেতৃত্বত ৭১ খন আসনৰ সৈতে পুনৰ শাসনলৈ উভতি আহে। ২০০৪ চনৰ লোকসভা নিৰ্বাচনত অসমত কেৱল দুজন বিজেপি সাংসদ জয়ী হৈছিল (মঙ্গলদৈ - নাৰায়ণ চন্দ্ৰ বৰকটকী আৰু নগাঁও - ৰাজেন গোঁহাই)। গুৱাহাটী সমষ্টিৰ পৰা বিশিষ্ট শিল্পী ড° ভূপেন হাজৰিকাই বিজেপিৰ প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দিতা কৰিছিল যদিও নিৰ্বাচনত জয়যুক্ত হ'ব নোৱাৰিলে।

২০০৫ চনত উচ্চতম ন্যায়ালয়ে 'আইএমডিটি' আইনখন বাতিল কৰাৰ পিছত বিজেপিয়ে অবৈধ অনুপ্ৰৱেশকাৰী চিনাক্তকৰণৰ বিষয়টোক অধিক তীব্ৰতৰ কৰি তোলে। তৰুণ গগৈ চৰকাৰৰ স্বাৰ্থন্বেষী নীতিৰ বিৰুদ্ধে ২০০৬ চনৰ বিধানসভা নিৰ্বাচনত শক্তিশালী ভাৱে যুজ দিবলৈ বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক প্ৰমোদ মহাজনক অসমৰ নিৰ্বাচনী প্ৰভাৰী হিচাপে দায়িত্ব দিয়ে। এই নিৰ্বাচনত বিজেপিয়ে ১১.৯৮% ভোটৰ হাৰত নিজাববীয়াকৈ ১০ খন আসন দখল কৰিবলৈ সক্ষম হয় (ৰাতাবাৰী - শম্ভুসিং মাল্লা, পাথাৰকান্দি - কাৰ্তিক সেনা সিনহা, উত্তৰ কৰিমগঞ্জ - মিছ্ন ৰঞ্জন দাস, ধলাই - পৰিমল শুক্লবৈদ্য, বৰখলা - ৰুমী নাথ, ৰাঙাপাৰা - অভিজিত হাজৰিকা, বিহালী - ৰণজিৎ দত্ত, লামডিং - সুশীল দত্ত, ডিব্ৰুগড় - প্ৰশান্ত ফুকন, দুলীয়াজান - ৰামেশ্বৰ তেলি)। ২০05 চনত উচ্চতম ন্যায়ালয়ে 'আইএমডিটি' আইন বাতিল কৰা পাছত ধৰ্মীয় সংখ্যালঘু সমাজৰ স্বাৰ্থত মৌলানা বদৰুদ্দিন আজমলে 'এআইইউডিএফ' নামৰ এটা ৰাজনৈতিক দল গঠন কৰি ২০০৬ চনৰ বিধানসভা নিৰ্বাচনত কংগ্ৰেছৰ লগত গোপনে নিৰ্বাচনী মিত্ৰতা কৰে। ২০০৯ চনৰ লোকসভা নিৰ্বাচনত বিজেপি-অগপ মিত্ৰজোঁটে ১৪ খন আসনৰ ভিতৰত ৪ খন আসন লাভ কৰে (গুৱাহাটী - বিজয়া চক্ৰৱৰ্তী, মঙ্গলদৈ - ৰমেন ডেকা, নগাঁও - ৰাজেন গোঁহাই, শিলচৰ - কবীন্দ্ৰ পুৰকায়স্থ)।

২০১১ চনৰ বিধানসভা নিৰ্বাচনত তৰুণ গগৈয়ে এককভাৱে ৭৮ খন আসন লাভ কৰি তৃতীয়বাৰৰ বাবে চৰকাৰ গঠন কৰে। বিজেপিয়ে ১১.৪৭% ভোট লাভ কৰি ৫ খন আসন লাভ কৰিছিল (সৰভোগ - ৰণজিৎ কুমাৰ দাস, পাটাছাৰকুছি - মনোৰঞ্জন দাস, কমলপুৰ - যাদৱ চন্দ্ৰ ডেকা, ডিব্ৰুগড় - প্ৰশান্ত ফুকন, ডুমডুমা - দিলীপ মৰাণ'। অৱশ্যে, এই চৰকাৰৰ শেষৰভাগত সমগ্ৰ অসম জুৰি তীব্ৰ প্ৰশাসনিক স্থবিৰতা আৰু দুৰ্নীতিৰ কৰাল ছাঁই গ্ৰাস কৰি পেলাইছিল। অসম লোকসেৱা আয়োগৰ কুখ্যাত চাকৰি বিক্ৰীৰ কেলেংকাৰী, উত্তৰ কাছাৰ পাৰ্বত্য জিলা স্বায়ত্বশাসিত পৰিষদৰ এহেজাৰ কোটি টকীয়া বৃহৎ বিত্তীয় কেলেংকাৰী, ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী (এন আৰ চি) উন্নীতকৰণৰ ক্ষেত্ৰত চৰকাৰৰ হেমাহি, কংগ্ৰেছে বদৰুদ্দিন আজমলৰ সৈতে কৰা গোপন বুজাবুজি আৰু ভোট মেৰুকৰণৰ ৰাজনীতিয়ে অসমৰ শাসন ব্যৱস্থা অচলাৱস্থা কৰি পেলাইছিল।

২০০০ চনত আছুৰ জনপ্ৰিয় নেতা সৰ্বানন্দ সোণোৱালে উচ্চতম ন্যায়ালয়ত এখন লেখ আবেদন দাখিল কৰিছিল যাৰ ফলস্বৰূপে ২০০৫ চনৰ ১২ জুলাইত 'আইএমডিটি' আইনখনক অসাংবিধানিক ঘোষণা কৰি খাৰিজ কৰে। এই ৰায়দানৰ বাবে খিলঞ্জীয়া ৰাইজৰ সৰ্বসন্মত সহাৰিৰে সোণোৱালক 'জাতীয় নায়ক' উপাধিৰে অলংকৃত কৰে। দীৰ্ঘদিন ধৰি আঞ্চলিক ৰাজনীতিৰ স্থবিৰতাৰ মাজত থাকি অসমীয়াৰ অস্তিত্ব সুৰক্ষিত কৰিব নোৱাৰি বুলি উপলব্ধি কৰি

সোণোৱালে ২০১১ চনৰ ফেব্ৰুৱাৰী মাহত বিজেপিত যোগদান কৰে আৰু ২০১২ চনত তেওঁক ৰাজ্যিক সভাপতিৰ গুৰুদায়িত্ব অৰ্পণ কৰা হয়। ২০১৪ চনৰ ঐতিহাসিক লোকসভা নিৰ্বাচনত নৰেন্দ্ৰ মোদীৰ অভূতপূৰ্ব জনপ্ৰিয়তা আৰু কংগ্ৰেছ বিৰোধী বতাহৰ প্ৰভাৱত বিজেপিয়ে অসমৰ ইতিহাসত প্ৰথমবাৰৰ বাবে ১৪ খন আসনৰ ভিতৰত ৭ খন আসন অভূতপূৰ্ব ৩৬.৯% ভোটৰ অংশীদাৰিত্বৰে দখল কৰে। এই সফলতাৰ পুৰস্কাৰ স্বৰূপে সৰ্বানন্দ সোণোৱালক কেন্দ্ৰীয় কেবিনেটত 'কেন্দ্ৰীয় স্বতন্ত্ৰ ৰাজ্যিক ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী' হিচাপে গুৰুত্বপূৰ্ণ দায়িত্ব অৰ্পণ কৰে। ইয়াৰ পৰৱৰ্তী সময়ত অসমৰ ৰাজনীতিত ৰাষ্ট্ৰবাদী মতাদৰ্শ আৰু বিকাশৰ ধাৰাক নতুন গতি প্ৰদান কৰা ড° হিমন্ত বিশ্ব শৰ্মাৰ দূৰদৰ্শী নেতৃত্ব আৰু প্ৰশাসনিক বিচক্ষণতাৰ বাবে তেখেতক 'উত্তৰ-পূৰ্বাঞ্চলৰ অপ্ৰতিৰোধ্য নেতা' হিচাপে অভিহিত কৰা হয়। ২০১৫ চনৰ আগষ্ট মাহত বিজেপিত যোগদান কৰাৰ পিছত তেওঁ 'নেদা'ৰ আহ্বায়ক হিচাপে সমগ্ৰ উত্তৰ-পূবত বিজেপিৰ ভেটি শক্তিশালী কৰে। ড° শৰ্মাৰ অপূৰ্ব ৰণকৌশল আৰু সৰ্বানন্দ সোণোৱালৰ জাতীয় ভাৱমূৰ্তিৰ যুগলবন্দীয়ে ২০১৬ চনৰ বিধানসভা নিৰ্বাচনত (মিত্ৰজোঁটৰ ভোটৰ অংশ ৪১.৫% 'জাতি-মাটি-ভেটি'ৰ সুৰক্ষাৰ বাবে শক্তিশালী মিত্ৰজোঁট গঠন কৰি ৬৮ খন আসনেৰে অসমত প্ৰথমবাৰৰ বাবে বিজেপি চৰকাৰ প্ৰতিষ্ঠা কৰে। সোণোৱাল চৰকাৰৰ দিনত লোৱা উল্লেখনীয় পদক্ষেপ যেনে - দুৰ্নীতিৰ বিৰুদ্ধে 'শূন্য সহনশীলতা' নীতি, 'এপিএছচি' কেলেংকাৰীৰ বিৰুদ্ধে কঠোৰ অভিযান চলাই চৰকাৰী নিযুক্তি প্ৰক্ৰিয়াত স্বচ্ছতা ঘূৰাই অনা। ২০১৭ চনত ধলা-শদিয়া সংযোগী ভাৰতৰ দীৰ্ঘতম 'ড° ভূপেন হাজৰিকা সেতু' আৰু ২০১৮ চনত দেশৰ দীৰ্ঘতম ৰে'ল-পথ যুক্ত 'বগীবিল দলং' মুকলি। লগতে বিশ্বৰ উদ্যোগিক বিনিয়োগ আকৰ্ষণ কৰিবলৈ 'এডভান্টেজ আছাম' গোলকীয় বিনিয়োগকাৰী সন্মিলনৰ আয়োজন। সামাজিক কল্যাণ আৰু মহিলা সৱলীকৰণৰ লক্ষ্যৰে ঐতিহাসিক 'অৰুণোদয়' আঁচনিৰ সূচনা। সত্ৰৰ বেদখলকৃত ভূমি মুক্ত কৰা আৰু কাজিৰঙাৰ এশিঙীয়া গড়ৰ সুৰক্ষাৰ বাবে চোৰাং চিকাৰীৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰে।

২০১৯ চনৰ 'কা' আন্দোলনৰ ধুমুহা আৰু ২০২০ চনৰ ক'ভিড মহামাৰীৰ সংকটকালত তদানীন্তণ স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত আগবঢ়োৱা অনৱদ্য মানৱীয় নেতৃত্ব তথা বিভিন্ন জনকল্যাণমুখী আঁচনিয়ে ৰাইজৰ মাজত অভূতপূৰ্ব বিশ্বাসৰ সৃষ্টি কৰে। ২০২০ চনৰ ঐতিহাসিক ত্ৰিপাক্ষিক বড়ো শান্তি চুক্তি স্বাক্ষৰ কৰি কেইবা দশক পুৰণি বড়োলেণ্ড সমস্যাৰ অন্ত পৰে আৰু হাজাৰ হাজাৰ উগ্ৰপন্থী মূলসুঁতিলৈ উভতি আহে। ইয়াৰ ফলস্বৰূপে, ২০২১ চনৰ নিৰ্বাচনত 'বিজেপিৰ একক ভোটৰ অংশ ৩৭.৮৩% মিত্ৰজোঁটে পুনৰ বিজয় সাব্যস্ত কৰে আৰু ড° হিমন্ত বিশ্ব শৰ্মাই অসমৰ ১৫ সংখ্যক মুখ্যমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে। তেখেতে দায়িত্ব গ্ৰহণ কৰাৰ পাছত লোৱা আটাইতকৈ গুৰুত্বপূৰ্ণ পদক্ষেপসমূহ - 'মিছন বসুন্ধৰা'ৰ জৰিয়তে খিলঞ্জীয়া জনসাধাৰণক ভূমিপট্টা প্ৰদান কৰা, সত্ৰ আৰু বনাঞ্চলৰ বেদখলকৃত ভূমি কঠোৰহস্তে পুনৰুদ্ধাৰ কৰা আৰু অনুপ্ৰবেশকাৰী চিনাক্তকৰণ প্ৰক্ৰিয়া তীব্ৰতৰ কৰা। উল্লেখযোগ্য যে অসম চৰকাৰে এক যুগান্তকাৰী পদক্ষেপ হিচাপে ১ লাখ মেধাৱী যুৱক-যুৱতীক সম্পূৰ্ণ স্বচ্ছ আৰু নিকাভাৱে চৰকাৰী চাকৰি প্ৰদান কৰি নিযুক্তিৰ ক্ষেত্ৰত নতুন অভিলেখ গঢ়িলে। চিকিৎসা ক্ষেত্ৰত গুৱাহাটীত উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন 'এইমছ্' হাস্পতাল স্থাপন হ'ল, ব্ৰহ্মপুত্ৰৰ ওপৰত কেইবাখনো বৃহৎ দলং নিৰ্মাণ কৰা আৰু জাগীৰোডত টাটা গ্ৰুপৰ সহযোগত দেশৰ অন্যতম বৃহৎ ছেমিকণ্ডাক্টৰ উদ্যোগ স্থাপনৰ কাম আৰম্ভ হ'ল।

২০২৬ চনৰ নিৰ্বাচনৰ পূৰ্বে খিলঞ্জীয়াৰ ৰাজনৈতিক ভৱিষ্যত সুনিশ্চিত কৰিবলৈ সমষ্টি পুনৰ নিৰ্ধাৰণ প্ৰক্ৰিয়া সফলতাৰে সম্পন্ন কৰা হ'ল। এই সমূহ উন্নয়নমূলক সফলতা আৰু খিলঞ্জীয়া সুৰক্ষা নীতিৰ ফলশ্ৰুতিত, ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত (বিজেপিৰ একক ভোটৰ অংশ ৩৭.৮১%, মিত্ৰজোঁটৰ মুঠ ভোটৰ অংশ ৪৮.২%) লাভ কৰি বিজেপিয়ে এককভাৱে ৮২ খন আসন লাভ কৰে আৰু সৰ্বকালৰ সৰ্ববৃহৎ সংখ্যাগৰিষ্ঠতাৰ অভিলেখ গঢ়িবলৈ সক্ষম হয়।

অসমবাসী অস্তিত্ব ৰক্ষা আৰু সৰ্বাংগীন বিকাশৰ বাবে বিজেপিয়ে সদায় নিজৰ ৰাজনৈতিক স্বাৰ্থৰ উৰ্ধত থাকি দীৰ্ঘদিন ধৰি সংগ্ৰাম কৰি আহিছে। যাৰ ফলস্বৰূপে ২০১৬ চনৰ নিৰ্বাচনত অসমবাসীয়ে বিজেপিক বিপুল সমৰ্থন আৰু আশীৰ্বাদ প্ৰদান কৰিছিল। বিগত ১০ টা বছৰত বিজেপি চৰকাৰখনে লোৱা যুগান্তকাৰী পদক্ষেপ সমূহে অসমবাসী দাৰ্ঘদিনীয়া সপোনবোৰক বাস্তৱ ৰূপ দিবলৈ সক্ষম হৈছে। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ বৃহৎ জনাদেশে ইয়াক পুনৰ প্ৰমাণ কৰিলে যে অসমবাসীয়ে বিজেপিৰ প্ৰতি নিজৰ আস্থা অটুট ৰাখিছে।■

লেখক ঃ বিজেপি কাৰ্যকৰ্তা, গুৱাহাটী



# ভাৰতীয় জনতা পাৰ্টি আৰু অসমৰ জনজাতি সকল

হেমচন্দ্ৰ দলে

দেশৰ জনজাতি সকলক লৈ ভাৰতীয় জনতা পাৰ্টি নেতৃত্বাধীন এনডিএ মিত্ৰজোঁটৰ চৰকাৰৰ নীতি আৰু দৃষ্টিভংগী সদায় স্পষ্ট আৰু ইতিবাচক। ভাৰতীয় জনতা পাৰ্টিয়ে আৰম্ভণিৰ পৰাই বিশ্বাস কৰি আহিছে যে দেশৰ জনজাতি সকল দেশৰ বাবে অনাহুত সমস্যা নহয়, বৰঞ্চ সনাতনী সাংস্কৃতিক ঐতিহ্যৰে তেওঁলোক দেশৰ সম্পদ স্বৰূপ। কেৱল সেয়ে নহয়, আই ভাৰতীৰ সনাতনী সন্তান হিচাপে জনজাতি সকল ভাৰতৰ বিভিন্ন সাংবিধানিক ৰক্ষাকবচৰো অধিকাৰী। উদাহৰণ স্বৰূপে, তেওঁলোকৰ আধ্যাত্মিক অধিকাৰ, পৰম্পৰাগত জীৱন-জীৱিকাৰ অধিকাৰ, সাংস্কৃতিক গৌৰৱবোধৰ অধিকাৰ, ভূমিৰ অধিকাৰ, অৰণ্যত বাস কৰাৰ অধিকাৰ, শিক্ষাৰ প্ৰতি অধিকাৰ, আত্মনিয়ন্ত্ৰণৰ অধিকাৰ, সামাজিক ৰীতি-নীতি আৰু উৎসৱ-পাৰ্বণ পালনৰ অধিকাৰ ইত্যাদি। ভাৰতীয় জনতা পাৰ্টি নেতৃত্বাধীন এনডিএ মিত্ৰজোঁটৰ চৰকাৰে আদৰ্শগত ভাৱেই জনজাতি সকলৰ এই সমূহ অধিকাৰ সুৰক্ষিত আৰু সংৰক্ষিত থকাটো বিচাৰে; দল ক্ষমতাত আসীন থাককেই বা নাথাকক।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ গত ১২ বছৰৰ (২০১৪-২০২৬) কাৰ্য্যকালৰ আধাৰ নীতি কি আছিল? 'সব কা সাথ সব কা বিকাশ অউৰ সব কা বিশ্বাস'। এই আধাৰ নীতিৰ মাজেদিয়ে দেশৰ সৰু-বৰ নানান জাতি - জনগোষ্ঠী সম্প্ৰদায় সমূহৰ সম-অধিকাৰ, সম-বিকাশ, সম-মৰ্য্যদা আৰু পাৰস্পৰিক সন্তুলন বৰ্তাই ৰাখি সুশাসনৰ নিশ্চয়তা প্ৰদান কৰিব পৰাটো ভাৰতীয় জনতা পাৰ্টি নেতৃত্বাধীন এনডিএ চৰকাৰৰ দুৰ্লভকৃতিত্ব বুলি ক'ব পাৰি। ইয়াৰ বাবে অৱশ্যে দেশৰ প্ৰধান সেৱক মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ কালজয়ী নেতৃত্বক শ্ৰেয় দিব লাগিব। সনাতনী ভাৰত ৰাষ্ট্ৰৰ পুণৰ নিৰ্মাণত ইয়াৰ জনজাতি সকলৰ অপৰিহাৰ্যতা উপলব্ধি কৰিয়েই বোধকৰোঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ কাৰ্যকালৰ আৰম্ভণিতে জনজাতি সকলৰ আধ্যাত্মিক বিশ্বাস আৰু সাংস্কৃতিক ঐতিহ্যৰ বিষয়ত 'ইণ্ডিজেনাছ ফেইল এণ্ড কালচাৰ' নামৰ এটা কেন্দ্ৰীয় আয়োগ স্থাপন কৰিছিল আৰু অসমত এই আয়োগ স্বয়ং মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত পৰিচালিত হৈ আছে। এই আয়োগৰ অৰ্থ সাহায্যতে ৰাজ্যখনৰ বড়ো, কাৰ্বি, মিচিং আদি জনগোষ্ঠীৰ পৰম্পৰাগত উপাসনা গৃহ সমূহ নিৰ্মাণ কৰি ৰাজ্যখনত জনজাতীয় ধৰ্ম-সংস্কৃতিৰ সুৰক্ষা আৰু বিকাশৰ এটা অভিনৱ পৰিৱেশ ৰচনা কৰি থকা হৈছে। আনহাতে, ৰাষ্ট্ৰ গঠনত দেশৰ জনজাতি সকলৰ বীৰত্ব, ত্যাগ আৰু গৰিমাময় অংশগ্ৰহণৰ স্বীকৃতি হিচাপে জনজাতীয় বীৰ পুৰুষ তথা দেশৰ বৰেণ্য মুক্তি যুঁজাৰু ভগৱান বীৰছা মুণ্ডাৰ মৃত্যু তিথি ১৫ নবেম্বৰ দিনটো ৰাষ্ট্ৰীয় 'জনজাতি গৌৰৱ দিৱস হিচাপে শ্ৰদ্ধাৰে সোঁৱৰণ কৰি

অহা হৈছে। এই মহৎ দিৱসৰ শুভাৰম্ভণি কৰা হৈছিল ২০২১ বৰ্ষত যুগস্ৰষ্টা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দ্বিতীয়টো কাৰ্যকালত।

২০১৬ চনৰ পৰা অসমতো ভাৰতীয় জনতা পাৰ্টি নেতৃত্বাধীন এনডিএ মিত্ৰজোঁটৰ চৰকাৰ তৃতীয়বাৰৰ বাবে ক্ষমতাত আসীন হৈছে। মিত্ৰজোঁট এনডিএ চৰকাৰৰ ৰাষ্ট্ৰীয় আধাৰ নীতি অসমতো পূৰ্ণ ৰূপত লাগু হৈ থকাৰ পৰিপ্ৰেক্ষিতত ইয়াতো দলে জনতা জনাৰ্দনৰ অপৰিসীম মৰম আৰু আশীষ বুটলিবলৈ সক্ষম হৈছে।

শ্ৰী সৰ্বানন্দ সোণোৱাল আৰু ড° হিমন্ত বিশ্ব শৰ্মাৰ মুখ্যমন্ত্ৰীত্বৰ উভয়টো কাৰ্য্যকালত ২০১৬-২০২৬ অসমৰ জনজাতি সকলে ভাৰতীয় জনতা পাৰ্টি নেতৃত্বাধীন এনডিএ চৰকাৰৰ পৰা কি পালে কি নাপালে তাৰ পুংখানুপুংখ বিচাৰৰ সময় এতিয়াও অহা নাই এথোন। কিয়নো এই চৰকাৰে ৰাজ্যখনৰ জনজাতি সকলৰ সৰ্বাংগীন কল্যাণ আৰু বিকাশৰ বাবে বহু



ভৱিষ্যদৰ্শী কৰ্মসূচী হাতত লৈ তৃতীয় কাৰ্যকালত পদাৰ্পন কৰিছে মাত্ৰ। এনডিএৰ এই তৃতীয় কাৰ্য্যকালত দ্বিতীয় বাৰলৈ মুখ্যমন্ত্ৰীৰ পদত আসীন হোৱা অসমৰ ৰাজনীতিৰ ক্ষণজন্মা নায়ক ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ জাতি-জনগোষ্ঠীয় উন্নয়নৰ দৃষ্টিভংগী বা নীতি অতি স্বচ্ছ আৰু ইতিবাচক। সদ্য সমাপ্ত বিধানসভা নিৰ্বাচনৰ দলীয় সংকল্প পত্ৰত স্পষ্ট ভাৱে কোৱা হৈছেঃ 'অন্তৰ্ভুক্ত মূলক নীতি, সাংস্কৃতিক গৌৰৱ আৰু সমতাপূৰ্ণ সুযোগৰ জৰিয়তে অসমৰ বৈচিত্ৰ্যময় সম্প্ৰদায় সমূহ সমৃদ্ধ হৈ থাকিব আৰু এখন শক্তিশালী, ঐক্যবদ্ধ তথা বিকশিত ৰাজ্য গঢ়ি তোলাত অৱদান আগবঢ়াই যোৱাৰ সংকল্প ৰখা হ'ব।' এনে সংকল্পৰ কাৰ্য্যকৰণৰ বাবে কি নীতি অৱলম্বন কৰা হ'ব? 'শিক্ষা, জীৱিকা, আন্তঃগাঁথনি আৰু সাংস্কৃতিক সংৰক্ষণৰ ক্ষেত্ৰত ধাৰাবাহিক বিনিয়োগৰ জৰিয়তে অসমৰ জনজাতীয় আৰু খিলঞ্জীয়া সম্প্ৰদায় সমূহৰ সামগ্ৰিক আৰু অন্তৰ্ভুক্তি মূলক উন্নয়নৰ বাবে দ্বৈত ইঞ্জিন চৰকাৰখন প্ৰতিশ্ৰুতিবদ্ধ, যাৰ ফলত মৰ্য্যদা, সমতা, আৰু সামূহিক সমৃদ্ধি নিশ্চিত কৰা হ'ব।'

ৰাজ্য চৰকাৰখনে বিগত দহ বছৰৰ কাৰ্য্যকালত জনজাতি সকলৰ উন্নয়ন আৰু বিকাশৰ অনুকূলে কৰা কেইটামান দৃষ্টান্তমূলক পদক্ষেপৰ বিষয়ে আলোচনা কৰাৰ পূৰ্বে অসমৰ ভৈয়াম আৰু পাহাৰীয়া অঞ্চলৰ জনজাতি সকলৰ বৰ্তমানৰ প্ৰশাসনিক স্থিতি আৰু সামগ্ৰিক পটভূমিৰ বিষয়ে এটা খুলমূল ধাৰণা আহৰণ কৰি লোৱা আৱশ্যক।

২০১১ চনৰ ভাৰতৰ লোকপিয়ল অনুযায়ী অসমত অনুসূচীত জনজাতিৰ জনসংখ্যা হৈছে ৩৮,৮৪,৮৭১ অৰ্থাৎ ৰাজ্যখনৰ মুঠ জনসংখ্যাৰ ১২.৪৪%। ২০২৬ চনলৈ এই সংখ্যা নিশ্চিত ভাৱে বাঢ়িব আৰু অহা আগষ্ট মাহৰ পৰা ৰাজ্যখনত অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় লোকপিয়লত ইয়াৰ স্পষ্ট প্ৰতিফলন দেখিবলৈ পোৱা যাব। সাংবিধানিক আৰু ভৌগোলিক ভাৱে অসমৰ অনুসূচীত জনজাতি সকলক দুটা অংশত ভাগ কৰা হৈছেঃ অনুসূচীত জনজাতি (ভৈয়াম) আৰু অনুসূচীত জনজাতি (পাহাৰ)। শেহতীয়াকৈ অসমৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ দাবীৰ পতি সঁহাৰি জনাই ৰাজ্য চৰকাৰে অনুসূচীত জনজাতি (উপত্যকা) অৰ্থাৎ S.T. (Valley) নামেৰেও এটা ঠাল সূচনা কৰিছে। ইয়াৰ যাবতীয় সাংবিধানিক অনুমোদনৰ বাবে ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰে ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰলৈ ইয়াৰ আনুষ্ঠানিক প্ৰস্তাৱ প্ৰেৰণ কৰিছে। কোৱা বাহুল্য যে ৰাজ্যখনত ইতিমধ্যে চৰকাৰী ভাৱে স্বীকৃত বিভিন্ন জনজাতি সম্প্ৰদায় আছে ২৯ টা। জনজাতি সকলৰ বাবে সংৰক্ষিত বিধানসভা সমষ্টিও আছে ২৯ টা। ইয়াৰে ১৪ টা অনুসূচীত জনজাতি (ভৈয়াম)ৰ বাবে আৰু অন্য ১৫ টা অনুসূচীত জনজাতি (পাহাৰ)ৰ বাবে সংৰক্ষিত। একেদৰে ৰাজ্যখনৰ

১৪ টা লোকসভা সমষ্টিৰ ভিতৰত ২খন লোকসভা সমষ্টি কোকৰাঝাৰ আৰু ডিফু অনুসূচীত জনজাতিৰ বাবে সংৰক্ষিত।

আনহাতে অসমৰ জনজাতি সকলে ক্ষেত্ৰীয় ভাৱে নিজেই নিজৰ সমাজ, সংস্কৃতি, অৰ্থনৈতিক, শৈক্ষিক, ৰাজনৈতিক, নৃগোষ্ঠীয় ইত্যাদি বিষয়ৰত বিকাশৰ কাৰ্য্যসূচী ৰূপায়ণ কৰিব পৰাকৈ বৰ্তমান ৰাজ্যখনত আছে মুঠ ৬ টা স্বায়ত্ব শাসিত পৰিষদঃ (১) মিচিং স্বায়ত্ব শাসিত পৰিষদ, (২) ৰাভা হাচং স্বায়ত্ব শাসিত পৰিষদ, (৩) তিৱা স্বায়ত্ব শাসিত পৰিষদ, (৪) ঠেঙাল কছাৰী স্বায়ত্ব শাসিত পৰিষদ, (৫) দেউৰী স্বায়ত্ব শাসিত পৰিষদ, আৰু (৬) সোণোৱাল কছাৰী স্বায়ত্ব শাসিত পৰিষদ। আনহাতে অসমৰ অন্য কেতবোৰ খিলঞ্জীয়া জনগোষ্ঠী যেনে মৰাণ, মটক, কোচ ৰাজবংশী, চুতীয়া, টাই আহোম, মেছ কছাৰী, শৰণীয়া কছাৰী, হাজং, চাউদাং, কুমাৰ, সুত, এচ চি, গৰিয়া-মৰিয়া, বৰ্মন, ব্ৰাহ্মণ, আমৰী কাৰ্বি, বৰাক উপত্যকাৰ পাহাৰীয়া জনজাতি, গোৰ্খা, নাথ যোগী, চাহ জনগোষ্ঠীয় আদীবাসী, মণিপুৰী, ইত্যাদিৰ বাবে আজিৰ তাৰিখলৈ প্ৰায় ৩৩ টা উন্নয়ন পৰিষদৰ ব্যৱস্থা কৰা আছে। ৰাজ্যখনত ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত স্বায়ত্ব শাসন আছে তিনিটাঃ (১) বড়োলেণ্ড পৰিষদীয় অঞ্চল, (২) কাৰ্বি আংলং স্বায়ত্বশাসিত পৰিষদ আৰু (৩) ডিমা হাচাও স্বায়ত্ব শাসিত পৰিষদ। জনসংখ্যাৰ ফালৰ পৰা অসমৰ প্ৰধান জনজাতীয় সম্প্ৰদায় সমূহ হ'ল বড়ো (৩৫.০৬%) মিচিং (১৭.৫২%), কাৰ্বি (১১.০৮%), ৰাভা (৭.৬৩%) আৰু কছাৰী (৬.৫২%)। শতাংশৰ এই লেখ ৰাজ্যখনৰ মুঠ জনজাতীয় জনসংখ্যাৰ পৰা নিৰ্ধাৰিত। এতিয়া কথা হ'ল, বহু ঠাল-ঠেঙুলি পুষ্ট অসমৰ এই বৃহৎ জনজাতীয় সমাজখন আজিৰ তাৰিখত ৰাজনৈতিক ভাৱে ভাৰতীয় জনতা পাৰ্টি নেতৃত্বাধীন এনডিএ মিত্ৰজোঁটৰ ছাটিৰ তলত সমাৱেশিত হৈ আছে। এইয়া এফালে ভাৰতীয় জনতা পাৰ্টি নেতৃত্বাধীন এনডিএ মিত্ৰজোঁটৰ ৰাজনৈতিক সপোনক বাস্তৱায়িত কৰাৰ আনন্দ আৰু গৌৰৱৰ কাৰক হোৱাৰ লগতে অন্য ফালে আজিৰ জটিল সামাজিক সন্ধিক্ষণত আই অসমীৰ একতা, শান্তি-সম্প্ৰীতি, সৌ-ভাতৃত্বৰ বান্ধোন সুৰক্ষিত ৰাখি 'সব কা সাথ সব কা বিকাশৰ বীজ মন্ত্ৰক দক্ষতাৰে আগুৱাই নিয়াৰ প্ৰত্যাহ্বানো নোহোৱা নহয়।

কোৱা বাহুল্য যে আমাৰ সৰ্বস্তৰীয় বিচাৰ পৰিবাৰৰ মন্ত্ৰণাৰে দেশৰ প্ৰধান সেৱক শ্ৰীযুত নৰেন্দ্ৰ মোদীৰ কালজয়ী নেতৃত্বত আই ভাৰতী আজি প্ৰফুল্লিত। হিয়া উজাৰি আশীৰ্বাদ বৰ্ষণ কৰিছে দেশৰ সৰ্বস্তৰৰ জনতা জনাৰ্দনে। দেশ তথা ৰাজ্যৰ জনজাতি সমাজেও আজি কংগ্ৰেছৰ অপশাসনৰ এলান্ধুকলীয়া শিকলি চিঙি ভাৰতীয় জনতা পাৰ্টিৰ মিত্ৰজোঁটৰ মুক্তাংগণলৈ আনন্দৰে ঢপলিয়াই আহিছে। 'ভাৰত মাতা কী জয়' ধ্বনিৰে মুখৰিত কৰিছে দেশৰ আকাশ-বতাহ। সদ্য সমাপ্ত অসম বিধানসভাৰ নিৰ্বাচনত জনজাতিৰ বাবে সংৰক্ষিত পাহাৰ-ভৈয়ামৰ ২৯টা সমষ্টিতে মিত্ৰজোঁটৰ পৰ্থীক বিপুল ভোটত জয়যুক্ত কৰাইছে। অসমৰ নিৰ্বাচনী ইতিহাসত প্ৰথমবাৰলৈ এই অসাধ্য সাধন হৈছে ভাৰতীয় ৰাজনীতিৰ নতুন নক্ষত্ৰ ড° হিমন্ত বিশ্ব শৰ্মা আৰু দলৰ কট্টৰ পন্থী ৰাজ্যিক সভাপতি শ্ৰীদিলীপ শইকীয়াৰ সবল নেতৃত্বত। এইবাৰৰ দলৰ নিৰ্বাচনী সংকল্প পত্ৰত ৰাজ্যখনৰ জনজাতি সকলৰ অনুকূলে বহুকেইটা লঘু-গুৰু সংকল্প গ্ৰহণ কৰা হৈছিল। ইতিমধ্যে স্থানান্তৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ব্যক্ত কৰিছে যে সংকল্প পত্ৰত উল্লেখ থকা সকলোবোৰ বিষয় আগন্তুক পাঁচ বছৰত বা তাৰ পৰৱৰ্তী দিনবোৰত আখৰে আখৰে পালন কৰা হ'ব। ৰাজ্যখনৰ জনজাতি সকলক উপকৃত কৰিব পৰা কি কি সংকল্প আছিল সংকল্প পত্ৰত?

**স্ব-শাসনৰ ব্যৱস্থাপনা সমূহৰ সবলীকৰণঃ**

(১) ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ ক্ষেত্ৰত মন্ত্ৰী গোটৰ পৰামৰ্শ অনুসৰি কেওটা জনগোষ্ঠীৰ সাংবিধানিক, সামাজিক আৰু অৰ্থনৈতিক অধিকাৰ সুৰক্ষিত কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক দাবী উত্থাপন কৰা হ'ব।

(২) ৰাজ্যখনৰ অন্যান্য জনগোষ্ঠী সমূহৰ দ্বাৰা পৰিচালিত উন্নয়ন পৰিষদ সমূহক আৰ্থিক আৰু প্ৰশাসনিক ভাৱে শক্তিশালী কৰা হ'ব।

(৩) মিচিং, ৰাভা, সোণোৱাল কছাৰী, ঠেঙাল কছাৰী, তিৱা আৰু বড়ো কছাৰী জনজাতি সকলৰ ইতিমধ্যে চলি থকা স্বায়ত্ব শাসিত পৰিষদ সমূহক সাংবিধানিক মৰ্য্যদা প্ৰদানৰ দিশত যাবতীয় পদক্ষেপ গ্ৰহণ কৰা হ'ব।

(৪) ষষ্ঠ অনুসূচী এলেকাৰ বাহিৰত বসবাস কৰা কাৰ্বি আৰু ডিমাছা সকলৰ বাবে সুকীয়াকৈ কল্যাণ স্বায়ত্বশাসিত পৰিষদ স্থাপন কৰা হ'ব।

(৫) জনজাতীয় বেল্ট আৰু ব্লক সমূহৰ সুৰক্ষা নিশ্চিত কৰা হ'ব।

(৬) বন অধিকাৰ আইন, ২০০৬ আখৰে আখৰে পালন কৰা

হ'ব। লগতে সেইবোৰ এলেকাত পূৰ্বৰে পৰা বসবাস কৰি থকা অজনজাতীয় খিলঞ্জীয়া লোক সকলকো বিধিগত ভাৱে অন্তৰ্ভুক্ত কৰোৱাৰ ব্যৱস্থা কৰা হ'ব।

**সাংস্কৃতিক ঐতিহ্য সংৰক্ষণৰ ব্যৱস্থাঃ**

(১) প্ৰধান খিলঞ্জীয়া আৰু জনজাতীয় উৎসৱ সমূহৰ আয়োজন আৰু প্ৰসাৰৰ বাবে ধাৰাবাহিক আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব।

(২) অসমৰ বিচিত্ৰ সাংস্কৃতিক পৰম্পৰা সমূহৰ নথিভুক্ত কৰণ আৰু প্ৰদৰ্শনৰ বাবে 'জনজাতীয় ঐতিহ্য সংগ্ৰহালয়' স্থাপন কৰা হ'ব।

(৩) মৰাণ, মটক, টাই আহোম, চুতীয়া আৰু অন্যান্য নৃগোষ্ঠীয় সম্প্ৰদায় সমূহৰ ঐতিহ্য ক্ষেত্ৰ সমূহ সংৰক্ষণ তথা পুনৰোদ্ধাৰৰ ব্যৱস্থা কৰা হ'ব।

(৪) তিৱা সম্প্ৰদায়ৰ ৰাজকীয় পৰম্পৰাৰ সাংস্কৃতিক গুৰুত্বক স্বীকৃতি প্ৰদান কৰি তেওঁলোকৰ উত্তৰাধিকাৰী ৰজাসকলক বাৰ্ষিক মাননি প্ৰদান কৰা হ'ব।

**অৰ্থনৈতিক সুযোগৰ সম্প্ৰসাৰণঃ**

(১) জনজাতীয় অঞ্চল সমূহত জীৱিকা, স্বাস্থ্য সেৱা আৰু শিক্ষাৰ উন্নতিৰ বাবে ধৰতী আভা জনজাতীয় গ্ৰাম উৎকৰ্ষ অভিযান ৰূপায়ণ কৰা হ'ব।

(২) বড়ো, কাৰ্বি, ডিমাছা, আৰু আদিবাসী আত্ম-সমৰ্পনকাৰী সশস্ত্ৰপন্থী সদস্য সকলৰ পুণৰ সংস্থাপন আৰু আৰ্থ-সামাজিক সংস্থাপনৰ বাবে ১০০ কোটি টকা আৱন্টন কৰা হ'ব।

(৩) ভাৰতীয় সেনা আৰু অৰ্ধসামৰিক বাহিনীত অসমৰ যুৱক-যুৱতী সকলৰ প্ৰতিনিধিত্ব বৃদ্ধিৰ বাবে বিশেষ নিযুক্তি অভিযান চলোৱা হ'ব।

**মান সম্পন্ন শিক্ষা প্ৰদানঃ**

(১) মান সম্পন্ন আবাসীক শিক্ষা প্ৰদানৰ বাবে ৫০% শতাংশতকৈ অধিক জনজাতীয় জনসংখ্যা থকা সকলো খণ্ডত একলব্য আদৰ্শ আৱাসিক বিদ্যালয় স্থাপন কৰা হ'ব।

(২) অনুসূচীত জনজাতি, অনুসূচীত জাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ শিক্ষাৰ্থী তথা কৰ্মৰত যুৱক-যুৱতী সকলৰ বাবে সুৰক্ষিত আৰু সুলভ বাসস্থান নিশ্চিত কৰিবলৈ প্ৰতিখন জিলা সদৰত আধুনিক হোষ্টেল নিৰ্মাণ কৰা হ'ব।

তদুপৰি, অসমৰ প্ৰধান তিনিটা জনজাতীয় অঞ্চলত নিম্নোল্লিখিত দিশ সমূহৰ উন্নয়নৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰা হ'ব।

**বড়োলেণ্ড পৰিষদীয় অঞ্চলঃ**

(১) বড়ো চুক্তিৰ ১০০ শতাংশ ৰূপায়ণ কৰা হ'ব। লগতে বৰ্ধিত স্বায়ত্ব শাসন, আৰ্থিক সাহায্য আৰু আঁচনি সমূহৰ সঠিক বিতড়ণৰ জৰিয়তে সামগ্ৰিক উন্নয়ন ত্বৰান্বিত কৰা হ'ব।

(২) ওদালগুৰিত বিটিচি মিনি সচিবালয়ৰ কাম সময় মতে সম্পূৰ্ণ কৰা হ'ব।

(৩) বিটিআৰৰ সকলো পথ আৰু দলং নিৰ্মাণ আৰু উন্নীতকৰণ নিশ্চিত কৰা হ'ব।

**কাৰ্বি আংলং এলেকাৰ উন্নয়নঃ**

(১) অন্তৰ্ভুক্তি মূলক বিকাশ আৰু শক্তিশালী স্বায়ত্ব শাসনৰ বাবে কাৰ্বি শান্তি চুক্তি সম্প ৰূপায়ণ নিশ্চিত কৰা হ'ব।

(২) লক্ষ্য ভিত্তিক বিনিয়োগ আৰু উন্নয়ন সেৱা প্ৰদানৰ জৰিয়তে কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদক শক্তিশালী কৰা হ'ব।

(৪) অসম বিধানসভাৰ ডিফু চৌহদ সম্প্ৰসাৰণৰ লগতে নতুন বিভাগ আৰু ছাত্ৰাবাস খোলা হ'ব।

**ডিমা হাচাও এলেকাঃ**

(১) পাহাৰীয়া অঞ্চলটোৰ শান্তি আৰু সুস্থিৰতা সুৰক্ষিত কৰিবলৈ ডিমাচা শান্তি চুক্তি সমূহৰ পূৰ্ণ ৰূপায়ণ নিশ্চিত কৰা হ'ব।

(২) বৰ্ধিত স্বায়ত্ব শাসন, উন্নত আন্তঃগাঁথনি, আৰু নিৰ্দিষ্ট কল্যাণ মূলক কাৰ্য্যসূচী গ্ৰহণ কৰা হ'ব।

**সামৰণিৰ যৎ কিঞ্চিৎঃ**

অসমৰ বৃহত্তৰ জনজাতি সমাজে ইতিমধ্যে কংগ্ৰেছৰ সত্তৰ বছৰীয়া আভূৱাভৰা ৰাজনীতিৰ স্বৰূপ বুজি উঠিছে। দুখীয়াক সদায় দুখীয়া কৰি ৰাখিব বিচৰা কংগ্ৰেছ নেতৃত্বই জনজাতি সকলক সদায় প্ৰলোভনৰ নাগপাশেৰে বান্ধি ৰখাৰ অভিসন্ধি ৰচিছিল। ভাৰতীয় জনতা পাৰ্টিৰ মহান নেতা সকলৰ মাৰ্গ দৰ্শনত আজি জনজাতি সমাজে বুজি উঠিছেঃ নিৰ্বাচনত নিজৰ ভোট প্ৰদান কৰি আঠুৱা-কম্বল আদায় কৰাটোৱেই ৰাজনীতি নহয়। ৰজাৰ পুতেকক সদায় ৰজা বনোৱাটোৱেই ৰাজনীতি নহয়। ৰাজনীতিৰ আছে অৰ্থপূৰ্ণ ভাৱে ৰাষ্ট্ৰ গঢ়াৰ দীৰ্ঘম্যাদী লক্ষ্য। এই ৰাজনীতি 'ভাৰত মাতা কী জয়ৰ ধ্বনিৰ প্ৰকৃত তাৎপৰ্য বুজি উঠাৰ ৰাজনীতি।■

লেখক ঃ বিজেপি, অসম প্ৰদেশৰ কাৰ্যকৰ্তা, বিশিষ্ট সাংস্কৃতিক কৰ্মী



# অসমৰ সুৰক্ষা আৰু উন্নয়নৰ বাবে ভাৰতীয় জনতা পাৰ্টিৰ দায়বদ্ধতা

ধ্ৰুব প্ৰসাদ বৈশ্য

ভাৰতীয় জনতা পাৰ্টিৰ অসমৰ প্ৰতি থকা আন্তৰিকতা সময়ৰ পৰীক্ষাত উত্তীৰ্ণ হৈছে । অবৈধ বিদেশী নাগৰিকৰ বহিস্কাৰৰ দাবীত সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ নেতৃত্বত অসমৰ ৰাইজে কৰা গণ সংগ্ৰামৰ কথা চিৰদিন ইতিসাহত লিখা থাকিব । ১৯৪৭ চনত ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ সময়ত অসমীয়াই বৰ আগ্ৰহৰে আশা কৰিছিল যে দেশৰ লগতে অন্যান্য অঞ্চলৰ দৰে অসমো উন্নতিৰ পথত সমানে আগ বাঢ়ি যাব । কিন্তু দিন আগবঢ়াৰ লগে লগে অসমৰ মানুহৰ মনত এইটো বদ্ধমূল ধাৰণা হ'ল যে অসমৰ বাবে যেন স্বাধীনতাৰ আগৰ ইতিহাস আৰু স্বাধীনতাৰ পিছৰ ইতিহাসৰ কোনো পাৰ্থক্য নাই। স্বাধীনতাৰ আগত অসমক শোষণ কৰিছিল বৃটিছ সাম্ৰাজ্যবাদীয়ে আৰু স্বাধীনতাৰ পিছত কেন্দ্ৰৰ কংগ্ৰেছী চৰকাৰে অসমৰ সম্পদসমূহৰ ওপৰত লুণ্ঠন কৰা কাৰ্য অব্যাহত ৰাখিলে। কংগ্ৰেছ চৰকাৰে প্ৰতিটো ক্ষেত্ৰতে অসমক ন্যায্য প্ৰাপ্যৰ পৰা বঞ্চিত কৰি ৰাখিলে। অসমৰ ওপৰত শোষণ বঞ্চনা অৱহেলা নিৰ্যাতন চলাই গ'ল। আনকি লাখ লাখ অবৈধ বাংলাদেশীক সংস্থাপিত কৰি অসম আৰু অসমীয়াৰ অস্তিত্ব বিপদাপন্ন কৰিলে।

ইয়াৰ বিৰুদ্ধে অসমৰ ৰাইজৰ অন্তৰত ক্ষোভৰ জুই দাউ দাউকৈ জ্বলি উঠিল । এই জুই জ্বলিছে জ্বলিবই বুলি অসমৰ আবাল বৃদ্ধ বনিতাই অবৈধ বিদেশী নাগৰিকৰ বহিষ্কাৰ দাবীত সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ নেতৃত্বত ৰাজপথলৈ ওলাই আহিল। পৰিতাপৰ কথা যে এই ঐতিহাসিক গণ আন্দোলনৰ প্ৰতি মৰ্য্যাদা প্ৰদান কৰাৰ সলনি কংগ্ৰেছ চৰকাৰে আন্দোলনকাৰীৰ ওপৰত নমাই আনিলে অবৰ্ণনীয় অত্যাচাৰ। আনকি, ১৯৮৩ চনত লাখ লাখ বাংলাদেশী নাগৰিকৰ নাম অন্তৰ্ভূক্ত ভোটাৰ তালিকাৰে অসমত অবৈধভাৱে নিৰ্বাচন জাপি দিয়া হ'ল। অসমৰ সংগ্ৰামী ৰাইজে ইয়াৰ বিৰুদ্ধে তীব্ৰভাৱে প্ৰতিবাদ কৰিলে। এই প্ৰতিবাদ স্তব্ধ কৰিবলৈ কংগ্ৰেছ চৰকাৰে দেশপ্ৰেমী ৰাইজৰ ওপৰত অকল্পনীয় ভাৱে হিংসাত্মক নিৰ্যাতন চলোৱা হয়। কংগ্ৰেছ চৰকাৰখনে অসম আৰু অসমীয়াক শত্ৰু জ্ঞান কৰি অনুপ্ৰৱেশকাৰী বাংলাদেশীক সুৰক্ষা দিয়াটোকে পণ কৰি ল'লে। অসমীয়াৰ ওপৰত বৰ্ষণ কৰা হয় লাঠি, গুলি আৰু কন্দুৱা গেছ, মেলি দিয়া হ'ল পুলিচ, চি. আৰ. পি. আৰু সেনাবাহিনী। অসম আন্দোলন বিৰোধী কংগ্ৰেছ দল আৰু চৰকাৰৰ প্ৰশ্ৰয়ত অবৈধ অনুপ্ৰৱেশকাৰী বাংলাদেশীও অসমীয়াৰ ওপৰত অত্যাচাৰ কৰাত লাগিল । গাঁৱে গাঁৱে অবৈধ বাংলাদেশীয়ে অসমীয়া মানুহৰ ঘৰ-বাৰী জ্বলাই দিলে । অসমতে অসমীয়াক ভগনীয়া কৰাৰ যৰযন্ত্ৰ কৰিলে । ইতিহাসৰ পাতত এইটো লিখা থাকিব যে, কংগ্ৰেছ আৰু বাওঁপন্থী দলসমূহে অসম আন্দোলনৰ বিৰোধীতা কৰি অবৈধ

বাংলাদেশীৰ পক্ষ অৱলম্বন কৰিলে ।ৰাজ্যখনত অবৈধ বাংলাদেশীৰ ঘাটি শক্তিশালী কৰিবলৈ ১৯৮৩ চনত সংবিধান বিৰোধী সৰ্বনাশী ‘IMDT’ আইন বলৱৎ কৰা হ’ল।

সৰ্বজনবিদিত যে ভাৰতীয় জনতা পাৰ্টিৰ নেতৃত্বই আৰম্ভণিৰ পৰা অসম আন্দোলন সমৰ্থন কৰি আহিছিল। দ’লটোৱে আনকি ১৯৮৩ চনত অবৈধ নিৰ্বাচনত অংশ নলৈ অসমৰ ৰাইজৰ লগত ঠিয় দিছিল। আন্দোলনকাৰী ৰাইজৰ ওপৰত চলোৱা চৰকাৰী বৰ্বৰ দমননীতিৰ বিৰোধীতা কৰিছিল। মাননীয় অটল বিহাৰী বাজপেয়ী, মাননীয় লালকৃষ্ণ আদৱানী,মাননীয় যশৱন্ত সিং প্ৰমুখ নেতৃবৰ্গই অসমৰ হিতৰ বাবে কাম কৰি গৈছিল। সেই সময়ত যেতিয়া অসমত চাৰিওঁফালে দাউ দাউ কৈ জুই জ্বলিছিল, তেজৰ দোঙা বান্ধিছিল, শত-সহস্ৰজনক চিৰদিনৰ বাবে ঘূনীয়া আৰু হত্যা কৰা হৈছিল, অসমীয়া মানুহ যেতিয়া বৰ অসহায় হৈ পৰিছিল, তেতিয়া অটল বিহাৰী বাজপেয়ী ডাঙৰীয়াই আৰু অন্যান্য বিজেপি নেতাই অসমৰ গাঁৱে গাঁৱে শৰণাৰ্থীৰ শিৱিৰে শিৱিৰে গৈ অসমীয়াক অভয় দিছিল। অসমীয়া মানুহৰ এই চৰম সংকটৰ সময়ত ভাৰতীয় জনতা পাৰ্টিৰ আন্তৰিকতা পূৰ্ণ সহায়-সমৰ্থনৰ কথা অসমৰ ৰাইজে চিৰদিন মনত ৰাখিব।

ৰাজনৈতিক দল এটা ক্ষমতালৈ অহাৰ পিছত দলটোৰ ৰাইজৰ প্ৰতি থকা দায়বদ্ধতা আৰু আন্তৰিকতাৰ প্ৰমাণ পোৱা যায়। ভাৰতীয় জনতা পাৰ্টিৰ ক্ষেত্ৰত দেখা গ’ল যে সৰ্বজন সমাদৃত প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ী ডাঙৰীয়া আৰু বিজেপি নেতৃত্বত অসম আৰু উত্তৰ পূৰ্বাঞ্চলৰ বিকাশৰ প্ৰতি চৰকাৰীভাৱে প্ৰাথমিকতা দিলে। বাজপেয়ী চৰকাৰে অসমৰ লগতে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ সুৰক্ষা আৰু বিকাশৰ বাবে এখন পৃথক মন্ত্ৰালয় ‘MDoNER’ মুকলি কৰি প্ৰমাণ কৰিলে যে কংগ্ৰেছৰ দিনত বঞ্চনাৰ অৱসান ঘটাবলৈ ভাৰতীয় জনতা পাৰ্টিৰ চৰকাৰ অত্যন্ত আগ্ৰহী।

২০১৪ চনত মাননীয় শ্ৰীনৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ প্ৰধানমন্ত্ৰীত্বত বিজেপি নেতৃত্বাধীন এন.ডি.এ. চৰকাৰে উত্তৰ পূৰ্বাঞ্চলৰ বিকাশৰ বাবে লোৱা আঁচনি আৰু আন্তৰিকতাপূৰ্ণ কাম কাজে আজি অসম আৰু নতুন দিল্লীৰ মাজত এক মনস্তাত্বিক পৰিৱৰ্তন আনিবলৈ সমৰ্থ হৈছে । কংগ্ৰেছৰ দিনত অসম আৰু দিল্লীৰ মাজত বহুত যেন দূৰত্ব আছিল। দিল্লীয়ে অসমৰ সমস্যা মনিবই পৰা নাছিল। সাধাৰণ এটা কামৰ বাবেও অসমৰ ৰাইজ আন্দোলন মুখী হ’বলগীয়া হৈছিল। বৰ্তমান এই অৱস্থাৰ পৰিৱৰ্তন হৈছে । দিল্লী যেন এতিয়া দিছপুৰৰ নিচেই ওচৰ চাপি আহিছে । উন্নয়নৰ দিশটো চোৱা চিতা কৰিবৰ বাবে মাননীয় প্ৰধান মন্ত্ৰী শ্ৰীমোদী ডাঙৰীয়া সঘনাই অসমলৈ আহি আছে । অন্যান্য মন্ত্ৰী সকলোকো প্ৰধানমন্ত্ৰী ডাঙৰীয়াই সঘনে অসমলৈ আহিবলৈ নিৰ্দেশ দিছে। কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিটো বিভাগেই অসমৰ সৰ্বাংগীন উন্নয়নৰ বাবে আঁচনি হাতত লৈছে । অসমে এতিয়া আৰু কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা উপেক্ষিত হৈ থকা নাই ।

গৌৰৱৰ কথা যে, ভাৰতীয় জনতা পাৰ্টিয়ে অসম আৰু অসমীয়া মানুহক উপযুক্ত মৰ্য্যাদা আৰু নেতৃত্ব দিয়াৰ সুযোগ দি আহিছে। এই কথা আমি জানো যে, প্ৰয়াত কবিন্দ্ৰ পুৰকায়স্থ, শ্ৰীমতী বিজয়া চক্ৰৱৰ্তী, শ্ৰীৰাজেন গোহাঁই, শ্ৰীসৰ্বানন্দ সোণোৱাল, শ্ৰীৰামেশ্বৰ তেলী আৰু শ্ৰীপবিত্ৰ মাৰ্ঘেৰিটাই কেন্দ্ৰীয় মন্ত্ৰীসভাত স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে। শ্ৰীজ্যোতি প্ৰসাদ ৰাজখোৱা আৰু শ্ৰীৰমেন ডেকাই ৰাজ্যপাল হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ সুযোগ পালে। আনন্দৰ কথা যে, ভাৰতীয় জনতা পাৰ্টিৰ সৰ্বোচ্চ নীতি নিৰ্দ্ধাৰণকাৰী সমিতি পাৰ্লিয়ামেনটাৰী বোৰ্ডত শ্ৰীসৰ্বানন্দ সোণোৱাল ডাঙৰীয়া সদস্য হিচাপে অন্তৰ্ভুক্ত হৈছে । শ্ৰীৰমেন ডেকা আৰু শ্ৰীকামাখ্যা প্ৰসাদ তাচাই ৰাষ্ট্ৰীয় সম্পাদকৰ পদ লাভ কৰিলে । শ্ৰীফনীন্দ্ৰ নাথ শৰ্মাই হাৰিয়ানাত বিজেপিৰ ৰাজ্যিক সাংগঠনিক সাধাৰণ সম্পাদকৰ দৰে গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰাৰ সুযোগ পালে। ইয়াৰ আগতে অসমৰ ওপৰিও ত্ৰিপুৰাত তেখেতে একেই দায়িত্ব পালন কৰিছিল। অতি কম বয়সতে শ্ৰীদিলীপ শইকীয়াই ভাৰতীয় জনতা পাৰ্টিৰ ‘ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক’ হিচাপে কাৰ্য্যনিৰ্বাহ কৰি সমগ্ৰ ভাৰতবৰ্ষতে নেতৃত্ব দিয়াৰ সুযোগ পালে। এইটো কথা সোণালী আখৰেৰে লিখা থাকিব যে লোকপ্ৰিয় গোপীনাথ বৰদলৈ আৰু ড০ ভূপেন হাজৰিকাক এন. ডি. এ. চৰকাৰে “ভাৰত ৰত্ন” সন্মানেৰে বিভূষিত কৰিলে । বিজেপি যদি কেন্দ্ৰত চৰকাৰ গঠন কৰিব নোৱাৰিলেহেতেন, অসমীয়া ব্যক্তিয়ে “ভাৰত ৰত্ন” সন্মানেৰে বিভূষিত হোৱাটো সপোন হৈয়ে ৰ’লহেতেন।

অসমৰ ভাষা-সাহিত্য, কৃষ্টি, সংস্কৃতি সুৰক্ষা প্ৰদান কৰাৰ ক্ষেত্ৰত বিজেপি চৰকাৰে গুৰুত্ব দি আহিছে । অসমীয়া ভাষাক ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি দি বিজেপি চৰকাৰে অসমীয়া ভাষাৰ মৰ্য্যাদা বৃদ্ধি কৰাৰ লগতে অসমীয়া জাতিৰ গৌৰৱ বঢ়ালে। বড়ো ভাষাক সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভুক্ত কৰি বিজেপি চৰকাৰখনে আন্তৰিকতা দেখুৱায়। মাননীয় শ্ৰীমোদী ডাঙৰীয়াৰ বাবে অসমীয়া “গামোচা” খন আজি সমগ্ৰ ভাৰততে পৰিচিতি লাভ কৰাৰ লগতে

মৰ্য্যাদা বৃদ্ধি পায় । শেহতীয়াভাৱে, মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই ইটালী ভ্ৰমণলৈ যাওঁতে অসমৰ সুগন্ধি জহা চাউল, এৰি মুগা পাটৰ বস্ত্ৰ উপহাৰ হিচাপ দি'বলৈ লৈ যায়। তেখেতে ইয়াৰোপৰি, বড়ো জনগোষ্ঠীৰ আদৰৰ "আৰনাই" ডিঙিত পিন্ধি যায়। এইটো নিশ্চিতভাৱে সকলোৰে বাবে আনন্দৰ কথা ।

আজি এই কথা স্পষ্ট হৈ পৰিছে যে কেন্দ্ৰ আৰু ৰাজ্যৰ দ্বৈত ইঞ্জিনৰ চৰকাৰৰ দিনত অসমত ঐক্য-সংহতি আৰু বিকাশে নতুন যুগৰ সুচনা কৰিছে। ২০১৬ চনৰ পৰা ২০২১ চনলৈ শ্ৰীসৰ্বানন্দ সোণোৱাল মুখ্যমন্ত্ৰী হিচপে পাহাৰ-ভৈয়াম, বৰাক- ব্ৰহ্মপুত্ৰৰ ঐক্য সাধন আৰু সম বিকাশত গুৰুত্ব দিলে । লগতে দুৰ্নীতিমুক্ত প্ৰশাসনিক সেৱাত ৰাজ্যখনত নতুন ধাৰাৰ সূচনা কৰিলে ।

ড০ হিমন্ত বিশ্ব শৰ্মাৰ মুখ্যমন্ত্ৰীত্বত ২০২১ চনৰ পৰা অসমত উন্নয়নৰ চমৎকৃত যাত্ৰা অবিৰতভাৱে দ্ৰুততাৰে আগবঢ়াইছে। যোগাযোগ, শিক্ষা, স্বাস্থ্য, ৰাস্তা-পদূলি, যাতায়ত আদি সকলোতে আজি দ্ৰুততাৰে আগবাঢ়িছে। 'AIIMS' অকে ধৰি নতুন নতুন মেডিকেল কলেজ, কেঞ্চাৰ চিকিৎসা কেন্দ্ৰ স্থাপন হৈছে। বিশ্ববিদ্যালয়ৰ সংখ্যাও বৃদ্ধি পাইছে । ৰাজ্যখনত বিনিয়োগ বাঢ়িছে, GDP বাঢ়িছে । 'SEMI CONDUTOR' কে ধৰি নতুন নতুন উদ্যোগ স্থাপন হৈছে । চৰকাৰখনে অন্ন, বস্ত্ৰ আৰু বাসস্থানৰ সমস্যা সমাধানৰ বাবে সম্পূৰ্ণভাৱে আত্মনিয়োগ কৰিছে । নৱজাতকৰ পৰা আৰম্ভ কৰি শিশু, যুৱক- যুৱতী, ছাত্ৰ- ছাত্ৰী আৰু বৃদ্ধ - বৃদ্ধালৈ সকলোৰে জীৱন সুচল কৰাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই দিনে ৰাতিয়ে দেহে- কেহে কাম কৰি গৈছে । ৰাজ্যখনৰ দুৰ্নীতি নিৰ্মূল কৰাৰ বাবে বহু পদক্ষেপ লৈছে । অসমৰ ৰাইজে এই কথা মনত ৰাখিছে যে অসমত কংগ্ৰেছ চৰকাৰৰ দিনত চাকৰিৰ এখন ডাঙৰ বজাৰ চলিছিল । আজি এই অৱস্থাৰ সম্পূৰ্ণ সলনি হৈছে । ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিষ্ঠাপূৰ্ণ প্ৰচেষ্টাৰ বাবে ৰাজ্যখনত প্ৰায় এক লাখ ষাঠি হাজাৰ যুৱক- যুৱতীয়ে কোনো উপঢৌকন নিদিয়াকৈ চৰকাৰী চাকৰি পাবলৈ সমৰ্থ হৈছে । এইটো কম ডাঙৰ কথা নহয় ।

ড০ হিমন্ত বিশ্ব শৰ্মাৰ পাৰদৰ্শী নেতৃত্বই অসমৰ কৃষ্টি-সংস্কৃতি বিশ্ব দৰবাৰত পৰিচয় কৰাই দিলে । বিহু, ঝুমইৰ বিনন্দিনী, বাগুৰুম্বা দোহাই নৃত্যই বিশ্ব অভিলেখ সৃষ্টি কৰিলে । ইয়াৰ বাবে অনুষ্ঠিত অনুষ্ঠানত ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰীও উপস্থিত আছিল। ইয়াৰ উপৰিও ২২৭ কোটি টকাৰ বৰদোৱা প্ৰকল্প, ১৭০ কোটি টকাৰ শ্বহিদ স্মাৰক, ১৫০ কোটি টকাৰ ব্যয়ত লাচিত বৰফুকনৰ সুউচ্ছ প্ৰতিমূৰ্তি নিৰ্মাণ আৰু মহাবীৰ লাচিত বৰফুকনৰ ৪০০ সংখ্যক জন্মজয়ন্তী সকলোৰে মনোগ্ৰাহীকৈ পালন, চৰাইদেউ মৈদানক বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত অন্তৰ্ভুক্তিকৰণ আদি কাৰ্য্যই ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বৰ চৰকাৰে অসমৰ কৃষ্টি-সংস্কৃতি ৰক্ষাৰ বাবে থকা আন্তৰিকতাকে প্ৰমাণ কৰে। ৰাজ্যখনৰ কোনো এটা অঞ্চল যাতে উপেক্ষিত হৈ নৰয় তাৰবাবে ড০ হিমন্ত বিশ্ব শৰ্মাই বাস্তৱমুখী কৰ্মৰ সূচনা কৰিলে । অসমৰ অন্যান্য জিলাৰ লগতে পাহাৰৰ জিলা সমূহত মন্ত্ৰীসভাৰ কেবিনেট বৈঠক অনুষ্ঠিত হ'ল । শিলচৰত সচিবালয় স্থাপন কৰা, ডিব্ৰুগড়ত দ্বিতীয় ৰাজধানী হিচাপে নিৰ্মাণ কৰাটো সকলোৰে শলাগ লৈছে।

বিজেপি চৰকাৰখনে অসমৰ অস্তিত্বৰ প্ৰতি ভাবুকি সৃষ্টি কৰা অবৈধ অনুপ্ৰৱেশকাৰীৰ বিৰুদ্ধে দৃঢ় স্থিতি লৈ আহিছে। প্ৰায় ১ লাখ ৫০ হাজাৰ বিঘা মাটি বেদখলকাৰীৰ পৰা উচ্ছেদ কৰি ড০ শমাই অবৈধ অনুপ্ৰৱেশকাৰীক কঠোৰ সকিয়নি দিছে। ভাৰতৰ গৃহমন্ত্ৰী মাননীয় শ্ৰীঅমিত শ্বাহ ডাঙৰীয়াই BSF অৰ এক অভিষেক অনুষ্ঠানত বাংলাদেশী অনুপ্ৰৱেশকাৰীৰ প্ৰতি শূন্য সহনশীল নীতিৰ কথা ঘোষণা কৰিছে । অসম, ত্ৰিপুৰা আৰু পশ্চিম বংগ চৰকাৰক একেলগে অনুপ্ৰৱেশৰ বিৰুদ্ধে পদক্ষেপ লোৱা কথা তেখেতে ঘোষণা কৰিছে ।

মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ জনমুখী আচঁনি, বিচক্ষণ ৰণ- নীতি, অবিশ্ৰান্তভাৱে কাম কৰাৰ ক্ষমতা আৰু কৰ্ম তৎপৰতাৰ বাবে ভাৰতীয় জনতা পাৰ্টি আৰু এন. ডি. এ. মিত্ৰ জোটক হিয়া উজাৰি ভোট দি অসমৰ ৰাইজে পুনৰবাৰ ক্ষমতাত অধিষ্ঠিত কৰিলে । ড০ হিমন্ত বিশ্ব শৰ্মা একক অনন্য আৰু অপ্ৰতিৰোধ্য হিচাপে জিলিকি উঠিল। মাননীয় ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক আমি অভিনন্দন জ্ঞাপন কৰিছোঁ ।

এইটো ক'বই লাগিব যে, চৰকাৰ এখন পুনৰবাৰ নিৰ্বাচিত হৈ আহিবলৈ হ'লে ক্ষমতাত থকা দলটো আৰু চৰকাৰৰ মাজত সঠিক তাল- মিলৰ প্ৰয়োজন হয় । অসমত চৰকাৰৰ সৈতে ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ নেতৃত্বই সুন্দৰভাৱে সমন্বয় ৰক্ষা কৰি আহিছে । দলটোক সঠিকভাৱে নেতৃত্ব প্ৰদান কৰি ৰাজনৈতিক পৰিপক্কতা প্ৰদৰ্শনেৰে নিৰ্বাচনত অভিলেখ সংখ্যক আসনত জয়ী কৰাৰ বাবে ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ মাননীয় সভাপতি শ্ৰীদিলীপ শইকীয়া ডাঙৰীয়া অভিনন্দনৰ পাত্ৰ।■

---

লেখক ঃ বিজেপি, অসম প্ৰদেশৰ, জ্যেষ্ঠ কাৰ্যকৰ্তা



# কেন্দ্ৰৰ জন-কল্যাণ আঁচনি আৰু অসমৰ আৰ্থ-সামাজিক সুৰক্ষা

মৃন্ময় ভূঞা

স্বাধীনোত্তৰ কালত ভাৰতৰ অনগ্ৰসৰতা দূৰীকৰণৰ হেতু পঞ্চবাৰ্ষিক পৰিকল্পনা গ্ৰহণ কৰা হৈছিল। ভাৰতৰ দাৰ জনবহুল কৃষি প্ৰধান দেশ এখনৰ বাবে সেয়া অত্যন্ত জৰুৰী আছিল। স্বাধীনতাৰ ৭৫ বছৰ পিচতো কিন্তু দেশ সেই অনগ্ৰসৰতাৰ পৰা মুক্ত নহ'ল। চমুকৈ ক'ব গলে, আমাৰ বৰ্দ্ধিত জনসংখ্যাই ইয়াৰ প্ৰধান কৰাৰণ। যোৱা ৮০ টা বছৰত যি হাৰত জনসংখ্যা বৃদ্ধি হ'ল, সেই অনুপাতে শিক্ষা আৰু স্বাস্থ্যৰ নিৰাপত্তা দিবলৈ চৰকাৰ সমৰ্থ নহ'ল। গতিকে জনগণৰ অনগ্ৰসৰতা দূৰ কৰিবলৈ চৰকাৰী সাহায্য আৰু পৃষ্ঠপোষকতা জৰুৰী হৈ থাকিল। পঞ্চাবাৰ্ষিক পৰিকল্পনা বোৰত কৃষি, উদ্যোগ, শিক্ষা, স্বাস্থ্য, প্ৰতিৰক্ষা শিতানত প্ৰচুৰ অৰ্থ, বিনিয়োগ কৰাৰ পিচতো বিভিন্ন কাৰণত আমি নিৰ্দ্ধাৰিত লক্ষ্যত উপনীত হ'ব নোৱাৰিলো। জনসংখ্যাৰ লগতে, এই বিফলতাৰ এটা অনস্বীকাৰ্য কাৰণ হ'ল, সৰবৰাহ শৃংখল ব্যৱস্থাপনা (Supply Chain Management) ৰ আসোঁৱাহ। পন্য সামগ্ৰী প্ৰাথমিক উৎস বা কেচামাল সংগ্ৰহৰ পৰা আৰম্ভ কৰি উৎপাদন, মজুতকৰণ আৰু শেষ পৰ্যন্ত গ্ৰাহকৰ হাতত পন্যাটি তুলি দিয়াৰ দক্ষ আৰু নিখুঁট ব্যৱস্থাটোৱেই হ'ল সৰবৰাহ শৃংখল। পন্য বুলিলে অকল কৃষি বা উদ্যোগ ক্ষেত্ৰত উৎপাদিত সামগ্ৰীকেই বুজোৱা নাই; জনসাধাৰণৰ সুবিধাৰ হেতু আগবঢ়োৱা সকলো সুবিধা-যেনে শিক্ষা বা স্বাস্থ্য ক্ষেত্ৰৰ আঁচনিবোৰ-সেইবোৰ যদি জনগণে লাভেই নকৰে, তেন্তে বুজিব লাগিব সৰবৰাহ শৃংখলত কৰ'বাত কেৰোণ আছে।

যোৱা ২০১৪ চনৰে পৰা কেন্দ্ৰত বিজেপি চৰকাৰ গঠন হোৱাৰ পিচৰে মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত সেই সৰবৰাহ শৃংখলৰ ওপৰত চোকা নজৰ ৰখা হৈছে। পি এম ও (PMO) অফিচৰ পৰা সকলো আঁচনি পোনপটীয়াকৈ নিৰীক্ষান কৰি থকা হৈছে। শৃংখলৰ মাজত থকা চৰকাৰী আমোলা, নেতা, ব্যৱসায়ী, ঠিকাদাৰ কাকো ৰেহাই নিদি ব্যৱস্থাটোক স্বচ্ছ আৰু কটকটীয়া কৰি তোলা হৈছে, যাতে গ্ৰাহকে (জনগণে) আঁচনি সমূহৰ পুফল লাভ কৰিবলৈ সমৰ্থ হয়।

যোৱা দহটা বৰ্ষত চৰকাৰে গ্ৰহণ কৰা জনকল্যাণ আঁচনি সমূহৰ ভিতৰত প্ৰধান মন্ত্ৰী জন ধন যোজনা (PMJDY) ৰ যোগেদি বেংকিং সুবিধা সমূহক সৰ্বসাধাৰণ জনতাৰ ওচৰ চপাই নিয়া হৈছে। সামান্য উপাৰ্জনো একাউণ্টত জমা কৰিহে খৰচ কৰিবলৈ জন সাধাৰণক শিকোৱা হৈছে। এই ব্যপক বেংকিং সুবিধাৰ সুফল আজি আমি হাতে হাতে

পাইছো।

প্ৰধানমন্ত্ৰী মুদ্ৰা যোজনা (PMMY) ৰ যোগেদি সৰু সৰু উদ্যোগীক ১০ লাখ টকা পৰ্যন্ত ঋণ দিয়াৰ ব্যৱস্থা কৰা হৈছে। অটল পেঞ্চন যোজনাৰে অসংগঠিত (unorganised) ক্ষেত্ৰত কাম কৰা কৰ্মচাৰী সকলৰ বাবে পেঞ্চনৰ ব্যৱস্থা কৰা হৈছে। PMSVA Nidhi ৰ যোগেদি পথৰ দাঁতিত ব্যৱসায় কৰি ভাত মোকোলোৱা ক্ষুদ্ৰ ব্যৱসায়ী সকলক মাইক্ৰ ক্ৰেডিত ব্যৱস্থাৰে মূলধন লোন দিয়া হৈছে।

আয়ুষ্মান ভাৰত বিশ্বৰ আটাইতকৈ সৰ্ববৃহৎ স্বাস্থ্য বীমা আঁচনি, যাৰ দ্বাৰা দুখীয়া জনগণক বছৰি পাঁচ লাখ টকালৈ চিকিৎসাৰ খৰচ দিয়া হৈছে। প্ৰধানমন্ত্ৰী জীৱন জ্যোতি বীমা যোজনাৰে বছৰি নবীকৰণযোগ্য ২ লাখ টকাৰ জীৱন বীমা আগবঢ়োৱা হৈছে। প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনাত দুৰ্ঘটনাত মৃত্যু বা ঘুনীয়া হোৱাজনক সামৰি লোৱা হৈছে।

কৃষি খণ্ডত পি এম কিষান, পিএম ফচল বীমা যোজনা, কৃষিভূমি পৰিপুষ্টি কাৰ্ড (Soi Health Card Scheme) অন্যতম। একেদৰে গৃহ আৰু পৰিকাঠামোৰ ক্ষেত্ৰত, প্ৰধানমন্ত্ৰী আৱাস যোজনা, জল জীৱন মিছন, স্বচ্ছ ভাৰত অভিযান হাতত লোৱা হৈছে।

স্বাধীনোত্তৰ কালত প্ৰথম বাৰৰ বাবে মহিলা সবলীকৰণ আৰু শিশুৰ উৎকৰ্ষৰ বাবে ব্যপক আঁচনি গ্ৰহণ কৰা হৈছে। প্ৰধান মন্ত্ৰী উজলা যোজনা (PMUY) ৰ যোগেদি দুখীয়া মহিলা সকলক ঘৰে ঘৰে এল পি জি গেছৰ সংযোগ দিয়া হৈছে। কন্যা শিশুৰ বাবে 'বেটী বাচাও, বেটী পঢ়াও', সুকন্যা সমৃদ্ধি আঁচনিৰে অনগ্ৰসৰ সমাজত এক অভূতপূৰ্ব জাগৰণৰ সৃষ্টি কৰা হৈছে। দেশত মহিলা সবলীকৰণৰ হেতু এই শিশু কল্যাণ আঁচনি সমূহ অতি ফলপ্ৰসূ আৰু দীৰ্ঘ ম্যাদী বিবেচিত হৈছে।

স্কিল ডেভেল'পমেণ্ট আৰু ডিজিটেল সবলীকৰণৰ বাবে হাতত লোৱা হৈছে স্কিল ইণ্ডিয়া মিছন আৰু ডিজিটেল ইণ্ডিয়াৰ দৰে জনপ্ৰিয় যোজনা।

অসমৰ ক্ষেত্ৰত চৰকাৰখনে অসমৰ অৰ্থ-সামাজিক পৰিৱেশৰ সতে খাপ-খোৱাকৈ লোৱা বহুবোৰ আঁচনিয়ে দুখীয়া, পিচপৰা লোকক উপকৃত কৰিছে। যেনে, আত্ম-নিৰ্ভৰ অসম অভিযানৰ দ্বাৰা উদ্যোগী, যুৱক-যুৱতীক ২ ৰ পৰা ৫ লাখ পৰ্যন্ত টকা অৰ্থ-সাহায্য দিয়াৰ ব্যৱস্থা কৰা হৈছে, যাতে তেওঁলোক চাকৰিমুখী নহৈ নিজে নিজৰ ভৱিৰ ওপৰত থিয় দিব পাৰে। কোভিড-১৯ ত পিতৃ-মাতৃ হাৰা সন্তানত ২৪ বছৰ বয়স পৰ্যন্ত আৰ্থিক সকাহ দিবৰ কাৰণে শিশু সেৱা আঁচনি গ্ৰহণ কৰা হৈছে। এই আঁচনিৰ অধীনত প্ৰতিটো মাউৰা শিশুৰ নামত চৰকাৰে ৭,৮১,২০০ টকা ফিক্সড্ ডেপ'জিট কৰি ৰাখিছে, যাতে তাৰ পৰা মাহিলি সূত ৩,৫০০ টকা শিশুটোৰ লাভ কৰে। অসমৰ শিপীনি সকলৰ কাৰণে ২০২২ চনৰ পৰা আৰম্ভ কৰা হৈছে স্বনিৰ্ভৰ নাৰী আঁচনি। অৰুণোদয় আঁচনিৰ যোগেদি (Direct Benifit Transfer) দুখীয়া শ্ৰেণীৰ লোকক মাহে প্ৰতি ১,২৫০ টকাকৈ আৰ্থিক সকাহ দি থকা হৈছে। এই পৰ্যন্ত ২৪ লাখ পৰিয়ালক এই আঁচনিৰে সামৰি লোৱা হৈছে।

স্বাধীনোত্তৰ কালৰ পৰা পূৰ্ববংগীয় মুছলমান জনস্ৰোতত আজি অসমৰ ভাষিক, ভৌগলিক, সাংস্কৃতিক অস্তিত্ব বিপন্ন। এই জনস্ৰোতে অসমৰ জন গাঠনিকে সলনি কৰি পেলাইছে। অস্তিত্বৰ এই সংকটকালত চৰকাৰৰ এই হিতাধিকাৰী আঁচনিৰ পদক্ষেপ সমূহ অতিকৈ গুৰুত্বপূৰ্ণ। ভূমিহীন লোকক ভূমি পট্টা প্ৰদান চাহ বাগিছাৰ বনুৱা সকলক ম্যাদী পট্টা প্ৰদান আদি আঁচনিয়ে অসমৰ জাতীয় ভেটি-মাটিৰ সুৰক্ষা আৰু নিশ্চিতিৰ দিশত এক বৃহৎ পদক্ষেপ। বেদখলকাৰী পৰা চৰকাৰী ভূমি, বিশেষকৈ সত্ৰ সমূহৰ মাটি উচ্ছেদমুক্ত কৰাটোও অসমৰ সাংস্কৃতিক অস্তিত্ব ৰক্ষাৰ বাবে এক ফলপ্ৰসূ ব্যৱস্থা।

চৰকাৰৰ জনকল্যাণ মুখী হিতাধিকাৰী আঁচনি সমূহে জনসাধাৰণক কৰ্ম বিমুখ নকৰি স্বনিৰ্ভৰশীল কৰি তোলাটোৱেই উদ্দেশ্য। হয়তো কৃষি খণ্ডত আৰু অধিক কাৰ্যকৰী আঁচনিৰ প্ৰয়োজন এতিয়াও আছে। নিয়ন্ত্ৰণহীন নগৰীকৰণ আৰু উদ্যোগীকৰণে যে অকল কৃষিক্ষেত্ৰকেই ক্ষতিগ্ৰস্ত কৰিছে তেনে নহয়, প্ৰাকৃতিক পৰিৱেশৰ ওপৰতো বিৰূপ প্ৰভাৱ পেলাইছে। অদূৰ ভৱিষ্যতে নিশ্চয়কৈ অসমৰ মাননীয় মুখ্যমন্ত্ৰীয়ে এই দিশত চোকা নজৰ ৰাখিব, আৰু অসমৰ সেউজ-সুফলা মনোৰম প্ৰাকৃতিক পৰিৱেশ, অতি-চহকী সংস্কৃতিৰ সুৰক্ষাৰ হেতু অধিক আঁচনি হাতত ল'ব।■

লেখক ঃ বিশিষ্ট নাট্যকাৰ, নিয়মীয়া স্তম্ভলেখক



# নাৰীশক্তিৰ উত্থান

## বিজেপিৰ নিৰংকুশ নিৰ্বাচনী বিজয়ৰ অন্যতম কাৰণ

ডঃ কংকনা গোস্বামী

यत्र नारीशक्तिः पूज्यते, सम्मान्यते च आद्रियते, तत्र राष्ट्रजीवनं निरन्तरं शक्तेः।।
स्थैर्यस्य तथा सामूहिकसमृद्धेः दिशि वर्धते।।

( Where Nari shakti is revered, respected and honored, National life continually grows towards strength, stability and collective prosperity)

প্ৰসংগক্ৰমে ড০ বি আৰ আম্বেদকাৰদেৱে কৈছিল.... "I measure the progress of a society by looking at the status of its women"

অৰ্থাৎ, যিকোনো এখন উন্নত ৰাজ্যৰ সৰ্বাংগীণ বিকাশৰ মাপকাঠী বহু পৰিমাণে নিৰ্ভৰ কৰে সেই ৰাজ্যৰ নাৰীশক্তিৰ আৰ্থ-সামাজিক প্ৰতিচ্ছবিৰ ওপৰত। সাম্প্ৰতিক সময়ত অসমৰ ৰাজনৈতিক আৰু সামাজিক প্ৰেক্ষাপটত এক নিৰৱ অথচ শক্তিশালী বিপ্লৱৰ সূচনা হৈছে, যাৰ গুৰি ধৰিছে ৰাজ্যখনৰ মাতৃশক্তি অৰ্থাৎ মহিলাসকলে। মহিলাসকলক নিৰ্বাচনী অংকৰ এক সাধাৰণ ভোটবেংক হিচাপে গণ্য নকৰি ভাৰতীয় জনতা পাৰ্টিৰ চৰকাৰে তেওঁলোকক সাক্ষাৎ 'মাতৃশক্তি' ৰূপে যি বিৰল শ্ৰদ্ধা আৰু মৰ্যাদা প্ৰদান কৰিছে, সেয়াই আজি অসমৰ বুকুত শাসনাধিষ্ঠিত বিজেপি চৰকাৰৰ ধাৰাবাহিক আৰু নিৰংকুশ বিজয়ৰ আঁৰৰ আটাইতকৈ স্পৰ্শকাতৰ কাৰণ।

বিগত পাঁচ বছৰত অসম চৰকাৰে গ্ৰহণ কৰা এলানি যুগান্তকাৰী নাৰীকেন্দ্ৰিক নীতিয়ে কেৱল মহিলাসকলৰ সৱলীকৰণেই ঘটোৱা নাই, বৰঞ্চ ই শাসনাধিষ্ঠিত ভাৰতীয় জনতা পাৰ্টিৰ ধাৰাবাহিক নিৰ্বাচনী বিজয়ৰ এক অন্যতম নিৰ্ণায়ক কাৰক হিচাপে পৰিগণিত হৈছে। ৰাজ্য চৰকাৰৰ এই মহিলা সৱলীকৰণৰ যাত্ৰাত আটাইতকৈ গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বিবেচিত হৈছে আইমাতৃ সকলক আৰ্থিকভাৱে কিছু সকাহ প্ৰদান কৰিবলৈ মনস্থ হোৱা 'অৰুণোদয়' আঁচনি। যিটো সময়ত শীত তাঁপ নিয়ন্ত্ৰিত কোঠাত বহি বিৰোধী পক্ষৰ বহু নেতা পালিনেতাই এই যুগান্তকাৰী পদক্ষেপক কেৱল এক 'হিতাধিকাৰী আঁচনি' বুলি তুচ্চ-তাচ্ছিল্য কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল, সেইটো সময়ত এই ধনৰাশিয়ে দৰিদ্ৰ সীমাৰেখাৰ তলৰ অসংখ্য পৰিয়ালসমূহৰ মহিলাসকলক বহু ক্ষেত্ৰত এক আৰ্থিক স্বতন্ত্ৰতা প্ৰদান কৰাৰ লগতে সমাজত তেওঁলোকৰ আৰ্থ-সামাজিক মৰ্যাদা বৃদ্ধিত এক সুকীয়া ভূমিকা গ্ৰহণ কৰিছিল। প্ৰতিমাহে ৪০ লাখ মাতৃৰ বেংক একাউণ্টত সোমোৱা ১২৫০ টকা কেৱল এক আৰ্থিক অনুদান নহয়; ই আছিল এগৰাকী অসহায় মাতৃৰ হাতত চৰকাৰে তুলি দিয়া আত্মসন্মানৰ প্ৰতীক। ইয়াৰ সমান্তৰালভাৱে, 'মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান'ৰ জৰিয়তে গ্ৰামাঞ্চলৰ অৰ্থনীতিত এক নতুন জোঁৱাৰ আনিবলৈ প্ৰয়াস কৰা পৰিলক্ষিত হৈছিল। এই অভিযানৰ অধীনত ৩০ লাখতকৈও অধিক মহিলাই আত্মসংস্থাপনৰ লক্ষ্যৰে নিজা



ব্যৱসায় আৰম্ভ কৰিবলৈ ১০,০০০ টকাকৈ বীজ মূলধন (Seed Capital) লাভ কৰিছে। ইয়াৰ ফলত অসমৰ মহিলাসকলৰ বাবে কেৱল ঘৰৰ চাৰিবেৰৰ মাজতে আৱদ্ধ নাথাকি 'ক্ষুদ্ৰ' আৰু 'মজলীয়া' উদ্যোগী হিচাপে নিজৰ পৰিচয় দাঙি ধৰি এক আশাপ্ৰদ আৰ্থিক পৰিৱেশ গঢ়িবলৈ অহোপুৰুষাৰ্থ কৰা হৈছিল।

আনহাতে ,পাকঘৰৰ কেঁচাখৰিৰ ধোঁৱাত আজীৱন আবৃত হৈ থকা আইমাতৃৰ ক্লান্ত চকুহালক মুক্তিৰ পোহৰ দিয়াৰ এক আন্তৰিক আৰু আৱেগময় প্ৰয়াস আছিল 'প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনা'। দৈনন্দিন জীৱনৰ দুখ কষ্টৰ পৰা মহিলাক পৰিত্ৰাণ দিয়াৰ লক্ষ্যৰে 'প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনা'ৰ জৰিয়তে ৰাজ্যৰ ৫০ লাখতকৈও অধিক মহিলাই বিনামূলীয়া গেছ সংযোগ লাভ কৰিছে আৰু ধোঁৱাযুক্ত পাকঘৰৰ পৰা চিৰদিনৰ বাবে মুক্তি পাবলৈ সক্ষম হৈছিল। এইখিনিতে উল্লেখযোগ্য যে অসমৰ চহকী হস্তত‍াঁত শিল্পক জীয়াই ৰখাৰ ক্ষেত্ৰত থলুৱা শিপিনীসকলৰ অৱদান অনস্বীকাৰ্য। অসমৰ চহকী হস্তত‍াঁত শিল্পক নিজৰ আঙুলিৰ ভাঁজত জীয়াই ৰখা নিমাখিত শিপিনীসকলৰ দুখ-কষ্ট চৰকাৰে হৃদয়ংগম কৰিছে। 'স্বনিৰ্ভৰ নাৰী' আঁচনিৰ জৰিয়তে মধ্যভোগীৰ শোষণৰ অন্ত পেলাই ১৭,০০০ গৰাকীৰো অধিক শিপিনীৰ পৰা ২৮ কোটি টকাৰো অধিক মূল্যৰ সামগ্ৰী পোনপটীয়াকৈ ক্ৰয় কৰি চৰকাৰে তেওঁলোকৰ শ্ৰম আৰু নিপুণতাক এক অনন্য স্বীকৃতি প্ৰদান কৰিছে।

শিক্ষা আৰু সমাজ সংস্কাৰৰ ক্ষেত্ৰতো বিগত চৰকাৰখনৰ বলিষ্ঠ পদক্ষেপ লেখত ল'বলগীয়া। 'মুখ্যমন্ত্ৰী নিযুত মইনা' আঁচনিৰ অধীনত ৫.৫ লাখৰো অধিক ছাত্ৰীক উচ্চশিক্ষাৰ বাবে আৰ্থিক সহায় আগবঢ়োৱা হৈছে, যাৰ ফলস্বৰূপে ৰাজ্যত স্কুলীয়া শিক্ষা আধাতে এৰা ছাত্ৰীৰ হাৰ (Dropout rate) ৮.২ শতাংশলৈ হ্ৰাস পাইছে। নাৰী শিক্ষাৰ প্ৰসাৰৰ লগতে সমাজৰ এক ভয়ংকৰ ব্যাধি বাল্যবিবাহৰ বিৰুদ্ধে চৰকাৰে লোৱা কঠোৰ আইনী স্থিতিৰ ফলত অসমত বাল্যবিবাহৰ হাৰ ৮৪% হ্ৰাস পাইছে। অসমত বাল্যবিবাহৰ হাৰ ৮৪% হ্ৰাস পোৱাটো কেৱল এক পৰিসংখ্যা নহয়; ই হৈছে হেজাৰ হেজাৰ কিশোৰীৰ লুণ্ঠিত হোৱা শৈশৱ আৰু ভৱিষ্যতক সুৰক্ষা প্ৰদান কৰাৰ এক হৃদয়স্পৰ্শী নিদৰ্শন। সুৰক্ষা, শিক্ষা, স্বাস্থ্য আৰু আৰ্থিক স্বাৱলম্বিতাৰ এই যাত্ৰাত বিগত চৰকাৰখনে প্ৰমাণ কৰিছিল যে মাতৃশক্তিক অৱহেলা কৰি এখন উন্নত ৰাজ্যৰ সপোন দেখা অসম্ভৱ। সমাজৰ প্ৰতিটো স্তৰৰ মহিলাই আজি অনুভৱ কৰিছে যে চৰকাৰ কেৱল প্ৰশাসক নহয়, বৰঞ্চ তেওঁলোকৰ সুখ-দুখৰ প্ৰকৃত সংগী। মহিলাসকলৰ মনত সৃষ্টি হোৱা এই সুৰক্ষা আৰু মৰ্যাদাবোধৰ ফলশ্ৰুতিতেই তেওঁলোকে স্বতঃস্ফূৰ্তভাৱে এই চৰকাৰখনক আঁকোৱালি লৈছে আৰু প্ৰমাণ কৰিছে যে বিগত নিৰ্বাচনৰ ধুমুহা সদৃশ বিজয় অসমৰ লাখ লাখ স্বনিৰ্ভৰশীল আৰু আত্মবিশ্বাসী মাতৃৰ অন্তৰৰ পৰা নিগৰি অহা অকৃত্ৰিম আশীৰ্বাদ। ইয়াৰ বাবেই অসমৰ শেহতীয়া ৰাজনৈতিক প্ৰেক্ষাপটত ২০২৬ চনৰ বিধানসভা নিৰ্বাচন এক যুগান্তকাৰী অধ্যায় হিচাপে চিহ্নিত হৈ ৰ'ব।

এই নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টিৰ ধাৰাবাহিক আৰু চমকপ্ৰদ বিজয়ৰ নেপথ্যত থকা আন এক অন্যতম কাৰক হৈছে দলটোৰ নিৰ্বাচনী সংকল্প পত্ৰত প্ৰতিফলিত হোৱা সুদূৰপ্ৰসাৰী নাৰীকেন্দ্ৰিক নীতিসমূহ। 'স্বনিৰ্ভৰ নাৰী, বিকশিত অসম'ৰ মূল মন্ত্ৰৰে সজোৱা এই সংকল্প পত্ৰই ৰাজ্যখনৰ আধা সংখ্যক মহিলাক কেৱল আকৰ্ষণ কৰাই নহয়, বৰঞ্চ তেওঁলোকৰ মনত এক গভীৰ

বিশ্বাস আৰু নিৰাপত্তাৰ ভাব গঢ়ি তুলিবলৈ সক্ষম হ'ল। মৰ্যাদা, নিৰাপত্তা আৰু সুযোগৰ প্ৰতিশ্ৰুতিৰে ভৰা এই নীতিত অসমৰ মহিলাসকলে নিজৰ আৰু নিজ সন্তানৰ ভৱিষ্যত সুৰক্ষিত বুলি অনুভৱ কৰিলে আৰু তাৰ প্ৰতিফলন ঘটিল নিৰ্বাচনৰ ফলাফলত। সামাজিক সবলীকৰণৰ ক্ষেত্ৰত চৰকাৰৰ আটাইতকৈ জনপ্ৰিয় 'অৰুণোদয়' আঁচনিৰ ধনৰাশি পৰ্যায়ক্ৰমে ৩,০০০ টকালৈ বৃদ্ধি কৰা আৰু অতিৰিক্ত ১৫ লাখ পৰিয়াললৈ ইয়াৰ পৰিসৰ সম্প্ৰসাৰণ কৰাৰ প্ৰতিশ্ৰুতিয়ে তৃণমূল পৰ্যায়ৰ মহিলাসকলক প্ৰবলভাৱে আশাবাদী কৰি তুলি তেওঁলোকৰ আধৰুৱা সপোনবোৰক আৰ্থিকভাৱে স্পৰ্শ কৰিলে। ইয়াৰ লগতে, উচ্চ শিক্ষাত ছাত্ৰীসকলৰ নামভৰ্তি নিশ্চিত কৰিবলৈ 'মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনি'ৰ ধাৰাবাহিকতা আৰু অষ্টম শ্ৰেণীৰ ছাত্ৰীসকলৰ বাবে 'অপৰাজিতা আঁচনি'ৰ অধীনত বিনামূলীয়া চাইকেল প্ৰদানৰ ঘোষণাই শিক্ষাৰ ক্ষেত্ৰত এক নতুন দিগন্তৰ সূচনা কৰিলে, যিয়ে আধাতে বিদ্যালয় এৰা ছাত্ৰীৰ সংখ্যা হ্ৰাস কৰাত অভূতপূৰ্ব সহায় কৰিব। কেৱল শিক্ষাই নহয়, সামাজিক সুৰক্ষাৰ দিশতো বহুবিবাহৰ বলি হোৱা মহিলাক বিনামূলীয়া আইনী সহায়ৰ বাবে 'অসম মহিলা আইনী সাহায্য আঁচনি' আৰু কৰ্মৰত মহিলা তথা ছাত্ৰীৰ বাবে প্ৰতিটো জিলা সদৰত 'ইন্দিৰা মিৰি মহিলা নিৱাস' স্থাপনৰ দৰে সংবেদনশীল প্ৰতিশ্ৰুতিয়ে ভাৰতীয় জনতা পাৰ্টিৰ এই চৰকাৰখনৰ প্ৰতি মহিলা সমাজৰ আস্থা বহুগুণে বৃদ্ধি কৰিলে।




অৰ্থনৈতিক স্বাৱলম্বিতাৰ দিশত সংকল্প পত্ৰখনে এক বিপ্লৱী আঁচনি দাঙি ধৰিছিল। ৰাজ্যত ৪০ লাখ 'লাখপতি বাইদেউ' সৃষ্টিৰ লক্ষ্যৰে 'মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান'ৰ দ্বিতীয় পৰ্যায়ত ২৫,০০০ টকাৰ আৰ্থিক সাহায্যৰ ঘোষণা আৰু ক্ষুদ্ৰ তথা কৃষিভিত্তিক উদ্যোগৰ বাবে প্ৰশিক্ষণৰ প্ৰতিশ্ৰুতিয়ে গ্ৰাম্য অৰ্থনীতিত এক নতুন আশাৰ সঞ্চাৰ কৰিলে । সমান্তৰালভাৱে, মহিলাৰ দ্বাৰা পৰিচালিত সুকীয়া বজাৰ স্থাপন আৰু সকলো খণ্ডতে ২৬ সপ্তাহৰ বেতনসহ মাতৃত্বকালীন ছুটীৰ দৃঢ় ৰূপায়ণে চাকৰিয়াল আৰু ব্যৱসায়ী উভয় শ্ৰেণীৰ মহিলাকে সুৰক্ষা প্ৰদানৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিলে। তৃণমূল পৰ্যায়ত গ্ৰাম্য সংগঠনসমূহৰ বাবে কাৰ্যালয় স্থাপন আৰু ১০০টা মহিলা পৰিচালিত কৃষক উৎপাদক সংগঠন (FPO) গঠনৰ প্ৰস্তাৱে মহিলাসকলক নেতৃত্বৰ আসনত অধিষ্ঠিত কৰিলে।

মহিলা আৰু শিশুৰ স্বাস্থ্য তথা সুৰক্ষাক অগ্ৰাধিকাৰ দি সংকল্প পত্ৰত অন্তৰ্ভুক্ত কৰা 'সঞ্জীৱনী পুষ্টি কিট', জৰায়ুমুখৰ কৰ্কট ৰোগ প্ৰতিৰোধৰ বাবে বিনামূলীয়া HPV ভেকচিন আৰু মাত্ৰ ১ টকাত চেনিটেৰী নেপকিনৰ উপলব্ধতাৰ দৰে সিদ্ধান্তসমূহে চৰকাৰৰ দূৰদৰ্শিতা প্ৰমাণ কৰে। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল, 'মা কামাখ্যা শক্তি পদক্ষেপ'ৰ জৰিয়তে আৰক্ষী ব্যৱস্থাক শক্তিশালী কৰা, 'মহিলা সৰ্বস্ব বীৰাংগণা বেটেলিয়ন' স্থাপন, 'পিংক পেট্ৰ'লিং', 24x7 হেল্পলাইন আৰু চহৰসমূহত 'পিংক বাছ'ৰ চলাচলৰ প্ৰতিশ্ৰুতিয়ে অসমৰ নাৰী সমাজক নিৰাপত্তাৰ অনুভৱ দিলে।সামগ্ৰিকভাৱে চাবলৈ গ'লে, বিজেপিৰ এই ২০২৬ চনৰ সংকল্প পত্ৰত কেৱল এটা নিৰ্বাচনী প্ৰতিশ্ৰুতিৰ দস্তাবেজ নাছিল, বৰঞ্চ ই আছিল অসমৰ নাৰী সমাজৰ সৰ্বাঙ্গীণ বিকাশৰ এক ব্লুপ্ৰিণ্ট। সমাজৰ প্ৰতিগৰাকী মহিলাই অনুভৱ কৰিলে যে এই নীতিসমূহে তেওঁলোকক কেৱল হিতাধিকাৰী কৰা নাই, বৰঞ্চ ৰাজ্যৰ উন্নয়নৰ মূল চালিকাশক্তি হিচাপে প্ৰতিষ্ঠা কৰিছে। মৰ্যাদা, সুৰক্ষা আৰু স্বাৱলম্বিতাৰ এই সুনিশ্চিত আশাই অসমৰ মহিলাসকলক নিৰ্বাচনত বিজেপিৰ সপক্ষে একত্ৰিত হ'বলৈ প্ৰেৰণা যোগালে, যাৰ ফলস্বৰূপেই দলটোৱে অসমত এক ঐতিহাসিক আৰু ধুমুহা সদৃশ বিজয় সাব্যস্ত কৰিবলৈ সক্ষম হ'ল।■

লেখক ঃ বিজেপি, অসম প্ৰদেশৰ মিডিয়া বিভাগৰ সদস্যা

# 'মহাবিজয়'ৰ পিছত জিলা সভাপতিসকলৰ মনৰ অনুভৱ

বিৰোধী পক্ষৰ সকলো দম্ভালি উৰুৱাই দি বিগত অসম বিধান সভাৰ নিৰ্বাচনত বিজেপি দলে মুঠ ৮২ খন আসন লাভ কৰি ইতিহাস ৰচনা কৰিলে। এই বিৰল সফলতাৰ ৰণখনৰ অন্যতম সেনাপতি বিজেপিৰ ৩৯ খন প্ৰশাসনিক জিলাৰ সন্মানীয় সভাপতিসকলৰ মনৰ অনুভৱ জানিবলৈ 'বিজেপি বাৰ্তা'ৰ তৰফৰ পৰা যোগাযোগ কৰা হৈছিল। 'অসমীয়া বিজেপি বাৰ্তা'ৰ হৈ এই যোগাযোগ কৰিছিল বিজেপি, অসম প্ৰদেশৰ জ্যেষ্ঠ কাৰ্যকৰ্তা বেণুধৰ নাথে।





**মুকুট কলিতা**
সভাপতি
ভাৰতীয় জনতা পাৰ্টি
বজালী জিলা

ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চা (NDA) ৰ অভূতপূৰ্ব সফলতাৰ বাবে সদৌ অসমবাসী ৰাইজৰ পদপংকজত সেৱা জনাইছোঁ। অসমৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা দেৱৰ সুনিপুণ নেতৃত্ব আৰু ৰাজ্যিক সভাপতি শ্ৰীযুত দিলীপ শইকীয়াদেৱৰ বলিষ্ঠ সাংগঠনিক দক্ষতা আৰু প্ৰতিগৰাকী নিষ্ঠাৱান কাৰ্যকৰ্তাৰ নিৰলস প্ৰচেষ্টাত পুণঃবাৰ বিপুল সংখ্যাগৰিষ্ঠতাৰে তৃতীয়বাৰৰ বাবে NDA চৰকাৰ গঠন হোৱাৰ পৱিত্ৰ ক্ষণত প্ৰতিগৰাকী সন্মানীয় কাৰ্যকৰ্তাৰ লগতে জ্যেষ্ঠজনলৈ অশেষ কৃতজ্ঞতা আৰু আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ। অনাগত দিনত প্ৰতিগৰাকী কাৰ্যকৰ্তাক মৰ্য্যাদাৰে দলৰ কাম-কাজ অধিক শক্তিশালী ৰূপত আগুৱাই নিবলৈ অনুৰোধ জনাইছোঁ।

অসমৰ জনগণে যি প্ৰত্যাশাৰে পুনৰবাৰ অসমৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত চৰকাৰ গঠন কৰাত সহায় - সহযোগিতা আগবঢ়ালে, তেনেদৰে যেন চৰকাৰখনেও ৰাইজৰ আশা-আকাংক্ষাক বাস্তৱ ৰূপ দিয়াৰ লগতে অসমখনক ভাৰতৰ অন্যতম শ্ৰেষ্ঠ ৰাজ্যৰ হিচাপে গঢ় দিব পাৰে তাৰ বাবে প্ৰভু ভগৱন্তৰ শ্ৰীচৰণত প্ৰণিপাত জনাইছোঁ।



**ৰিদীপ কুমাৰ ডেকা**
সভাপতি
ভাৰতীয় জনতা পাৰ্টি
বাক্সা জিলা

অসম বিধানসভা নিৰ্বাচন - ২০২৬ ত বিজেপি নেতৃত্বাধীন এনডিএৰ অভূতপূৰ্ব সফলতা অসমৰ ৰাজনৈতিক ইতিহাসত এক মাইলৰ খুঁটি ৰূপে পৰিগণিত হৈছে। সমষ্টি পুনৰনিৰ্ধাৰণৰ জৰিয়তে আশা কৰা মতেই মুঠ ১২৬ টা বিধানসভা সমষ্টিৰ ভিতৰত ১০২ টা সমষ্টিতেই খিলঞ্জীয়া অসমীয়া প্ৰাৰ্থীয়ে বিজয় ধ্বজা উৰুৱাই খিলঞ্জীয়াৰ প্ৰভুত্ব বিস্তাৰ কৰিবলৈ সক্ষম হ'ল। এই বিজয়ে থলুৱা অসমীয়াৰ আৰ্থ-সামাজিক, সাংস্কৃতিক,আধ্যাত্মিক আৰু ৰাজনৈতিক সুৰক্ষা সুনিশ্চত কৰাৰ পথ প্ৰশস্ত কৰিলে।

সমাজৰ প্ৰতিটো বৰ্গৰ জনসাধাৰণৰ সৈতে নিজৰ আচৰণ, সম্পৰ্ক, আত্মীয়তাৰ জৰিয়তে অসমৰ সৰ্বকালৰ জনপ্ৰিয়, কৰ্মদক্ষ, ভৱিষ্যদৰ্শী মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ আমাৰ অসম খনক সন্মুখৰ পৰা নেতৃত্ব প্ৰদান কৰি স্থায়ী শান্তি, সুৰক্ষা, কৰ্ম সংস্থাপন, আত্ম নিৰ্ভৰশীলতা আৰু সৰ্বঙ্গীন বিকাশৰ দিশত আগবঢ়াই লৈ যোৱাৰ যি সংকল্প আৰু তাক বাস্তৱায়িত কৰাৰ বাবে তেওঁৰ যি অক্লান্ত পৰিশ্ৰম তাৰ বাবে আমি এই শুদিন দেখিবলৈ পোৱা বুলি সকলোৰে অন্তঃকৰণেৰে অনুভৱ কৰোঁ।

ৰাজ্যিক বিজেপিৰ সন্মানীয় সভাপতি দিলীপ শইকীয়া ডাঙৰীয়াৰ মৰম আৰু অনুশাসনৰ মাজেৰে আগবঢ়াই লৈ যোৱা সাংগঠনিক তৎপৰতাৰ বাবে ভাৰতীয় জনতা পাৰ্টিয়ে তৃণমূল পৰ্যায়ত শক্তিশালী সাংগঠনিক ভেটি গঢ়ি তুলিবলৈ সক্ষম হৈছে। এই বিজয়ত ৰাজ্যিক সভাপতি ডাঙৰীয়াৰ নেতৃত্ব আৰু মাৰ্গদৰ্শন প্ৰতিগৰাকী নিষ্ঠাবান কাৰ্যকৰ্তৰ বাবে সাহস আৰু প্ৰেৰণাৰ স্ৰোত হৈ পৰিছিল।

আমাৰ বিটিচি অঞ্চলত দীৰ্ঘদিনীয়া সংঘাতৰ অৱসান ঘটাই স্থায়ী শান্তি স্থাপন কৰাৰ ক্ষেত্ৰত মাননীয় প্ৰধামন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়া, মাননীয় কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ ডাঙৰীয়া,অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ লগতে স্থানীয় নেতৃবৃন্দৰ অৱদান আছিল অপৰিসীম। এইবেলি বিটিচিবাসী ৰাইজেও সেয়েহে শান্তিপূৰ্ণ, সুৰক্ষিত আৰু বিকশিত বিটিচি-অসমৰ স্বাৰ্থত এনডিএ মিত্ৰজোঁটলৈ অভূতপূৰ্ব সঁহাৰি আগবঢ়ায়।

---



**সবিতা দেৱনাথ**
সভাপতি
ভাৰতীয় জনতা পাৰ্টি
বৰপেটা জিলা

২০২৬ চনৰ অসম বিধান সভাৰ নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টিয়ে যি অভূতপূৰ্ব সফলতা লাভকৰিবলৈ সক্ষম হ'ল, এই সফলতা আছিল আকাংক্ষিত। ভাৰতৰ যশস্বী প্ৰধান মন্ত্ৰী মাননীয় শ্ৰীযুত নৰেন্দ্ৰ মোডীৰ সবল নেতৃত্বত কেন্দ্ৰীয় চৰকাৰখনে অসমৰ সৰ্বাংগীন উন্নতিৰ বাবে যি পদক্ষেপ ল'লে তাৰ বাবে অসমৰ খিলঞ্জীয়া জনসাধাৰণে আশ্বস্ত হৈ ভাৰতীয় জনতা পাৰ্টিক ভোট প্ৰদানেৰে আশীৰ্বাদ জনালে। অসমখনক ভাৰতৰ শ্ৰেষ্ঠ পাঁচখন ৰাজ্যৰ ভিতৰত অন্তৰ্ভুক্তি কৰিবলৈ লক্ষ্য আগত ৰাখি অসমৰ অতি জনপ্ৰিয় মুখ্যমন্ত্ৰী মাননীয় ড° হিমন্ত বিশ্ব শৰ্মাই বিচক্ষণতা, পাৰদৰ্শিতা আৰু কঠোৰ শ্ৰমেৰে অসমখনক বিকাশ আৰু উন্নতিৰ যি উচ্চ শিখৰলৈ লৈ গ'ল তাৰ বাবে অসমৰ খিলঞ্জীয়া নাগৰিক পৰম সন্তোষিত, উৎসাহিত আৰু আনন্দিত; যাৰ বাবে ২০২৬ ৰ নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টিক অধিক আগ্ৰহেৰে আকোঁৱালি লৈ ২০২৬ ৰ অসম বিধান সভা নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টিক পুনৰ ক্ষমতাত অধিষ্ঠিত কৰিলে। সত্ৰীয়া সংস্কৃতি, অসমৰ ভাষা সাহিত্য সংস্কৃতিক ভাৰতবৰ্ষ তথা পৃথিৱীৰ মানচিত্ৰত আগুৱাই নিয়াৰ লগতে অসমত খিলঞ্জীয়া অসমীয়াৰ প্ৰভুত্ব আৰু অস্তিত্ব ৰক্ষাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত যি দৃঢ় পদক্ষেপ লোৱা হৈছিল এই পদক্ষেপ আছিল অতি প্ৰশংসনীয়। ইয়াৰ লগতে মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত ভাৰতীয় জনতা পাৰ্টি নেতৃত্বাধীন চৰকাৰখনে যাতায়াত, শিক্ষা, স্বাস্থ্য, ক্ৰীড়া, স্বচ্ছ আৰু নিকা নিযুক্তি, মহিলা সবলিকৰণ, আত্মনিৰ্ভৰ অসমকে ধৰি অসমখনক যি ধৰণে উন্নতিৰ শিখৰলৈ লৈ গ'ল এই কাৰ্যত অসমৰ জনসাধাৰণ যথেষ্ট সন্তুষ্ট হৈছিল আৰু ভাৰতীয় জনতা পাৰ্টিৰ পক্ষত থিয় হৈছিল।

ভাৰতীয় জনতা পাৰ্টিৰ ৰাষ্ট্ৰীয় সমিতিৰ মাননীয় সভাপতি শ্ৰীযুত নীতিন নবীনৰ নেতৃত্বত ৰাষ্ট্ৰীয় সমিতিৰ মাৰ্গ দৰ্শন, ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ মাননীয় সভাপতি শ্ৰীযুত দিলীপ শইকীয়া ডাঙৰীয়াৰ নেতৃত্বত ৰাজ্যিক বি.জে.পি.-ৰ পৰা দলৰ জিলা, মণ্ডল, বুথ আৰু পৃষ্ঠাপ্ৰমুখলৈকে সকলো স্তৰৰ কাৰ্যকৰ্তাৰ কঠোৰ শ্ৰমৰ ফলত ২০২৬ ৰ বিধান সভা নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টিয়ে অভূতপূৰ্ব ফলাফল দেখুৱাবলৈ সক্ষম হৈছে।

---



**দেৱজিৎ বৰকলিতা**
সভাপতি
ভাৰতীয় জনতা পাৰ্টি
বিলাসীপাৰা জিলা

ভৰতীয় জনতা পাৰ্টিৰ নেতৃত্বত ধাৰাবাহিকভাৱে তৃতীয়টো কাৰ্যকালৰ বাবে অসমত মিত্ৰজোঁটৰ চৰকাৰ গঠন হোৱাত আমাৰ জিলাখনৰ লগতে সমগ্ৰ অসমৰ জনগণক আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ। আমাৰ সৰ্বকালৰ কৰ্মদক্ষ আৰু গতিশীল মুখ্যমন্ত্ৰী মাননীয় ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত যোৱা কাৰ্যকালৰ সময়ত উন্নয়ন আৰু খিলঞ্জীয়াৰ সুৰক্ষাৰ দিশত যি অভূতপূৰ্ব কামৰ নিদৰ্শন অসমৰ ৰাইজে দেখিলে, তাৰ ফলশ্ৰুতিত আজি আমাৰ দলৰ এই নিৰংকুশ বিজয়। খিলঞ্জীয়াৰ স্বাৰ্থ, সম উন্নয়ন আৰু সম বিকাশৰ লক্ষ্যৰে আমাৰ দলৰ চৰকাৰখনৰ প্ৰতিটো কাৰ্য্যই ৰাইজৰ বিপুল সমৰ্থন লাভ কৰি আহিছে। ইয়াৰ অন্তৰালত আছে আমাৰ সুদক্ষ মুখ্যমন্ত্ৰী মাননীয় ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙীৰয়াৰ দূৰদৰ্শী পৰিকল্পনা, কৰ্মোদ্যম, খিলঞ্জীয়াৰ সুৰক্ষাৰ হকে গ্ৰহণ কৰা পদক্ষেপ তথা আমাৰ মাননীয় ৰাজ্যিক সভাপতি সন্মানীয় দিলীপ শইকীয়া ডাঙৰীয়াৰ সবল নেতৃত্বত দলীয় সংগঠনৰ মজবুত স্থিতি।

আমাৰ মাননীয় ৰাজ্যিক সভাপতি ডাঙৰীয়াৰ সবল নেতৃত্বত জিলা, মণ্ডল, মৰ্চা, বুথ তথা পৃষ্ঠাপ্ৰমুখলৈকে প্ৰতিগৰাকী দলীয় কৰ্মীৰ নিষ্ঠা, কৰ্মোদ্যম আৰু উৎসৰ্গাৰ মনোভাৱে দলৰ বিজয় সম্ভৱ কৰি তুলিছে।



**অসীম কুমাৰ দাস**
সভাপতি
ভাৰতীয় জনতা পাৰ্টি
বিশ্বনাথ জিলা

২০২৬ অসম বিধানসভাৰ নিৰ্বাচনত অভূতপূৰ্ব ফলাফল লাভ কৰি এক অভিলেখ সৃষ্টি কৰি অসমৰ পবিত্ৰ বিধানসভালৈ নিৰ্বাচিত হৈ অহা NDA ৰ প্ৰতিজন জনপ্ৰতিনিধিকে বহুত বহুত শুভকামনা আৰু অভিনন্দন জনাইছো। এই জয় আছিল মোগল তথা মোগলপ্ৰেমী সকলৰ বিৰুদ্ধে, এই জয় হ'ল সনাতনী সংস্কৃতিৰ জয়। অসমৰ অহিত চিন্তা কৰা সকলক ৰাইজে বিপুল ভাৱে প্ৰত্যাখ্যান কৰিলে।

মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতি যি মৰম, আগ্ৰহ আৰু অসমক লৈ কৰি যোৱা কাম আৰু সপোনবোৰক বাস্তৱত ৰূপায়িত কৰিবৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ড°হিমন্ত বিশ্ব শৰ্মা দেৱে যি কষ্ট, শ্ৰম, পৰিচালনা আৰু পৰিকল্পনা কৰিলে তাৰ সুফল আমি পাবলৈ সক্ষম হ'লো।

সেয়েহে অভিনন্দন, শুভকামনা আৰু লগতে ধন্যবাদ সহ কৃতজ্ঞতাও জনাইছো দ্বিতীয় বাৰৰ বাবে মুখ্যমন্ত্ৰী হিচাপে ইতিমধ্যে কাৰ্যভাৰ গ্ৰহণ কৰা অসমৰ জনপ্ৰিয়, সৰ্বশ্ৰেষ্ঠ আৰু দুৰদৰ্শী মুখ্যমন্ত্ৰী মাননীয় ড° হিমন্ত বিশ্ব শৰ্মা দেৱক। ক্ৰমাগতভাৱে তৃতীয় বাৰৰ বাবে ভাৰতীয় জনতা পাৰ্টিৰ নেতৃত্বত চৰকাৰ গঠন কৰিবলৈ তেখেতে সুপৰিকল্পিত ভাৱে যি ধৰণেৰে বিগত সময়ছোৱাত অসম আৰু অসমৰ ৰাইজৰ হকে দিনে নিশাই কষ্ট আৰু শ্ৰম কৰিলে আৰু নিৰ্বাচনৰ সময়ত যি ধৰণে ৰাইজৰ মাজত সোমাই আস্থা বুটলিলে সেয়া অকল্পনীয়।

মাননীয় ৰাষ্ট্ৰীয় সভাপতি শ্ৰীযুত নীতিন নবীন ডাঙৰীয়াৰ মাৰ্গ দৰ্শনেৰে উদ্বুদ্ধ হৈ আমাৰ সন্মানীয় ৰাজ্যিক সভাপতি শ্ৰীযুত দিলীপ শইকীয়া দেৱৰ যি সু আৰু প্ৰভাৱী নেতৃত্ব, তেখেতৰ যি সাংগঠনিক দক্ষতা আৰু পতি মূহুৰ্ততে দলৰ প্ৰতিটো কাৰ্যসূচীৰ সঠিক আৰু পৰিনামী ৰূপায়ণৰ ক্ষেত্ৰত তেখেতৰ যি আপোচহীন স্থিতি, তাৰ প্ৰতি দলৰ জেষ্ঠ-কনিষ্ঠ সকলো পৰ্যায়ৰ কাৰ্যকৰ্তা সহাৰি জনোৱাৰ বাবেও আমি সফলতা পাবলৈ সক্ষম হ'লো।

মাননীয় সাংগঠনিক সাধাৰণ সম্পাদক শ্ৰীযুত ৰবিন্দ্ৰ ৰাজু ডাঙৰীয়াই বুথ স্তৰৰ সংগঠন মজবুত কৰিবৰ বাবে যি নেৰানেপেৰা চেষ্টা কৰিছিল তাৰ ফলো আমি নিৰ্বাচনৰ ফলাফল ঘোষণাৰ দিনাই দেখিবলৈ পালো।

এই অভিলেখ সৃষ্টি কাৰি বিজয়ত দলৰ প্ৰতিজন জেষ্ঠ কনিষ্ঠ আৰু বুথৰ পৰা আৰম্ভ কৰি কেন্দ্ৰীয় নেতৃত্ব লৈকে সকলো পৰ্যায়ৰ কাৰ্যকৰ্তাৰ দিনে নিশাই কৰি অহা অহৰহ চেষ্টা আৰু শ্ৰম জড়িত হৈ আছে। এই সুযোগতে আমাৰ জিলাৰ বুথৰ পৰা কেন্দ্ৰলৈকে থকা প্ৰতিজন জেষ্ঠ কনিষ্ঠ সকলো পৰ্যায়ৰ দলীয় কাৰ্যকৰ্তাক অলেখ অভিনন্দন, শুভকামনা লগতে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।



**উজ্জ্বল কান্তি ৰায়**
সভাপতি
ভাৰতীয় জনতা পাৰ্টি
বঙাইগাঁও জিলা

অসম বিধানসভা নিৰ্বাচন ২০২৬ আৰু ভাৰতীয় জনতা পাৰ্টি নেতৃত্বাধীন ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চাৰ সৰ্ব্বকালৰ ঐতিহাসিক বিজয়। এই বিজয়ত মূখ্য ভূমিকা লোৱা অসমৰ তিনি কৌটি পঞ্চাছ লাখ জনতাৰ মনত প্ৰত্যয় জন্মাবলৈ সক্ষম হোৱা আধুনিক অসমৰ স্বপ্নদ্ৰষ্টা, অসমৰ ইতিহাসৰ সৰ্ব্বকালৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ লগতে ভাৰতবৰ্ষৰ যশস্বী প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোডী ডাঙৰীয়াক আন্তৰিক শুভেচ্ছা তথা অভিনন্দন জ্ঞাপন কৰিছোঁ। লগতে শুভেচ্ছা জ্ঞাপন কৰিছোঁ দূৰদৰ্শী আৰু সাংগঠনিক নেতৃত্বৰে আমাক মাগদৰ্শন দিয়া ৰাষ্ট্ৰীয় সভাপতি মাননীয় শ্ৰীনিতিন নবীন ডাঙৰীয়াক লগতে ৰাষ্ট্ৰীয় নেতৃবৰ্গক। শক্তিশালী সাংগঠনিক নেতৃত্বৰে আমাক সদায় উজ্জীৱিত কৰা দলৰ ৰাজ্যিক সভাপতি শ্ৰীদিলীপ শইকীয়া ডাঙৰীয়াক আন্তৰিকতাৰে বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰিছোঁ লগতে এই বিজয়ৰ বাবে ভাৰতীয় জনতা পাটিৰ প্ৰতিগৰাকী সমৰ্পিত কাৰ্য্যকৰ্তাক ধন্যবাদ জ্ঞাপন কৰিছোঁ। ক্ৰমাগত তৃতীয়টো কাৰ্য্যকালৰ বাবে শাসনত অধিস্থিত হোৱা ভাৰতীয় জনতা পাৰ্টি নেতৃত্বাধীন ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চাৰ চৰকাৰখনৰ অসম তথা অসমবাসীৰ জাতি, মাটি, ভেঁটি ৰক্ষা কৰাৰ যি সংকল্প সেয়া সিদ্ধিলৈকে সম্পন্ন হ'ব বুলি আমি বিশ্বাস কৰোঁ। ভাৰতীয় জনতা পাৰ্টিৰ পুৰোধা ব্যক্তি পণ্ডিত দীনদয়াল উপাধ্যায়দেৱৰ অন্তোদয়াৰ আদৰ্শৰে সমাজৰ শেষৰজন ব্যক্তিৰ উন্নয়নৰ লগতে দৈনন্দিন জীৱনৰ মৌলিক প্ৰয়োজনখিনি পুৰণ কৰাৰ স্বাৰ্থত বিগত সময়ছোৱাত কাম কৰা এন.ডি.এ. চৰকাৰখনক তৃতীয়টো কাৰ্য্যকালৰ বাবে সেৱা কৰাৰ সুযোগ দিয়াৰ বাবে অসমবাসী ৰাইজক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰিছোঁ।



**ৰূপম সাহা**
সভাপতি
ভাৰতীয় জনতা পাৰ্টি
কাছাৰ জিলা

১. আমি নিজে প্ৰায় প্ৰতিটি জিপি (গ্ৰাম পঞ্চায়েত) ও বুথ স্তৰে গিয়ে ধাৰাবাহিকভাবে সভা কৰেছি এবং কৰ্মী ও সাধাৰণ মানুষেৰ সঙ্গে সৰাসৰি যোগাযোগ স্থাপন কৰেছি।

২. মানুষেৰ সমস্যা ও মতামত ধৈৰ্য সহকাৰে শুনেছি, যাৰ ফলে সাধাৰণ মানুষেৰ মধ্যে বিশ্বাস ও আত্মীয়তা আৰও দৃঢ় হয়েছে।

৩. হিন্দু অধ্যুষিত এলাকাগুলিতে সংগঠন ও সৰকাৰেৰ নীতিগুলি বিস্তাৰিতভাবে বোঝানো হয়েছে, যাৰ ইতিবাচক প্ৰভাব ভোটে দেখা গেছে।

৪. অভিজ্ঞতায় দেখা গেছে, যেসব এলাকায় সৰকাৰি প্ৰকল্পেৰ সুবিধা স্বচ্ছভাবে সাধাৰণ মানুষেৰ কাছে পৌঁছায়, সেখানে সৰকাৰ ও সংগঠনেৰ প্ৰতি মানুষেৰ আস্থা আৰও বৃদ্ধি পায়।

৫. নিৰ্বাচনেৰ সময় এটাও অনুভব কৰেছি যে শুধু ৰাজনৈতিক বাৰ্তা নয়, বৰং মানুষেৰ সঙ্গে নিয়মিত ব্যক্তিগত যোগাযোগ ও বিশ্বাসেৰ সম্পৰ্ক গড়ে তোলাই সবচেয়ে গুৰুত্বপূৰ্ণ।

৬. বুথ স্তৰে সক্ৰিয় সংগঠন, স্থানীয় কৰ্মীদেৰ পৰিশ্ৰম এবং জনগণেৰ সঙ্গে সৰাসৰি যোগাযোগ আমাদেৰ জয়েৰ প্ৰধান কাৰণ হয়েছে।

৭. ভবিষ্যতেও সকল শ্ৰেণিৰ মানুষেৰ সঙ্গে নিয়মিত যোগাযোগ, উন্নয়নমূলক কাজেৰ তথ্য পৌঁছে দেওয়া এবং সংগঠনেৰ সক্ৰিয় উপস্থিতি বজায় ৰাখা অত্যন্ত প্ৰয়োজনীয়।



**নিতুমণি প্ৰধান**
সভাপতি
ভাৰতীয় জনতা পাৰ্টি
চৰাইদেউ জিলা

ভাৰতীয় জনতা পাৰ্টি চৰাইদেউ জিলা দুটা সমষ্টিৰে গঠিত জিলা খনত ২০২৬ চনৰ বিধান সভা নিৰ্বাচনত জিলা সমিতিৰ সবল নেতৃত্বত দুয়োটা সমষ্টি আশানুৰূপ ফল পাবলৈ সক্ষম। ৰাজ্যিক সমিতিৰ পৰিকল্পিত চিন্তা, চেতনা আৰু দলীয় নেতৃবৃন্দ সহযোগিতা জিলা পৰ্য্যায়ৰ পৰা মণ্ডল আৰু বুথ পৰ্যায়লৈকে দলীয় কৰ্মীসকলৰ অক্লান্ত পৰিশ্ৰম আৰু নিষ্ঠাক সন্মান জনাইছো। ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনত Bharatiya Janata Party-ৰ অভুতপূৰ্ব সফলতাই ৰাজ্যজুৰি আনন্দৰ পৰিৱেশ সৃষ্টি কৰিছে। অসমৰ জনসাধাৰণে উন্নয়ন আৰু স্থিতিশীল শাসনৰ পক্ষত পুনৰ এবাৰ ৰায় দিছে। মুখ্যমন্ত্ৰী ড° মিহন্ত বিশ্ব শৰ্মাৰ নেতৃত্বৰ ওপৰত জনতাৰ আস্থা এই ফলাফলত স্পষ্টকৈ প্ৰকাশ পাইছে। বাট-পথ, শিক্ষা, স্বাস্থ্য আৰু জনকল্যাণমূলক আঁচনিৰ সফল ৰূপায়ণে এই বিজয়ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। ৰাজ্যৰ যুৱ সমাজে উন্নয়নমুখী ৰাজনীতিক সমৰ্থন জনোৱাটো এই নিৰ্বাচনৰ এক উল্লেখযোগ্য দিশ। এই ঐতিহাসিক সফলতাই দলীয় চহৰ আৰু গ্ৰাম্য দুয়ো ঠাইতেই জনসাধাৰণে বিজেপিৰ ওপৰত গভীৰ বিশ্বাস প্ৰকাশ কৰিছে। অসমক অধিক শক্তিশালী আৰু উন্নত ৰাজ্য হিচাপে গঢ়ি তোলাৰ বাবে এই ফলাফল এক নতুন প্ৰেৰণা। এই বিজয় কেৱল এটা দলৰ নহয়, ই উন্নয়ন আৰু জনআকাংক্ষাৰ জয়। আমি আশা কৰোঁ যে আগন্তুক দিনত অসম শান্তি, উন্নয়ন আৰু সমৃদ্ধিৰ পথত অধিক আগবাঢ়ি যাব। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ যোগাত্মক বিচাৰধাৰা প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে এই সফলতা পাবলৈ সক্ষম বুলি আমি ধাৰণা কৰো ।



**ৰতন চন্দ্ৰ ৰায়**
সভাপতি
ভাৰতীয় জনতা পাৰ্টি
চিৰাং জিলা

২০২৬ চনৰ নিৰ্বাচনত বিজেপিৰ অভূতপূৰ্ব সফলতা বিজেপি পাৰ্টিৰ প্ৰতি অসমৰ জনতাৰ আস্থাৰ প্ৰতিফলন। ভাৰতৰ জনতাই সবকা সাথ সবকা বিকাশ, সবকা বিশ্বাস আৰু সবকা প্ৰয়াসৰ মন্ত্ৰেৰে উজ্জীবিত ভাৰতীয় জনতা পাৰ্টিৰ শান্তি, উন্নয়ন আৰু স্থিৰ শাসনৰ পক্ষত ৰায় দিছে। বিশেষকৈ গাঁও অঞ্চলৰ পৰা নগৰ অঞ্চললৈকে সাধাৰণ মানুহৰ ব্যাপক সমৰ্থনে এই সফলতাক ঐতিহাসিক ৰূপ দিছে। বিভিন্ন জনকল্যাণ-মূলক আঁচনিৰে দৰিদ্ৰ কল্যাণ, পৰিকাঠামো উন্নয়ন, উন্নয়ণমূলক আঁচনিয়ে এই বিজয়ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। এই সফলতাৰ অন্যতম এটা মূল কাৰণ হল যুৱ সমাজ, মহিলা আৰু কৃষকসকলৰ আস্থা লাভ। মেক-ইন-ইণ্ডিয়াৰ জৰিয়তে আত্ম-নিৰ্ভৰশীল ভাৰত গঢ়াৰ প্ৰচেষ্টাই ভাৰতক বিশ্ব দৰবাৰত এক অনন্য শক্তি হিচাবে পতিষ্ঠিত কৰা, ভাৰতীয় সংস্কৃতি, ঐতিহ্য পুনৰুদ্ধাৰৰ প্ৰচেষ্টাও ভোটাৰ সকলৰ মনযোগ আকৰ্ষণ কৰিছে। ভাৰতৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ প্ৰধানমন্ত্ৰী মাননীয় শ্ৰীনৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ লগতে অসমৰ যশস্বী মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আৰু দলৰ অন্যান্য নেতাসকলৰ নেতৃত্বই ভোটাৰসকলৰ আস্থা অৰ্জন কৰাৰ ফলত এই অভূতপূৰ্ব সফলতা সম্ভৱ হৈছে। ইয়াৰ ফলশ্ৰুতিত আগন্তুক দিনত উন্নয়নৰ গতি অধিক ত্বৰান্বিত হ'ব। দেশৰ ৰাজনৈতিক ক্ষেত্ৰত ভাৰতীয় জনতা পাৰ্টিৰ স্থিতি আৰু অধিক শক্তিশালী হব বুলি মোৰ বিশ্বাস। সদৌ শেষত এই বিজয়ৰ বাবে ভাৰতীয় জনতা পাৰ্টিৰ প্ৰতিগৰাকী সদস্যক শুভেচ্ছা আৰু ধন্যবাদ জনালোঁ।



**মকুন্দ ডেকা**
সভাপতি
ভাৰতীয় জনতা পাৰ্টি
দৰং জিলা

ভাৰতবৰ্ষ এখন বৃহৎ গণতান্ত্ৰিক দেশ। দেশৰ জনসাধৰণে নিজৰ মতামতেৰে নিজ পছন্দৰ চৰকাৰ গঠন কৰে। আমাৰ দেশৰ নিৰ্বাচন ব্যৱস্থাটো পৃথিৱীৰ আন দেশৰ তুলনাত সুকীয়া। এই বেলি অনুষ্ঠিত হোৱা অসম বিধানসভা নিৰ্বাচন-২০২৬ আমাৰ দৰং জিলাত নিয়াৰিকৈ সমাপ্ত হ'ল। ভাৰতীয় জনতা পাৰ্টিয়ে এইবাৰ আমাৰ জিলাৰ তিনিখন আসনৰ ভিতৰত দুখন আসন লাভ কৰিবলৈ সক্ষম হওঁ। ইয়াৰ আৰত আমাৰ দলৰ নিষ্ঠাবান কাৰ্য্যকৰ্তাৰ অক্লান্ত পৰিশ্ৰম, অসমৰ জনপ্ৰিয় মূখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা দেৱৰ দুৰদৰ্শী চিন্তা, সনাতনী হিন্দু সমাজৰ একত্ৰিত কৰা, সত্ৰ সমুহৰ সংৰক্ষনৰ ওপৰত গুৰুত্ব, অবৈধ বেদখলকাৰী উচ্ছেদ আৰু মাননীয় ৰাজ্যিক সভাপতি শ্ৰীদিলীপ শইকীয়া ডাঙৰীয়াৰ সুসংগঠিত পৰিকল্পনা ইত্যাদিৰ ফলস্বৰূপে এই বাৰ নিৰ্বাচনত আমি আশা কৰা ধৰনে ফলাফল লাভ কৰিবলৈ সক্ষম হওঁ। এই চেগতে ভাৰতীয় জনতা পাৰ্টি দৰং জিলা সমিতি তৰফৰ পৰা মাননীয় মূখ্যমন্ত্ৰী মহোদয় আৰু ৰাজ্যিক সভাপতি মহোদয়ৰ লগতে ৰাজ্যিক সমিতিৰ সমূহ বিষয়ববীয়ালৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।



**স্বৰূপ কোঁৱৰ**
সভাপতি
ভাৰতীয় জনতা পাৰ্টি
ঢকুৱাখানা জিলা

২০২৬ নিৰ্বাচনৰ ঐতিহাসিক আৰু অৰধাৰিত বিজয়ৰ কাৰণ হিচাপে বিশ্লেষণ কৰিলে আমি প্ৰথমেই ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক নেতৃত্বৰ তুলনাবিহীন সাংগঠনিক পৰিকল্পনা আৰু সহযোগিতাক মূল কাৰণ হিচাপে স্বীকাৰ কৰিব লাগিব। অসমৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী মহোদয়ৰ সময়োপযোগী মাৰ্গদৰ্শন আৰু সাংগঠনিক দিশত সন্মানীয় ৰাজ্যিক সভাপতি মহোদয়ৰ শক্তিশালী ভূমিকা- বিশেষকৈ বুথ পৰ্যায়ত বুথ সবলীকৰণ, চোতাল বৈঠক, ড্ৰয়িংৰুম বৈঠক আদিৰ পৰিকল্পনা আৰু প্ৰয়োগেৰে প্ৰতি সমষ্টিৰ পতিটো বুথেই ক্ৰমান্বয়ে শক্তিশালী হৈ উঠাৰ বাবে সমগ্ৰ অসমতে এই বিশাল বিজয় সম্ভৱ হৈ উঠিল।

অসমৰ 'হিন্দু সনাতনী সংস্কৃতি' সুৰক্ষিতকৰণৰ বদ্ধমূল ধাৰণাইও বিশাল বিজয়ত বিশেষভাৱে অৰিহণা যোগালে। বিশেষকৈ প্ৰধান বিৰোধী দল কংগ্ৰেছৰ মিঞা প্ৰীতি আৰু দেশৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতালৈ ভাবুকি স্বৰূপ মিঞাৰ সপক্ষে বিৰোধীৰ অৱস্থান দেখি স্বভিমানী অসমীয়া খিলঞ্জীয়া জনসাধাৰণে ঐক্যবদ্ধভাৱে হিন্দু সনাতনী সংস্কৃতি বচাও অভিযানত সহযোগ কৰি উজনি অসম, উত্তৰ অসমকে ধৰি হিন্দু বসতি প্ৰধান সমষ্টিসমূহত 'এক হিন্দু' হৈ বিপুলভাৱে ভাৰতীয় জনতা পাৰ্টিৰ সপক্ষে ভোট প্ৰদান কৰা বাবেই অভূতপূৰ্ব

বিজয় সম্ভৱ হৈ উঠিল।

২০২৬ নিৰ্বাচন বিজয়ৰ অন্যতম উল্লেখযোগ্য কাৰক হিচাপে বিগত পাঁচ বছৰীয়া পৰিকল্পনাত মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা মহোদয়ৰ নেতৃত্বাধীন চৰকাৰৰ সামগ্ৰীক আৰু সাৰ্বজনীন দ্ৰুত উন্নয়নক গণ্য কৰিব পাৰি। বিশেষকৈ এই চৰকাৰখনে বৌদ্ধিক, শৈক্ষিক, ধৰ্মীয়, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক, যাতায়ত আৰু স্বাস্থ্যখণ্ডলৈ আমুল পৰিৱৰ্তন আনি 'অগ্ৰগামী অসম' গঢ় দিবলৈ সক্ষম হোৱা বাবে অসমৰ জনসাধাৰণে পুনৰ চৰকাৰখন অনাৰ স্বাৰ্থত ভাৰতীয় জনতা পাৰ্টি নেতৃত্বাধীন এন. ডি. এৰ সপক্ষে বিপুলভাৱে ভোট প্ৰদান কৰিছিল। ইয়াৰোপৰি স্বচ্ছ আৰু নিকা নিযুক্তি প্ৰক্ৰিয়াৰে অসমৰ প্ৰায় ২ লাখ মেধাসম্পন্ন যুৱক-যুৱতীক বিভিন্ন বিভাগত চাকৰি প্ৰদান কৰাৰ সুবাদত চৰকাৰখনলৈ কৃতজ্ঞতাৰ চিনস্বৰূপে সহায়-সহযোগিতা আগবঢ়াইছিল। চৰকাৰখনে জনসাধাৰণৰ মৌলিক সমস্যাসমূহ চিনাক্ত, দূৰীকৰণৰ দায়িত্ব আৰু সমাপনৰ ব্যৱস্থা ক্ষীপ্ৰতাৰে কৰি ৰাইজৰ প্ৰিয়ভাজন হোৱাৰ পৰিপ্ৰেক্ষিতত চৰকাৰৰ সপক্ষে ভোট প্ৰদান কৰাৰ বাবেই অভূতপূৰ্ব বিজয় সম্ভৱ হৈ উঠিল।

প্ৰধান মন্ত্ৰীৰ 'মন-কী-বাত' জনপ্ৰিয় এই অনুষ্ঠানটিয়ে প্ৰতি বুথৰ কাৰ্যকৰ্তাসকলক উৎসাহিত আৰু সংগঠিত কৰি একত্ৰিকৰণ কৰাৰ ফলশ্ৰুতিত লাহে লাহে বুথসমূহ অধিক শক্তিশালী হৈ উঠাৰ বাবেও এই বিজয় সম্ভৱ হৈ উঠাৰ অন্য এক কাৰণ হিচাপে গণ্য কৰিব পাৰি। তাৰোপৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ মহিলা সৱলীকৰণ, নাৰী শক্তিৰ প্ৰতি যথোচিত সন্মান আৰু অধিকাৰ লগতে অসমৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী মহোদয়ৰ মহিলা সৱলীকৰণৰ আন্তৰিক প্ৰচেষ্টা আৰু নিদৰ্শন, অৰুণোদয় আঁচনি, উদ্যমিতা আঁচনি আৰু মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম আঁচনিৰ প্ৰচলন আৰু যথাযথ প্ৰদানেৰে মহিলাসকলক স্বাৱলম্বী আৰু স্বাভিমানী হোৱাত উৎসাহিত কৰাৰ সুদূৰপ্ৰসাৰী প্ৰভাৱ নিৰ্বাচনত দেখা পোৱা হ'ল।

ভাৰতীয় জনতা পাৰ্টি আৰু মিত্ৰ দলসমূহৰ প্ৰতিজন কাৰ্যকৰ্তাৰ সাহস, ত্যাগী মনোভাৱ, মানসিক দৃঢ়তা আৰু যোগাত্মক সহযোগিতাৰ বাবেই এই বিজয় সম্ভৱ হৈ উঠিল। তাৰোপৰি যোগ্যজনক প্ৰাৰ্থীত্ব প্ৰদানেৰে প্ৰাৰম্ভিক বিজয় পথ মসৃণ কৰি তোলাত উল্লেখনীয় ভূমিকা গ্ৰহণ কৰা ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক নেতৃত্বক আমি নতশিৰে প্ৰণাম জনাইছোঁ।

---



**ৰূপা কামান**
সভাপতি
ভাৰতীয় জনতা পাৰ্টি
ধেমাজি জিলা

১) জিলাৰ প্ৰতিজন কাৰ্য্যকৰ্তাৰ তন, মন আৰু পন লৈ কৰা আত্মোৎসৰ্গৰ ফচল ২০২৬ ৰ নিৰ্বাচন।

২) যুৱ প্ৰজন্মই আন্দোলনৰ পৰিৱৰ্তে কৰ্মসংস্কৃতি, উন্নয়ন আৰু স্বচ্ছ, নিকা, সংস্থাপনৰ প্ৰতি ৰখা আস্থা আৰু বিশ্বাস।

৩) শিক্ষা, স্বাস্থ্য, কৃষি, যাতায়ত ইত্যাদি অভূতপূৰ্ব উন্নয়ন।

৪) প্ৰধানমন্ত্ৰী মাননীয় নৰেন্দ্ৰ মোদী ডাঙৰীয়া আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সবল নেতৃত্ব।

৫) ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক নেতৃত্বৰ শৃঙ্খলিত সাংগঠনিক নীতি।

৬) বিজেপিৰ সুশাসন, সৱকা সাথ, সৱকা বিকাশ, সবকা প্ৰয়াস নীতি লগতে সুৰক্ষিত আৰু বিকশিত অসমৰ সংকল্প।

৭) মহিলাসকলক কল্যাণকামী আঁচনিৰ জৰিয়তে সৰ্বদিশত আগুৱাই নিয়াৰ সফল প্ৰচেষ্টা।

৮) খিলঞ্জীয়া ভূমিপুত্ৰক ভূমি পট্টা প্ৰদান আৰু বেদখল উচ্ছেদকৰণ।

৯) চৰকাৰৰ জনকল্যাণকামী আঁচনিসমূহ ৰাইজৰ মাজলৈ নিয়াত জনপ্ৰতিনিধি, ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক প্ৰৱাসী কাৰ্যকৰ্তাৰ লগতে জিলাস্তৰৰ সকলো কাৰ্যকৰ্তাৰ যৌথ সফল প্ৰচেষ্টা।

১০) বুথ পৰ্য্যায়ৰপৰা জিলালৈ সকলো স্থানীয় সমস্যাক অগ্ৰাধিকাৰ প্ৰদান।



**ৰঞ্জিত কুমাৰ ৰায়**
সভাপতি
ভাৰতীয় জনতা পাৰ্টি
ধুবুৰী জিলা

সমষ্টি পুনৰ নিৰ্ধাৰণৰ ফলত বুথৰ সংখ্যা ২৪৩ ৰ পৰা ২৬০ টালৈ বুথ বৃদ্ধি আৰু বিটিচি অঞ্চলৰ পৰা নতুনকৈ চাৰিখন পঞ্চায়ত সংযোজন হোৱাত নতুন বুথ সমুহত আৰু নতুনকৈ সংযোজিত পঞ্চায়ত সমুহত অধিক সাংগঠনিক মনোনিৱেশ কৰি বিভিন্ন সভা সমিতিৰ জৰিয়তে দলীয় প্ৰভাৱ বিস্তাৰ কৰিবলৈ সমৰ্থ হওঁ। সকলো স্তৰৰ কাৰ্যকৰ্তাৰ সমৰ্পিত দৃঢ়তা মনোভাৱ আৰু ঐক্যতাই এইবাৰ দলীয় পৰ্থী মাননীয় শ্ৰীযুত অশ্বিনী ৰায় সৰকাৰ দেৱক ৬ নং গোলকগঢ় বিধানসভা সমষ্টিৰ পৰা ৩০৭৮২ টা ভোটত জয়ী কৰাই ইতিহাস ৰচা হ'ল।

সেইদৰে জিলাখনৰ সংখ্যালঘু প্ৰধান আন দুখন সমষ্টি ধুবুৰী আৰু গৌৰীপুৰত জনসংখ্যা ফালৰ পৰা সনাতনী সংস্কৃতি বিৰোধী সমুহৰ চৰকাৰ লগতে বিজেপি বিৰোধী স্থিতি আৰু বিৰোধী কংগ্ৰেছ চৰকাৰ গঠন ১০০ শতাংশই হব বুলি চলোৱা অপপ্ৰচাৰে এ, আই, ইউ, ডি, এফ কো পৰাভূত কৰি কংগ্ৰেছ দলৰ প্ৰাৰ্থী জয়ী হয়। ধুবুৰীৰ দৰে আন্তঃৰাষ্ট্ৰীয় আৰু আন্তঃৰাজ্যিক সীমামূৰীয়া অঞ্চলৰ পৰা ভাৰতীয় জনতা পাৰ্টিৰ ধ্বজা অবিৰত ভাবে উত্তোলিত হৈ থাকিবলৈ ৬ নং গোলোকগঞ্জ সমষ্টিৰ বিজয়ী প্ৰাৰ্থী মাননীয় শ্ৰীযুত অশ্বিনী ৰায় সৰকাৰদেৱক চৰকাৰী ভাৱে সবল স্থিতি প্ৰধান কৰি ভৱিষৎ দিনত বাকী দুখন সমষ্টি গৌৰীপুৰ আৰু ধুবুৰীত দলীয় সাংগঠনিক স্থিতি মজবুত কৰি জিলাবাসী তথা সনাতনী ৰাইজক সনাতনী সংস্কৃতি সুদৃঢ় কৰিবলৈ ব্যৱস্থা ললে সনাতনী ৰাইজে সুৰক্ষিত অনুভৱ কৰিব বুলি আশাবাদী।

অসমৰ ৰাইজৰ গভীৰ আস্থা, বিশ্বাস, অনুভূতি আৰু উন্নয়নমুখী কামৰ প্ৰতিফলন হিচাপে এই জয় নিঃসন্দেহ ভাৰতৰ সন্মানীয় প্ৰধানমন্ত্ৰী মাননীয় শ্ৰীযুত নৰেন্দ্ৰ মোদীৰ অবিৰত দেশপ্ৰেম আৰু শক্তিশালী নেতৃত্বৰ প্ৰভাৱ লগতে অসমৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী মাননীয় ড° হিমন্ত বিশ্ব শৰ্মা দেৱৰ দূৰদৰ্শী মনোভাৱ আৰু দিনে-নিশাই অক্লান্ত পৰিশ্ৰমৰ লগতে জন কল্যাণমূলক আঁচনিৰ প্ৰভাৱৰ ফলত আৰু দলৰ ৰাজ্যিক সভাপতি মাননীয় শ্ৰীদিলীপ শইকীয়া ডাঙৰীয়াৰ সবল নেতৃত্বত জনসাধাৰণৰ হৃদয় জয়ী হবলৈ সক্ষম হৈছে।



**দুলাল বৰা**
সভাপতি
ভাৰতীয় জনতা পাৰ্টি
ডিব্ৰুগড় জিলা

'বিজেপি ২০২৬'ৰ বিধানসভা নিৰ্বাচনত দলৰ এই অভূতপূৰ্ব আৰু ঐতিহাসিক সফলতা আচলতে অসমবাসীৰ অপৰিসীম মৰম আৰু অদম্য বিশ্বাসৰেই ফচল। দেশৰ মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ বলিষ্ঠ আৰু দূৰদৰ্শী নেতৃত্বই সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ লগতে অসমলৈও এক অভূতপূৰ্ব উন্নয়নৰ জোৱাৰ আনিলে। একেদৰে, অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ গতিশীল নেতৃত্ব, সংকল্পবদ্ধতা আৰু ক্ষিপ্ৰ কৰ্মশৈলীয়ে প্ৰতিগৰাকী অসমীয়াৰ হৃদয় স্পৰ্শ কৰিবলৈ সক্ষম হৈছে। ডাবল ইঞ্জিন চৰকাৰৰ এই জনকল্যাণমুখী নীতি আৰু নিৰৱচ্ছিন্ন বিকাশে অসমক আজি দেশৰ ভিতৰতে এক সুকীয়া পৰিচয় প্ৰদান কৰিছে।

নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত বিৰোধীয়ে বিভিন্ন উৰাবাতৰি আৰু মিথ্যাচাৰৰ আশ্ৰয় লৈ সমাজত বিভাজন আৰু বিভ্ৰান্তিৰ সৃষ্টি কৰিবলৈ বহু চেষ্টা চলাইছিল। কিন্তু সচেতন অসমবাসীয়ে বিৰোধীৰ সকলো অপপ্ৰচাৰ আৰু নেতিবাচক ৰাজনীতিক সম্পূৰ্ণৰূপে প্ৰত্যাখ্যান কৰি কেৱল উন্নয়নৰ পক্ষতহে ভোটদান কৰিলে। আটাইতকৈ উল্লেখনীয় কথাটো হ'ল, এইবাৰৰ নিৰ্বাচনত আমাৰ নতুন প্ৰজন্ম অৰ্থাৎ 'জেন জি' (Gen Z) যুৱক-যুৱতীসকলে আটাইতকৈ সক্ৰিয় ভূমিকা পালন কৰিলে। তেওঁলোকে বিৰোধীৰ উৰাবাতৰিক প্ৰশ্ৰয় নিদি মোদীজী আৰু হিমন্তদাৰ ডিজিটেল ইণ্ডিয়া, ষ্টাৰ্ট-আপ আৰু কৰ্মসংস্থাপনৰ বাস্তৱ মুখী দৃষ্টিভংগীক আদৰি ল'লে। আমাৰ দলৰ স্বচ্ছতা আৰু আধুনিক চিন্তাধাৰাৰ সৈতে এই যুৱ প্ৰজন্মই স্বতঃস্ফূৰ্তভাৱে সহযোগিতা আগবঢ়াই ভাৰতীয় জনতা পাৰ্টিক এক বৃহৎ বিজয় উপহাৰ দিলে। এই বিপুল জয়ে প্ৰমাণ কৰিলে যে অসমৰ ভৱিষ্যত কেৱল বিজেপিৰ হাততহে সুৰক্ষিত।



**ধৃতি থাওচেন**
সভাপতি
ভাৰতীয় জনতা পাৰ্টি
ডিমাহাছাও জিলা

২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টি (বিজেপি)-ৰ অভূতপূৰ্ব সফলতা আমাৰ দলৰ উন্নয়নমুখী দৃষ্টিভংগী আৰু জনসেৱাৰ প্ৰতি থকা অটল প্ৰতিশ্ৰুতিৰ এক উজ্জ্বল স্বীকৃতি। এই ঐতিহাসিক জনাদেশে সমগ্ৰ ৰাজ্যত বিজেপিৰ প্ৰতি জনসাধাৰণৰ গভীৰ আস্থাক প্ৰতিফলিত কৰিছে। এই বিপুল সমৰ্থনৰ ফলত বিজেপিয়ে নিজ শক্তিত স্পষ্ট সংখ্যাগৰিষ্ঠতা লাভ কৰি একেৰাহে তৃতীয়বাৰৰ বাবে চৰকাৰ গঠন কৰিছে।

বিজেপি ডিমা হাছাও জিলা সমিতিৰ সভাপতি হিচাপে মই অত্যন্ত গৌৰৱ অনুভৱ কৰোঁ যে আমাৰ পাহাৰীয়া জিলাই এই ৰাজ্যব্যাপী বিজয়ত উল্লেখযোগ্য অৱদান আগবঢ়াইছে। ১১৩-হাফলং (এছ টি) সমষ্টিত লাভ কৰা উল্লেখযোগ্য সফলতাই স্পষ্টভাৱে প্ৰতিফলিত কৰে যে আমাৰ থলুৱা আৰু জনজাতীয় জনগোষ্ঠীসমূহে শান্তি, স্থিৰতা আৰু সামগ্ৰিক উন্নয়নৰ ক্ষেত্ৰত বিজেপিৰ নীতি আৰু আদৰ্শৰ ওপৰত পূৰ্ণ আস্থা প্ৰকাশ কৰিছে।

মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আৰু মাননীয় ৰাজ্যিক সভাপতি শ্ৰীদিলীপ শইকীয়া ডাঙৰীয়াৰ দূৰদৰ্শী নেতৃত্বত ডিমা হাছাও জিলাই উন্নয়ন আৰু সু-শাসনৰ নতুন অধ্যায়ত প্ৰৱেশ কৰিছে। এই বিজয়ে পুনৰ প্ৰমাণ কৰিছে যে জনজাতীয় সমাজৰ কল্যাণ, অধিকাৰ, সংস্কৃতি আৰু স্বকীয় পৰিচয় সুৰক্ষাৰ ক্ষেত্ৰত আমাৰ দৃঢ় অঙ্গীকাৰৰ প্ৰতি জনসাধাৰণৰ পূৰ্ণ সমৰ্থন আছে। ডিমা হাছাও জিলাৰ তৃণমূল পৰ্যায়ৰ প্ৰতিজন নিষ্ঠাবান কাৰ্যকৰ্তাৰ অক্লান্ত পৰিশ্ৰম, একাগ্ৰতা আৰু আত্মনিবেদনে এই সফলতা সম্ভৱ কৰি তুলিছে।

এই ঐতিহাসিক সফলতাৰ অংশীদাৰ হোৱা প্ৰতিজন ভোটাৰ, শুভাকাংক্ষী আৰু দলীয় কাৰ্যকৰ্তাক মোৰ আন্তৰিক অভিনন্দন আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তেওঁলোকৰ অমূল্য অৱদানেই অসমৰ ৰাজনৈতিক ইতিহাসত এই গৌৰৱোজ্জ্বল অধ্যায় ৰচনা কৰিবলৈ সক্ষম হৈছে।

---



**দীপাংক কুমাৰ নাথ**
সভাপতি
ভাৰতীয় জনতা পাৰ্টি
গোৱালপাৰা জিলা

২০২৬ চনৰ বিধান সভাৰ সাধাৰণ নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টি আৰু মিত্ৰদলৰ বিজয় সংকল্প অভিযান সফল কৰি পূৰ্বৰ সকলো নিৰ্বাচনী ফলাফল অতিক্ৰমী বিপুল সংখ্যক আসন লাভ কৰিবলৈ সক্ষম হ'ল। সুস্থ পৰিকল্পনা আৰু উন্নয়নৰ গতিৰে ৰাজ্যখনৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ মন জয় কৰিবলৈ সক্ষম হোৱা চৰকাৰী দলৰ নেতৃত্ব আৰু দলীয় শৃংখলাবদ্ধ দায়িত্ববোধ সম্পন্ন নেতৃত্ব দুয়োটা পক্ষৰ আন্তৰিকতাপূৰ্ণ বুজাবুজি আৰু দায়বদ্ধ সাংগঠনিক দক্ষতাই ইয়াক অধিক ফলপ্ৰসু কৰি তুলিলে। দেশৰ যশস্বী প্ৰধানমন্ত্ৰী মাননীয় শ্ৰী নৰেন্দ্ৰ মোদীদেৱৰ সবল আৰু শক্তিশালী নেতৃত্বৰে দেশপ্ৰেমৰ নিখুত সংকল্প লৈ ভাৰতবৰ্ষৰ অধিকাংশ মানুহৰ হৃদয়ত স্থান দখল কৰা আৰু অসমৰ অতি জনপ্ৰিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ ৰাজনৈতিক বিচক্ষণতা, অসম প্ৰেমৰ আদৰ্শৰে যুগান্তকাৰী পদক্ষেপ লোৱাৰ ফলত কঠোৰ পৰিশ্ৰমেৰে সকলো স্তৰৰ জনসাধাৰণৰ হৃদয়ত স্থান পাবলৈ সক্ষম হ'ল। এনে দূৰদৰ্শী নেতৃত্বৰ বাবেই ভাৰতীয় জনতা পাৰ্টিৰ চৰকাৰে পুনৰ অসমত শাসনৰ গাদী লাভ কৰিবলৈ সক্ষম হ'ল। জনসাধাৰণে হিলদল ভাঙি ভাৰতীয় জনতা পাৰ্টি আৰু মিত্ৰজোঁটৰ পক্ষত ভোট দান কৰিলে। উল্লেখযোগ্য যে ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ভাৰতীয় জনতা পাৰ্টিৰ চৰকাৰখনে মহিলা সবলীকৰণৰ বাবে কেবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। বেদখলীকৃত ভূমি পুনৰ উদ্ধাৰ, খিলঞ্জীয়াক ভূমিপট্টা প্ৰদান, অসম আন্দোলনৰ শ্বহীদৰ সোঁৱৰণত স্মাৰক নিৰ্মাণ, অসমীয়া ভাষালৈ ধ্ৰুপদী ভাষাৰ মৰ্য্যদা, মহিলাৰ স্ব-নিয়োজনৰ উদ্যেমিতা আঁচনি, স্বচ্ছ আৰু নিকা নিযুক্তি, নামৰূপ সাৰ কাৰখানাৰ চতুৰ্থ গোটৰ শুভাৰম্ভ, ডিব্ৰুগড় সচিবালয় প্ৰতিষ্ঠাকে আদি কৰি চৰকাৰৰ সাহসী আৰু যুগজয়ী সিদ্ধান্তই পুনৰ ভাৰতীয় জনতা পাৰ্টিৰ চৰকাৰ ড° হিমন্ত বিশ্ব শৰ্মাদেৱৰ নেতৃত্বত ৰাইজে প্ৰতিষ্ঠা কৰিলে। বিজেপিয়ে অকলে ৮২ খন আসন লাভ কৰি কাললৈ সুখ্যাতি ৰচিলে। লগতে মিত্ৰজোঁটে ১০২ খন আসন

লাভ কৰি মুখ্যমন্ত্ৰী শৰ্মাদেৱৰ নেতৃত্বৰ প্ৰতি জনজাতি আৰু প্ৰতিটো জাতি-জনগোষ্ঠীৰ পূৰ্ণ সমৰ্থন জলজল-পটপট হ'ল।

ভাৰতীয় জনতা পাৰ্টিৰ ৰাষ্ট্ৰীয় সভাপতি শ্ৰীযুত নীতিন নবিন ডাঙৰীয়াৰ নেতৃত্বত ৰাষ্ট্ৰীয় সমিতিয়ে সাংগঠনিক দক্ষতাৰে অসমত সাংগঠনিক ভেটি সুদৃঢ় কৰা হেতু সভাপতি ডাঙৰীয়াৰ মাৰ্গ দৰ্শনত দলৰ কাৰ্যকৰ্তাসকল সুসংগঠিত হৈছিল। অসমৰ ৰাজ্যিক সভাপতি শ্ৰী দিলীপ শইকীয়া ডাঙৰীয়াৰ কঠোৰ সাংগঠনিক অনুশাসন আৰু দলীয় শৃংখলাৰে দলটোৰ ভেটি সকলো স্তৰত সক্ৰিয় হ'বলৈ উৎসাহিত কৰিছিল আৰু প্ৰতিজন কাৰ্যকৰ্তাক সচেতন হৈ ফলাফলৰ লক্ষ্য স্থিৰ কৰি দিছিল।



**চন্দ্ৰজ্যোতি ঠাকুৰ**
**সভাপতি**
**ভাৰতীয় জনতা পাৰ্টি**
**গোলাঘাট জিলা**

মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ দূৰদৰ্শী নেতৃত্ব, মাননীয় ৰাজ্যিক সভাপতি দিলীপ শইকীয়া ডাঙৰীয়াৰ সাংগঠনিক পৰিপক্কতা আৰু ৰাজ্য চৰকাৰৰ জনকল্যাণমূলক আঁচনি আৰু বিগত সময়ছোৱাত আমাৰ বিধায়কসকলে কৰা নিৰলস উন্নয়নমূলক কাম-কাজে জনসাধাৰণৰ মাজত গভীৰ আস্থা সৃষ্টি কৰিছিল। এই আস্থাৰ ফলতেই গোলাঘাট জিলাৰ পাঁচোটা বিধানসভা সমষ্টিত আমি এক অভূতপূৰ্ব সফলতা লাভ কৰিবলৈ সক্ষম হ'লোঁ।

এই সফলতা কেৱল নিৰ্বাচনী ফলাফল নহয়; ই হৈছে সংগঠনৰ প্ৰতিজন কাৰ্যকৰ্তাৰ ত্যাগ, নিষ্ঠা আৰু সমৰ্পণৰ স্বীকৃতি। বুথ পৰ্যায়ৰ পৰা আৰম্ভ কৰি মণ্ডল, জিলা আৰু ৰাজ্যিক স্তৰলৈকে প্ৰতিজন কাৰ্যকৰ্তাই দিন-ৰাতি একাকাৰ কৰি সংগঠনৰ শক্তি বৃদ্ধি কৰাৰ বাবে যি পৰিশ্ৰম আগবঢ়াইছিল, সেয়া নিঃসন্দেহে প্ৰশংসনীয়। নিৰ্বাচনৰ সময়ছোৱাত কাৰ্যকৰ্তাসকলে ঘৰে ঘৰে গৈ চৰকাৰৰ সফলতা আৰু উন্নয়নৰ বাৰ্তা জনসাধাৰণৰ ওচৰলৈ লৈ গৈছিল। ফলস্বৰূপে জনতাই পুনৰবাৰ ভাৰতীয় জনতা পাৰ্টিৰ ওপৰত আস্থা প্ৰকাশ কৰে।

ইয়াৰ উপৰিও, ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক নেতৃত্বৰ সু-পৰিকল্পিত কৌশল আৰু দিশ-নিৰ্দেশে নিৰ্বাচনী যুঁজত আমাক অধিক শক্তিশালী কৰি তুলিছিল। সেই পৰিকল্পনাক বাস্তৱ ৰূপ দিয়াৰ ক্ষেত্ৰত সংগঠনৰ প্ৰতিটো স্তৰৰ কাৰ্যকৰ্তাই মোৰ বুথ সকলোতকৈ মজবুত লক্ষ্যৰে যি নিষ্ঠা আৰু দায়বদ্ধতাৰে কাম কৰিছিল, সেয়া এই বিজয়ৰ মূল ভেটি।

দীৰ্ঘদিন ধৰি সংগঠনক শক্তিশালী কৰাৰ লক্ষ্যৰে কাম কৰি অহা কাৰ্যকৰ্তাসকলে এই সুযোগক কেৱল এটা নিৰ্বাচনী যুঁজ হিচাপে নহয়, বৰঞ্চ দলৰ আদৰ্শ আৰু উন্নয়নৰ ৰাজনীতিক জনসাধাৰণৰ মাজত অধিক শক্তিশালীভাৱে প্ৰতিষ্ঠা কৰাৰ এক সুবৰ্ণ সুযোগ হিচাপে গ্ৰহণ কৰিছিল। ফলস্বৰূপে বুথ পৰ্যায়ৰ পৰা আৰম্ভ কৰি প্ৰতিটো সাংগঠনিক স্তৰত এক অভূতপূৰ্ব উৎসাহ আৰু একতা পৰিলক্ষিত হৈছিল।

কাৰ্যকতাসকলৰ এই সমৰ্পণ, কঠোৰ পৰিশ্ৰম আৰু জনসাধাৰণৰ অকুণ্ঠ সমৰ্থনৰ ফলতেই দেৰগাঁও সমষ্টিত ভাৰতীয় জনতা পাৰ্টিয়ে এক শক্তিশালী স্থিতি গঢ়ি তুলিবলৈ সক্ষম হয়।

ইয়াৰ উপৰিও সৰুপথাৰ, খুমটাই আৰু গোলাঘাট সমষ্টিত বিগত সময়ছোৱাত ৰূপায়ণ হোৱা ব্যাপক উন্নয়মূলক কাম-কাজে জিলাখনৰ ৰাইজৰ মাজত ভাৰতীয় জনতা পাৰ্টিৰ প্ৰতি আস্থা অধিক সুদৃঢ় কৰি তুবিবলৈ বিশেষ ভূমিকা পালন কৰিছিল, পথ-ঘাট, শিক্ষা, স্বাস্থ্য, কৃষি, পানী যোগান তথা বিভিন্ন জনকল্যাণমূলক আঁচনিৰ সফল ৰূপায়ণে সাধাৰণ জনতাৰ জীৱনত ইতিবাচক পৰিৱৰ্তন আনিবলৈ সক্ষম হৈছিল।

মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা উন্নয়নমুখী পদক্ষেপসমূহ আৰু স্থানীয় বিধায়কসকলৰ নিৰলস প্ৰচেষ্টা ফলত এই সমষ্টিসমূহত উন্নয়নৰ এক নতুন পৰিৱেশ গঢ় লৈ উঠিছিল। ৰাইজে চৰকাৰৰ কাম-কাজ নিজ চকুৰে প্ৰত্যক্ষ কৰাৰ ফলতেই ভাৰতীয় জনতা পাৰ্টিৰ ওপৰত পুনৰ আস্থা প্ৰকাশ কৰে আৰু সংগঠনৰ সৈতে অধিক শক্তিশালীভাৱে সংযুক্ত হয়।

এই আস্থা আৰু সমৰ্থনেই নিৰ্বাচনত আমাৰ সফলতাৰ অনতম মূল শক্তি হিচাপে পৰিগণিত হৈছিল।



**তপন চন্দ্ৰ দাস**
সভাপতি
ভাৰতীয় জনতা পাৰ্টি
গুৱাহাটী জিলা

ইতিমধ্য হৈ যোৱা অসম বিধান সভা নিৰ্বাচন-২০২৬ ৰ গুৱাহাটী মহানগৰ জিলা ভাৰতীয় জনতা পাৰ্টিৰ সভাপতি হিচাপে মোৰ ব্যক্তিগত মতামত এয়ে যে—

১) আমাৰ দলৰ প্ৰাৰ্থী বাছনি সচাকৈয়ে ভাল হৈছে।

২) NDA মিত্ৰজোঁট প্ৰকৃতাৰ্থত দল বাছনি সঁচাকৈয়ে উল্লেখযোগ্য।

৩) সংগঠনৰ ক্ষেত্ৰত বুথ-পৰ্যায়ৰ সংগঠনত দলীয় নেতৃত্বৰ দৃষ্টি-পৃষ্ঠা প্ৰমুখ নিযুক্তি, সামাজিক মাধ্যমৰ জৰিয়তে কাৰ্যকৰ্তাৰ মাজত সৃষ্টি হোৱা প্ৰতিযোগিতা আছিল এক উল্লেখনীয় বিষয়।

৪) মাননীয় প্ৰধানমন্ত্ৰী মহোদয়ৰ "মন-কি-বাত" অনুষ্ঠানৰ অভূতপূৰ্ব সাফল্যই নিৰ্বাচনত ভাল প্ৰভাৱ পেলাইছে।

৫) মাননী মুখ্যমন্ত্ৰী মহোদয়ৰ "জন আশীৰ্বাদ যাত্ৰা" ৰ বহুল প্ৰভাৱ সাধাৰণ জনতাৰ মাজত।

৬) কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ জনকল্যাণমূলক আঁচনি আৰু সামগ্ৰিক ভাৱে ৰাজ্যৰ খনৰ আন্তগাঁঠনিৰ বিকাশ, আৰু অভূতপূৰ্ব উন্নয়ন।

এই সমূহ কাৰকৰ বাবে পুনৰবাৰ আমাৰ দলৰ নেতৃত্বত চৰকাৰ গঠন হ'ল।




**ডঃ মিলন দাস**
সভাপতি
ভাৰতীয় জনতা পাৰ্টি
হাইলাকান্দি জিলা

এই মহান বিজয় কোনো আকস্মিক ঘটনা নয়, বরং এটি ছিল সুপরিকল্পিত কৌশল এবং কঠোৰ পরিশ্রমের ফসল। কেন্দ্রীয় ও রাজ্য সরকারের জনকল্যাণমুখী নীতি, ডবল ইঞ্জিন সরকারের উন্নয়নমূলক কাজ, অরুণোদয় আঁচনি, রেশনের চাল, নিখরচায় চিকিৎসা এবং পরিকাঠামোগত উন্নয়ন তৃণমূল স্তরের ভোটারদের গভীরভাবে প্রভাবিত করেছে। তৎসঙ্গে তৃণমূল স্তরের কর্মীদের অক্লান্ত পরিশ্রম, বুথ সভাপতি, শক্তি কেন্দ্রের প্রমুখ থেকে শুরু করে পৃষ্ঠপ্রমুখ এবং মণ্ডলের প্রতিটি কার্যকর্তা দিন-রাত এক করে পরিশ্রম করেছেন বিরোধীদের সমস্ত কুৎসার জবাব আমাদের কর্মীরা ঘরে ঘরে গিয়ে বুঝিয়েছেন। সঠিক প্রার্থী নির্বাচন: ড. মিলন দাসের পরিচ্ছন্ন ভাবমূর্তি, শিক্ষাগত যোগ্যতা এবং সাধারণ মানুষের সুখ-দুঃখে পাশে থাকার মানসিকতা সাধারণ ভোটারদের বিশেষভাবে আকর্ষণ করেছে। ঐক্যবদ্ধ রণকৌশল, জেলা কমিটির সঠিক নেতৃত্ব এবং রাজ্য নেতৃত্বের সময়োপযোগী দিকনির্দেশনা ও প্রচার অভিযান আমাদের এই ঐতিহাসিক বিজয়ের পথ সুগম করেছে।

এই ঐতিহাসিক বিজয়ের জন্য আমাদের পরম শ্রদ্ধেয় প্রধানমন্ত্রী নরেন্দ্র মোদী মহোদয়, কেন্দ্রীয় নেতৃত্ব, অসমের অন্যতম সফল সম্মানিত মুখ্যমন্ত্রী ড. হিমন্ত বিশ্ব শর্মার দূরদর্শী চিন্তন, কথার সাথে কাজের নিখুঁত মিল এবং অসমবাসীর প্রতি তাঁর গভীর ভালোবাসা আজ তাঁকে এক অনন্য উচ্চতায় নিয়ে গেছে।

এবং ড.হিমন্ত বিশ্ব শর্মাৰ এই অনন্য গ্রহণযোগ্যতা এবং প্রগতির রাজনীতির ওপর পূর্ণ আস্থা রেখেই অসমের আপামর জনসাধারণ ভারতীয় জনতা পার্টিকে (BJP) গত নির্বাচনের ৬২টি আসন থেকে এক ঐতিহাসিক রেকর্ড সৃষ্টি করে ৮২টি আসনে বিজয়ী করেছেন। এই অভাবনীয় জয় আসলে তাঁর সততা, কর্মদক্ষতা এবং অসমীয়া আত্মপরিচয়কে সুরক্ষিত রাখারই এক মহাস্বীকৃতি তাছাড়া সম্মানিত রাজ্য সভাপতি শ্রী দিলীপ শইকিয়া মহোদয় সহ রাজ্য নেতৃত্বকে আন্তরিক কৃতজ্ঞতা জ্ঞাপন করছি।



**দিলীপ ধৰ**
**সভাপতি**
**ভাৰতীয় জনতা পাৰ্টি**
**হোজাই জিলা**

২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ এই বিজয়—

১) সু-সংগঠিত সাংগঠনিক কাৰ্যক্ৰম হোৱাৰ বাবে।

২) বিগত ১০ বছৰত ভাৰত আৰু অসম চৰকাৰৰ অভূতপূৰ্ব উন্নয়নৰ বাবে।


৩) সুৰক্ষাৰ দিশত হিন্দু ভোটাৰ ৰাইজৰ আস্থা বৃদ্ধি হোৱাৰ বাবে।

৪) সমষ্টি পুনৰ গঠনৰ বাবে বিজয়ৰ ব্যৱধানত অধিক বৃদ্ধি পাইছে।

৫) মাননীয় প্ৰধানমন্ত্ৰী আৰু মুখ্যমন্ত্ৰী দূৰদৰ্শীতা আৰু ক্ৰমবৰ্ধমান জনপ্ৰিয়তাৰ বাবে।


৬) সৰ্বস্পৰ্শী জন হিতৈষী আঁচনিবোৰ সমাজৰ অন্তোদয় লৈকে গৈ পোৱাৰ বাবে।

৭) হিন্দুত্বৰ আধাৰত হিন্দু ৰাইজে এক হৈ সজাগ হোৱাৰ বাবে।



**শান্তনু পূজাৰী**
**সভাপতি**
**ভাৰতীয় জনতা পাৰ্টি**
**যোৰহাট জিলা**

এইবাৰ অৰ্থাৎ ২০২৬ চনৰ অসম বিধানসভাৰ নিৰ্বাচনত দুটা প্ৰধান কাৰকে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা পৰিলক্ষিত হ'ল। ইয়াৰে প্ৰথমটো হ'ল ভাৰতীয় জনতা পাৰ্টিৰ সংগঠনৰ ক্ৰমবৰ্ধমান শক্তি যি শক্তিয়ে দল, সংগঠন তথা কাৰ্যকৰ্তাসকলক শক্তিঢ়ালী কৰি তুলিলে। দ্বিতীয়তে কেন্দ্ৰত থকা নৰেন্দ্ৰ মোদী ডাঙৰীয়া আৰু ৰাজ্যত হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত চৰকাৰৰ জনকল্যাণকামী বিভিন্ন আঁচনিয়ে সৰ্বসাধাৰণৰ ৰাইজক চৰকাৰ তথা দলৰ প্ৰতি বিশেষভাৱে আকৰ্ষিত কৰি দলটোৰ প্ৰতীকক এক ব্ৰেণ্ড হিচাপে প্ৰতিষ্ঠা কৰিলে। বাকী এই দুটা কাৰকৰ ওচৰত বাকী সকলো বিপৰীত মুখী কাৰকে মুখ ঠেকেচা খালে। উমৈহতীয়া সাংগঠনিক শক্তিৰ ওচৰত যে অন্যান্য কথা ম্লান হৈ পৰে সেয়া এই নিৰ্বাচনে আমাক শিকালে।



**বাবুল বৰা**
**সভাপতি**
**ভাৰতীয় জনতা পাৰ্টি**
**কলিয়াবৰ জিলা**

আমাৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ সবল নেতৃত্বত বিকাশযাত্ৰা আৰু কঠোৰ পৰিশ্ৰম আমাৰ উৎসাহ আৰু প্ৰেৰণা। ৰাজ্যিক সভাপতি মহোদয়ৰ নেতৃত্বত দীঘলীয়া সুপৰিকল্পনাৰে দলীয় কাৰ্যকৰ্তাৰ নিৰবচ্ছিন্ন সামূহিক কাৰ্যক্ৰমৰ মাধ্যমেৰে দল আৰু চৰকাৰে একেলগে আগুৱাই যোৱাৰ বাবে আমাৰ এই জয়যাত্ৰা।

আমাৰ কাৰ্যকৰ্ত্তা সকল যেতিয়া নিৰ্বাচনৰ সময়ত ভোটাৰ ৰাইজৰ কাষ চাপিছিলো আমি উমান পাইছিলো- দিল্লী আৰু দিছপুৰৰ ডবল ইঞ্জিন চৰকাৰৰ ওপৰত ৰাইজৰ ভৰসা অপাৰ। বিশেষকৈ বিজেপি চৰকাৰখনে অসমৰ দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা ৰাইজখিনিৰ উন্নতি আৰু সুবিধাৰ কাৰণে যিমানবোৰ আঁচনি প্ৰদান কৰিলে সেইবোৰেই ভোটাৰ ৰাইজক বিজেপিৰ প্ৰতি আকৰ্ষিত কৰিলে। সেইকাৰণে এই বিজয়ৰ সমস্ত কৃতিত্ব আমি ভাৰতৰ প্ৰধানমন্ত্ৰী মাননীয় নৰেন্দ্ৰ মোদী ডাঙৰীয়া আৰু অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ হাততে অৰ্পন কৰিলো।



**ৰদীপ ৰংহাং**
**সভাপতি**
**ভাৰতীয় জনতা পাৰ্টি**
**পশ্চিম কাৰ্বি আলং জিলা**

২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ মোৰ বাবে কেৱল এটা সাধাৰণ নিৰ্বাচনী অভিজ্ঞতা নাছিল, ই আছিল এক গভীৰ দায়িত্ববোধ, আত্মবিশ্বাস আৰু জনসেৱাৰ প্ৰতি অটুট অঙ্গীকাৰৰ এক অনন্য যাত্ৰা। পশ্চিম কাৰ্বি আংলং জিলাৰ দুটা বিধানসভা সমষ্টি, ৯ টা সাংগঠনিক মণ্ডল আৰু ৩৫৮ টা বুথ কমিটিত দলীয় সাংগঠনিক ভেটি অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে আমি সকেলা কাৰ্যকৰ্তাই একেলগে নিষ্ঠা, ত্যাগ আৰু অক্লান্ত পৰিশ্ৰমেৰে কাম কৰিছিলোঁ। তৃণমূল পৰ্যায়ৰ প্ৰতিগৰাকী কাৰ্যকৰ্তাৰ আন্তৰিক সহযোগিতা, শৃংখলা আৰু আত্মনিবেদন দেখি মই সচাকৈ অভিভূত হৈছোঁ। ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক সমিতিয়ে দিয়া প্ৰতিটো কাৰ্যসূচী বুথ পৰ্যায়লৈ সফলভাৱে ৰূপায়ণ কৰাৰ লগতে দলৰ আদৰ্শ আৰু উদ্দেশ্য ৰাইজৰ মাজত দিবলৈ আমি ঐক্যবদ্ধভাৱে আগবাঢ়িছিলোঁ। "বুথ জিকিলে নিৰ্বাচন জিকিব" এই মূলমন্ত্ৰ হৃদয়ত আগত ৰাখি প্ৰতিগৰাকী কাৰ্যকতাই নিজৰ নিজৰ দায়িত্ব নিষ্ঠাৰে পালন কৰিছিল। বিশেষকৈ বুথ পৰ্যায়ৰ কাৰ্যকৰ্তাসকলৰ অদম্য মনোবল আৰু পৰিশ্ৰমে মোক সদায় অনুপ্ৰাণিত কৰিছে।

যোৱা পাঁচ বছৰত অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ দক্ষ নেতৃত্বত ৰাজ্যত হোৱা উন্নয়নমূলক কাম-কাজ, নিকা নিয়োগ ব্যৱস্থা, শিক্ষা, স্বাস্থ্য, পথ-ঘাট আৰু যুৱ সমাজৰ কল্যাণৰ বাবে গ্ৰহণ কৰা ঐতিহাসিক পদক্ষেপসমূহে অসমৰ লগতে পশ্চিম কাৰ্বি আংলং জিলাৰ জনসাধাৰণৰ হৃদয় জয় কৰিবলৈ সক্ষম হৈছে। একেদৰে কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ড° তুলিৰাম ৰংহাং ডাঙৰীয়াৰ নেতৃত্বত কাৰ্বি পাহাৰত শান্তি, ঐক্য, উন্নয়ন আৰু প্ৰগতিৰ এক নতুন অধ্যায় সূচনা হৈছে।

২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচন অসমৰ বাবে কেৱল এটা ৰাজনৈতিক প্ৰক্ৰিয়া নাছিল, ই আছিল আমাৰ সভ্যতা, সংস্কৃতি, ভাষা, পৰম্পৰা, আৰু খিলঞ্জীয়া অস্তিত্ব সুৰক্ষিত কৰাৰ এক ঐতিহাসিক দায়িত্ব। এই নিৰ্বাচনৰ সৈতে জড়িত আছিল অসমৰ ভৱিষ্যত, আমাৰ পৰৱৰ্তী প্ৰজন্মৰ সুৰক্ষা আৰু এখন শক্তিশালী, সমৃদ্ধ "অসম" গঢ়াৰ সপোন।

---



**ৰলেঙ্গু কিলিং**
**সভাপতি**
**ভাৰতীয় জনতা পাৰ্টি**
**পূব কাৰ্বি আলং জিলা**

কাৰবি আংলং জিলাৰ অন্তৰ্গত তিনিটা বিধান সভা সমষ্টি ক্ৰমে ১০৯ নং হাওৰাঘাট বিধান সভা সমষ্টি আৰু ১১০ নং ডিফু বিধান সভা সমষ্টিত দলৰ নিষ্ঠাবান কাৰ্য্যকৰ্তাসকলৰ অবিৰাম ত্যাগ আৰু পৰিশ্ৰমৰ ফলস্বৰূপে আমাৰ তিনিও গৰাকী প্ৰাৰ্থীক বিপুল ভোটৰ ব্যৱধানত বিজয়ী কৰাব পাৰিছোঁ। আমাৰ দলৰ কাৰ্য্যকৰ্তাৰ সংঘ্যা - ১০৮ নং বোকাজান সমষ্টিত ৬৯,০০০ গৰাকী, ১০৯ নং হাওৰাঘাট সমষ্টিত ৭০,৬৩০ গৰাকী আৰু ১১০ নং ডিফু সমষ্টিত ৭৯,০০০ গৰাকী। এই মহান কাৰ্য্যকৰ্তাসকলৰ আপ্ৰাণ প্ৰচেষ্টাত বোকাজানৰ পৰা শ্ৰীসূৰ্য্য ৰংফাৰ (১৭,২৮৪ ভোটৰ ব্যৱধানত), হাওৰাঘাৰ পৰা শ্ৰীলুনছিং টেৰণ (৭৭,৫৮৩ ভোটৰ ব্যৱধানত) আৰু ডিফু সমষ্টিৰ পৰা শ্ৰীনিছ' তেৰাংপী (৪৯,৩৯০ ভোটৰ ব্যৱধানত) বিজয়ী হৈছে।

একেদৰে প্ৰধানমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোদী, দলৰ ৰাষ্ট্ৰীয় সভাপতি শ্ৰীযুত নীতিন নবীন, জনপ্ৰিয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, ৰাজ্যিক সভাপতি শ্ৰীযুত দিলীপ শইকীয়া, কাৰবি আংলং স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্য্যবাহী সদস্য তথা ১১১ নং ৰংখাং বিধান সভা সমষ্টিৰ নৱনিৰ্বাচিত বিধায়ক ড° তুলিৰাম ৰংহাং আৰু ৬ নং ডিফু লোকসভা সমষ্টিৰ সাংসদ শ্ৰীঅমৰছিং তিচ্ছ'ৰ সঠিক নেতৃত্বৰ বাবেও জিলাখনত আমাৰ দলে বিপুল ভোট লাভ কৰিবলৈ সক্ষ্যম হৈছে।



**গোঁসাই বসুমতাৰী**
**সভাপতি**
**ভাৰতীয় জনতা পাৰ্টি**
**কোকৰাঝাৰ জিলা**

আমাৰ কোকৰাঝ্যাৰ জিলাৰ অন্তৰ্গত ৫ খন বিধানসভা সমষ্টিৰ ভিতৰত ৪ খনত এনডিএ প্ৰাৰ্থীসকলে ঐতিহাসিক আৰু গৌৰৱোজ্জ্বল বিজয় সাব্যস্ত কৰিবলৈ সক্ষম হৈছে। এই বিজয়ে জনসাধাৰণৰ মাজত এনডিএ চৰকাৰৰ উন্নয়নমুখী দৃষ্টিভংগী, সুদৃঢ় নেতৃত্ব, সুশাসন আৰু জনকল্যাণমূলক নীতিৰ ওপৰত থকা গভীৰ আস্থা পুনৰ প্ৰতিফলিত কৰিছে। আমি দৃঢ়ভাৱে বিশ্বাস কৰোঁ যে আগন্তুক দিনত অধিক শক্তিশালী সংগঠন, সুদৃঢ় জনসংযোগ আৰু সমন্বিত প্ৰচেষ্টাৰে উক্ত সমষ্টিতো এনডিএৰ বিজয় নিশ্চিত কৰা সম্ভৱ হ'ব। "সেৱা, সুশাসন অটুট ৰাখিবলৈ সদায় প্ৰতিশ্ৰুতিবদ্ধ হৈ থাকিম।

---



**শ্যামল শৰ্মা**
**সভাপতি**
**ভাৰতীয় জনতা পাৰ্টি**
**লখিমপুৰ জিলা**

কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছৰে পৰা ৰাজ্যিক নেতৃত্বৰ পৰামৰ্শ সাপেক্ষে জিলা খনৰ ৮৫৩ টা বুথত সংগঠন শক্তিশালী কৰাৰ প্ৰয়াস কৰিছিলো। জিলাৰ সমূহ বিষয়ববীয়া, জিলা মৰ্চাৰ বিষয়ববীয়া সকলে মণ্ডল সভাপতিৰ সহযোগত ১২ টা মণ্ডলৰ সমূহ বুথত সাংগঠনিক প্ৰবাস কৰি বুথ আৰু শক্তি কেন্দ্ৰ সমূহ শক্তিশালী কৰাত সহযোগ কৰে। মাননীয় প্ৰধান মন্ত্ৰীৰ "মন কী বাত" বিগত সময় চোৱাত জিলাখনত প্ৰায়েই ১০০  সফল হৈছিল। লখিমপুৰ, বিহপুৰীয়া, ৰঙানদী আৰু নাওবৈচাত সংগঠন সবল আছিল।

লখিমপুৰ সমষ্টিৰ বিধায়ক শ্ৰীমানৱ ডেকা ডাঙৰীয়াৰ পূৰ্ণ সহযোগীতাই সংগঠনত উল্লেখযোগ্য প্ৰভাৱ পেলাই লগতে শ্ৰী ঋষিৰাজ হাজৰিকাৰ ব্যক্তিগত জন সম্পৰ্ক আৰু শ্ৰীভূপেন কুমাৰ বৰা ডাঙৰীয়াৰ অভিজ্ঞতাই যোৱা নিৰ্বাচনটো সফল হোৱাত যথেষ্ট সহায়ক হৈছিল।

মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ আশীৰ্বাদ, বিধায়ক মানৱ ডেকা আৰু সাংসদ শ্ৰী প্ৰদান বৰুৱা ডাঙৰীয়াৰ নেৰানেপেৰা প্ৰচেষ্টাত বিগত সময়ত লখিমপুৰ জিলা খনত হোৱা ব্যাপক উন্নয়নে এই নিৰ্বাচন সফল হোৱাত যথেষ্ট সহায়ক হয়। মুখ্যমন্ত্ৰী ড°  হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ জনমূখী আঁচনি (অৰুনোদয়, মহিলা উদ্যমিতা, CMAAA) আৰু দুনীতি মুক্ত ব্যৱস্থাই সৰ্বস্তৰৰ ৰাইজৰ মন স্পৰ্শ কৰে।

মাননীয় ৰাজ্যিক সভাপতি শ্ৰীদিলীপ শইকীয়া ডাঙৰীয়াৰ নেতৃত্বত ৰাজ্যিক সমিতিৰ সহযোগ আৰু সাংগঠনিক যাত্ৰা সমূহে দলৰ সংগঠন সুদৃহ কৰিছিল। মাননীয় ৰাজ্যিক সাংগঠনিক সাধাৰণ সম্পাদক শ্ৰীযুত ৰবীন্দ্ৰ ৰাজু জী আৰু প্ৰভাৰী শ্ৰীহৰিশ দ্বিবেদী ডাঙৰীয়াৰ আপোচ বিহীন সাংগঠনিক নিৰ্দেশনাই জিলাৰ সংগঠন সুদৃহ হোৱাত অৰিহনা যোগাই।

যোৱা নিৰ্বাচনটো দলীয় কৰ্ম কৰ্তাৰ লগত প্ৰত্যেকটো বুথত সুন্দৰ পৰিকল্পনাৰে কাৰ্যকৰ্তা সকলে উৎসৱ মুখৰ পৰিস্থিতিত নিৰ্বাচনতো উপভোগ কৰে।



**দীপক গোস্বামী**
**সভাপতি**
**ভাৰতীয় জনতা পাৰ্টি**
**মাজুলী জিলা**

মাননীয় ৰাজ্যিক সবাপতি দিলীপ শইকীয়া ডাঙৰীয়াৰ দক্ষ নেতৃত্ব, সাংগঠনিক শক্তি আৰু অক্লান্ত পৰিশ্ৰমৰ ফলতেই ২০২৬ চনৰ নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টিয়ে অভূতপূৰ্ব সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। এই বিজয় কেৱল আৰু এক ৰাজনৈতিক সাফল্য নহয়, ই জনসাধাৰণৰ আস্থা, বিশ্বাস উন্নয়নমুখী চিন্তা আৰু দলীয় আদৰ্শৰ প্ৰতিফলন। ৰাজ্যৰ প্ৰতিটো কোণত দলীয় কৰ্মীসকলক একত্ৰিত কৰি আগুৱাই নিয়াৰ ক্ষেত্ৰত ৰাজ্যিক সভাপতি মহোদয়ৰ নেতৃত্ব অতিশয় প্ৰশংসনীয়। উন্নয়ন, শান্তি আৰু জনকল্যাণমূলক চিন্তাধাৰাই ৰাইজৰ হৃদয় জয় কৰিবলৈ সক্ষম হৈছে।

বিশেষকৈ যুৱ সমাজ আৰু মহিলা শক্তিৰ মাজত বিজেপিৰ প্ৰতি আস্থা, বিশ্বাস বৃদ্ধি পোৱাটো এক শুভ লক্ষণ। এই ঐতিহাসিক সফলতাই আগুন্তুক দিনত অসমক অধিক শক্তিশালী আৰু উন্নয়নমুখী দিশলৈ আগুৱাই নিব বুলি আমি দৃঢ় বিশ্বাসী। দলীয় প্ৰতিজন কৰ্মীৰ ত্যাগ আৰু পৰিশ্ৰমৰো এই বিজয়ত বিশেষ অৱদান আছে। আমি আশা কৰোঁ, মাননীয় দিলীপ শইকীয়া ডাঙৰীয়াৰ নেতৃত্বত দল আগন্তুক সময়তো অধিক শক্তিশালী ৰূপত আগুৱাই যাব। অসমৰ জনসাধাৰণৰ আশীৰ্বাদ আৰু সমৰ্থনে এই সফলতাক আৰু অধিক গৌৰৱময় কৰি তুলিছে। বিজেপিৰ এই ঐতিহাসিক বিজয়ৰ আবে সকলোকে আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

---



**ৰামপ্ৰসাদ সৰকাৰ**
**সভাপতি**
**ভাৰতীয় জনতা পাৰ্টি**
**মৰিগাঁও জিলা**

ভাৰতীয় জনতা পাৰ্টিৰ প্ৰতিগৰাকী সদস্যৰ লগতে অসমৰ অসংখ্য জনতাৰ বাবে ২০২৬ চনৰ মে' মাহৰ ৪ তাৰিখটো চিৰস্মৰণীয় হৈ থাকিব। এই দিনটো অসমৰ ৰাজনৈতিক ইতিহাসত এক নতুন অধ্যায়ৰ সূচনা কৰা দিন হিচাপে চিহ্নিত হৈ ৰ'ব। অসমৰ বিধানসভা নিৰ্বাচনত বিজেপি নেতৃত্বাধীন NDA মিত্ৰজোঁটে অভূতপূৰ্ব সফলতা লাভ কৰি ১০২ গৰাকী বিধায়কক বিধানসভালৈ প্ৰেৰণ কৰিবলৈ সক্ষম হৈছিল, যত বিজেপিৰ অকলে ৮২ গৰাকী বিধায়কে জয়লাভ কৰিছিল। এই বিজয় কেৱল এটা ৰাজনৈতিক সাফল্য নাছিল, বৰং ই আছিল অসমৰ জনসাধাৰণৰ আস্থা, বিশ্বাস আৰু উন্নয়নমুখী ৰাজনীতিৰ ওপৰত দিয়া এক শক্তিশালী সমৰ্থন।

এই ঐতিহাসিক বিজয়ৰ মূল সেনাপতি আছিল অসমৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী, সকলোৰে মৰমৰ 'মামা', তথা ৰাজনৈতিক চাণক্য সন্মানীয় ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া। তেখেতৰ দূৰদৰ্শী নেতৃত্ব, অক্লান্ত পৰিশ্ৰম, সংগঠন দক্ষতা লগতে অসমৰ উন্নয়ন, শান্তি আৰু সমৃদ্ধিৰ বাবে তেখেতে গ্ৰহণ কৰা পদক্ষেপসমূহে জনসাধাৰণৰ মন জয় কৰিবলৈ সক্ষম হৈছিল। তেখেতৰ সহযোদ্ধা হিচাপে থকা ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ সন্মানীয় ৰাজ্যিক সভাপতি শ্ৰীদিলীপ শইকীয়া ডাঙৰীয়া, মৰিগাঁও জিলাৰ গৌৰৱ, অসম চৰকাৰৰ সন্মানীয় মন্ত্ৰী তথা জাগীৰোড বিধানসভা সমষ্টিৰ সন্মানীয় বিধায়ক শ্ৰীপিযুষ হাজৰীকা ডাঙৰীয়া প্ৰমুখ্যে ৰাষ্ট্ৰীয়, ৰাজ্যিক আৰু দলীয় নেতৃবৃন্দ আৰু কৰ্মীসকলৰ অৱদান সদায় স্মৰণীয় হৈ থাকিব।



**সূবৰ্ণৰ সিং**
সভাপতি
ভাৰতীয় জনতা পাৰ্টি
নগাওঁ জিলা

২০২৬ চনৰ অসম বিধান সভা নিৰ্বাচন মোৰ বাবে এক গভীৰ দ্বায়িত্ববোধৰ নিৰ্বাচনী যাত্ৰা আছিল। নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত নগাওঁ জিলাখনৰ ভাৰপ্ৰাপ্ত সভাপতি হিচাপে দায়িত্ব লৈ মুঠ ৫ টা বিধানসভা সমষ্টিৰ ১৪ টা সাংগঠনিক মণ্ডল আৰু প্ৰায় ১৩৪৪ টা বুথৰ সাংগঠনিক দায়িত্ব লৈ নিৰ্বাচনত অৱতীৰ্ণ হোৱাটো বৰ সহজ নাছিল। কিন্তু দলৰ তৃণমূল পৰ্যায়ৰ সাংগঠনিক ভেটি অতি শক্তিশালী হোৱাৰ বাবে আমি আমাৰ জিলাৰ দুটাকৈ বিধান সভা সমষ্টিত বিপুল ভোটৰ ব্যৱধানত বিজয় হ'বলৈ সক্ষম হ'লো।

বিগত সময়ত অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ সবল নেতৃত্বত হোৱা জনকল্যাণমুলক ঐতিহাসিক কাম বোৰে অসমৰ লগতে নগাঁও জিলাৰ সমগ্ৰ জনসাধাৰণৰ হৃদয় জয় কৰিবলৈ সক্ষম হ'ল।

২০২৬ বিধানসভাৰ নিৰ্বাচন অসমৰ বাবে ই এক নিৰ্বাচন নাছিল ই আছিল জাতি, মাটি ,ভেটি, সভ্যতা, সংস্কৃতি, ভাষা পৰম্পৰা তথা খিলঞ্জীয়াৰ অস্তিত্ব ৰক্ষাৰ যুঁজ।

---



**জয়ন্ত বুজৰবৰুৱা**
সভাপতি
ভাৰতীয় জনতা পাৰ্টি
নলবাৰী জিলা

২০২৬ চনৰ বিধানসভা নিৰ্বাচনত বিজেপি দলৰ অভাৱনীয় সফলতাই অসমৰ জনমানসত এক নতুন আশাৰ জ্যোতি প্ৰজ্বলিত কৰিলে। এয়া যেন সত্য প্ৰতিষ্ঠাৰ জয়, কৰ্মৰ জয়, কৃষ্ণ সংস্কৃতিৰ জয়।

এই বিজয় নিঃসন্দেহে মুখ্যমন্ত্ৰী মাননীয় ডঃ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰৰ প্ৰতি ৰাইজৰ গভীৰ আস্থা, বিশ্বাস আৰু উন্নয়নমুখী কৰ্মোদ্যমৰ প্ৰতিফলন। দূৰদৰ্শী নেতৃত্ব, জনকল্যাণমূলক আঁচনি আৰু অক্লান্ত পৰিশ্ৰমে জনসাধাৰণৰ হৃদয় জয় কৰিবলৈ সক্ষম হৈছে।

আমাৰ দেশৰ সন্মানীয় প্ৰধানমন্ত্ৰী মাননীয় নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ ব্যক্তিত্ব, দেশপ্ৰেম আৰু শক্তিশালী নেতৃত্বৰ প্ৰভাৱেও জনমানসত গভীৰ চাপ পেলাইছে। অসমবাসীয়ে পুনৰ এবাৰ প্ৰমাণ কৰিলে যে উন্নয়ন, স্থিৰতা আৰু জনহিতকৰ ৰাজনীতিৰ পক্ষত তেওঁলোক দৃঢ়ভাৱে অৱস্থান কৰিছে।

বিজেপি দলৰ শক্তি হৈছে ৰাইজৰ মৰম আৰু বিশ্বাস। কাৰণ অসম চৰকাৰ সদায়েই জনসাধাৰণৰ সুখ-দুখৰ সংগী হৈ কাম কৰি আহিছে। বিশেষকৈ আই মাতৃ সকলৰ নিভাঁজ মৰম, ভাতৃ ভগ্নীসকলৰ অপাৰ স্নেহৰ বান্ধোন এটা নিৰ্মাণ কৰিছিল ৰাজ্যৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ মুখ্যমন্ত্ৰী মাননীয় ডঃ হিমন্ত বিশ্ব শৰ্মাদেৱে।

সমান্তৰাল ভাৱে দলৰ সভাপতি মাননীয় নীতিন নবীন দেৱৰ মাৰ্গ দৰ্শনেৰে ৰাজ্যিক বিজেপিৰ সভাপতি মাননীয় দিলীপ শইকীয়া দেৱৰ অশেষ কষ্ট আৰু কঠোৰ পৰিশ্ৰমৰ কথা অনস্বীকাৰ্য। লগতে সেৱাৰ মনোভাৱেৰে উদ্দীপ্ত হৈ কাম কৰি যোৱাৰ মানসিকতা অৰ্জন কৰা অলেখ কৰ্মীৰ ত্যাগৰ নিদৰ্শনেই হ'ল বিগত বিধানসভা নিৰ্বাচনৰ অভূতপূৰ্ব সফলতাৰ ৰহস্য। সেই ত্যাগৰ দীপ্ত মনোভাৱে আমাক সমাগত যিকোনো নিৰ্বাচনত জয়লাভ কৰাত নিশ্চিতভাৱে অৰিহণা যোগাব বুলি আমাৰ গভীৰ বিশ্বাস। এইবাৰ নামনি অসমত দলৰ অঘোষিত সমন্বয়ক ৰূপে কাৰ্য সম্পাদন কৰিছে মাননীয় জয়ন্ত মল্লবৰুৱা দেৱে, যাৰ সুফল এন, ডি, এ, সমৰ্থিত প্ৰাৰ্থী সকলে লাভ কৰিছে।



**ভাস্কৰজ্যোতি কলিতা**
**সভাপতি**
**ভাৰতীয় জনতা পাৰ্টি**
**উত্তৰ কামৰূপ জিলা**

এই সাফলাৰ আঁৰত আছে শক্তিশালী সাংগঠনিক শৃংখলা, দলীয় নেতৃত্বৰ দূৰদৰ্শিতা আৰু নিৰন্তৰ পৰিকল্পিত কাৰ্যপদ্ধতি। বুথ স্তৰৰ পৰা ৰাজ্যিক স্তৰলৈকে সংগঠনটোৰ একতা আৰু সমন্বয়েই এই বিজয়ক সম্ভৱ কৰি তুলিছে।

বিশেষকৈ মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ নেতৃত্বত দেশজুৰি হোৱা উন্নয়নমূলক পদক্ষেপসমূহ, মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মহোদয়ৰ নেতৃত্বত অসমৰ অভূতপূৰ্ব বিকাশমূলক কাম-কাজ, আমাৰ সভ্যতা-সংস্কৃতি ৰক্ষা তথা খিলঞ্জীয়া অসমীয়া জাতিৰ অস্তিত্ব সুৰক্ষাৰ ক্ষেত্ৰত তেখেতৰ নিৰন্তৰ প্ৰচেষ্টা, আৰু মাননীয় ৰাজ্যিক সভাপতি শ্ৰীযুত দিলীপ শইকীয়া ডাঙৰীয়াৰ সাংগঠনিক দক্ষতা-এই সকলোয়ে মিলি জনসাধাৰণৰ মাজত চৰকাৰৰ প্ৰতি গভীৰ বিশ্বাস আৰু আস্থা সৃষ্টি কৰিছে।

চৰকাৰৰ জনকল্যাণমূলক আঁচনি, আন্তঃগাঁথনি উন্নয়ন, শিক্ষা-স্বাস্থ্য ক্ষেত্ৰত হোৱা উন্নতি, আৰু তৃণমূল পৰ্যায়লৈ সেৱা আগবঢ়াই দিয়াৰ নিবন্তৰ প্ৰচেষ্টাই ৰাইজৰ জীৱনত বাস্তৱ পৰিৱৰ্তন আনিবলৈ সক্ষম হৈছে। এই উন্নয়নৰ সুফলেই জনসাধাৰণৰ মনত ইতিবাচক ধাৰণা গঢ়ি তুলিছে।

নিৰ্বাচনৰ সেই দিনবোৰত ৰ'দ-বৰষুণ- ক্লান্তি পাহৰি যিসকল কাৰ্য্যকৰ্তাই ঘৰে ঘৰে গৈ দলৰ কথা, চৰকাৰৰ উন্নয়নমূলক কাম আৰু ভৱিষ্যৎ দৃষ্টিভংগী ৰাইজৰ কাষলৈ লৈ গৈছিল, তেখেতসকলৰ নিষ্ঠা আৰু আত্মত্যাগৰ ফলতেই আজি এই সাফল্য সম্ভৱ হৈছে। বহু সময়ত সমালোচনা আৰু বাধাৰ সন্মুখীন হ'বলগীয়া হৈছিল, কিন্তু বিশ্বাস আৰু মনোবল কেতিয়াও দুৰ্বল হোৱা নাছিল।

এই বিজয়ৰ মুহূৰ্তত মনত বাৰে বাৰে ভাহি উঠে সেই সাধাৰণ কাৰ্য্যকৰ্তাৰ মুখ, যিয়ে হয়তো নিজৰ ব্যক্তিগত সুখ-স্বাচ্ছন্দ্য ত্যাগ কৰি দল আৰু আদৰ্শৰ বাবে দিন-ৰাতি পৰিশ্ৰম কৰিছিল। এই সাফল্য আচলতে তেখেতসকলৰ চকুপানী, ঘাম আৰু হৃদয়ৰ অনুভৱৰ জয়।

ৰাইজে আমাক যি মৰম, বিশ্বাস আৰু আশীৰ্বাদ দিছে, সেয়া আমাৰ বাবে এক বিশাল দায়িত্ব। এই বিশ্বাসক সন্মান জনাই আগন্তুক দিনতো অধিক নিষ্ঠা, সততা আৰু জনসেৱাৰ মনোভাৱেৰে কাম কৰি যাম এয়াই আজিৰ সঙ্কল্প।

---



**বিতোপন ৰাইদঙীয়া**
**সভাপতি**
**ভাৰতীয় জনতা পাৰ্টি**
**শিৱসাগৰ জিলা**

সকলোকে সাদৰ নমস্কাৰ।

২০২৬ ৰ অসম বিধানসভা নিৰ্বাচনত ঐতিহাসিক সফলতাৰে দ্বিতীয় বাৰৰ বাবে অসমৰ মুখ্যমন্ত্ৰীৰ দায়িত্ব লোৱা মাননীয় ড° হিমন্ত বিশ্ব শৰ্মা মহোদয় প্ৰমুখ্যে অসম চৰকাৰৰ মন্ত্ৰী, বিধায়ক আৰু ভাৰতীয় জনতা পাৰ্টিৰ সকলো কাৰ্য্যকৰ্তাক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো। লগতে কৃতজ্ঞতা জ্ঞাপন কৰিছো দেশৰ মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোডী মহোদয়, ৰাষ্ট্ৰীয় সভাপতি মাননীয় শ্ৰীযুত নীতিন নবীন মহোদয় প্ৰমুখ্যে ৰাষ্ট্ৰীয় নেতিবৃন্দক। দূৰদৰ্শী আৰু শক্তিশালী সাংগঠনিক নেতৃত্বৰ বাবে দলৰ ৰাজ্যিক সভাপতি শ্ৰীযুত দিলীপ শইকীয়া ডাঙৰীয়াক বিশেষভাৱে ধন্যবাদ জনাইছো। অসমৰ বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰক তৃতীয়বাৰৰ বাবে অসমক শাসন আৰু শোষণৰ পৰিৰ্বতে সেৱা কৰাৰ সুযোগ দিয়াৰ বাবে সমগ্ৰ অসমবাসীক হিয়াভৰা কৃতজ্ঞতা জ্ঞাপন কৰিছো।

প্ৰত্যেকজন অসমীয়াৰ মনৰ আশা, দেশৰ অন্যতম এখন সুৰক্ষিত, বিকশিত, প্ৰগতিশীল ৰাজ্য হিচাপে অসমখন আগুৱাই যোৱা। অসমৰ সকলো জাতি-জনগোষ্ঠীৰ স্বকীয় অস্তিত্ব শক্তিশালী কৰি ৰাষ্ট্ৰীয়তাবাদৰ ভেটি মজবুত কৰা হ'ল। অৰ্থনৈতিক, ৰাজনৈতিক আৰু প্ৰশাসনিক ব্যৱস্থাক গ্ৰামীণ পৰ্যায়লৈকে বিকেন্দ্ৰীকৰণ কৰি গান্ধীয় সমাজবাদ প্ৰতিষ্ঠাৰে গণতন্ত্ৰক আৰু অধিক মজবুত কৰা হ'ল। ৰাজনৈতিক প্ৰমূল্যবোধক অধিক

জনতাৰ আস্থাভাজন কৰি সৰ্বধৰ্ম-সমভাৱ দৃষ্টিভংগী দৃঢ় কৰা হ'ল। পণ্ডিত দীনদয়াল উপাধ্যায়ৰ একাত্ম মানৱতাবাদৰ অন্তদৃষ্টিৰে অন্ত্যোদয়া অৰ্থাৎ সমাজৰ শেষৰজন ব্যক্তিৰ উন্নয়ন তৰান্বিত কৰা হ'ল।

**শেষত, ২০২৬ ৰ নিৰ্বাচনৰ সফলতাৰ মূল আধাৰ হ'ল কেন্দ্ৰত মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মহোদয় আৰু অসমত মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মহোদয়ৰ প্ৰতি জনতাৰ আস্থা আৰু বিশ্বাস, লগতে বুথ পৰ্যায়লৈকে কাৰ্য্যকৰ্তাই কৰা পৰিশ্ৰম।**



**মধুস্মিতা হাজৰিকা ডেকা**
**সভাপতি**
**ভাৰতীয় জনতা পাৰ্টি**
**শোণিতপুৰ জিলা**

পাঁচটা সমষ্টিৰে গঠিত ঐতিহ্যমণ্ডিত শোণিতপুৰ জিলাৰ ভাৰতীয় জনতা পাৰ্টিৰ সভাপতিৰ দৰে গুৰু দায়িত্বৰে এই নিৰ্বাচন সুশৃংখলিতভাৱে সমাপন কৰিবলৈ পোৱাটো আমাৰ বাবে চিৰস্মৰণীয় হৈ ৰ'ব। পাচোঁটা সমষ্টি বিভিন্নতাৰে সন্নিবিষ্ট যদিও বিজেপিৰ সাংগঠনিক সবল স্থিতিয়ে এই নিৰ্বাচনৰ জয়ৰ অন্যতম কাৰণ। মাননীয় প্ৰধানমন্ত্ৰী শ্ৰদ্ধাৰ শ্ৰীযুত নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ অসমৰ প্ৰতি থকা মৰম আৰু বিশ্বাসে ৰাইজক যথেষ্ট প্ৰভাৱিত কৰিছে। মাননীয় মুখ্যমন্ত্ৰী শ্ৰদ্ধাৰ ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ প্ৰতি জনসাধাৰণৰ আস্থা আৰু বিশ্বাস আমি স্ব-চক্ষে প্ৰত্যক্ষ কৰিছো। লগতে ৰাজ্যিক সভাপতি শ্ৰীদিলীপ শইকীয়া ডাঙৰীয়া আৰু ৰাজ্যিক নেতৃত্বৰ বিচক্ষণ ৰণনীতিৰে আমি জয়ী হ'বলৈ সক্ষম হ'লো। সত্ৰ-বনাঞ্চল তথা বেদখলীকৃত মাটিত উচ্ছেদ অভিযান, শিক্ষা-স্বাস্থ্য-ক্ৰীড়া-সংস্কৃতি-জনকল্যানমূলক আঁচনি, আন্তঃগাঠনি উন্নয়নৰ উপৰিও অসমীয়াৰ অস্তিত্বৰ প্ৰতি ভাবুকি সৃষ্টি কৰা বঙ্গীয় মিঞাৰ চক্ৰান্ত নাশ কৰি অসমক স্বাভিমানী ৰাজ্য হিচাৰে গঢ়ি তুলিবলৈ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৰা প্ৰচেষ্টাক শোণিতপুৰীয়া ৰাইজে বিপুল সমৰ্থন কৰিছে লগতে শোণিতপুৰ জিলাৰ পৃষ্ঠাপ্ৰমূখ, বুথ সভাপতিকে প্ৰমূখ্য কৰি মণ্ডল- মৰ্চা আৰু জিলাৰ বিভিন্ন দায়িত্বত থকা প্ৰতিজন জ্যেষ্ঠ-কনিষ্ঠ সন্মানীয় কাৰ্য্যকৰ্তাসকলৰ অক্লান্ত প্ৰচেষ্টা আৰু পৰিশ্ৰমৰে এই নিৰ্বাচনত অভূতপূৰ্ব জয়লাভ কৰিবলৈ আমি সক্ষম হ'লো। আগন্তুক সময়ত এই চৰকাৰখনে অধিক শান্তি- প্ৰগতি আৰু সমৃদ্ধিৰে ৰাইজৰ আশা- আকাংক্ষাক বাস্তৱায়িত কৰিব বুলি আমি গভীৰ আশাবাদী।



**অঞ্জন গোস্বামী**
**সভাপতি**
**ভাৰতীয় জনতা পাৰ্টি**
**দক্ষিণ কামৰূপ জিলা**

দক্ষিণ কামৰূপ জিলা বিজেপিৰ সভাপতি হিচাপে পলাশবাৰী সমষ্টি আৰু বকো-ছয়গাঁও বিধানসভা সমষ্টিত আমাৰ দলৰ গৌৰৱময় জয়ত আমি অতিশয় আনন্দিত আৰু কৃতজ্ঞ। এই দুটা সমষ্টিত বিজেপিৰ বিজয় কেৱল নিৰ্বাচনী ফলাফল নহয়, ই জনগণৰ আস্থা আৰু বিশ্বাসৰ প্ৰতিফলন। মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদীজীৰ বিকাশৰ দৃষ্টিভংগী আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ কৰ্মদক্ষতা আৰু ৰাজ্যিক সভাপতি মাননীয় দিলীপ শইকীয়া ডাঙৰীয়াৰ সৰল নেতৃত্বই এই অঞ্চলৰ ৰাইজৰ মাজত গভীৰ প্ৰভাৱ পেলাইছে। কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন উন্নয়নমূলক আঁচনিয়ে দুয়োটা সমষ্টিৰ সাধাৰণ মানুহৰ জীৱনলৈ পৰিৱৰ্তন আনিছে। বিজেপিৰ জাতীয় স্তৰৰ শক্তিশালী নেতৃত্ব আৰু সংগঠনৰ শক্তিয়ে এই অঞ্চলৰ ভোটাৰসকলক আকৃষ্ট কৰিছে। বিৰোধীদল সমূহৰ নেতিবাচক ৰাজনীতিৰ বিপৰীতে বিজেপিৰ ইতিবাচক উন্নয়নমুখী কৰ্মৰাজীয়ে ৰাইজৰ সমৰ্থন লাভ কৰিছে, নতুন প্ৰজন্মৰ মাজত বিজেপিৰ ভাবমূৰ্তি উজ্জ্বল কৰিছে। মহিলা সমাজৰ ব্যাপক সমৰ্থন এই জয়ৰ এক গুৰুত্বপূৰ্ণ কাৰণ, কিয়নো চৰকাৰৰ মহিলা সৱলীকৰণ আঁচনি সমূহে তেওঁলোকৰ জীৱন আগুৱাই যোৱাত সহজ কৰিছে।

এই জিলাৰ তৃণমূল স্তৰৰ বিজেপি কৰ্মীসকলৰ অক্লান্ত পৰিশ্ৰম, বুথ-স্তৰত গ্ৰহণ কৰা দক্ষ কৌশল আৰু দলৰ সংগঠনমূলক শক্তিয়ে এই বিজয়ক সম্ভৱ কৰি তুলিছে। যুৱ সমাজৰ সক্ৰিয় অংশগ্ৰহণ আৰু সামাজিক মাধ্যমৰ জৰিয়তে দলৰ বাৰ্তা গাঁৱৰ জনসাধাৰণৰ মাজলৈ লৈ যাবলৈ সক্ষম হৈছে। এই ঐতিহাসিক জয়ৰ বাবে দক্ষিণ কামৰূপৰ প্ৰতিজন ভোটাৰ, প্ৰতিজন কৰ্মী আৰু সমৰ্থকলৈ আন্তৰিক কৃতজ্ঞতা আৰু অভিনন্দন জনাইছো।



**ৰঞ্জিত কুমাৰ সাহা**
সভাপতি
ভাৰতীয় জনতা পাৰ্টি
দক্ষিণ শালমাৰা মানকাচৰ
জিলা

১। এই ঐতিহাসিক জনাদেশে মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ গতিশীল নেতৃত্বৰ ওপৰত জনসাধাৰণৰ অটল আস্থা আৰু বিশ্বাসক প্ৰতিফলিত কৰিছে।

২। মাননীয় মুখ্যমন্ত্ৰী শ্ৰীহিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ দূৰদৰ্শী শাসন ব্যৱস্থা আৰু অক্লান্ত নিষ্ঠাই এই বৃহৎ বিজয় নিশ্চিত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

৩। ইয়াৰ উপৰিও, সমগ্ৰ অসমজুৰি শক্তিশালী সাংগঠনিক নেতৃত্ব আৰু নিৰন্তৰ প্ৰচেষ্টাৰ বাবে মই বিজেপিৰ মাননীয় ৰাজ্যিক সভাপতি শ্ৰীদিলীপ শইকীয়া ডাঙৰীয়ালৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

৪। জনসাধাৰণৰ পৰা লাভ কৰা বিপুল সমৰ্থনে স্পষ্টভাৱে উন্নয়মুখী ৰাজনীতি আৰু এনডিএ চৰকাৰৰ জনকল্যাণমূলক পদক্ষেপসমূহৰ ওপৰত জনগণৰ বিশ্বাস প্ৰতিফলিত কৰিছে।

৫। বিশেষকৈ, সংখ্যালঘু অধ্যুষিত মানকাচৰ সমষ্টিত, য'ত ৯৫ শতাংশতকৈ অধিক লোক মুছলমান সংখ্যালঘু সম্প্ৰদায়ৰ তাতো এনডিএ প্ৰাৰ্থীক ১,১৫,০০০ তকৈ অধিক ভোট দিয়াৰবাবে মই মানকাচৰ সমষ্টিৰ ভোটাৰসকললৈ গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

৬। এই উল্লেখযোগ্য সাফল্য জিলাখনৰ প্ৰতিজন বিজেপি কাৰ্যকৰ্তা আৰু সমৰ্থকৰ বাবে এক গৌৰৱৰ মুহূৰ্ত।

৭। আমাৰ বুথ পৰ্যায়ৰ কৰ্মী আৰু দলীয় সদস্যসকলৰ কঠোৰ পৰিশ্ৰম, শৃংখলা আৰু নিষ্ঠাই এই ঐতিহাসিক সফলতাত বিশেষ ভূমিকা পালন কৰিছে।

৮। আমি সততা, নিষ্ঠা আৰু সৰ্বাংগীন উন্নয়নৰ মনোভাৱেৰে জনসাধাৰণৰ সেৱাত সদায় প্ৰতিশ্ৰুতিবদ্ধ হৈ থাকিম।

---



**ৰাজেশ বড়ো**
সভাপতি
ভাৰতীয় জনতা পাৰ্টি
তামোলপুৰ জিলা

এই ঐতিহাসিক সফলতাৰ বাবে মই বিশেষভাৱে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদী ডাঙৰীয়ালৈ তেখেতৰ দূৰদৰ্শী চিন্তা আৰু বিকশিত ভাৰতৰ মহান সংকল্পই সমগ্ৰ দেশৰ লগতে অসমকো নতুন দিশ দেখুৱাইছে। উত্তৰ-পূৰ্বাঞ্চলক 'অষ্টলক্ষ্মী' হিচাপে প্ৰতিষ্ঠা কৰি তেখেতে অসমৰ প্ৰতিজন নাগৰিকৰ মনত আত্মবিশ্বাস জগাই তুলিছে।

মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়ালৈ আন্তৰিক ধন্যবাদ জনাইছো- তেখেতৰ নিৰ্ণায়ক নেতৃত্ব, নিকা উদ্দেশ্য, খিলঞ্জীয়াৰ ভূমি-অধিকাৰ সুৰক্ষিত কৰা, অবৈধ দেবখলমুক্ত কৰা, চৰকাৰী চাকৰিৰ নিকা নিযুক্তি, অনুপ্ৰৱেশৰ বিৰুদ্ধে কঠোৰ স্থিতি লোৱা, অৰুণোদয়ৰ লগতে অভিলাষী আঁচনিৰে অসমক বিকাশ অভূতপূৰ্ব যাত্ৰা আগুৱাই নিয়াৰ বাবে সমগ্ৰ অসমবাসী তেখেতৰ ওচৰত চিৰ কৃতজ্ঞ।

মাননীয় ৰাজ্যিক সভাপতি ডাঙৰীয়ালৈ আন্তকি কৃতজ্ঞতা জনাইছো তেখেতৰ অভিজ্ঞ সাংগঠনিক নেতৃত্বত আজি অসম বিজেপি বুথ পৰ্যায়লৈকে আটাইতকৈ শক্তিশালী সংগঠন হিচাপে প্ৰতিষ্ঠিত হৈছে। পৃষ্ঠা প্ৰমুখৰ পৰা ৰাজ্যিক বিষয়ববীয়ালৈকে সকলোকে এটা পৰিয়ালৰ দৰে বান্ধি ৰাখি তেখেতে নিৰ্বাচনী ৰণ-কৌশল সফল কৰি তুলিলে।

সদৌ শেষত পুনৰ এনডিএ ৰ সৰ্বস্তৰ কাৰ্যকৰ্তা আৰু ভোটাৰ ৰাইজক আন্তৰিক ধন্যবাদ ও কৃতজ্ঞতা জ্ঞাপন কৰিছো।



**অজয় কুমাৰ হাজৰিকা**
**সভাপতি**
**ভাৰতীয় জনতা পাৰ্টি**
**ওদালগুৰি জিলা**

এই মহাসফলতাৰ মূল ভেটি হৈছে বিগত দুটা কাৰ্যকালত আমাৰ চৰকাৰে ৰূপায়ণ কৰা সৰ্বস্পৰ্শী, জনমুখী আৰু উন্নয়নমূলক নীতিসমূহ। ৰাজ্যৰ জনপ্ৰিয় তথা গতিশীল মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ দূৰদৰ্শী আৰু সবল নেতৃত্বত অসমৰ চুকে-কোণে যি উন্নয়নৰ জোৱাৰ উঠিছে, তাৰ পৰা ওদালগুৰি, ও বঞ্চিত হোৱা নাই। পথ-ঘাটৰ আধুনিকীকৰণ, শিক্ষা আৰু স্বাস্থ্য খণ্ডৰ অভূতপূৰ্ব সংস্কাৰ, অৰুণোদয়, মহিলা উদ্যমীতা দৰে আঁচনিৰে মহিলা সৱলীকৰণ, কৃষিজীৱী ৰাইজৰ সৱলীকৰণ, নিকা আৰু স্বচ্ছতাৰে নিযুক্তি প্ৰদান আৰু প্ৰতিটো দুখীয়া পৰিয়াললৈ চৰকাৰী কল্যাণকামী আঁচনিৰ প্ৰসাৰে ওদালগুৰিৰ প্ৰতিজন নাগৰিকৰ মনত এক গভীৰ আস্থাৰ ভাৰ গঢ়ি তুলিছে। এই জনাদেশ হৈছে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ 'বিকাশৰ ৰাজনীতি'ৰ প্ৰতি জনতাৰ কৃতজ্ঞতাৰ প্ৰতিফলন।

যিকোনো নিৰ্বাচনী যুদ্ধত বিজয়ৰ মূল চাবিকাঠী হৈছে এক শক্তিশালী সাংগঠনিক ভেটি। ভাৰতীয় জনতা পাৰ্ট, অসম প্ৰদেশৰ সন্মানীয় ৰাজ্যিক সভাপতি দিলীপ শইকীয়া দেৱৰ বলিষ্ঠ আৰু সুদৃঢ় সাংগঠনিক নেতৃত্বই দলক তৃণমুল স্তৰত অভেদ্য দুৰ্গলৈ ৰূপান্তৰিত কৰিছে। তেওঁৰ সঠিক দিশ-নিৰ্দেশনা, নিৰন্তৰ প্ৰেৰণা আৰু নিৰ্বাচনী ৰণকৌশলে আমাৰ শক্তি বহুগুণে বৃদ্ধি কৰিলে। জিলাখনৰ চুকে-কোণে থকা প্ৰতিটো পৰ্যায়লৈকে দলক সক্ৰিয় আৰু শক্তিশালী কৰি তোলাত সভাপতি ডাঙৰীয়াৰ ভূমিকা অতুলনীয়।

একেদৰে বিটিচি (BTC) অঞ্চলৰ সামগ্ৰিক আৰু সুষম উন্নয়ণৰ বাবে সংকল্পবদ্ধ বি.টি.চিৰ মুখ্য কাৰ্য্যবাহী সদস্য সন্মানীয় হাগ্ৰামা মহিলাৰী দেৱৰ প্ৰতিও ওডালগুৰিৰ জনগণে পুনৰবাৰ পূৰ্ণ বিশ্বাস প্ৰকট কৰিছে। অঞ্চলটোত স্থায়ী, শান্তি, সম্প্ৰীতি আৰু জনজাতীয়-অজনজাতীয় সকলো শ্ৰেণীৰ লোকৰ সুৰক্ষা তথা প্ৰগতিৰ বাবে তেওঁ লোৱা ভূমিকা আৰু দায়বদ্ধতাই আমাৰ এই বিজয়ৰ পথ অধিক মসৃণ আৰু সুনিশ্চিত কৰিলে।





২০২৬ চনৰ বিধান সভা নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পিছত বিজেপিৰ মুখ্যকাৰ্যালয়ত ড° হিমন্ত বিশ্ব শৰ্মা সংবাদমেল সম্বোধন



ঐতিহাসিক বিজয়ৰ পিছত দলীয় কাৰ্যকৰ্তাৰ বিজয় উল্লাস



নিৰ্বাচনৰ ফলাফলৰ পিছতেই বিজেপি কাৰ্যালয়ত ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ সৈতে ৰাজ্যিক সভাপতি দিলীপ শইকীয়া ডাঙৰীয়া



চমকপ্ৰদ ফলাফলৰ পিছত বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া ডাঙৰীয়াক মিত্ৰদল অগপৰ শীৰ্ষ নেতৃবৃন্দৰ শুভেচ্ছা জ্ঞাপন



বিধায়নী দলৰ নেতা নিৰ্বাচনৰ তত্বৱধায়ক তথা কেন্দ্ৰীয় মন্ত্ৰী জে.পি. নাড্ডা ডাঙৰীয়াক উষ্ম আদৰণি জনোৱাৰ মুহূৰ্তত ড° হিমন্ত বিশ্ব শৰ্মা আৰু ৰাজ্যিক সভাপতি দিলীপ শইকীয়া ডাঙৰীয়া




বিধায়নী দলৰ নেতা নিৰ্বাচিত হোৱাৰ পিছত মিত্ৰজোটৰ সতিৰ্থ তথা কাৰ্যকৰ্তা সকলৰ দ্বাৰা ড° হিমন্ত বিশ্ব শৰ্মাক আদৰণি




প্ৰধানমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোদী ডাঙৰীয়া আৰু এন.ডি.এ মিত্ৰজোটৰ ৰাষ্ট্ৰীয় নেতৃত্বৰ পবিত্ৰ উপস্থিতিত ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ দ্বিতীয়টো কাৰ্যকালৰ শপত গ্ৰহণ অনুষ্ঠান



ঐতিহাসিক শপত গ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ আৰু অসমৰ মহামহিম ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ সৈতে মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে এন.ডি.এ মিত্ৰজোটৰ চাৰিগৰাকী নতুন মন্ত্ৰী



ঐতিহাসিক শপত গ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ সৈতে কেন্দ্ৰীয় মন্ত্ৰী তথা এন.ডি.এ মিত্ৰজোটৰ ৰাষ্ট্ৰীয় নেতৃবৃন্দ




অগপ দলৰ সভাপতি তথা নতুন চৰকাৰৰ মন্ত্ৰী অতুল বৰা ডাঙৰীয়াই প্ৰধানমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোদী ডাঙৰীয়াক শুভেচ্ছা জ্ঞাপন কৰা এক মুহূৰ্ত



ঐতিহাসিক শপত গ্ৰহণ অনুষ্ঠানৰ এখন চিৰস্মৰণীয় আলোকচিত্ৰ



বিজেপি চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ শপত গ্ৰহণ অনুষ্ঠানত উপস্থিত  হয় প্ৰধানমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোদী ডাঙৰীয়া আৰু এন.ডি.এ মিত্ৰজোটৰ ৰাষ্ট্ৰীয় নেতৃত্ব



প্ৰধানমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোদী ডাঙৰীয়াই মুখ্যমন্ত্ৰী ড' হিমন্ত বিশ্ব শৰ্মাক শুভেচ্ছা জ্ঞাপন কৰা এক মুহূৰ্ত



ঐতিহাসিক শপত গ্ৰহণ অনুষ্ঠানত  বৃহৎ পৰিসৰত উপস্থিত হোৱা শুভাকাংক্ষি জনসাধাৰণ ৰাইজ তথা কাৰ্যকৰ্তা বৃন্দ



কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰীযুত অমিত শ্বাহ ডাঙৰীয়াই কাৰ্যকৰ্তা সকলক সম্বোধন কৰাৰ এক মুহূৰ্ত



ডিব্ৰুগড়ত অনুষ্ঠিত বুথ সমিতিৰ বৈঠকত অংশগ্ৰহণ কৰে ৰাষ্ট্ৰীয় সভাপতি মাননীয় শ্ৰীযুত নীতিন নবীন ডাঙৰীয়াই




অসম বিধানসভা প্ৰাঙ্গনত অসমৰ মহামহিম ৰাজ্যপাল শ্ৰীযুত লক্ষণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ সৈতে অসম বিধানসভাৰ নৱ নিৰ্বাচিত বিধায়ক সকলৰ সন্মিলিত এখন আলোকচিত্ৰ



আমাৰ দলৰ নৱনিৰ্বাচিত বিধায়ক সকলৰ সম্বৰ্ধনা অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ সৈতে ৰাজ্যিক সভাপতি দিলীপ শইকীয়া ডাঙৰীয়া আৰু ৰাজ্যিক সমিতিৰ বিষয়ববীয়া সকল



ৰাজ্যিক সভাপতি শ্ৰীযুত দিলীপ শইকীয়া ডাঙৰীয়াই মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক সম্বৰ্ধনা আৰু শুভেচ্ছা জ্ঞাপন কৰা এক বিশেষ মুহূৰ্ত



শ্ৰীশ্ৰী দামোদৰ দেৱ প্ৰেক্ষাগৃহত অনুষ্ঠিত বিজেপি অসম প্ৰদেশৰ বিশেষ সাংগঠনিক সভাৰ এক মুহূৰ্ত



বিজেপি অসম প্ৰদেশৰ দ্বাৰা আয়োজিত বিশেষ সাংগঠনিক সভাত অংশগ্ৰহণ কৰা দলীয় কাৰ্যকৰ্তাবৃন্দ




জ্যোতি বিষ্ণু কলামন্দিৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰীসভাৰ আন ১২ গৰাকী মন্ত্ৰীৰ শপত গ্ৰহণ অনুষ্ঠানত উপস্থিত থাকে অসমৰ মহামহিম ৰাজ্যপাল লক্ষণ প্ৰসাদ আৰ্চায আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই

**SWEARING-IN CEREMONY**
of
**Ministers Designate for Induction into the State Council of Ministers**



ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰীসভাৰ ১২ গৰাকী মন্ত্ৰীৰ শপত গ্ৰহণ কৰা মুহূৰ্তসমূহ



নতুন দিল্লীত মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোদী ডাঙৰীয়াক সাক্ষাৎ অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব ডাঙৰীয়া



কেন্দ্ৰীয় কেবিনেট মন্ত্ৰী মাননীয় শ্ৰীযুত নিতীন গাডকাৰী ডাঙৰীয়াক সাক্ষাৎ অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ



কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী মাননীয় শ্ৰীযুত ৰাজনাথ সিং ডাঙৰীয়াক সাক্ষাৎ অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ



কেন্দ্ৰীয় কেবিনেট মন্ত্ৰী মাননীয় শ্ৰীযুত এচ. জয়শংকৰ ডাঙৰীয়াক সাক্ষাৎ অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ



কেন্দ্ৰীয় কেবিনেট মন্ত্ৰী মাননীয় শ্ৰীযুত সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াক সাক্ষাৎ অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ



কেন্দ্ৰীয় কেবিনেট মন্ত্ৰী মাননীয় শ্ৰীযুত অশ্বিনি বৈষ্ণৱ ডাঙৰীয়াক সাক্ষাৎ অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ



কেন্দ্ৰীয় মন্ত্ৰী মাননীয় শ্ৰীযুতা পিযুষ গোয়েল ডাঙৰীয়াক সাক্ষাৎ অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ



কেন্দ্ৰীয় বিত্তীয় মন্ত্ৰী মাননীয় শ্ৰীযুতা নিৰ্মলা সীতাৰামন ডাঙৰীয়ানিক সাক্ষাৎ অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ



শ্বিলঙত অনুষ্ঠিত 'উত্তৰ-পূব পৰিষদৰ' ৭৩ সংখ্যক পূৰ্ণাংগ অধিৱেশনত উপস্থিত কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা 'উত্তৰ-পূব পৰিষদৰ অধ্যক্ষ সন্মানীয় শ্ৰীযুত অমিত শ্বাহ ডাঙৰীয়া



কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা 'উত্তৰ-পূব পৰিষদৰ অধ্যক্ষ মাননীয় শ্ৰীযুত অমিত শ্বাহ ডাঙৰীয়াৰ সৈতে উত্তৰ-পূব পৰিষদৰ সন্মানীয় সদস্যবৃন্দ



কেন্দ্ৰীয় মন্ত্ৰী মাননীয় শ্ৰীযুত জ্যোতিৰাদিত্য সিন্ধীয়া ডাঙৰীয়াক সাক্ষাৎ কৰা মুহূৰ্ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া



কেন্দ্ৰীয় মন্ত্ৰী মাননীয় শ্ৰীযুত ড° মনসুখ মন্দাৱীয়া ডাঙৰীয়াক সাক্ষাৎ কৰা মুহূৰ্ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া



কেন্দ্ৰীয় মন্ত্ৰী মাননীয় শ্ৰীযুত শিৱৰাজ সিং চৌহান ডাঙৰীয়াক সাক্ষাৎ কৰা মুহূৰ্ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া



বিজেপিৰ কেন্দ্ৰীয় কাৰ্যালয়ত অনুষ্ঠিত পণ্ডিত দীনদয়াল উপাধ্যায় প্ৰশিক্ষণ মহা অভিযান ২০২৬ ত অংশগ্ৰহণ কৰে ৰাজ্যিক সভাপতি শ্ৰীযুত দিলীপ শইকীয়া ডাঙৰীয়া আৰু অন্যান্য বিষয়ববীয়া সকল



বিজেপিৰ ৰাজ্যিক কাৰ্যালয়ত অনুষ্ঠিত পণ্ডিত দীনদয়াল উপাধ্যায় প্ৰশিক্ষণ মহা অভিযান ২০২৬ ৰ এক দৃশ্যাংশ



বিজেপিৰ ৰাজ্যিক কাৰ্যালয়ত অনুষ্ঠিত পণ্ডিত দীনদয়াল উপাধ্যায় প্ৰশিক্ষণ মহা অভিযান ২০২৬ ৰ দলীয় কাৰ্যকৰ্তা সকলৰ এক দৃশ্যাংশ



মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ পবিত্ৰ জন্মস্থান বটদ্ৰৱা থানাত উপস্থিত হৈ সেৱা জনাই মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই





ড° শ্যামাপ্ৰসাদ মুখাৰ্জী উৰণীয়া সেতু উদ্বোধন কৰাৰ মুহূৰ্ত অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আৰু অন্যান দলীয় কাৰ্যকৰ্তা সকল




প্ৰধানমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোদীৰ নেতৃত্বত এন.ডি.এ চৰকাৰৰ ১২ বছৰ সম্পূৰ্ণ হোৱাৰ উপলক্ষে আয়োজিত অধিৱেশনত অংশগ্ৰহণ কৰা এন.ডি.এ মিত্ৰজোটৰ নেতৃবৰ্গ



কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰীযুত অমিত শ্বাহ ডাঙৰীয়াৰ উপস্থিতিত উত্তৰ-পূৰ্বাঞ্চলৰ তেল তথা গেছ অন্বেষণৰ পথ প্ৰসস্থ কৰি ভাৰত চৰকাৰ, অসম চৰকাৰ আৰু নাগালেণ্ড চৰকাৰৰ মাজত এক ঐতিহাসিক ত্ৰিপাক্ষিক চুক্তি স্বাক্ষৰিত হয়।



অসমৰ মহামহিম ৰাজ্যপাল শ্ৰীযুত লক্ষণ প্ৰসাদ আচাৰ্য ডাঙৰীয়াক সোৰাদ্যপূৰ্ণ সাক্ষৎ ৰাজ্যিক সভাপতি শ্ৰীযুত দিলীপ শইকীয়া ডাঙৰীয়া আৰু বিজেপি অসম তথা ত্ৰিপুৰাৰ সাংগঠনিক সাধাৰণ সম্পাদক জি.আৰ. ৰবীন্দ্ৰ ৰাজু




এভিয়ানত অনুষ্ঠিত জি-৭ সম্মিলনত সতীৰ্থ নেতাসকলৰ সৈতে ভাৰতৰ প্ৰধানমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোদী ডাঙৰীয়া




নতুন দিল্লীত অনুষ্ঠিত এন.ডি.এ মিত্ৰজোটৰ সমাবেশত অংশগ্ৰহণ কৰে প্ৰধানমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোদী ডাঙৰীয়াই



বিশ্ব পৰিবেশ দিৱস উপলক্ষে ৰুদ্ৰাক্ষৰ গছ পুলি ৰোপণ কৰে মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই



মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ নেতৃত্বত এন.ডি.এ চৰকাৰৰ ১২ বছৰ সম্পূৰ্ণ হোৱাৰ শুভক্ষণত শ্ৰীশ্ৰী মা কামাখ্যা মন্দিৰত পূজা অৰ্চনা কৰাৰ মুহূৰ্তত ৰাজ্যিক সভাপতি শ্ৰীযুত দিলীপ শইকীয়া ডাঙৰীয়া



বিশ্ব ৰক্তদান দিৱস উপলক্ষে আয়োজন কৰা ৰক্তদান শিবিৰত ৰক্তদান কৰাৰ পুণ্য মুহূৰ্তত ৰাজ্যিক সভাপতি



মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই স্বাধীনতা সংগ্ৰামী শ্বহীদ কুশল কোঁৱৰৰ ৮৩ সংখ্যক মৃত্যু তিথি 'শ্বহীদ দিৱস' উপলক্ষে আয়োজিত অনুষ্ঠানত তেওঁৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি অৰ্পন কৰাৰ লগতে স্বাধীনতা সংগ্ৰামী সকলক সম্বৰ্ধনা জনাই



বিশেষ জনসম্পৰ্ক অভিযানৰ জৰিয়তে মাননীয় সভাপতি শ্ৰীযুত দিলীপ শইকীয়াই সাক্ষাৎ কৰে অৱসৰপ্ৰাপ্ত অধ্যাপক সন্মানীয় শ্ৰীঅজিত কুমাৰ হাজৰিকা দেৱক



বিশেষ জনসম্পৰ্ক অভিযানৰ জৰিয়তে মাননীয় সভাপতি শ্ৰীযুত দিলীপ শইকীয়াই সাক্ষাৎ কৰে বিশিষ্ট সাংবাদিক শ্ৰী অমূল্য খাটনিয়াৰ ডাঙৰীয়াক



অসম চৰকাৰৰ মাননীয় মন্ত্ৰী শ্ৰীজয়ন্তমল্ল বৰুৱা আৰু ৰাজ্যিক সভাপতি শ্ৰীদিলীপ শইকীয়া ডাঙৰীয়াৰ উপস্থিতিত বি.টি.চি.-ৰ আটাইকেইখন জিলাৰ কৰ্ণধাৰ সমিতিৰ বৈঠক




বি.টি.চি.-ৰ কৰ্ণধাৰ সমিতিৰ বৈঠকত ভাষণ প্ৰদান কৰে ৰাজ্যিক সভাপতি মাননীয় দিলীপ শইকীয়া ডাঙৰীয়া



বিশেষ জনসম্পৰ্ক অভিযানৰ দ্বাৰা ৰাজ্যৰ বিশিষ্ট অভিনেত্ৰী শ্ৰীমতী মৃদুলা বৰুৱা ডাঙৰীয়ানিক নিজ বাসগৃহত সাক্ষাৎ কৰে ৰাজ্যিক সভাপতি শ্ৰীদিলীপ শইকীয়া ডাঙৰীয়াই



বিশেষ জনসম্পৰ্ক অভিযানৰ দ্বাৰা অসমৰ প্ৰখ্যাত লোকশিল্পী আৰু লোক সংস্কৃতিৰ সাধক পদ্মশ্ৰী বঁটা প্ৰাপক শ্ৰীদ্ৰোণা ভূঞা ডাঙৰীয়াক নিজ বাসগৃহত সাক্ষাৎ কৰে ৰাজ্যিক সভাপতি শ্ৰীদিলীপ শইকীয়া ডাঙৰীয়াই



অসমৰ জনপ্ৰিয় শিল্পী হিয়াৰ আমঠু জুবিন গাৰ্গৰ পবিত্ৰ সমাধিক্ষেত্ৰত সেৱা জনাই অসমৰ মননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই



অসমৰ জনপ্ৰিয় শিল্পী হিয়াৰ আমঠু জুবিন গাৰ্গৰ পবিত্ৰ সমাধিক্ষেত্ৰৰ নিৰ্মাণ কাৰ্যৰ অগ্ৰগতিৰ বুজ লোৱাৰ মুহূৰ্তত অসমৰ মননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই

# ত্যাগ আৰু সংগ্ৰামৰ অবিস্মৰণীয় ক্ষণবোৰ














# ত্যাগ আৰু সংগ্ৰামৰ অবিস্মৰণীয় ক্ষণবোৰ

















# ত্যাগ আৰু সংগ্ৰামৰ অবিস্মৰণীয় ক্ষণবোৰ















# ত্যাগ আৰু সংগ্ৰামৰ অবিস্মৰণীয় ক্ষণবোৰ













# ত্যাগ আৰু সংগ্ৰামৰ অবিস্মৰণীয় ক্ষণবোৰ














বিশ্ব পৰিৱেশ
দিৱস-২০২৬






RNI REGD. NO. ASSASS/2018/75974
POSTAL REGD. NO. RNP/GH-161/2020-2022

ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশ। অটল বিহাৰী বাজপেয়ী ভৱন, বেলতলা-বশিষ্ঠ চাৰিআলি, গুৱাহাটী-৭৮১০২৮ ৰ হৈ সুশান্ত বিশ্বাসৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত।